# বি,এইচ, কলেজ আলোচনী



Professor Staff



Left to Rigt

1st : (Sitting) Prof. A.C. Barman, Prof. K.K. Mahanta, Prof. D.R. Dutta, Prof. M.N. Goswami, Principal S.N. Das, Prof. S.C. Nath, Prof. G.N. Choudhury, Prof. K. Nath.

1st : (Standing) Prof. H.B. Choudhury, Prof. S. Das, Prof. S.A. Hamid, Prof. P.K. Khataniar, Prof. S.C. Debnath, Prof. R. Bhattacharya, Prof. B.K. Sharma, Prof. Miss S.P. Goswami, Prof. Miss B. Talukdar, Dr. Mrs. K.K. Kakati, Prof. R.C. Rava.

2nd : Prof. A.C. Pathak, Prof. B. Basumatary, Prof. M.K. Bhowmik, Prof. A.H. Khan, Prof. A.C. Kalita, Dr. S.S. Singh, Prof. R.A. Maheswari, Prof. S. Dutta, Prof. D.K. Sharma, Prof. S. Dasgupta, Prof. T.C. Bhattacharyya, Dr. A.C. Bhowmik, Prof. R. Jajodia.

3rd : Prof. M. Kedia, Prof. P. Maheswari, Prof. D. Dutta, Prof. R. Bhuyan, Prof. N. Dev Choudhury, Prof. G.C. Das, Prof. B. Hussain, Prof. G. Das, Prof. K. Alam, Prof. N. Goswami, Prof. R. Das, Mr. H. Choudhury

# বি এইচ মহাবিদ্যালয় আলোচনী

## ১৯৯২-৯৩
## ১৯৯৩-৯৪

তত্ত্বাৱধায়ক
শ্ৰীৰবীন ভট্টাচাৰ্য্য

সম্পাদক
শ্ৰীসমীৰ কুমাৰ সাহা

# বি এইচ মহাবিদ্যালয় আলোচনী

১৯৯২-৯৩; ১৯৯৩-৯৪ চন


**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ অধ্যক্ষ শ্রীসত্যনাথ দাস
শ্রীবৰীন ভট্টাচাৰ্য্য (তত্ত্বাৱধায়ক)

সদস্য ঃ শ্ৰীমুনীন্দ্ৰ নাৰায়ণ গোস্বামী
শ্রীঅৰুণ কুমাৰ দাস
শ্রীৰমেশ চন্দ্ৰ দাস
শ্রীখৰ্গেশ্বৰ নাথ
শ্রীসৃজন চন্দ্ৰ নাথ
শ্রীঅমল চন্দ্ৰ ভৌমিক
শ্রীসমীৰ সাহা (সম্পাদক)
শ্রীঅলকেশ বায়ন (সাধাৰণ সম্পাদক)

ফটো ঃ চিত্ৰছায়া ষ্টুডিঅ', বৰপেটাৰোড
বেটুপাত ঃ শ্রীৰঞ্জীব গগৈ
অংগসজ্জা ঃ শ্রীপঙ্কজ নাথ
ডি.টি.পি ঃ ক্লাছিক এছোচিয়েটচ, গুৱাহাটী–৩
মুদ্ৰাকৰ ঃ শৰাইঘাট অফছেট
বামুণীমৈদাম, গুৱাহাটী–২১

কৃতজ্ঞতা ঃ অধ্যক্ষ সত্যনাথ দাস, অধ্যাপক-অধ্যাপিকা মণ্ডলী, শ্রীহৃষীকেশ গোস্বামী, শ্রীঅলকেশ বায়ন, শ্রীৰাজু গোস্বামী, শ্রীৰূপ কুমাৰ দাস, শৰাইঘাট অফছেটৰ স্বত্বাধিকাৰ শ্রীনৃপেন শৰ্মা আৰু কৰ্মচাৰীবৃন্দ, ক্লাছিক এছোচিয়েটচৰ স্বত্বাধিকাৰ ড° হিতেনকৃষ্ণ মহন্ত, দিলীপ দাস আৰু অন্যান্য, ৰঞ্জীৱ গগৈ আৰু শ্রীবৰীন ভট্টাচাৰ্য্য।


## উৎসৰ্গা



অসমৰ স্বাৰ্থ আৰু উন্নতিৰ হকে প্ৰাণবলি দিয়া প্ৰতিজন জ্ঞাত অজ্ঞাত বীৰ-বীৰাঙ্গণালৈ আমাৰ সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ।

## সম্পাদকৰ কলম

# "ৰাজপথে ৰিঙিয়াই আছে ....."



সমাজ গঠন প্ৰক্ৰিয়া দিনে দিনে দুৰ্বল হৈ আহিছে। সামাজিক-অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাই দেশৰ প্ৰগতিৰ গতিধাৰা মন্থৰ কৰি তুলিছে। সমাজ পৰিবৰ্তনৰ অৰ্থে গণ বিপ্লৱৰ আৱশ্যক অনস্বীকাৰ্য। কিন্তু দেশৰ দুৰ্নীতি নাশ কৰিবলৈ দুহাতত বন্দুক তুলি ল'লেই বিপ্লৱ নহয়। সহস্ৰ শোষিত জনতাৰ জনসভাত কণ্ঠস্থ হোৱা ভাষণ দিলেই বিপ্লৱ গঢ়ি নুঠে। বিপ্লৱ গঢ়ি উঠে শোষণকাৰীৰ লগত আপোচ নকৰা সৎ নেতাৰ আদৰ্শ আৰু সুস্থ মস্তিষ্কৰ পৰিচয় চিন্তাধাৰাৰ ভেঁটিত। কিন্তু বিপ্লৱেই যদি কলংকিত হৈ যায় নতুন সমাজৰ বৰভেঁটি সবল হ'ব কেনেকৈ?

সম্প্ৰতি, দেশৰ সমস্যাবোৰ জটিলৰূপৰ ক্ৰমশ জটিলতৰ হৈ আহিছে। ক্ৰমে বাঢ়ি গৈছে মৃত্যুৰ গোপন তালিকা। মন্দিৰে-মছজিদে হিংসাৰ জুই লাগিছে। বিচাৰ নাই। বিচাৰ নোহোৱাটোৱে ৰজাৰ বিচাৰ! অনীতিবোৰেই দেশৰ নীতি হৈ পৰিছে। বৰ্তমান অকল নিজৰ কথা ভাবি ঘৰৰ ভিতৰত বহি থকাৰ দিন উকলি গ'ল। দেশৰ কথা চিন্তা কৰা সময় আহি পৰিছে।

এতিয়া কোনেও কাকো বিশ্বাসত নলয়। বিপ্লৱী নেতা কিম্বা ৰাজনৈতিক নেতাই হওঁক সকলোৱে স্বজনপ্ৰীতিৰ বাবে কাম কৰে। তাৰোপৰি, সন্মানীয় সাংবাদিক শিল্পী সাহিত্যিতসকলেও ৰজাঘৰত উঠা-বহা কৰা হ'ল। তেওঁলোকেও বঁটা কিম্বা উপঢৌকন পাবলৈ আখৰাত নামি পৰিছে। সন্মানীয় সাহিত্যিকসকলেও যদি অকল নিজৰ কথা ভাবি সাহিত্য কাৰ্যত লিপ্ত হয় আমিবোৰে কি কৰিব পাৰোঁ?

অসমৰ অখণ্ডতা আৰু নিজ মাতৃক উদ্ধাৰৰ অৰ্থে দেশৰ উঠিঅহা নতুন পুৰুষেই সময়ৰ বাঘজৰী টানিব লাগিব। ঐক্য, শান্তি, সম্প্ৰীতি বজাই ৰাখিবলৈ দেশৰ নতুন পুৰুষ ৰাজপথলৈ ওলাই আহিবই লাগিব। সংগ্ৰাম সুদৃঢ় আৰু ঐক্যবদ্ধ হ'ব লাগিব। পূৰ্ব অভিজ্ঞতাৰ পৰা আমি ক'ব পাৰোঁ যে সংগ্ৰামত বিভেদ আহিলে শোষণকাৰী সবল হৈ উঠিব। তেতিয়া পুনৰ নিস্প্ৰভ হৈ যাব জীৱনৰ অৰ্থ। নিজৰ জীৱনক আকৌ এবাৰ নিপাত কৰি হ'লেও আমি আনিবই লাগিব দেশৰ পূৰ্ণ স্বাধীনতা। স্বাধীন হৈও পৰাধীনতাৰ সোৱাদ কিমান দিন পান কৰিবা। কবি হীৰুদাৰ কবিতা ফাঁকি ৰাজপথে এতিয়াও ৰিঙিয়াই আছে—

*"দেশ বুলি ক'লে আদেশ নেলাগে,*
*মোৰ তুমুকলি তেজত টগবগাই উঠে*
*এহেজাৰ এটা ৰণুৱা ঘোঁৰা!"*

ইতি

**সমীৰ সাহু**

আলোচনী সম্পাদক

সূচীপত্ৰ


প্ৰবন্ধ

★ বৰপেটাৰোড মহিলা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে □ ড° হীৰেণ গোহাঁই ... ১
★ অসমৰ শৈক্ষিক বাতাবৰণ আৰু ছাত্ৰ-শিক্ষকৰ ভূমিকা □ শ্ৰীনত্যানাথ দাস ... ২
★ সমাজ : শিক্ষানুষ্ঠান : শিক্ষাৰ্থী □ অধ্যক্ষ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী ... ৫
★ সাংস্কৃতিক প্ৰক্ৰিয়া □ ড° অমল ভৌমিক ... ৭
★ অসমৰ বিবাহ প্ৰথা □ ফুলকুমাৰী কলিতা ... ৯
★ ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাবাদ □ আব্দুল আশ্ৰাফ সিকদাৰ ... ১১
★ শৈক্ষিক আৰু মানসিক উৎকৰ্ষ সাধনত যোগাসন □ অমলেন্দু চৌধুৰী ... ১৬
★ অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ □ অৰুণজ্যোতি নাথ ... ১৮
★ শিক্ষা □ ভাস্কৰ শৰ্মা ... ২০
★ মুছলমানসকলৰ কিছু চিন্তা : প্ৰসংগ বেশ্যিত □ মনহৰি মাদল ... ২২
★ বিষ্ণুবাভাৰ জীৱন আলেখ্য □ জোন দাস ... ২৪

কবিতা

★ অপেক্ষা □ কেশৱ মহন্ত ... ২৯
★ খোৱাঁলে □ নয়নজ্যোতি দাস ... ৩০
★ প্ৰতিচ্ছবি □ বনজিৎ তালুকদাৰ ... ৩০
★ অন্ত □ মাধৱিকা দাস ... ৩০
★ হয়তো এদিন □ মিজানুৰ ৰহমান ... ৩১
★ প্ৰবাসী □ মনোজ কুমাৰ কলিতা ... ৩১
★ মৰুভূমি □ ৰঞ্জিত বৰ্মন ... ৩২
★ এনেকুৱাই জীৱন □ ধ্ৰুৱজ্যোতি দাস ... ৩২
★ পৰীৰ মেলা □ হিতেশ দাস ... ৩৩
★ শান্ত হওঁক প্ৰজন্ম □ বনজিৎ তালুকদাৰ ... ৩৩

গল্প

★ সমস্যা সেতু... □ হেমন্ত কুমাৰ দাস ... ৩৭
★ বন্দী মই আৰু যোৱেক □ সীমা কলিতা ... ৪১
★ নতুন দিগন্ত □ শৰৎ কুমাৰ দাস ... ৪৩
★ অনাবৃত □ ৰূপেন দাস ... ৪৫
★ সিদ্ধান্ত □ প্ৰমোদ শৰ্মা ... ৪৭
★ জীৱন জিজ্ঞাসা □ অৰ্জুন পূজাৰী ... ৫০
★ বুকুত দুখৰ আৱৰণ □ সমীৰ কুমাৰ সাহা ... ৫২
★ পৰাজয় □ ধ্ৰুৱজ্যোতি নাথ ... ৫৪
★ এক নতুন পথৰ সন্ধান □ নয়নজ্যোতি দাস ... ৫৪
★ এখিন ফুল □ বনজিৎ তালুকদাৰ ... ৫৮
★ নীৰৱ চকুলো □ শ্ৰীকুঞ্জন শেঠী ... ৫৯
★ বকুল আমি আৰু সময়ে □ মনোজ কুমাৰ বৰ্মন ... ৬১

English Section ... ৬৩ – ৮০
বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ... ৮১ – ১০৫
মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল ... ১০৬ – ১০৮
List of Distinguished Students ... ১০৯
আলোচনী সম্পাদকৰ ... ১১১


# প্ৰবন্ধ

# বৰপেটাৰোড হাউলী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে

ড° হীৰেণ গোঁহাই

অৱশ্বিত কথা যে কেইজনাবো বাওঁ-বাওঁ বুলিও যাই যি এইটো কলেজটোলৈ যাব পথ নাই। কেতিয়াবা কলেজকেই ভবিষ্য বদনাম, কেতিয়াবা বা যত্নেই ভৱিষ্য সনাৰ্ত। কিন্তু দুটা কাৰণত কলেজখনৰ প্ৰতি মোৰ শুভেচ্ছা আছে। প্ৰথমে ই বাহিৰৰ উদ্যোগত সমাজসেৱী সকলৰ নেতৃত্বত গঢ় লোৱা কলেজ, আৰু দ্বিতীয়তে বহু জনগোষ্ঠীৰ ই মিলনক্ষেত্ৰ আৰু সেয়ে অসমৰ ক্ষুদ্ৰ সংস্কৰণ।

ছাত্ৰ-ছাত্ৰী সকলক মই কি কম? মোৰ এনে কি জ্ঞান আছে যি তেওঁলোকৰ সমস্যা সমাধান কৰিব পাৰে, তেওঁলোকৰ ভৱিষ্যতৰ পথ সুগম কৰিব পাৰে?

ছাত্ৰ-ছাত্ৰী সকলৰ এক ব্যক্তিগত ভৱিষ্যত আছে। প্ৰত্যেকেই কিবা এটা হ'বলৈ, কিবা এটা পৰিচয় লাভ কৰিবলৈ উৎসুক। কিন্তু তেওঁলোক এখন সমাজৰো সদস্য। সেই সমাজখনৰো এটা নিজস্ব ৰূপ আৰু চৰিত্ৰ আছে, তাৰো স্বাস্থ্য প্ৰশ্ন আছে। সমাজখন সুস্থ হৈ থাকিলে হে ব্যক্তিৰ ব্যক্তিগত ভৱিষ্যত উজ্জ্বল হ'ব পাৰে।

আজি সমাজখনলৈ চালে কি দেখা যায়? প্ৰথমতে ব্যাপক অভাৱ— খাদ্যবস্ত্ৰৰ অভাৱ, নিৰাপত্তাৰ অভাৱ, চাকৰিৰ অভাৱ, সুযোগসুবিধাৰ অভাৱ, ন্যায়ৰ অভাৱ। দ্বিতীয়তে দেখা যায় এচাম মানুহে সকলো সম্পদ, সুযোগ-সুবিধা হাত কৰিছে। ফলস্বৰূপে দুৰ্নীতি আমাৰ "জাতীয় ভূষণ" হৈ পৰিছে।

এনে এখন সমাজৰ সৰহভাগ ছাত্ৰ-ছাত্ৰীৰে জীৱনদৰ্শন বিকৃত হব, ব্যক্তিগত জীৱনৰ উচ্চাকাংক্ষা ফলৱতী নহব। সেয়েহে সমাজখনৰ সমানি হোৱাটো সকলোৰে বাবে প্ৰধান কাম্য। সেয়েই সমাজৰ যথাযথ পৰিবৰ্তনৰ বাবে প্ৰত্যেকেই সক্ৰিয় হব লাগিব।

সমাজ পৰিবৰ্তনৰ কথা কোৱা সহজ, কথাটো মুখেৰে কোৱা সহজ। ব্যক্তিগত চেষ্টাৰে সমাজ পৰিবৰ্তন কৰা অকল নবীন মনৰ কাম নহয়। এটা চেষ্টাৰে নবীন লোক পৰিবৰ্তন কৰিবলৈ কিম্বা, একেই কথা। অসংখ্য মানুহৰ সম্মিলিত চেষ্টাতহে সমাজ পৰিবৰ্তন হব পাৰে। তাকো একেদিনতে কৰা অসম্ভৱ। অন্ততঃ এটা যুগ লাগিব। বহুদূৰ আগবঢ়াৰ পিছতো কেবা লাগিব পাৰে আৰু তেনেকৈয়ে বহু মানুহৰ ত্যাগ আৰু কষ্ট অধৰেও যাব পাৰে। তেনেকৈ ছোৱালিয়োত কাঢ়িয়াত হ'ল) সেয়ে সমাজ পৰিবৰ্তনৰ হকে অযথাতে কাম কৰা উচিত নহয়। বিশেষকৈ কেৱল বন্দুক হাতত ল'লেই সমস্যাৰ সমাধান নহয়। মাত্ৰ সাময়িক ভাবে ক্ষমতাৰ ভ্ৰম এটা মনটো আছে।

এনেস্থলত ছাত্ৰ-ছাত্ৰীয়ে কি কৰা উচিত? মোৰ ধাৰণা যে ছাত্ৰাৱস্থাত পঢ়াশুনা কৰিবলৈ, ভাবিবলৈ, অনুসন্ধান আৰু বিশ্লেষণ কৰিবলৈ মানুহে যিমান সময় পায়, পৰৱৰ্তী জীৱনকালত তাক নাপায়। সেয়ে সকীয় মনেৰে কথাবোৰ জানিবলৈ আৰু বুজিবলৈ সকলোৱে চেষ্টা কৰা উচিত আমাৰ বৰ্তমান সমাজৰ কোনখিনি বেয়া, কিয় বেয়া, সেইবোৰ কেনেকৈ শিক্ষিত লোকসকলে দূৰ কৰাৰ উপায় সম্পৰ্কেও চিন্তা কৰিব লাগিব। সমাজৰ বিভিন্ন অংশৰ মানুহৰ সমস্যা কেনেধৰণৰ, সেইবোৰো বুজিবলৈ চেষ্টা কৰা ভাল।

আমাৰ মহাবিদ্যালয়বোৰৰ সমাজসেৱা এক প্ৰহসন। কিন্তু যথেষ্ট সংখ্যক ল'ৰাছোৱালীয়ে যদি সমাজ সেৱাত অংশগ্ৰহণ কৰে —

• অৱহেলিত, অনুন্নত গাওঁবোৰত চৈগ বান্ধবৰ বাবে, বিশুদ্ধ খোৱাপানীৰ, যথাসাধ্য ব্যৱস্থা কৰে, যেনেকৈ আৰু চিকিৎসাত সহায় কৰে, উন্নত কৃষিৰ খবৰ কৃষকক দিয়ে, অথবা চহৰখনকে পৰিষ্কাৰ কৰে, পৰিবেশ সংৰক্ষণত সৰ্ব-সাধাৰণ বাহিনীৰ সহায় লয়— তেনেহ'লে সমাজৰ মাজত তেওঁলোকৰ আত্মীয়তা বাঢ়িব, সমাজৰ প্ৰতি দায়িত্ববোধ বাঢ়িব, সমাজৰ স্বৰূপ সম্পৰ্কে স্পষ্ট ধাৰণা এটা হব।

আজিৰ যুগৰ সকলোতকৈ মাৰাত্মক ব্যাধি হৈছে সমাজৰ প্ৰতি দায়িত্বহীনতা। ব্যক্তিৰ বিকাশ লাগে। কিন্তু তাৰ বাবে সমাজৰ ক্ষতি হলে সেই বিকাশ বিকৃত হব। সেয়ে সামাজিক দায়িত্ববোধ জাগ্ৰত কৰাত সচেতন ছাত্ৰ-ছাত্ৰীয়ে আগভাগ লব লাগে। সৰ্বোপৰি মানসিকভাবে আজিৰ যুগৰ অসৎ আদৰ্শসমূহ দুৰ্নীতি, অমানৱিক লোভ, স্বাৰ্থপৰতা— সম্পূৰ্ণ বৰ্জন কৰিব লাগে। তেনেকৈ সমাজ পৰিবৰ্তন নহলেও সমাজ পৰিবৰ্তনৰ উপযুক্ত বাতাবৰণ-পৰিৱেশ গঢ়ি উঠিব। তাৰ পিছতহে সমাজ পৰিবৰ্তনৰ উপযুক্ত কাৰ্যসূচী গ্ৰহণ সম্ভৱ হব। মই'দেখ সমাজপৰিবৰ্তনৰ ক্ষেত্ৰ সৃষ্টি কৰি নেতৃত্ব দিব উপযোগী আৰু দুৰ্নীতিমুক্ত সকলে। ■

# অসমৰ শৈক্ষিক বাতাবৰণ আৰু ছাত্ৰ-শিক্ষকৰ ভূমিকা

**সত্যনাথ দাস**
অধ্যক্ষ, বি.এইচ. কলেজ

বৰ্তমান সময়ত তিনিটা বস্তু বৰ শক্তিশালী। প্ৰথম, এটম ব'ম, দ্বিতীয় বৰ্দ্ধিত জনসংখ্যা আৰু তৃতীয়টো হ'ল, ছাত্ৰশক্তি। এটম ব'ম ইমান শক্তিশালী যে, পৃথিৱীৰ বিভিন্ন কোণত যদি একে সময়তে কেবাটাও এই ব'ম বিস্ফোৰণ ঘটোৱা হয়, তেন্তে নিমিষতে সমগ্ৰ পৃথিৱী ধূলিস্যাত হৈ যাব। নতুবা ভূগৰ্ভৰ কেন্দ্ৰত যদি এটা এটম ব'ম বিস্ফোৰণ ঘটোৱা হয়, সেই এটাই যেনো সমগ্ৰ পৃথিৱী মুহূৰ্ত্ততে ধ্বংশ কৰিব পাৰে।

দ্বিতীয়তে,সামগ্ৰিকভাৱে পৃথিৱীত বিশেষকৈ অনুন্নত আৰু উন্নয়নশীল দেশবোৰত যি ভয়ানক হাৰত জনসংখ্যা বৃদ্ধি পাব ধৰিছে, তাৰ প্ৰতিৰোধৰ যদি কোনো কাৰ্য্যকৰী ব্যৱস্থা অচিৰে হাতত নলৈ এইদৰে বাঢ়ি যাব দিয়া হয়, তাৰ পৰিণতি ভয়ংকৰ হব। অদূৰ ভবিষ্যতে মানুহে ঘৰবাৰী, অট্টালিকা সজাই সুখ শান্তিৰে থকা দূৰৰ কথা,ঠিয় হবলৈ ঠাই একণো নাপাব। খাদ্য সামগ্ৰীৰ অভাৱত মানুহে মানুহৰ মাংস ভক্ষণ কৰিব লাগিব।

তৃতীয়টো হ'ল, ছাত্ৰশক্তি। এই শক্তি ইমান শক্তিশালী, ইমান ব্যাপক যে, সুসংগঠিত এই শক্তিৰ আগত কোনো কাযাই অসম্ভৱ নহয়। ইতিহাসৰ গতি পৰিবৰ্তন কৰিব পৰা শক্তি ছাত্ৰশক্তিৰ আছে। পৃথিৱীৰ ইতিহাসত এনে দৃষ্টান্ত বহুতো পোৱা যায়। এই দুৰ্জ্জয় শক্তিক সুসংগঠিত কৰি যদি মানব জাতিৰ কল্যাণৰ হকে নিয়োজিত কৰিব পৰা যায়, সি বেছি গৌৰৱৰ কথা, বেছি হিতকাৰী নহবনে? শক্তিৰ উপযুক্ত প্ৰয়োগতহে ইয়াৰ মাহাত্ম্য আৰু গৌৰৱ।

এই নিবন্ধত অসমৰ সাম্প্ৰতিক পৰিস্থিতিত ছাত্ৰশক্তিয়ে কেনেদৰে এটা সুস্থ, শান্তিপূৰ্ণ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰি, দেশৰ শিক্ষাৰ মান উন্নত কৰিব পাৰে, তাৰ ওপৰত সাধাৰণভাৱে আলোকপাত কৰাৰ চেষ্টা কৰা হৈছে।

এইটো অনস্বীকাৰ্য্য যে, বৰ্তমান অসমৰ শিক্ষাৰ মানদণ্ড যথেষ্ট নিম্ন। সময়ৰ লগে লগে ই বেছি নিম্নগামীহে হোৱা দেখা গৈছে। ইয়াৰ একাধিক কাৰণ আছে। বিগত অসম আন্দোলনৰ সময়ত শিক্ষাবিৰোধী মনোভাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুশাসনবোধ আৰু শিক্ষানুৰাগ ভালেখিনি হ্ৰাস কৰিছে। সম্প্ৰতি **এই কথা উপলব্ধি কৰা হৈছে; ই বৰ শুভ লক্ষণ।**

আধুনিক, বিজ্ঞানসম্মত পাঠ্যক্ৰমৰ অভাৱ, উপযুক্ত মানদণ্ড বিশিষ্ট পাঠ্যপুথিৰ অভাৱ, পাঠ্যপুথিৰ সময়োচিত যোগানৰ অভাৱ, জহিখহি যোৱা শিক্ষানুষ্ঠানৰ ভৱন, উন্নত পুথিভঁৰাল, বিজ্ঞানাগাৰ আদিৰ অভাৱ; সৎ, নিষ্ঠাবান, প্ৰকৃতাৰ্থত শিক্ষাব্ৰতী শিক্ষকৰ অভাৱ, উপযুক্ততাৰ ভিত্তিত শিক্ষক নিযুক্তিৰ পৰিবৰ্তে চৰকাৰে মেলি দিয়া শিক্ষক নিযুক্তিৰ মুকলি বেহা; মন্ত্ৰী বিধায়ক প্ৰমুখ্যে নিম্নৰ পৰা সৰ্বোচ্চ পৰ্য্যায়ৰ বিভাগীয় বিষয়া কৰ্মচাৰীৰ নিলৰ্জ্জ দুৰ্নীতি, স্বজনপ্ৰীতি, ভ্ৰষ্টাচাৰ ইত্যাদি, ইত্যাদি এশ এবুৰি কাৰণে আজি অসমৰ শিক্ষা ব্যৱস্থাটো চৰম অধঃপতিত হৈছে। সমাজৰ প্ৰতিজন সচেতন ব্যক্তিয়ে আজি এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে; শিক্ষা বিভাগৰ চৰম দুৰ্নীতি আৰু বিষয়া, কৰ্মচাৰী মন্ত্ৰী, বিধায়কৰ চৰম দেশদ্ৰোহীতাৰ বিৰুদ্ধে সোচ্ছাৰ প্ৰতিবাদো নোহোৱাকৈ থকা নাই, কিন্তু এই সকলো অন্যায়, অবিচাৰ আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে সৰ্বাত্মক গণ-আন্দোলন গঢ়ি শিক্ষা ব্যৱস্থাক নিকা, দুৰ্নীতিমুক্ত আৰু প্ৰগতিশীল কৰি তুলিবলৈ তেনে কোনো তীব্ৰ আন্দোলন বা কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা দেখা নাযায়।

আজি অসমত এটা সৰ্বাত্মক সাংস্কৃতিক বিপ্লৱৰ অতীব প্ৰয়োজন। অসমৰ একত্ৰিত ছাত্ৰশক্তি এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব নোৱাৰেনে? আমাৰ দৃঢ় বিশ্বাস, যদি অসমৰ ছাত্ৰশক্তিয়ে নিঃস্বাৰ্থভাৱে, সেৱাৰ মনোবৃত্তিৰে উদ্বুদ্ধ হৈ এই প্ৰত্যাহ্বান গ্ৰহণ কৰি সুচিন্তিতভাৱে কাৰ্য্যসূচী হাতত লয়, বাইজে নিশ্চয় আন্তৰিকতাৰে সৰ্বপ্ৰকাৰে সহায়-সহযোগ আগবঢ়াব। তাৰ বাবে প্ৰয়োজন সুস্পষ্ট লক্ষ্য, সুপৰিকল্পিত হ্ৰস্ব আৰু দীৰ্ঘম্যাদী আঁচনি; নিঃস্বাৰ্থ, চৰিত্ৰবান আৰু দূৰদৰ্শী নেতৃত্ব।

এই প্ৰসঙ্গত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উঠিব পাৰে। দেশত বহুতো ৰাজনৈতিক দল, বিভিন্ন শিক্ষক সংস্থা, কৰ্মচাৰী সংস্থা আৰু হাজাৰ-বিজাৰ গুণী জ্ঞানী বুদ্ধিজীৱি বৰ্তমান, এনেহেন সৰ্বাত্মক আন্দোলনৰ দায়িত্ব কিয় ছাত্ৰশক্তিৰ ওপৰত ন্যস্ত কৰিব বিচৰা হৈছে? উত্তৰত এইটো নিঃসন্দেহে কব পাৰি যে, ৰাজনৈতিক দল বা নেতাসকলে নিজ দল বা ব্যক্তিগত **ৰাজনৈতিক স্বাৰ্থ সৰ্বদা উৰ্দ্ধত ৰাখি দেশসেৱা (?) কৰে।** নিঃস্বাৰ্থভাৱে দেশৰ, জাতিৰ উন্নতি বা মঙ্গলৰ কথা ভবা বা চিন্তা কৰা ৰাজনৈতিক দল বা নেতা আজি দেশত আছেনে? বুদ্ধিজীৱীসকল আছে, পিছে তেওঁবিলাকৰো বহুতে ব্যক্তিগত নাম, যশ,পদবী আৰু অৰ্থৰ লোভত লালায়িত হৈ নিজৰ ব্যক্তিত্ব পাহৰি গৈছে। চৰকাৰী, বেচৰকাৰী কৰ্মচাৰী আৰু সৰ্বস্তৰৰ শিক্ষক সংগঠনসমূহে যদি একত্ৰিত হৈ, এই আন্দোলনৰ নেতৃত্ব লয় তেতিয়া কিন্তু শেনৰ এজাত কিন্তু বাস্তৱক্ষেত্ৰত এনে এটি একীভূত সংগঠন গঢ়ি তোলা অত্যন্ত দুৰুহ কাম হব যাৰ ফলত মূল উদ্দেশ্য সাধন হোৱা সহজ নহব।

ছাত্ৰ শক্তিক এই আন্দোলন সংগঠিত কৰি গঢ়ি তোলাৰ দায়িত্ব এই হেতুকে দিব খোজা হৈছে যে, অসমৰ ছাত্ৰ শক্তিৰ এটা ঐতিহ্য আছে, অতীত গৌৰৱ আছে। ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাত্মক আন্দোলন গঢ়ি তোলাৰ আটাইতকৈ ডাঙৰ সুবিধা হ'ল তেওঁবিলাকৰ ব্যাপকতা আৰু একক পৰিচয়। ছাত্ৰ বুলিলে দ্বিতীয় পৰিচয়ৰ কোনো প্ৰয়োজন নাই। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ একত্ৰিত ছাত্ৰশক্তিয়ে এনে মহান উদ্দেশ্য সাধনৰ বাবে "আহ ঐ আহ, ওলাই আহ" বুলি যদি উদাত্ত আহ্বান জনায়, কোন বৈ থাকিব পাৰে? প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমি যে সকলো ইয়াৰ লগত ওতঃপ্ৰোত ভাবে জড়িত! সৰ্বজন সমাদৃত পন্থা হব আন্দোলনৰ সংগঠনৰ দায়িত্ব থাকিব ছাত্ৰশক্তিৰ ওপৰত কিন্তু নেতৃত্ব বহন কৰিব লাগিব ছাত্ৰশক্তিৰ লগতে নিঃস্বাৰ্থ, দূৰদৰ্শী কৰ্মচাৰী, শিক্ষক আৰু বুদ্ধিজীৱী সকলে। দূৰদৰ্শী নেতৃত্বৰ অভাৱত বহুতো আন্দোলন লক্ষ্যভ্ৰষ্ট আৰু বিপথগামী হোৱা দেখা যায়।

এই বিপ্লৱ সৰ্বাত্মক কৰি তোলাৰ বাবে প্ৰথমতে সুস্পষ্ট আদৰ্শ আৰু কৰ্মপন্থা দাঙি ধৰি সৰ্বসাধাৰণ ৰাইজৰ আস্থা আৰু বিশ্বাসভাজন হব লাগিব. সৰ্বস্তৰৰ ৰাইজৰ প্ৰত্যয় জন্মিব লাগিব যে, এই বিপ্লৱ সংস্কাৰধৰ্মী, গঠনমূলক আৰু সামগ্ৰিকভাৱে সৰ্বজন হিতকাৰী। এইটো অতি গুৰুত্বপূৰ্ণ চৰ্ত্ত। সৰ্বসাধাৰণ ৰাইজৰ অকুণ্ঠ সমৰ্থন আৰু সক্ৰিয় সহায়-সহযোগ অবিহনে কোনো আন্দোলনেই সফল হব নোৱাৰে।

এই আন্দোলনৰ কাৰ্য্যসূচীত তলত উল্লেখ কৰা বিষয় সমূহে অগ্ৰাধিকাৰ পোৱা উচিত বুলি ভাবো।

১। সকলো স্তৰৰ শিক্ষক নিযুক্তি একমাত্ৰ উপযুক্ততাৰ ভিত্তিত হব লাগিব। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এই নীতিৰ কোনো হেৰফেৰ হব নোৱাৰিব।

২। প্ৰচলিত পাঠ্যক্ৰমৰ সংশোধন আৰু পৰিবৰ্তন কৰি, আধুনিক, বিজ্ঞানসম্মত আৰু গতিশীল কৰিব লাগিব। উপযুক্ত মানদণ্ডৰ পাঠ্যপুথি প্ৰস্তুত কৰি ঠিক সময়মতে ছাত্ৰ-ছাত্ৰী সকলক যোগান ধৰিব লাগিব। সংশ্লিষ্ট বিভাগৰ এয়া অৱশ্য কৰণীয় কৰ্ত্তব্য।

৩। 'বন্ধ সংস্কৃতি' সম্পূৰ্ণ বন্ধ কৰিব লাগে। অনাৱশ্যকীয় ছুটীৰ দিন হ্ৰাস কৰি কৰ্মদিনৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। বছৰৰ ৩৬৫ দিনৰ ভিতৰত যি কোনো প্ৰকাৰেই অন্ততঃ ২০০ কৰ্মদিন থাকিবই লাগিব। এইটো অতি প্ৰয়োজনীয়। ইয়াৰ বাবে ছাত্ৰ, শিক্ষক সকলোৱে স্বেচ্ছাই আগবাঢ়ি আহিব লাগিব।

৪। কৰ্মদিনত (Working day) শ্ৰেণীসমূহত পাঠদান বা শৈক্ষিক আলোচনা বিলোচনা অনিবাৰ্য্য হব লাগিব। শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলেও পাঠ গ্ৰহণ কাৰ্য্যত নিয়মীয়া আৰু আগ্ৰহশীল হব লাগিব।

৫। প্ৰতি দুমাহৰ অন্তৰে অন্তৰে অন্ততঃ ৫০ নম্বৰৰ Class test বা Uint test প্ৰতি বিষয়তে পাতিব লাগিব। এই পৰীক্ষাৰ ফলাফলৰ ভিত্তিত বছৰেকীয়া বা বাচনি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে ভাল হব। এই কাৰ্য্য সম্পাদন কৰোঁতে প্ৰশাসনীয় আৰু শিক্ষকসকলৰ কামৰ বোজা কিছু বৃদ্ধি পাব, কিন্তু বৃহত্তৰ স্বাৰ্থৰ হকে ই নিতান্ত প্ৰয়োজন।

৬। পৰীক্ষা গৃহত কোনো পৰীক্ষাৰ্থীয়ে যাতে অসৎ উপায় অৱলম্বন নকৰে বা কৰিব নোৱাৰে, তাৰ বাবে যথেষ্ট সতৰ্কতাৰ প্ৰয়োজন। অসৎ উপায় অৱলম্বনকাৰীক কঠোৰ শাস্তি বিহিব লাগে।

৭। অতি সম্প্ৰতি 'ৰেগিং' নামৰ অসুৰটোৱে যি ভয়ানক ৰূপ ধাৰণ কৰিছে, তাৰ বাবে এই আন্দোলনৰ কাৰ্য্যসূচীত গুৰুতৰ শাস্তিৰ ব্যৱস্থা থাকিব লাগিব। ৰেগিঙত লিপ্ত যি কোনো ছাত্ৰ বা ছাত্ৰীক তৎকালেই বহিস্কাৰ কৰিব লাগে আৰু ভৱিষ্যতে যাতে কোনো শিক্ষানুষ্ঠানত পুনঃ ভৰ্ত্তি হব নোৱাৰে তাৰ উপযুক্ত ব্যৱস্থা হাতত লব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ এই কাৰ্যসূচী সফল কৰাত শিক্ষকসকল আৰু বিশেষকৈ ছাত্ৰাবাস, ছাত্ৰী-নিবাসৰ অধীক্ষক আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰ সাহস আৰ তৎপৰতা বিশেষ প্ৰয়োজন।

৮। সকলোস্তৰৰ শিক্ষানুষ্ঠানৰ বাবে শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰি তাক নিশ্চিতভাৱে কাৰ্যকৰী কৰাৰ ব্যৱস্থা হাতত লব লাগে। নিয়মীয়া পাঠদান আৰম্ভ, পৰীক্ষা, পৰীক্ষাৰ ফলাফল ঘোষণা, আদি পূৰ্বনিৰ্দ্ধাৰিত দিনত হব লাগিব। এই প্ৰসঙ্গত এটা অতি গুৰুত্বপূৰ্ণ কথা হ'ল, পৰীক্ষাৰ বহীসমূহ যাতে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত উপযুক্ত ভাবে মূল্যায়ণ হয় তাৰ বাবে সংশ্লিষ্ট কৰ্ত্তৃপক্ষই সততে চোকা দৃষ্টি ৰাখিব লাগিব। বহু ক্ষেত্ৰত মূল্যায়ণ ত্ৰুটিপূৰ্ণ হোৱা হেতুকে বহুতো ছাত্ৰ-ছাত্ৰীৰ সৰ্বনাশ হোৱা দেখা যায়। এই ক্ষেত্ৰত সংশ্লিষ্ট শিক্ষকসকলৰ দায়িত্ব তুলনামূলকভাৱে বেছি।

৯। প্ৰতিটো শিক্ষানুষ্ঠানৰ ন্যূনতম অৰ্হ্বগাঠনি যেনে— শিক্ষানুষ্ঠানৰ ভৱন, শ্ৰেণীকোঠা, পুথিভঁৰাল, শিক্ষক ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা, অধ্যয়ন কক্ষ, খেল-ধেমালীৰ সা-সুবিধা, নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ ধন যোগান ধৰা, শিক্ষক কৰ্মচাৰীৰ দৰমহা, খোৱাপানী, পেচাব-পায়খানাৰ সুবিধা, ইত্যাদি নিশ্চিতকৈ যোগান ধৰা কল্যাণকামী ৰাষ্ট্ৰৰ অৱশ্যকৰণীয় কৰ্ত্তব্য। ৰাজ্যিক চৰকাৰে এই সা-সুবিধাবিলাক ঠিকমতে আগবঢ়াব

লাগিবই। চৰকাৰৰ শিক্ষা খিতানত হোৱা ব্যয় অনুৎপাদনশীল খৰছ বুলি নাভাবি, উৎপাদনশীল বিনিয়োগ বুলি ভাবিব লাগিব। শিক্ষা খিতানত জাপানত মুঠ ৰাষ্ট্ৰীয় আয়ৰ ৩০ শতাংশতকৈ অধিক বিনিয়োগ কৰে। আমাৰ দেশত অন্ততঃ ১০ শতাংশ কৰা হওক।

১০। শিক্ষানুষ্ঠানৰ কাম-কাজ, পাঠদান আদি সুচাৰুৰূপে পৰিচালিত হৈছে নে নাই তাক নিৰীক্ষণ কৰাৰ বাবে নিয়মীয়া পৰিদৰ্শন অতীৱ প্ৰয়োজনীয়। শিক্ষা বিভাগৰ সংশ্লিষ্ট বিষয়াই এই দিশত সদায় সচেষ্ট হব লাগিব আৰু নিয়মীয়াকৈ Monitoring হোৱাৰ ব্যৱস্থাও থাকিব লাগে। শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিবলৈ হ'লে, নিয়মীয়া পৰিদৰ্শন নিতান্ত প্ৰয়োজন।

১১। উচ্চ শিক্ষা তুলনামূলকভাৱে গুণগত হোৱা বাঞ্ছনীয়। সেয়ে ৰাম, যদু, মধু, সকলোৱে কলেজত ভৰ্ত্তি হৈ এটা হুলস্থূলীয়া, বজাৰ সদৃশ পৰিবেশ সৃষ্টি কৰি চোকা, শিক্ষানুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰো ক্ষতিসাধন কৰা হয়। ই এটা বাস্তৱ জটিল সমস্যা। উচ্চতৰ মাধ্যমিক স্তৰত বৃত্তিগত শিক্ষাৰ (Vocational Education) যেনে — Photography, Tailoring, Dry Washing, Wool Knitting, Stenography, Typing, বাঁহ বেতৰ সৰ্জুলি প্ৰস্তুত, আচাৰ প্ৰস্তুত, কাঠমিস্ত্ৰি, ৰাজমিস্ত্ৰি ইত্যাদি শিল্পৰ বহল প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে এই সমস্যা সমাধান কৰিব পৰা যায়। স্বনিৰ্ভৰশীল হোৱাৰ বাবে জীৱন নিৰ্বাহৰ মাধ্যম (Means of livelihood) হিচাবে বৃত্তিগত শিক্ষা নিতান্ত প্ৰয়োজন। চৰকাৰে এই দিশত আশু কাৰ্যকৰী ব্যৱস্থা হাতত লওঁক। ইত্যাদি, ইত্যাদি।

উপৰিউক্ত কাৰ্যসূচীৰ লেখীয়া কাৰ্যসূচী হাতত লৈ অসমৰ একত্ৰিত ছাত্ৰশক্তিয়ে যদি আন্তৰিকতাৰে সৰ্বাত্মক আন্দোলন আৰম্ভ কৰাৰ হুংকাৰ দিয়ে, আমাৰ দৃঢ় বিশ্বাস, অসমৰ সৰ্বত্ৰ এই হুংকাৰ নিনাদিত হৈ সংশ্লিষ্ট সকলৰ অন্তৰত ত্ৰাসৰ সৃষ্টি কৰিব আৰু অসমৰ সাম্প্ৰতিক পতিত শিক্ষা ব্যৱস্থা ক্ৰমান্বয়ে উন্নতিৰ পথত অগ্ৰসৰ হবলৈ বাধ্য।

অসমৰ ছাত্ৰ-ছাত্ৰী সমাজলৈ এইটো সময়ৰ প্ৰত্যাহ্বান। It is a big challenge আহক, আমি সকলোৱে এই প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত ছাত্ৰ-ছাত্ৰী সমাজলৈ আমাৰ চৰ্ত্তহীন সহায়-সহযোগ আগবঢ়াও। জয় আমাৰ অনিবাৰ্য। ■

'অসমীয়াৰ জাতীয় দেশত তাৰ জাতীয় অস্তিত্বটোক আনৰ চেঁপাত পেলাই আধামৰা আধাজীয়াকৈ অকথ্য দাৰুণ যন্ত্ৰণা ভোগ কৰি থকাকৈ জীয়াৰ নামত জীয়াই ৰাখিবলৈ মোৰ নিচেই মন নাই। হয় পূৰা নিটোল জীৱন— নাইবা পূৰা নিশ্চিহ্ন মৃত্যু।"

— অম্বিকাগিৰি ৰায়চৌধুৰী

"চৰিত্ৰত জাতীয়তাবোধহীন লোকৰ সংখ্যা যি দেশত যিমান সৰহ, সেই দেশ সেই পৰিমাণে অধঃপতনলৈ নামি যায়। জাতীয়তাবোধ চৰিত্ৰ দেশবাসীৰ মাজত সংগঠিত নহ'লে, সেই দেশ নাথাকে। দেশ নাথাকিলে, তাৰ ভাষা-সাহিত্য, সংস্কৃতি, সমাজ, অৰ্থনীতি, ৰাজনীতিও নাথাকে। এই সম্পদবিলাক নাথাকিলে সেই দেশৰ অস্তিত্বও নিৰ্মাণ নহয়। অসমীয়াৰ শতকৰা প্ৰায় নিৰানব্বৈ জনৰে চৰিত্ৰত এই জাতীয়তাবোধৰ দুৰ্বলতা দেখা গৈছে।"

— অম্বিকাগিৰি ৰায়চৌধুৰী

"ব্যক্তিগত লাভালাভৰ ওপৰত এটা জাতীয় মৰ্যাদা আৰু আত্মসন্মান আছে, উপাধিত কৈয়ো ওপৰত এটা চৰিত্ৰৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ আছে, গোৰা-পিন্ধাৰ বাহিৰেও কিছুমান চিৰন্তন সত্য আৰু অশৰীৰী মূল্য (Spritual Values) আছে — এইবিলাক আদৰ্শৰ অনুশীলন কৰাও ছাত্ৰ-জীৱনৰ লক্ষ্য বুলি বোধ হয়।"

— কৃষ্ণকান্ত সন্দিকৈ

"দুৰ্নীতিৰ অবাধ ৰাজত্বৰ নামেই অৰাজকতা। অৰাজকতাৰ অৰ্থই হ'ল শাসন-যন্ত্ৰৰ বিশৃঙ্খলতা। শাসন-যন্ত্ৰৰ বিশৃঙ্খলতাৰ অৰ্থই হ'ল শাসকসকলৰঅযোগ্যতা। শাসকসকলৰ অযোগ্যতাই হ'ল দেশৰ আৰু সমাজৰ ধ্বংসপ্ৰাপ্ততা।"

— অম্বিকাগিৰি ৰায়চৌধুৰী



# সমাজ ঃ শিক্ষানুষ্ঠান ঃ শিক্ষাৰ্থী

অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামী
ইংৰাজী বিভাগ



একোটা জাতিৰ অস্তিত্ব আৰু জাতীয় সংস্কৃতিৰ নিশ্বাস শিক্ষা। শিক্ষাই মন শোধন কৰে আৰু শোধিত মনে কু-সংস্কাৰ আঁতৰাই সংস্কৃতিক পোহৰাই তোলে, জীৱন সুন্দৰ কৰে। সেয়ে শিক্ষাৰ মানদণ্ড আৰু শিক্ষিতৰ হাৰ, উভয়ে জাতি একোটাৰ চিন্তা চৰ্চাৰ লগতে সামগ্ৰিকভাৱে সামাজিক মানদণ্ড, সভ্যতাৰ প্ৰতিফলন ঘটায়। এই কাৰণতেই যুগে যুগে মানৱ সমাজে শিক্ষাৰ ওপৰতে সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে।

দেশে স্বাধীনতা লাভ কৰাৰ আগতে আৰু কিছুদশক পিছলৈকে বিশেষকৈ আমাৰ গাওঁলীয়া অঞ্চল সমূহত আজিৰ লেখীয়াকৈ শিক্ষানুষ্ঠান স্থাপন কৰাৰ প্ৰৱণতা লক্ষণীয় নাছিল। বিভিন্ন কাৰণত, হয়তো সম্যক চেতনা, উপলব্ধি, অৰ্থনৈতিক অস্বচ্ছলতা বা উপযুক্ত নেতৃত্বৰ অভাৱত আৰু ক্ষেত্ৰবিশেষে চৰকাৰী বাধাৰ বাবে অসুবিধাৰ দাসত্ব স্বীকাৰ কৰি অভিভাৱক ৰাইজ কিছু পৰিমানে 'ভাগ্যত যি আছে সেয়ে হ'ব' এনে এক আদৰ্শত নিমজ্জিত আছিল। সময় অতিবাহিত হোৱাৰ লগে লগে সমাজখনৰ পৃষ্ঠস্থিতি সলনি হৈ সৰ্বস্তৰতে শিক্ষা বিস্তাৰৰ এক প্ৰবল ধাউতি গা কৰি উঠা পৰিলক্ষিত হৈছে। শিক্ষাৰ প্ৰতি থকা আগ্ৰহলৈ স্বাগত জনোৱাৰ সুযোগ পৰ্যাপ্ত পৰিমানে পালেও

শিক্ষানুষ্ঠান স্থাপন, ব্যৱস্থাপনা আৰু প্ৰসাৰ সম্পৰ্কত কিছু বিশেষ ইচ্ছা কৰিবলগীয়াও যে আছে সেইটো অনস্বীকাৰ্য।

আৱশ্যকতাৰ ভেটিত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানৰ লগতে আবেগ সমৰ্থিত অনুষ্ঠানেও যে অকল বিশেষে স্থিতি লাভ কৰিছে তাক এৰাই যাব নোৱাৰি। কিন্তু আৱশ্যকতাৰ উৰ্দ্ধত জন্ম লাভ কৰিলেও বহু সময়ত জ্ঞানৰ পোহৰেৰে সমাজক আলোকিত কৰাৰ বিপৰীতে তথাকথিত শিক্ষাপ্ৰেমীসকলে সমস্ত নীতি আৰু আদৰ্শক বহিষ্কাৰ কৰি শিক্ষাৰ আৰু সততাৰ মূল্যবোধৰ পৰা আঁতৰত থাকি মাত্ৰ প্ৰতিযোগিতাৰ হিচাপে আত্মপ্ৰতিষ্ঠাৰ ব্যৱসায়িক শিক্ষিত যুক্তি উদ্ভৱৰ বিপৰীতে অনুষ্ঠানক বাণিজ্যত পৰিণত কৰায়। ফলত সামাজিক বাস্থা, স্বাৰ্থৰ নেতৃত্বত এক প্ৰহসনত পৰিণত হয়। অভিভাৱকৰ পকেটৰ বাবে ই এক প্ৰচণ্ড নৈতিক আঘাত স্বৰূপ হৈ পৰে শিক্ষাৰ মূল ভেটিটোকে লেতেৰা কৰি তোলে। বহু ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষক সন্তুষ্ট কৰিবলৈ নৈ শিক্ষানুষ্ঠান প্ৰতিষ্ঠাকাৰীয়ে "বহু "নাই"ৰ কাগজে-কলমে খন্দ দেখুৱায়। অসংখ্যৰ আসন্ত সত্য প্ৰতিষ্ঠিত কৰিবলৈ স্বাৰ্থতে চক্ৰবৃদ্ধি হাৰত যি ক্ষতি হয় তাক ঢোপ কৰে যাৰ কোনো বিষয়ৰ উদ্দেশ্যে অনুষ্ঠান স্থাপন কৰা হৈছে; নহ'লে সাধাৰণ সমাজৰ সামগ্ৰিক আস্থা লাভ কৰি যি সকলে অনুষ্ঠান প্ৰতিষ্ঠাপনৰ দ্বাৰা নিজস্ব লাভৰ গোপন সম্ভাৱ সন্ধানীয়া। সমাজৰ এই নৈতিক স্খলনৰ প্ৰতি সততে দেখুওৱা উদাসীনতাই এক্ষেত্ৰত লাভ কৰা শিক্ষিত বিপৰীতে কু-সংস্থানেৰে অনুষ্ঠানৰ যশ উপাৰ্জনত উতলনি যোগায় আৰু অলপ, প্ৰেৰণাৰ উৎস হোৱাৰ পৰিবৰ্তে, অনাহুতভাৱে এক অদমনীয় আৰু অনমনীয় চৰিত্ৰৰ সৃষ্টি কৰে। লাগে লাগে শিক্ষাসংস্কৃতিৰ জগতত অপমৃত্যু হয়।

শিক্ষানুষ্ঠানৰ মূল লক্ষ্যৰে সকলো পৰ্যায়ৰ অনুসংগিতাৰ সহযোগক মৰ্যাদা ৰক্ষা কৰাটো সমস্ত, শিক্ষাৰ্থী আৰু শিক্ষকৰ অৱশ্য কৰ্তব্য। কিন্তু আজিকালি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ নামত কি সমস্তুৱা, কি শিক্ষাৰ্থী, কি শিক্ষক সকলোৱে শিক্ষানুষ্ঠানক সময় বিশেষে স্বৰূপ চৰিতাৰ্থৰ জিৰণি ঘৰ হিচাপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। ইয়াৰ ফলত প্ৰকৃত শিক্ষা সমাধিস্থ হয় আৰু আমি আশা কৰা অনুযায়ী উন্নত পুৰুষৰ মাধ্যমেৰে বিস্তৃত ক্ষেত্ৰত সমাজ-মন শোধিত নহয়। উদ্দেশ্য আৰু সুনিৰ্দিষ্ট কৰ্ম চৰিত্ৰৰ স্বৰূপ বিৰোধী ৰূপায়নে আমাৰ আগত যেং-হুৱাৰ সৌন্দৰ্যহে দাঙি ধৰে। পৰিবৰ্তনৰ বিজ্ঞাপনবাদী বতাহ বলিলেও দায়িত্ববোধৰ পৰা সমাজৰ কোনো অংশতে কোনোৱে উদ্ধাৰ পোৱা সমীচীন নহয়। ছাত্ৰসমাজৰ দ্বাৰা বৃহত্তৰ সমাজ গাঁথনি সুদৃঢ় হয়। ছাত্ৰৰ প্ৰকৃত দায়িত্ববোধ আৰু ইয়াৰ নিৰ্ভেজাল আচৰণে শিক্ষাৰ উদ্দেশ্যক প্ৰাণপাল কৰে আৰু সমাজমনক পোহৰাই তোলে। অভিভাৱক নমনীয় হ'ব পৰিবৰ্তে স্বকীয় সত্তা আৰু শ্ৰেণীগত শক্তিৰ পৰীক্ষাৰ সময় ক্ষেত্ৰত আহিলে, ছাত্ৰ শিক্ষণ হিচাপ নকৰিলে ওলাই পৰিব। দায়িত্ববোধহীনতাই পৰোক্ষ ভাৱে সংশ্লিষ্ট সকলোকে পৰাভূত কৰে। এই পৰম্পৰাৰ বিবৰ্তিকা সময় সমাজ শৰীৰত আৰম্ভ হয়, যদিও আৰম্ভনিতে আমি কোনোৱে তাক উপলব্ধি কৰিবলৈ সচেষ্ট নহওঁ। যেতিয়া আমাৰ কৰাৰ বাবে বাস্তৱীক হয়, সময় হৈ বৰ যথোপ জনৰ গভীৰ আক্ষেপ আৰু অনুশোচনা। চিকিৎসাৰ হয় পলাতক। এইটো দিশত ছাত্ৰ সমাজ এক অৰ্ধচেতনা সমৃদ্ধ শ্ৰেণী হিচাপে সৰ্বদা আগবাঢ়িব লাগে। সমালোচনাৰ আঁৰতে প্ৰলোভন আৰু পৰ্যালোচনা বাস্তৱ কৰি দায়িত্ববোধ, যুক্তি আৰু ন্যায়ৰ কাষীয়া সীমিত অঞ্চলৰ ফেৰাটো নিতৌই বাঞ্ছনীয়।

শিক্ষক সমাজৰো নিজৰ দায়িত্ব আৰু কৰ্তব্যবোধত কোনো পৰিস্থিতিতে পৰাঙ্মুখ হ'ব নালাগে। সু আৰু দৰ্শনত শিক্ষক সকলে উচ্চ শিখৰত আৰোহণ কৰাটো নীতি সাপেক্ষ। শিক্ষক সমাজ আৰু ছাত্ৰ সমাজ সুযোগৰ মাজত এক গভীৰ সম্বন্ধ আছে। এটিৰ চিন্তা অন্যটো আলোকিত প্ৰভাৱ বা পৰোক্ষভাৱে প্ৰতিক্ৰিয়া কৰে। উচিত পদক্ষেপ নহ'লে ইয়াৰ বিষাক্ত বীজ বৃহত্তৰ সমাজখনলৈকে সংক্ৰমিত হয় আৰু উন্নতি স্বাভাৱিকতে বাধাগ্ৰস্ত হৈ পৰে।

শিক্ষাৰ দ্বাৰা আমি যদি প্ৰকৃততে ব্যক্তি আৰু সমষ্টিৰ সৰ্বাংগীন উন্নতি কামনা কৰো, তেতিয়াহলে কোনোবাকৰ সৰ্বাংগীনতাত আত্মনিয়ন্ত্ৰণৰ বিধি সংশ্লিষ্ট সকলোৱে নিজৰ নিজৰ আদৰ্শ, লক্ষ্য আৰু চৰম দায়িত্ববোধৰ সংকল্পৰে নিৰ্দিষ্ট চিন্তা আগবাঢ়ি আহিব লাগিব। সংস্থাসমূহেৰে সমাজ মন চিন্তা বাস্তৱত ৰূপায়িত কৰিব পাৰি। আৰু এই কথাই সময় ইতিহাসত নিঃসন্দেহে ইয়াৰ আসনো গ্ৰহণ কৰিব। ■



# সাংস্কৃতিক পৰিক্ৰমা

ড° অমল কৌশিক
প্ৰৱক্তা, অসমীয়া বিভাগ

প্ৰাচীন ভাৰতৰ বিষয়ে আমি দুই ধৰণে জানিব পাৰো। ঐতিহাসিক সূত্ৰৰে (যাৰ ভিত্তি প্ৰত্নতাত্ত্বিক নিদৰ্শনবোৰ আৰু বৈদিক সাহিত্যসমূহ) আৰু আনটো জনাৰ উপায় হ'ল পুৰাণসমূহৰ পৰম্পৰানুক্ৰমিক ঐতিহ্যগত সূত্ৰ সমূহৰ দ্বাৰা। এই শেষোক্ত সূত্ৰসমূহৰ মতে প্ৰায় তিনিহেজাৰ খ্ৰীষ্ট পূৰ্বাব্দৰ আগতে আৰ্যসকল ভাৰতত বসবাস কৰিছিল।

বিশাল ভাৰতীয় সংস্কৃতিৰ বিষয়ে আলোচনা কৰাৰ সময়ত ভাৰতীয় মানুহৰ জাতীয়তাবোধ আৰু স্বদেশ ভাৱনাৰ স্বৰূপৰ বিষয়ে আলোচনাৰ প্ৰয়োজন আছে। প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ উৎকৰ্ষ সাধিত হৈছিল আৰ্য আৰু আৰ্যেতৰ জাতিৰ সম্মিলিত প্ৰচেষ্টাৰ ফলত।

প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ মূল ভাবটো প্ৰকৃততে হৈ আছে ইয়াৰ মানুহৰ অন্তঃপ্ৰকৃতি আৰু শিক্ষা বিষয়ক ধ্যান-ধাৰণাৰ মাজত। পৰিয়াল ভিত্তিক ভাৰতীয় জনজীৱন গঢ়িবলৈ পৰাই ভিন ভিন আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত হৈছিল। ভাৰত ৰাষ্ট্ৰৰ ভিত্তি আছিল এই পৰিয়ালসমূহ। সমাজৰ বিভিন্ন অংশক একত্ৰিত কৰি ৰখাত ধৰ্মৰ মুখ্য ভূমিকা আছিল। যদিও প্ৰতিটো মানুহৰ স্বধৰ্মত আছিল অবাধ স্বাধীনতা। মানুহৰ সংস্কৃতিবোধে মানুহৰ সামাজিক আৰু সমষ্টিগত স্বাৰ্থ ৰক্ষাত আত্মোপলব্ধি কৰিছিল। শিক্ষাৰ প্ৰকৃত ভঁৰাল হৈছিল সংস্কৃতিৰ বননকাপে তপোবনৰ মুক্তাঞ্চলৰ পটভূমিত। ব্ৰহ্মচৰ্য পালন আৰু নিয়মানুবৰ্তিতাৰ ভিত্তি ভূমিত গুৰুকুল নিৰ্দেশিত বটিত শিক্ষাৰ বিস্তাৰ ঘটিছিল। শিক্ষাৰ লক্ষ্য জ্ঞানলাভ হ'লেও চৰম লক্ষ্য আছিল পৰম সত্যানুসন্ধানৰ যোগ্যতা অৰ্জন কৰা। প্ৰাচীন ভাৰতীয় সংস্কৃতি অসাম্প্ৰদায়িক আধ্যাত্মিক ধৰ্মবোধক অনুসৰণ কৰি গঢ়ি উঠিছিল। সকলো বস্তুৰ মাজত এক অখণ্ড যোগ স্থাপনত উক্ত ধৰ্ম ভাৱনাৰ বিশেষ ভূমিকা আছিল। এই অনুভৱৰ অন্তৰ্নিহিত তাৎপৰ্য হ'ল বিশ্বৰ সকলো বস্তুক এক অখণ্ড পূৰ্ণতাৰ প্ৰকাশৰূপে অনুভৱ কৰা।

ভাৰতৰ দৰ্শনসমূহত প্ৰধানকৈ দুটা বিষয় লক্ষ কৰা যায়। এটা ইয়াৰ দাৰ্শনিকতা আৰু আনটো ধৰ্মভাৱনা। সাৰ্বজনীন ধৰ্মবোধে এতিয়াও ভাৰতবৰ্ষৰ ভক্তিপিপাসু মানুহবোৰক এটা সূত্ৰত ঐক্যবদ্ধ কৰি ৰাখিব পাৰিছে। তীৰ্থক্ষেত্ৰসমূহত আজি বিভিন্ন ধৰ্মাৱলম্বী অনুৰাগীৰ মাজত এই ঐক্যবোধ লক্ষ্য কৰা যায়।

আজিৰ কালৰ ভাৰতৰ সু-প্ৰাচীন অধ্যাত্ম ধৰ্মবোধৰ এই বিপুল সমন্বয় শক্তি ভাৰতৰ পূৰ্ব-পশ্চিম আৰু উত্তৰ দক্ষিণক দৃঢ়ভাৱে বান্ধি ৰাখিব পাৰিছে।

অৰ্থনীতি সৰ্বস্ব, ধৰ্মবিহীন, তথা-কথিত গণতান্ত্ৰিক ৰাজনীতি বিশৃংখলিতক বৰ্তমান যুগত ঐক্যবদ্ধ কৰি ৰখাৰ পৰিবৰ্তে খণ্ড খণ্ড কৰি ৰখাত অধিকগা যোগাইছে। বিশৃংখল জৰ্জৰিত পৃথিৱীৰ বৰ্তমান পটভূমিত বিশ্ব তথা ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত মূল্যায়ন আৰু চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈছে। আলোচ্য সংক্ষিপ্ত প্ৰবন্ধটোত ভাৰতীয় সভ্যতা সংস্কৃতিৰ বিষয়ে কিঞ্চিৎ আলোচনা কৰাৰ চেষ্টা কৰা হৈছে।

মানৱ জীৱনৰ সামগ্ৰিক কৰ্ম-প্ৰচেষ্টা, মানসিক সম্পৰ্ক, ভাল-বেয়া অনুভৱ প্ৰভৃতি সকলোবোৰক কেন্দ্ৰ কৰি নিতৌ প্ৰতিমুহূৰ্তত যি মানসিক অনুভূতি ইয়াৰে সৌন্দৰ্য ঘটিত, সু-সংহত আৰু হৃদয়গ্ৰাহী সংযত প্ৰকাশ হ'ল 'সংস্কৃতি'। কৰ্ম-প্ৰচেষ্টা আৰু জীৱনবোধ সুন্দৰ হ'লে মানুহৰ দ্বাৰাই সু-সংস্কৃতিৰ জন্ম হয়। পক্ষান্তৰে আদৰ্শহীন, মানৱতাহীন অসুস্থ জীৱনবোধে কু-সংস্কৃতিৰ জন্ম দিয়ে।

ভাৰতীয় সংস্কৃতিৰ মূলমন্ত্ৰ হ'ল 'সমন্বয়'। এই সমন্বয়ৰ মূলতে আছে 'বসুধৈৱ কুটুম্বকম' এই আদৰ্শ কাৰধাৰা। সকলো প্ৰকাৰ লৌকিক, আচাৰ-সৰ্বস্ব, সাম্প্ৰদায়িক, সংকীৰ্ণ ধৰ্মৰ ঊৰ্দ্ধত যি মানৱধৰ্ম— এই মানৱধৰ্ম ইয়াৰ মূল লক্ষ্য। যি মানৱধৰ্মৰ অন্তিম পৰিণতি এক অনিৰ্বচনীয় আধ্যাত্মিক অৱস্থানুভূতিৰ মাজত। বিশ্ব সংস্কৃতিৰ অন্তৰ্ভুক্ত ভাৰতীয় সংস্কৃতি প্ৰাচীনকালৰে পৰা উক্ত মানৱতাবাদী, আত্মানু-সন্ধানী ধৰ্মাদৰ্শত বিশ্বাসী আছিল। এই সংস্কৃতিবোধ কালক্ৰমে মানুহৰ মননশীলতাৰ উৎকৰ্ষ বৃদ্ধিৰ দ্বাৰা, প্ৰতিভাৰ সৰ্বতোপ্ৰকাৰ বিকাশ সাধনৰ আৰু পাৰিপাৰ্শ্বিকতাৰ সহজ সুন্দৰ স্বতঃস্ফূৰ্ত স্পৰ্শৰ দ্বাৰা বিকশিত হৈছিল। যুগ-যুগান্তৰৰ মানুহৰ চিন্তা-জগতৰ উৎকৰ্ষৰ স্বস্থ বিবেক মহৎ আৰু শক্তিশালী ভাৱৰ জন্ম হৈছিল; সেই ভাৱবোৰেই যুগে যুগে সংস্কৃতিৰ বাহক হৈ উঠিছিল। সংস্কৃতিয়েই হৈছে সকলো মানুহৰ শক্তি আৰু সামৰ্থ্যৰ চৰম পৰিণতি। ভাৰতীয় সংস্কৃতি কোনো বিশেষ সাম্প্ৰদায়িক, আচাৰ-সৰ্বস্ব ধৰ্ম সম্প্ৰদায়ৰ একচেটিয়া সম্পত্তি নহয়; এই সংস্কৃতি এটা বিশেষ ধৰণৰ মানসিক উৎকৰ্ষতাৰ দৃষ্টি মাথোঁ। পাৰি-পাৰ্শ্বিকতাৰ স্পৰ্শৰ পৰা সভ্য মানুহে এনেকুৱা মানসিক উৎকৰ্ষ অৰ্জন কৰিছে আৰু ক্ৰমশঃ ক্ৰমবিবৰ্তনৰ মাজেদি ইয়াৰ উদ্ভৱ ঘটিছে। পুৰণি কালৰ পৰা আজিলৈকে মানৱ সভ্যতাৰ বিকাশ ঘটিছে এইটো প্ৰক্ৰিয়াৰ মাধ্যমেৰে।

আৰ্য, আৰব, পাৰস্য, গ্ৰীক পৃথিৱীৰ সকলো সংস্কৃতি ক্ৰমবিৱৰ্তনৰ মাজেদি গ্ৰহণ, বৰ্জন, সমীকৰণ আৰু একীকৰণৰ

ধৰ্মত বিকশিত হৈছিল। সমগ্ৰ ইউৰোপ খ্ৰীষ্টান ধৰ্মাৱলম্বী হলেও এই সংস্কৃতিক কিন্তু খ্ৰীষ্টান সংস্কৃতি বুলিলে ভুল হ'ব। এয়া ইউৰোপীয় সংস্কৃতি আৰু এই সংস্কৃতিৰ মূলতে আছে ৰোম, গ্ৰীক, আৰ্য আৰু আৰব সকলোৰে অৱদান। আমাৰ ভাৰতীয় আৰ্য সংস্কৃতি আৰু আৰব সংস্কৃতি আৰু উক্ত ধৰণেই বিকাশ লাভ কৰিছে। উক্ত দুই সংস্কৃতিৰ লগত যথাক্ৰমে যুক্ত হৈ আছে হিন্দু আৰু মুছলিম সংস্কৃতিৰ ধাৰণা। আন্যোন্য সংস্কৃতিৰ ভাৰতত প্ৰৱেশ কৰি মানৱীয় ধৰ্মবোধৰ দ্বাৰা সঞ্জীৱিত হৈ অগ্ৰসৰ হ'বলৈ ধৰিছিল। সংস্কৃতিৰ সাধাৰণ নিয়মৰ দ্বাৰা ইয়াৰ পুষ্টিসাধিত হৈছিল। মানুহৰ সাম্প্ৰদায়িক ধৰ্ম বিশ্বাস ভিন ভিন হলেও উদাৰ সংস্কৃতিৰ প্ৰভাৱত এই বিশ্বাস অ-সাম্প্ৰদায়িক আৰু সাৰ্বজনীন হয়। দূৰীভূত হয় মানুহৰ চিন্তাৰ বিচ্ছিন্নতা। ভাৰতৰ হিন্দু-সংস্কৃতি একমাত্ৰ হিন্দু সকলোৰেই নহয়; এই সংস্কৃতি ভাৰতৰ প্ৰতিটো মানুহৰ গৌৰৱৰ বস্তু। যুগ যুগ ধৰি দ্ৰাবিড়, আৰ্য অনাৰ্য, শক হূণ, গ্ৰীক আৰু আৰব প্ৰভৃতি সকলো সংস্কৃতিৰ উপাদানৰ সাৰ্থক সমন্বয়ত এই সু-বৃহৎ হিন্দু-সংস্কৃতিৰ জয়যাত্ৰা আৰম্ভ হৈছিল। আধুনিক কালতে পৰা হিন্দু-সংস্কৃতিৰ উত্তৰাধিকাৰী প্ৰতিটো ভাৰতীয় মানুহেই প্ৰকৃতাৰ্থত হিন্দু নামধাৰী।

ভাৰতৰ ইতিহাসত লক্ষ্য কৰা যায়, সহস্ৰ বছৰ ধৰি নানা জাতি-উপজাতি সম্প্ৰদায়ৰ মানুহ বিভিন্ন উদ্দেশ্যলৈ ভাৰতলৈ আহিছিল। এটা সভ্য জাতি-গোষ্ঠীৰ লগত আন এটা সভ্য জাতি-গোষ্ঠীৰ যেনেকৈ সংঘৰ্ষ হৈছিল তেনেকৈ আকৌ উভয়ৰ মিলন হোৱাও লক্ষ্য কৰা যায়। এইদৰে কোনোৱা জাতি-শ্ৰেণীয়ে বিলীন হৈ গৈছিল বৃহত্তৰ জাতি গোষ্ঠীৰ মাজতো কোনোৱেই আকৌ কিছুমান স্বাতন্ত্ৰ্য ধৰিহে ৰাখি আংশিকভাৱে মিলিত হৈছিল অইন গোষ্ঠীৰ লগত। এই প্ৰক্ৰিয়াৰ মূলতে আছিল মিলন আৰু সমন্বয়ৰ প্ৰবণতা। মানুহৰ সাম্প্ৰদায়িক ধৰ্ম মতৰ বিভিন্নতা সত্বেও সংস্কৃতিৰ মানৰ পৰা কোনো ভেদাভেদ থাকিব নাছিল। যুগে যুগে মহামানৱ বাণী ব্যক্তি বিশেষৰ অন্তৰৰ আলয়লৈ সেই চক্ষুৰ অন্তৰালত বিবৰ্তন, পৰিবৰ্তন আৰু গ্ৰহণ বৰ্জনৰ মাজেদি ধীৰ পদক্ষেপত বিশ্বৰ প্ৰতিটো সংস্কৃতিৰ জয়যাত্ৰা সূচিত হৈছিল। হিন্দু-সংস্কৃতি ও ইয়াৰ ব্যতিক্ৰম নাছিল।

বিভিন্ন সংস্কৃতিৰ বিকাশৰ মাজেদি মহামানৱৰ সাগৰতীৰত মানৱতাৰ ঐতিহ্য গঢ়ি উঠিছিল, প্ৰতিটো সমাজক বিশ্বৰ সাৰ কৰিছিল মহামানৱীয় আদৰ্শ দৃষ্টিভঙ্গীৰে।

পূৰ্বসূৰি সম্পন্ন মহাপুৰুষ সকলোৰ উত্তৰাধিকাৰী সাম্প্ৰদায়িক গোষ্ঠীভুক্ত অনুসৰণকাৰী সকলৰ কাম-কাজৰ উদ্দেশ্য যদি মহৎ আৰু উদাৰ পটভূমিত কৰা নহয়, সাৰ্বজনীন, অসাম্প্ৰদায়িক আদৰ্শৰ দ্বাৰা যদি পৰিচালিত নহয় তেনেহলে সাম্প্ৰদায়িক গোষ্ঠীসমূহৰ গঠন আৰু বিলোপ অৱশ্যম্ভাৱী। সংকীৰ্ণ, সাম্প্ৰদায়িক আচাৰ-সৰ্বস্ব ধৰ্ম অমানৱিক আৰু সু-সংস্কৃতিৰ পৰিপন্থী।

এটা উৎসৰ পৰা উদ্ভূত হৈও অমৃতৰ সন্তান মানুহে অসুৰ আৰু দেৱতাৰূপে সমাজত প্ৰতিষ্ঠিত হৈছিল। এই দৃষ্টিভঙ্গীৰ মূলতে আছিল আচাৰ সৰ্বস্ব, যাগ যজ্ঞ সৰ্বস্ব সংকীৰ্ণ সাম্প্ৰদায়িক ধৰ্মাচাৰ। উক্ত সাম্প্ৰদায়িক ধৰ্মাচাৰ সম্পন্ন মানুহেই অসুৰৰূপে জনাজাত আছিল বুলি ঐতিহাসিক সকলে কয়। সম্প্ৰদায়হীন, ভেদাভেদহীন, সৰ্বমানৱীয় কল্যাণকামী অথবা দৃষ্টিভঙ্গীৰ বাবেই মানুহ দেৱত্ব পদবাচ্য হ'ব পাৰিছিল। সকলো ভাৰতীয় মনীষী কি জড়বাদী, কি অধ্যাত্মবাদী প্ৰত্যেকৰ মূল উদ্দেশ্য আছিল বৃহত্তৰ লগত নিজকে যুক্ত কৰা, প্ৰত্যেকৰ মাজত প্ৰত্যেকৰ সাদৃশ্য আৰু ঐক্য অনুভৱ কৰা, পৰম সত্যক জনাৰ অভিমুখে যাত্ৰা কৰা। বৰ্তমান ভাৰত-বৰ্ষত এই দৃষ্টিভঙ্গীৰে ব্যতিক্ৰম লক্ষ্য কৰা যায়।

ভাৰতৰ ইতিহাস দীৰ্ঘদিনৰ সংস্কৃতিৰ আদান-প্ৰদানৰ ইতিহাস। নানক, কবিৰ, ৰামানুজ, শংকৰ, চৈতন্যৰ দৰে মহা-পুৰুষ সকলৰ ভাবাদৰ্শ অনুসৰণৰ মাজেদি ভাৰতত উদাৰ, আধ্যাত্মিক ধৰ্মমতৰ প্ৰচাৰ হৈছিল আৰু লগতে সংস্কৃতিক সমন্বয়ধাৰ আৰম্ভ হৈছিল। বিদেশী শাসকসকলে ভাৰতত আহি এই প্ৰক্ৰিয়াৰ গতি ত্বৰান্বিত কৰিছিল। ভাৰতীয় হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত বিভিন্ন যুগে প্ৰচলিত বিভিন্ন সংস্কৃতিৰ প্ৰভাৱ পৰিছে। ইয়াৰ ফলস্বৰূপ উভয় সম্প্ৰদায়ৰ মাজত জনসাধাৰণৰ সাংস্কৃতিক প্ৰতিক্ৰিয়াও দেখা দিছে। সমন্বয় আৰু পৰিবৰ্তনৰ লক্ষণ হল এই প্ৰতিক্ৰিয়া। দূৰদৰ্শিতা আৰু ইতিহাস অধ্যয়নৰ দ্বাৰা জানিব পাৰি, যি ঘটনা ইতিমধ্যে সংগঠিত হৈছে তাক স্বীকাৰ কৰি লোৱাটোৱেই ইতিহাস চেতনাৰ পৰিচায়ক। যুগ যুগ ধৰি বিভিন্ন ভাষাভাষী, বিভিন্ন ধৰ্মাৱলম্বী ভাৰতীয় মানুহৰ অন্তৰত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰতিনিয়ত সম্প্ৰীতি আৰু প্ৰীতিভাৱ প্ৰবাহিত হৈ আছে। অসাম্প্ৰদায়িক, মানৱতাবাদী দৃষ্টিভঙ্গীৰে আমি যদি আত্ম-সমালোচনা কৰো তেনেহলে দেখিম যে গাঁও ভূঁইৰ কোটি কোটি মানুহৰ জীৱন কথা সংস্কাৰ, অভ্যাস, নিত্য ব্যৱহাৰ্য খোৱা-পিন্ধা, কথা-বতৰা, পাৰস্পৰিক মিলপ্ৰীতিৰ মাজত কি গভীৰ আত্মিক যোগসূত্ৰ বৰ্তমান। বুজিবলৈ অসুবিধা নহয় খোৱাবস্তু, চাজ-পোছাক, জন-পিঠাৰ, মিঠা সৈয়াৰী, নৃত্য কলিকা প্ৰকৃতিৰ সংসাৰত অনায়াসে বিনা প্ৰয়াসে বিভিন্ন সাম্প্ৰদায়িক ধৰ্ম-বিশ্বাসৰ যুগান্তৰৰ পাৰাপাৰ প্ৰাচীৰ অতিক্ৰম কৰি ও দেশী-বিদেশী বিভিন্ন সংস্কৃতিৰ অপূৰ্ব সমন্বয়ৰ প্ৰক্ৰিয়া সংগঠিত হৈ আছে নীৰৱে। সভ্যতাৰ অগ্ৰগতিৰ লগত খোজ মিলাই সমগ্ৰ বিশ্বজুৰি সমন্বয়ৰ দ্বাৰা আৰু ইয়াৰ গতিবেগৰ বৃদ্ধি প্ৰসাৰিত হ'বলৈ ধৰিছে। এই সমন্বয়, পৰিপূৰ্ণ সমন্বয়ৰ সূচনা পৰ্ব যেতিয়া, যিদিনা এই সমন্বয়ৰ অন্তৰ্নিহিত সূক্ষ্ম ঐক্যবন্ধনৰ পৰিধি সেইদিনাহে স্পষ্ট হ'ব, আন্তৰ্জাতিক মানৱমৈত্ৰী বন্ধনত বিশ্বমানৱ এটা ঘোষিত হ'ব। এই সমন্বয়ৰ প্ৰক্ৰিয়াধাৰা দুৰ্বাৰ আৰু অপ্ৰতিৰোধ্য। ভাৰত ইতিহাসৰ এই সংস্কৃতি সমন্বয়ৰ ভিত্তিত মিলন হৈছে বহুত ধৰি ক্ৰমাগতভাৱে চলি আহিছে আৰু আগলৈকেও চলি থাকিব। ■



# অসমৰ বিবাহ প্ৰথা

ফুলকুমাৰী কলিতা
অধ্যাপিকা, অসমীয়া বিভাগ

হিন্দু সমাজৰ দশ সংস্কাৰৰ ভিতৰত শ্ৰেষ্ঠ সংস্কাৰ হ'ল বিবাহ। ভাৰতবৰ্ষৰ আদিম সমাজখনত নাৰী আৰু পুৰুষ আছিল সম্পূৰ্ণ স্বাধীন। সেই সময়ত নিৰ্দিষ্ট বিধি ব্যৱস্থাৰে দুয়োটা জীৱনৰ গাঁঠনি মেলাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। জীৱিকা আৰু আত্মৰক্ষাৰ বাবে পুৰুষ নাৰীয়ে সমযত্নভাৱে জীৱন কটাইছিল। এই মুক্ত জীৱনত পুৰুষ নাৰীৰ অবাধ মিলনৰ ফলতেই সন্তানৰ জন্ম হৈছিল। কিন্তু পৰবৰ্তী কালত সমাজৰ অগ্ৰগতিৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন কাৰণত মানুহে নিৰ্দিষ্ট দুজনীয়া জীৱনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে। ইয়াৰ ফলত বিবাহ নামৰ সামাজিক নীতিটোৰ উদ্ভৱ হ'ল। সেই সময়ত এখন পুৰুষ নাৰীয়ে বিবাহৰ বান্ধোনেৰে স্বামী-স্ত্ৰীৰূপে সমাজত স্বীকৃত হলেও বহু সময়ত নাৰী আৰু পুৰুষৰ যৌন স্বাধীনতাও অব্যাহত থাকিল। পুৰণি সমাজত পুৰুষে নাৰীক উত্তৰাধিকাৰী সম্পত্তি হিচাপে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত প্ৰথম বিৰোধিতা কৰিলে উদ্দালক মুনিৰ পুত্ৰ শ্বেতকেতু মুক্ত হ'ল। শ্বেতকেতুৱে তেনেকুৱা কামক ব্যভিচাৰ বুলি ঘোষণা কৰি একজনী নাৰী কেৱল এজন পুৰুষৰহে শয্যা-সঙ্গিনী হ'ব পাৰিব বুলি নিয়ম বান্ধি দিলে। অৱশ্যে এইটো ঠিক যে শ্বেতকেতুৱে এই নিয়ম প্ৰৱৰ্তন কৰাৰ পিছতো, পুৰুষ নাৰীৰ মিলনৰ ক্ষেত্ৰত পূৰ্বৰ অভ্যাসৰ ধৰণটি একেবাৰে নিৰ্মূল হৈ নগ'ল।

হিন্দু সমাজত বিয়া প্ৰধানকৈ আঠ প্ৰকাৰৰ। সেই কেইবিধ হ'ল— ব্ৰাহ্ম, দৈৱ, আৰ্য, প্ৰজাপত্য, গান্ধৰ্ব, আসুৰ, ৰাক্ষস আৰু পিশাচ। ব্ৰাহ্ম বিবাহত কন্যাৰ পিতৃয়ে উপযুক্ত পাত্ৰক নিমন্ত্ৰণ কৰি আনি বিষ্ণু স্বৰূপ বৰক বিধি ব্যৱস্থাৰে বৰণ কৰি এই বিবাহ সম্পন্ন কৰে। লক্ষ্মী স্বৰূপিণী কন্যাক পুৰোহিতৰ হাতত অৰ্পণ কৰা বিবাহ বিধিৰ নাম হ'ল দৈৱ বিবাহ। আৰ্য বিবাহত কন্যাৰ পিতৃ-মাতৃয়ে বৰৰ পৰা যাড় বা গাই গৰু আদায় কৰি এই বিবাহ সম্পন্ন কৰে কন্যাক পুৰোহিতৰ হাতত অৰ্পণ কৰা বিবাহ বিধিৰ নাম হ'ল দৈৱ বিবাহ। আৰ্য বিবাহত কন্যাৰ পিতৃ-মাতৃয়ে বৰৰ পৰা যাড় বা গাই গৰু আদায় কৰি এই বিবাহ সম্পন্ন কৰে। কন্যাৰ অভিভাৱকে বৰ আৰু কন্যাক "একাত্ম হৈ ধৰ্ম আচৰণ কৰা" বুলি উপদেশ দি, বৰক অৰ্চনা কৰি কন্যা দান কৰা বিবাহৰ নাম হ'ল প্ৰজাপত্য বিবাহ। গান্ধৰ্ব বিবাহ গোপন বিবাহ। বৰ্তমানৰ "কৰ্ট মেৰেজ" যেন এই বিয়াৰেই অনুৰূপ চিত্ৰ। অসুৰ বিবাহত কন্যা পক্ষই বৰা পক্ষৰ পৰা ধন-সোণ লৈ কন্যাদান কৰে। যুদ্ধ-বিগ্ৰহৰ মাজেৰে কন্যা পক্ষক পৰাজয় কৰি, গাৰ জোৰেৰে কন্যাটিক লৈ গৈ পতা বিয়াৰ নাম ৰাক্ষস বিবাহ। সুপ্তাৱস্থাত থকা অসহায়া নাৰীক বলপূৰ্বক অপহৰণ কৰি স্ত্ৰী হিচাপে গ্ৰহণ কৰিলে তাক পৈশাচ বিবাহ বুলি কোৱা হয়।

ভাৰতীয় সমাজৰ আদিম অৱস্থাত গান্ধৰ্ব, আসুৰ, ৰাক্ষস আৰু পৈশাচ বিয়াৰ প্ৰচলন আছিল। বৈদিক প্ৰভাৱৰে পুষ্ট অসমৰ হিন্দু সমাজত ব্ৰাহ্ম আৰু প্ৰজাপত্য বিবাহৰ প্ৰচলন অধিক। উক্ত আঠ প্ৰকাৰ বিয়াৰ উপৰিও অসমৰ আহোম সম্প্ৰদায়ে "চকলং বিয়া" অনুষ্ঠিত কৰে। এক শৰণীয়া নাম ধৰ্মৰে উদ্বুদ্ধ এচাম অসমীয়াই বৰ্তমান ভাগৱতী প্ৰথাৰে বিয়া অনুষ্ঠিত কৰে। এই বিয়াত স্থানীয় লোকাচাৰবিলাক পালন কৰিলেও হোম-যজ্ঞ কৰি বিভিন্ন দেৱ-দেৱীৰ নামত হোমত আহুতি নিদিয়ে। ভগৱানৰ নাম-কীৰ্তন কৰি, সকলো কাৰ্য ভগৱানৰ চৰণত অৰ্পণ কৰি বৰা আৰু কন্যাই পৰস্পৰে পৰস্পৰক মালা পিন্ধাই এই বিয়া অনুষ্ঠিত কৰে।

বিবাহৰ দেৱতা হ'ল প্ৰজাপতি। সেয়েহে বিবাহৰ ক্ষেত্ৰত প্ৰজাপতিৰ আৱাহন। সাধাৰণতে বৈদিক মন্ত্ৰ আৰু লৌকিক আচাৰ নীতিৰ মাজেদিয়েই অসমীয়া সমাজত বিবাহ অনুষ্ঠিত হয়। অসমৰ সৰ্বসাধাৰণ মানুহে হিন্দু-সমাজৰ আঠ প্ৰকাৰ বিয়াৰ সকলো তাৎপৰ্যাৰে মূল বিলাক হয়তো নোবোৰাকৈয়ে, বিবাহক সাধাৰণ দৃষ্টিৰে কেইটামান ভাগত ভাগ কৰি লয়।

অসমত গৌ-মিনিনাকৈ বাল্য বিবাহৰ প্ৰচলন আছিল। ছোৱালী পুষ্পিতা নোহওঁতেই পতা বিয়াৰ নাম হ'ল "ধৰম বিয়া" (কামৰূপত আগবিয়া বা শান্তি বিয়া)। ধৰম বিয়াৰ পিছত ছোৱালীজনী পতিগৃহলৈ যাত্ৰা কৰি স্বামীৰ ঘেলাৰ লগৰী হয়। কিছুমানে আকৌ পুষ্পিতা নোহোৱালৈকে পিতৃ-গৃহতে থাকে। বিবাহৰ আগে-আগে নবালা পিত কন্যা পুষ্পিতা হ'লেই শান্তি বিয়া হ'লে "শুদ্ধ বিয়াৰ" (কামৰূপত পাছ বিয়া) আয়োজন চলে। বিশেষ জাক-জমকতাৰে, উলহ-মালহেৰে বৰ বিয়াহে হ'লে সোৱাৰীজনীয়ে সম্পূৰ্ণ ৰূপত গৃহিণী হৈ পুনৰায় পতিগৃহলৈ যাত্ৰা কৰে।

অসমৰ কোনো কোনো অঞ্চলত আৰু এক প্ৰকাৰ বিয়াৰ প্ৰচলন আছে, সেয়া হ'ল— "বুঢ়া বিয়া"। কেতিয়াবা কোনোবাই

পৈশাচ বিবাহ পদ্ধতিত স্বামী-স্ত্ৰী হিচাপে দিন কটোৱাৰ পিছত, সমাজৰ দায় ভাবিলে "বুঢ়া বিয়া" পাতিব লগা হয়। এই বিয়াত বিয়াৰ কিছুমান নীতি-নিয়ম পালন কৰা হয় যদিও, তথাকথিত 'বুঢ়া-বুঢ়ীৰ' সন্তানে মাক-বাপেকৰ বিয়া নাচায়। মাক-বাপেকৰ বিয়া চালে সন্তানৰ অমঙ্গল হয় বুলি সমাজত এটা অন্ধবিশ্বাস প্ৰচলিত আছে।

অসমৰ উজনি অঞ্চলত থকা এক প্ৰকাৰ বিয়াৰ প্ৰচলন আছে সেয়া হ'ল— "হাড় শুচি বিয়া"। কিছুমানে যৌৱনৰ দুৰন্ত দলিত উপস্থিত হৈ— "তোমাৰ মন পালে, মোৰে মন খ'লে কি কৰিব কলিতা কুলে" বুলি কৈ সামাজিক বিধি ব্যৱস্থাক আওকাণ কৰি স্বামী-স্ত্ৰী হিচাপে থাকিবলৈ লয়। কিন্তু কেনেকুৱা দম্পতিৰ সতি-সন্ততিৰ বিবাহৰ অগমুহূৰ্তত সামাজিক বাধা-নিষেধ আহি থিয় পথালি দিয়ে। কাৰণ শাস্ত্ৰবিধিমতে বিয়া নোহোৱা দম্পতিয়ে অনুষ্ঠিত কৰা কোনো মাঙ্গলিক কাৰ্য্য ফলৱতী নহয় বুলি এটি জন-বিশ্বাস আছে। সদপে তেনেকুৱা কাৰ্যত অংশ গ্ৰহণ কৰিবলৈকো কিছুমানে দ্বিধা বোধ কৰে। তেতিয়া টকাত পইচা খাই নাম লোৱাৰ নিমিত্তে সন্তানৰ কল্যাণৰ অৰ্থেই "হাড় শুচি" বিয়া অনুষ্ঠিত কৰিব লগা হয়। হাড়শুচি বিয়া অনুষ্ঠিত কৰাৰ অন্য এটি কাৰণো আছে। সেয়া হ'ল অসমীয়া সমাজত অবিবাহিত লোকক অপবিত্ৰ বুলি গণ্য কৰি, কিছুমানে তেওঁলোকৰ মৃত শৰীৰো স্পৰ্শ নকৰে। মৃতকৰ শ্ৰাদ্ধ বিধিৰ ক্ষেত্ৰতো কিছুমান অসুবিধা আহি পৰে। তেতিয়া হাড়কেইডাল শুচি কৰাৰ অৰ্থে হাড়শুচি বিয়াহ অনুষ্ঠিত কৰিব লগা হয়। সামাজিক বিধি ব্যৱস্থাৰে বিয়া নোহোৱা দম্পতিৰ যদি কিবা কাৰণে এটা-এটিও হয় তেতিয়া পৰম্পৰাৰে পৰম্পৰাৰ যেনেকৈ দুয়োটি এটিকে পতি বা পত্নী বুলি বিবেচনা কৰি বুঢ়া কালত বিয়া অনুষ্ঠিত কৰি হাড় কেইডাল শুচি কৰে।

মনু আদি শাস্ত্ৰকাৰসকলে "বিধৱা বিয়া"ৰ সম্পৰ্কে স্পষ্ট মত দিয়া নাই যদিও, পৰাশৰ, যাজ্ঞবল্ক আদি স্মৃতিশাস্ত্ৰকাৰসকলে কিছুমান বিশেষ কাৰণত তিৰোতাই দ্বিতীয় পতি গ্ৰহণ কৰিব পাৰে বুলি মত আগবঢ়াইছে—

"নষ্টে মৃতে প্ৰব্ৰজিতে ক্লীবে চ পতিতে পতৌ পঞ্চ-স্বাপৎসু নাৰীনাং পতিৰন্যো বিধীয়তে।"

অৰ্থাৎ স্বামী নিৰুদ্দেশ হ'লে, মৰি গ'লে, সংসাৰ ধৰ্ম পৰিত্যাগ কৰিলে, ক্লীৱ বুলি প্ৰমাণিত হ'লে আৰু পতিত হ'লে (পুত্ৰবিয়া) এই পাঁচবিধ বিপদত নাৰীয়ে অন্য পতি গ্ৰহণ কৰিব পাৰে। উল্লেখযোগ্য এই যে ভাৰতবৰ্ষত বিধৱা বিবাহ আইন প্ৰচলনৰ ক্ষেত্ৰত উক্ত শ্লোকটোকে অমোঘ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছিল। অসমীয়া সমাজত অতি কিছুদিন আগলৈকে উচ্চ হিন্দুৰ বাহিৰে বাকীবোৰ জাতি-গোষ্ঠীৰ মাজত বিধৱা বিবাহৰ প্ৰচলন আছিল। এইখিনিতে উল্লেখযোগ্য যে— বিধৱাৰ বিয়াত মাঙ্গলিক কাৰ্যাদিৰ নাম মাত্ৰহে অনুষ্ঠিত কৰে।

অসমত "অক্ষত যোনী" অৰ্থাৎ স্বামীৰ ঘৰলৈ যোৱাৰ আগতে বিধৱা হোৱা কুমাৰীৰ ক্ষেত্ৰত কোনো কোনোৱে ইয়াৰ ব্যতিক্ৰম কৰাও দেখা যায়।

অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাৰ কিছুমান অঞ্চলত আৰু এক প্ৰকাৰৰ বিয়া আছে সেয়া হ'ল— "ঢেমনী অন্ত" বা "পাক্কা ধন্না" এই বিয়াত বিধৱাবাসীক নতুন স্বামীৰ ঘৰলৈ আনি কেৱল মাত্ৰ "আপ চাউল" দিয়ে। কিছুমানে অৱশ্যে অলপ বং ধেমালি কৰি বৰ্ষিতক সাথ অনুমতি আত্মাৰ্থনাও কৰে। তিৰুতিতো এনেকুৱা বিধৱাক কেৱল মাত্ৰ "জোৰণ পিন্ধাই" অলপ গহণা পাতিনি আৰু নতুন কাপোৰ কানি পিন্ধাই কইনাজনীক স্বামী ঘৰলৈ লৈ আহে। অঞ্চল বিশেষে এনেকৈ ঢেমনী অন্ত পদ্ধতিৰে পুনৰাই সংসাৰ আৰম্ভ কৰা তিৰোতাই নবীন কানি-কাপোৰ থাক যদি আনি পিন্ধিলেও সেন্দুৰৰ ফোঁটটি নলয়।

শাস্ত্ৰসম্মত চলি অহা এইবিধক বিয়াৰ আৰ্হিতে আৰু কিছুমান বিয়া অনুষ্ঠিত হয়। ছোৱালী পুষ্পিতা হ'লে উজনি অসমত প্ৰথম পৰ্বস্বৰূপ ৮ মাহত 'পুষ্প বিয়া' অনুষ্ঠিত কৰে। নিঃসন্তান দম্পতিয়ে সন্তান কামনাৰে আহত আৰু বটগছৰ বিয়া পাতে। তেতিয়াও কোনো, কোনো দম্পতিয়ে বৃদ্ধ অৱস্থাত "দান আৰু পতিক দিয়ে। কোনো কোনো ধৰ্মানুষ্ঠানতো— পুণ্যাৰ্থে কাম বুলি পুণ্যাৰ্থে কাম বুলি গছৰ বিয়া পতা দেখা যায়। আজিৰ পৰা প্ৰায় ৬৫ বছৰমান আগতে নৱপেটিৰ গৰখীয়াৰ পাতে লাগি থকা ন সম্ৰাট বট আৰু আঁহত গছৰ বিয়াত নামত কোনো জটিল চিন্তাই নাহিছিল। সেই মধুৰ স্মৃতিয়ে আজিও সেই অঞ্চলৰ মানুহক আনন্দ দিয়ে। অসমৰ ঠায়ে ঠায়ে এনেকুৱা বন্ধ্যা দম্পতিয়ে সহযোগে মূৰ ছুঁই থকা দেখা যায়।

অসমৰ অতীত কালতো যে গন্ধৰ্ব বিয়াৰ প্ৰচলন আছিল তাৰ ইংগিত কালিদাসৰ শকুন্তলা নাটকত পোৱা যায় আৰু বনফোৱাৰ দিনত লোকগীতে আঁচুৰিয়াৰ পৰি।

আন এক প্ৰকাৰৰ বিবাহ হ'ল 'কুম্ভ বিবাহ'। কোনো পুষ্পিতা ছোৱালীয়ে আহী স্বামীৰ অমঙ্গল হব পৰা যোগ পায়। তেতিয়া উক্ত বিপদ খণ্ডন কৰিবৰ বাবে এটি কুম্ভ অৰ্থাৎ পানী ভৰা কলহৰ মুখত আম পাত দি সেই কলহটোকে বৰ প্ৰতীকৰূপে কল্পনা কৰি ছোৱালীজনীৰ বিয়া পাতে।

নামনি অসমত তিৰোতাসকলৰ মাজত পুতলা বিয়াৰ প্ৰচলন আছে। নিঃসন্তান নাৰীয়ে সন্তান কামনাৰে পুতলাৰ বিয়া পাতে।

অতি পুৰণি কালৰ পৰাই অসমীয়া মানুহে বৰষুণ কামনাৰে ভেকুলিৰ বিয়া পাতে।

ওপৰিউক্ত পৰা পুতলাৰ বিয়াবোৰ কম আকৰ্ষণীয় নহয়। এনেবোৰে বিচিত্ৰ কৰণ মাধ্যমেই বিভিন্ন প্ৰথাৰে অসমত বিয়াই প্ৰথা চলি আহিছে। ■



# ভাৰত বৰ্ষত সাম্প্ৰদায়িকতাবাদ

আব্দুল মান্নাফ সিকদাৰ
প্ৰবক্তা, কৃষি বিভাগ



সাম্প্ৰদায়িকতাবাদ বৰ্তমানে প্ৰায় সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিছে। ইয়াৰ ফলত যথেষ্ট ধন-জনৰ ক্ষতি হৈছে। সাম্প্ৰদায়িক সংঘৰ্ষ ভাৰতবৰ্ষত নতুনকৈ উদ্ভৱ হোৱা ঘটনা নহয়। বৃটিছৰ দিনতেই হিন্দু-মুছলমান সংঘৰ্ষৰ সূত্ৰপাত হৈছিল আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ কলঙ্কৰ মাজেদি বিভাজিত স্বাধীন ভাৰত সৃষ্টি হৈছিল। স্বাধীন ভাৰতত স্বাধীনতাৰ পিছৰ কালছোৱাত তিনি হাজাৰতো অধিকবাৰ সাম্প্ৰদায়িক সংঘৰ্ষ হৈ গৈছে; লাখ লাখ মানুহ মৃত্যুমুখত পৰিছে। অসমতো ১৯৫০ চনৰ পৰা কেবাবাৰো সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। আগতে প্ৰায় প্ৰতিটো ক্ষেত্ৰতে সংঘৰ্ষ হৈছিল একোটা স্থানীয় ঘটনাক কেন্দ্ৰ কৰি আৰু এইবোৰ দীৰ্ঘস্থায়ী হোৱা নাছিল। আগতে প্ৰায় প্ৰতিটো ক্ষেত্ৰতে সংঘৰ্ষ হৈছিল একেটা সময়তে প্ৰায় সমগ্ৰ আসমতে বিয়পি পৰা পৰিলক্ষিত হৈছে। এতিয়া এই ধ্বংসাত্মক অভিযান এবাৰ আৰম্ভ হ'লে বেছা মাহলৈকে চলি থকা দেখা যায়।

বিভিন্ন সমাজতত্ত্ববিদ আৰু বুদ্ধিজীৱিয়ে সাম্প্ৰদায়িকতাবাদৰ সংজ্ঞা বিভিন্ন প্ৰকাৰে দিছে। খুব সহজ কথাত 'সাম্প্ৰদায়িকতাবাদ হ'ল এনে এটা বিশ্বাস যে, এজন মানুহে এটা বিশেষ ধৰ্মমতক বিশ্বাস কৰিলে তাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ অভিন্ন হৈ যায়। সাম্প্ৰদায়িকতাবাদ হ'ল সেই বিশ্বাস যিয়ে ভাৰত বৰ্ষত হিন্দু, মুছলিম, খৃষ্টিয়ান আৰু শিখ সকলক স্বতন্ত্ৰ ৰূপত দেখুৱায় সেই বিশ্বাস অনুসৰি এটা ধৰ্মৰ অনুগামীসকল ধৰ্মীয় স্বাৰ্থৰেই অংশীদাৰ নহয়; বৰঞ্চ তেওঁলোক অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক স্বাৰ্থৰ ক্ষেত্ৰতো অভিন্ন।"

ধৰ্মৰ লগত ৰাজনৈতিক যুক্ত কৰিলেহে সাম্প্ৰদায়িকতাবাদৰ উদ্ভৱ হয়। সামন্তবাদী চিন্তাধাৰাই সাম্প্ৰদায়িকতাবাদৰ উৰ্বৰ ভূমি। লক্ষ্য কৰিব লগীয়া বিষয় হ'ল যে, সাম্প্ৰদায়িকতাবাদ এনেকুৱা এটা মতাদৰ্শ যিয়ে ধৰ্মৰ আশ্ৰয় লৈ মধ্য-যুগীয় গণ সংগঠনৰ লগত আধুনিক ধ্যান-ধাৰণাৰ সমন্বয় সাধন কৰিব বিচাৰে। মহম্মদ আলী জিন্না ৰাজনৈতিক নেতাহে আছিল, ধৰ্মীয় নেতা নাছিল। জিন্নাই ইংৰাজ শাসকৰ দ্বাৰা প্ৰৰোচিত হৈ ৰাজনৈতিক উদ্দেশ্য চৰিতাৰ্থ কৰাৰ উদ্দেশ্যে ধৰ্মৰ ভিত্তিত মানুহক বিভক্ত কৰি ইছলামিক ৰাষ্ট্ৰ "পাকিস্তান" প্ৰতিষ্ঠা কৰিছিল। ৰাজনৈতিক ধৰ্মীয় উন্মাদনাৰ ফলতেই ১৯৪৬ চনৰ ১৬ আগষ্টত কলিকতাত সংগঠিত হ'ল সাম্প্ৰদায়িক সংঘৰ্ষ ইতিহাসৰ কলঙ্কিত অধ্যায়। ভাৰতবৰ্ষ আৰু পাকিস্তানৰ স্বাধীনতা আছিল ৩০/৪০ লক্ষ হিন্দু-মুছলমানৰ তেজেৰে ফাকুৱা খেলি।

সাম্প্ৰদায়িকতাৰ প্ৰৱক্তা সকলে দাবী কৰে যে, কোনো বিশেষ ধৰ্মৰ বিশ্বাসী সকলৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থ বা আচৰণ অভিন্ন। অলপ চিন্তা কৰিলেই বুজা যাব যে এই দাবী একেবাৰেই অবাস্তৱ হাস্যকৰ। বাস্তৱ ক্ষেত্ৰত এজন পাঞ্জাবী হিন্দু আৰু এজন অসমীয়া হিন্দুৰ সামাজিক, অৰ্থনৈতিক বা সাংস্কৃতিক দৃষ্টিভংগী একে হবণৰ লোকেজনাটোহে

স্বাভাৱিক। অন্যহাতেদি এজন শাক্তধৰ্মী হিন্দু আৰু এজন অসমীয়া মুছলমানৰ সামাজিক অৰ্থনৈতিক আদি ক্ষেত্ৰত আচৰণৰ সাদৃশ্য থকাটোহে স্বাভাৱিক; ধৰ্মীয় বিশ্বাসে এই স্বাৰ্থ বা আচৰণক মূলতেও প্ৰভাৱিত কৰিব নোৱাৰে। অৰ্থনৈতিক ক্ষেত্ৰত এজন হিন্দু শ্ৰমিক আৰু এজন মুছলমান খেতিয়কৰ স্বাৰ্থ আৰু আচৰণ এক আৰু অভিন্ন ধৰ্মীয় বিশ্বাসৰ বিভিন্নতাই এই স্বাৰ্থক কেনেধৰণে প্ৰভাৱিত কৰিব নোৱাৰে। ঠিক একেদৰেই এজন হিন্দু পুঁজিপতি আৰু এজন মুছলমান পুঁজিপতিৰ স্বাৰ্থ একেই-উদ্বৃত্ত মূল্য শোষণ আৰু আত্মসাৎ কৰা; ধৰ্মৰ বিভিন্নতাই ইয়াত কোনো প্ৰভাৱ বিস্তাৰ নকৰে।

সাম্প্ৰদায়িকতাৰ ভিত্তিত জাতি আৰু ৰাষ্ট্ৰগঠন যুক্তিহীনতাৰ উৎকৃষ্ট ঐতিহাসিক উদাহৰণ হ'ল— পাকিস্তানৰ বিখণ্ডিতকৰণ, ইৰান-ইৰাকৰ যুদ্ধ, উপসাগৰীয় যুদ্ধ ইত্যাদি। বাংলাদেশৰ জন্মই দেখুৱাই দিলে ৰাষ্ট্ৰ গঠনত ধৰ্মীয় আবেগ কিমান দুৰ্বল আৰু আনহাতে সামাজিক, সাংস্কৃতিক আবেগ, অৰ্থনৈতিক স্বাৰ্থৰ ঐক্য আৰু নিৰ্দিষ্ট অঞ্চলত দীৰ্ঘদিন বসবাস কৰাৰ ফলত গঢ়ি উঠা আঞ্চলিকতাবাদ আৰু ধৰ্ম নিৰপেক্ষতাৰ আবেগ কিমান শক্তিশালী।

আগতেই উল্লেখ কৰা হৈছে যে, সাম্প্ৰদায়িকতাবাদ হ'ল আধুনিক কালৰ এক বিকৃত আৰু অনৈতিহাসিক মতাদৰ্শ— যাৰ ভিত্তি হ'ল মধ্যযুগীয় চিন্তা-চেতনা আৰু যাৰ আধুনিক ৰাষ্ট্ৰ গঠন অৰ্থাৎ সামন্ত ব্যৱস্থাৰ লগত বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থাৰ এটা সমন্বয় সাধনৰ প্ৰচেষ্টা যাৰ মাজত অৰ্ন্তবিৰোধ আৰু অসঙ্গতি প্ৰকাশ হৈয়েই থাকে। এনেকুৱা মতাদৰ্শৰ সূত্ৰপাত তাতেই হোৱা সম্ভৱ য'ত সামন্ততান্ত্ৰিক ব্যৱস্থা একেবাৰে নিৰ্মূল হোৱা নাই, অন্যহাতে বুৰ্জোৱা গণতান্ত্ৰিক ব্যৱস্থা নিঃসংকুচিতভাৱে গা-কৰি উঠা নাই। সাম্প্ৰদায়িকতাবাদ বিকাশৰ বাবে এটা আদৰ্শ উৰ্বৰ ভূমি হ'ল ঔপনিবেশিক ব্যৱস্থা, য'ত পুঁজিবাদ স্বাভাৱিক গতিত সামন্তবাদক উৎখাত কৰি বাস্তৱিক বিকাশৰ পৰিণতি হিচাপে উদ্ভৱ নহয়, বিদেশৰ ইউৰোপত হৈছে। উপনিবেশবোৰত সামন্তবাদ উৎখাত নকৰাকৈয়ে তাৰ কাঠামোৰ ওপৰত পুঁজিবাদ স্থাপন কৰা হৈছে। সেয়েহে ইউৰোপত সাম্প্ৰদায়িকতাই কোনো সমস্যা সৃষ্টি কৰিব পৰা নাই। অৱশ্যে বিশেষ পৰিস্থিতি আৰু মতাদৰ্শৰ বাবে প্ৰায় এক দশক কালৰ বাবে জাৰ্মানীত ইয়াৰ ব্যতিক্ৰম হৈছিল(হিটলাৰৰ দিনত)।

ওপৰত আলোচনা কৰাৰ পৰে সাম্যবাদী অৱশেষৰ ওপৰতেই বিকৃতভাৱে পুঁজিবাদী বিকাশ ঘটা উপনিবেশবোৰত সাম্ৰাজ্যবাদী সকলে বিভাজন আৰু শাসন নীতি (Divide and rule policy) প্ৰয়োগ কৰি সাম্প্ৰদায়িকতাক তীব্ৰতৰ কৰি তোলে। এই নীতি অনুযায়ী সাম্ৰাজ্যবাদী সকলে ঔপনিবেশিক জনসাধাৰণৰ যি কোনো বিভেদ বা দ্বন্দ্ব সৰু সহকাৰে উৎসাহ দি বৈষম্য আৰু শত্ৰুতাত পৰিণত কৰাৰ চেষ্টা কৰে। উদ্দেশ্য এটাই— যাতে সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে জন-সাধাৰণ ঐক্যবদ্ধ হব নোৱাৰে। যেতিয়া ঔপনিবেশিক দেশৰ জনগণে সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ বিৰুদ্ধে ৰাজনৈতিক সংগ্ৰামৰ পথ লয় তেতিয়াই এই বৈষম্য আৰু দ্বন্দ্বই একেবাৰে নগ্ন ৰূপ লয়। এইটোৱে সাম্ৰাজ্যবাদী শাসন যদাহি বখৰ এটা সাৰ্বজনীন কৌশল বা নীতি।

এটা কথা সঁচা যে, সাম্প্ৰদায়িক মনোভাবক উচটাই দি সাম্প্ৰদায়িকতাৰ বিকাশ ঘটাইছিল বৃটিছে। বিয়াদৈই কম পৰিমাণৰ হ'লেও সেই ধৰ্মিকতাটো সমাজত থাকিবই থাকিব। ভাৰতৰো সেই স্বতন্ত্ৰতাবোধ সম্পূৰ্ণ অনুপস্থিত নাছিল; যদিও সেয়া যেতিয়াও প্ৰাক-বৃটিছ ভাৰতত সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণ হৈ উঠা নাছিল কাৰ্যতঃ চিন্তা-চেতনাত বহুদিন প্ৰবাহিত এনে ধৰণৰ স্বতন্ত্ৰতাবোধকেই ভিত্তি কৰি ভাৰতত সাম্প্ৰদায়িকতাবাদে বিকাশ লাভ কৰিছে।

## ভাৰতত বৃটিছৰ ৰণনীতি আৰু সাম্প্ৰদায়িকতাবাদ :

ভাৰতত ধৰ্মক ৰাজনীতিৰ লগত মিহলাই সাম্প্ৰদায়িকতাৰ বীজ সিঁচিছিল বৃটিছ লোকাবে। এই দেশত অতীততো বৌদ্ধ আৰু হিন্দু ধৰ্মৰ মাজত ধৰ্মগত মতভেদ আৰু সংঘাত নথকা নহয়। পিচৰ যুগত মুছলমান ৰজা আৰু বাদচাহ সকলৰ ক্ষমতা প্ৰতিষ্ঠিত হোৱাৰ পিছত হিন্দু-মুছলমানৰ মাজত ধৰ্মগত কাৰণত পাৰস্পৰিক অবিশ্বাস আৰু মতভেদ চলি থাকিলেও 'সাম্প্ৰদায়িকতা' নাছিল। অৰ্থাৎ ধৰ্মক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰাৰ কূটনীতি চলা নাছিল। স্বয়ং বাবৰে তেওঁৰ মুছলমান দেশ নহয়, ইয়াত হিন্দুৰ বিপুল সংখ্যা গৰিষ্ঠতা হৈ শাসন কৰিবা, নহ'লে ক্ষমতাত টিকি থাকিব নোৱাৰিবা।" ভাৰতীয় সকলক নিয়োগ নকৰাৰ বাবে আপত্তি দৰ্শাই লিখিছিল যে, পূৰ্ববৰ্তী মুছলমান সম্ৰাটসকলেও অনেক হিন্দু সকলক প্ৰধান সেনাপতি, প্ৰদেশৰ ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী আদি সকলো পদতে নিযুক্ত কৰিছিল। আনকি সম্ৰাট ঔৰংজেবেও হিন্দু সেনা নায়ক ৰাম সিংহক প্ৰধান সেনাপতিৰ পদ দিছিল আৰু কেবাটাও হিন্দু মন্দিৰৰ পুনৰ্নিৰ্মাণৰ বাবে অনুদান আগবঢ়াইছিল।

বৃটিছ ভাৰতত সাম্প্ৰদায়িকতাবাদে গা কৰি উঠাৰ কাৰণ বোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি। (১) জাতীয় ক্ষেত্ৰত অসমঞ্জ বিকাশৰ ফলত হিন্দু সমাজৰ অৰ্থনৈতিক অগ্ৰগতি আৰু মুছলমান মধ্যবিত্ত শ্ৰেণীৰ মাজত হতাশা আৰু অৰ্থনৈতিক স্বাৰ্থ ৰক্ষাৰ দাবী। (২) বিভেদ সৃষ্টিৰ সাম্ৰাজ্যবাদী কৌশল আৰু (৩) সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনত পুনৰুত্থানবাদী নেতৃত্বৰ ব্যৰ্থতা।

ভাৰতত বৃটিছে ৰাজনৈতিক ক্ষমতা দখল কৰিছিল মোগলসকলৰ হাতৰ পৰা। ইয়াৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ মুছলমানসকলে যেতিয়াও ইংৰাজৰ লগত সহযোগিতা কৰিব বিচৰা নাছিল। ফলত শাসন কাৰ্য্য পৰিচালনা কৰিবলৈ ইংৰাজসকলে যি শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিলে তাৰ পৰা মুছলমানসকল বঞ্চিত হ'ল আৰু হিন্দুসকলে এই সুযোগ গ্ৰহণ কৰি ইংৰাজী শিক্ষা ব্যৱস্থাৰ লগত সহযোগিতা কৰিলে আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত এক নতুন মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হ'ল। এই শ্ৰেণীটো প্ৰশাসনিক আৰু ব্যৱসায়-বাণিজ্য ইত্যাদি কামত নিযুক্ত হৈ দক্ষ হৈ উঠিল। হিন্দু সম্প্ৰদায়ৰ এইলোকসকলে উনবিংশ শতাব্দীৰ তৃতীয় ভাগ পৰ্য্যন্ত চৰকাৰী অনুগ্ৰহ লাভ কৰি থাকিল। ইংৰাজী শিক্ষাৰ ক্ষেত্ৰত মুছলমান সকল পিছ পৰি থকাৰ আন এটা ডাঙৰ কাৰণ হ'ল— ইংৰাজসকলে মুছলমান অধ্যুষিত উত্তৰ ভাৰত দখল কৰিছিল বহু পিছত। উত্তৰ ভাৰত দখল কৰাৰ বহু আগতেয়ে তেওঁলোকে পূব, পশ্চিম আৰু দক্ষিণ ভাৰতৰ উপকূল অংশ দখল কৰিছিল আৰু ইংৰাজী শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰিছিল। এই সুযোগ উত্তৰ ভাৰতত বসবাস কৰা মুছলমান সকলে পোৱা নাছিল। সেয়েহে যেতিয়া মুছলমান মধ্যবিত্ত শ্ৰেণীটো পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ প্ৰশাসনিক আৰু অন্যান্য কাম-কাজৰ কাৰণে উপযুক্ত হৈ উঠিছিল, তেতিয়ালৈকে সেই ক্ষেত্ৰবোৰ শিক্ষিত হিন্দুসকলৰ দ্বাৰা অধিকাংশ দখল হৈ গৈছিল। এই পৰিস্থিতিত ছিয়দ্ আহমদৰ নেতৃত্বত আলিগড় আন্দোলন গঢ়ি উঠিল আৰু সাম্প্ৰদায়িক সংৰক্ষণ ব্যৱস্থাৰ দাবী শক্তিশালী হৈ উঠিল— মুছলমানসকলৰ বাবে প্ৰতিযোগিতাহীন ক্ষেত্ৰ লাভ কৰাৰ আশাত। অৰ্থাৎ ধৰ্ম নিৰপেক্ষ অৰ্থনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে সাম্প্ৰদায়িকতাবাদক কামত লগাব বিচৰা হ'ল।

ভাৰতত সাম্প্ৰদায়িকতাবাদ বিকাশৰ দ্বিতীয় আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণ হ'ল বিভেদ সৃষ্টিৰ সাম্ৰাজ্যবাদী অপকৌশল। আগতেই উল্লেখ কৰা হৈছে যে, ভাৰতত ইংৰাজসকলক মুছলমান মধ্যবিত্ত শ্ৰেণীটোৱে খুব ভাল চকুৰে লব পৰা নাছিল। কাৰণ, শাসন ক্ষমতা কাঢ়ি লোৱাৰ পিছত দিল্লীৰ মোগল সম্ৰাটৰ পৰা আৰম্ভ কৰি মুছলমান সামন্ত ৰজা আৰু জমিদাৰ সকলহে উৎখাত হৈছিল। এইবোৰ কাৰণৰ বাবেই ইংৰাজ সকলেও মুছলমান সকলক সহজ ভাৱে লব পৰা নাছিল। এই অৱস্থা উনবিংশ শতাব্দীৰ সত্তৰ-আশীৰ দশকলৈকে বিৰাজ কৰিছিল। বৃটিছ সাম্ৰাজ্যবাদীয়ে লক্ষ্য কৰিছিল যে ভাৰতীয় সকলৰ মাজত বিভেদ-বৈষম্য সৃষ্টি নকৰাকৈ ভাৰতত সাম্ৰাজ্যবাদী শাসন-শোষণ বৰ্তাই ৰখা সম্ভৱ নহয়। পলাশী যুদ্ধৰ এক শতিকা কাল পিছত ১৮৫৭ চনৰ "চিপাহী বিদ্ৰোহ" নামেৰে জনজাত ভাৰতৰ প্ৰথম বৃটিছ বিৰোধী স্বাধীনতা যুদ্ধৰ পিছত এই সত্য প্ৰকাশ হৈ পৰিল। এই যুদ্ধৰ পিছতেই প্ৰায় কুৰি বছৰ কালৈলৈকে বৃটিছে মুছলমানসকলৰ ওপৰত তীব্ৰ অত্যাচাৰ চলাই হিন্দু বিদ্বেষী কৰি তুলিবলৈ সক্ষম হৈছিল। একেই কৌশল প্ৰয়োগ কৰি তেওঁলোকে আশীৰ দশকৰ পৰা মুছলমানপ্ৰেমী হৈ পৰিছিল। এনেদৰেই ১৮৫৭ চনৰ বিদ্ৰোহৰ পাচৰ পৰা এবাৰ হিন্দু প্ৰীতি আৰু এবাৰ মুছলমান প্ৰীতি দেখুৱাই হিন্দু-মুছলমানৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত বিদ্বেষৰ সৃষ্টি কৰিছিল। এনে এটি ঐতিহাসিক প্ৰেক্ষাপটতেই বৃটিছ সাম্ৰাজ্যবাদীৰ সহায়ত মুছলিম লীগৰ জন্ম হয় ১৯০৬ চনৰ ৩০ ডিচেম্বৰত। তাৰ আগে আগে ১৯০৫ চনত মুছলমান প্ৰধান ৰাজ্য এখন সৃষ্টি কৰাৰ বাবে বঙভঙ্গ কৰি পূৱবংগক অসমৰ লগত সামুৰি দিয়া হ'ল। বঙ ভঙ্গৰ বিৰুদ্ধে বিপুল আন্দোলন গঢ়ি উঠিল; কিন্তু পূব বাংলাৰ মুছলমান জনগণক বৃটিছে অন্ততঃ বাহিৰত ৰাখিবলৈ সক্ষম হৈ হিন্দু-মুছলমানৰ সম্পৰ্কক সম্পূৰ্ণ তিক্ত কৰি পেলালে। ১৯০৯ আৰু ১৯১৯ চনত বৃটিছে শাসন সংস্কাৰৰ নামত মুছলমানৰ কাৰণে পৃথক ভোট আৰু পৃথক সংৰক্ষিত সমষ্টিৰ নীতি কাৰ্য্যকৰী কৰিলে। মুছলিম লীগৰ জন্ম দি বৃটিছে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ ক্ষেত্ৰত এটা ভাৰসাম্য সৃষ্টি কৰিলে। ১৯০৯ চনৰ মৰ্লে-মিণ্টো সংস্কাৰৰ পৃথক নিৰ্বাচনী ব্যৱস্থাৰ দাবী উত্থাপন কৰিছিল আগা খাঁই মুছলীম লীগৰ পক্ষৰ পৰা। কিন্তু লেডী মিণ্টোৰ ডায়েৰীৰ পৰা জনা যায় যে, দাবীটো উত্থাপন কৰোৱা হৈছিল বৃটিছ সাম্ৰাজ্যবাদৰ দ্বাৰা। পৃথকত্বৰ বাহিৰে মুছলমানৰ কাৰণে ভাৰতত আন কোনো পথ নাই, এই মনোভাবক বৃটিছে কেবা দশক ধৰি গঢ়ি তুলিলে। বৃটিছে ভাৰতবৰ্ষ আৰু পাকিস্তানৰ বিভক্ত আৰু এই দুই দেশৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষৰ গুটি নতুনকৈ সিঁচি আৰু দুয়ো দেশতেই নিজৰ অৰ্থনৈতিক লুণ্ঠনৰ ব্যৱস্থা নিৰাপদ কৰি ১৯৪৭ চনত আঁতৰি গ'ল।

তৃতীয়তে, কোৱা বাহুল্য যে মুক্তি সংগ্ৰামৰ ভাবাদৰ্শৰ লগত হিন্দু ঐতিহ্য আৰু ধৰ্মবোধৰ কিছুমান চিন্তা-চৰ্চ্চাক যুক্ত কৰাটো মুছলমান জনগণৰ গ্ৰহণযোগ্য হোৱা নাছিল; বৰঞ্চ তেওঁলোকৰ মনত স্বাধীনতাৰ লক্ষ্য সম্পৰ্কত সংশয় সৃষ্টিৰ কাৰণ হৈ পৰিছিল। এই ক্ষেত্ৰত ভাৰতৰ মুখ্য ৰাজনৈতিক দল হিচাপে কংগ্ৰেছৰ দায়িত্ব আছিল সৰ্বাধিক। অন্যহাতে কংগ্ৰেছৰ নেতৃবৰ্গ ইংৰাজৰ চৰিত্ৰ সম্পৰ্কত অজ্ঞ নাছিল। তথাপি সেই যুগতেই জাতীয় আন্দোলনৰ পিতৃপুৰুষ তুল্য নেতা লোকমান্য বাল গংগাধৰ তিলকে "জাতীয় উৎসৱ" হিচাপে মহাৰাষ্ট্ৰত সিদ্ধিদাতা গণেশৰ পূজা প্ৰৱৰ্তন কৰিছিল। তিলকে মুছলিম একাধিপত্যৰ বিৰুদ্ধে হিন্দু ভাৰতৰ মুক্তি সংগ্ৰামৰ বীৰ যোদ্ধা স্বৰূপে শিৱাজী উৎসৱো প্ৰবৰ্তন কৰিছিল। আনকি সশস্ত্ৰ বিপ্লৱী যুগাৰম্ভ দলৰ মুখ্য নেতা অৰবিন্দ ঘোষেও ভাৰতৰ স্বাধীনতাক হিন্দু সভ্যতাৰ নৱ জাগৰণ বুলি ব্যাখ্যা কৰিছিল। আৰম্ভণিৰ পৰা কংগ্ৰেছৰ সাংগঠনিক নীতি, প্ৰস্তাৱ সমূহ আৰু প্ৰতিবেদন আদিত ধৰ্ম নিৰপেক্ষতাৰ নীতি অনুসৰণ কৰা হৈছিল যদিও, ব্যাপক জনসাধাৰণে এই বক্তব্য পোৱা নাছিল; সকলোৱে বুজিব পৰা নাছিল। পৰৱৰ্তী সময়ত কংগ্ৰেছত গান্ধীজীৰ নেতৃত্ব স্থাপিত হোৱাৰ যুগত "ৰামৰাজ্য", "ৰামধুন" আদি আৰু

আনফালে "স্বাস্থ্যশুদ্ধি","ব্ৰহ্মচাৰ্য্য" আদি হিন্দু নৈতিকতাৰ ধাৰণাক গান্ধীজীয়ে ধৰ্মীয়তাৰ আবাৰণৰ সৈতে মিহলাই দিছিল। এইবোৰ মুছলমান জনসাধাৰণৰ পক্ষে গ্ৰহণযোগ্য হোৱা নাছিল। যবক বৃটিছৰ ভেদবাদী আৰু মুছলমান গোড়াপন্থী সকলক এইবোৰ ধ্যান-ধাৰণাই মুছলমান জনগণৰ মনত পৃথকত্বৰ মনোভাৱ গঢ়ি তুলিবলৈ হেগা উলিয়াই দিছিল।

মতভেদৰ সূত্ৰপাত হোৱা সত্ত্বেও ১৯২১ চনত গান্ধী আৰু মহম্মদ আলী-চৌকত আলী ভাতৃদ্বয়ৰ নেতৃত্বত বৃটিছ বিৰোধী অসহযোগ আৰু খিলাফত আন্দোলন সংগঠিত হয়। হিন্দু-মুছলমানৰ বিশাল ঐক্যবদ্ধ আন্দোলনে বৃটিছ শাসক আতংকিত কৰি তুলিলে। সেই সময়ত চৌৰি-চৌৰাৰ থানা জনগণে আক্ৰমণ কৰি পুৰি দিয়া আৰু কেবাজনো পুলিচৰ প্ৰাণনাশৰ হিংসাত্মক ঘটনাক নিন্দা কৰি গান্ধীজীয়ে একপক্ষীয় সিদ্ধান্তৰ বলত আন্দোলন প্ৰত্যাহাৰ কৰি ল'লে। এই ঘটনাক জাতীয়তাবাদী মুছলমান নেতাসকলে সহজভাৱে মানি লব নোৱাৰিলে। পৰৱৰ্তী কংগ্ৰেছ অধিবেশনত মুছলমান নেতা হজৰত মোহানীয়ে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী দাঙি ধৰিছিল। গান্ধীজীৰ তীব্ৰ বিৰোধীতা এই প্ৰস্তাৱ নাকচ হৈছিল। এইবোৰ ঘটনাই জাতীয়তাবাদী মুছলিম নেতৃবৰ্গৰ হতাশ আৰু কংগ্ৰেছ নেতৃত্বৰ লগত সম্পৰ্ক শৈথিল্যযুক্ত কৰি তুলিছিল। এই অৱস্থাৰ পূৰ্ণ সুযোগ ললে বৃটিছ আৰু জিন্নাৰ মুছলীম প্ৰতিক্ৰিয়াশীল সমৰ্থকসকলে। ১৯২৬ চনতেই হিন্দু-মুছলিম ঐক্যৰ সম্ভাৱনাক ব্যাপক সংঘৰ্ষৰ জুইয়ে পুৰি ছাই কৰি দিলে। বিপুল সংখ্যাগৰিষ্ঠতা থকা হিন্দু সমাজৰ ওপৰত সেই যুগত পুঁজিপতি-ভূস্বামী শ্ৰেণীৰ প্ৰবল প্ৰভাৱ আছিল। কংগ্ৰেছ আছিল এই শ্ৰেণীকেইৰ ৰাজনৈতিক দল। কংগ্ৰেছৰ ওপৰত এই শ্ৰেণীবোৰৰ যথেষ্ট প্ৰভাৱ থকাৰ কাৰণে জাতীয় ঐক্য গঠনৰ বিষয়ত কংগ্ৰেছ নেতৃত্বই দৃঢ় অৱস্থান লব পৰা নাছিল। ভাৰতত ধৰ্মীয় সংখ্যালঘু সকলৰ আশংকা আঁতৰ কৰাৰ বাবে যি দূৰদৰ্শিতা আৰু উদাৰ নীতিৰ প্ৰয়োজন আছিল, হিন্দু প্ৰধানাৰ মনোভাৱৰ বৈচিত্ৰ কংগ্ৰেছে সেইটো নীতি লোৱাৰ সাহস দেখুৱাব পৰা নাছিল। এই বিভক্তিৰ পূৰ্ণ সুযোগ ললে বৃটিছ আৰু মুছলিম পুঁজিপতি আৰু ভূস্বামী শ্ৰেণীয়ে, যিসকলে শক্তিশালী হিন্দু পুঁজিপতি শ্ৰেণীৰ প্ৰবল প্ৰতিযোগিতাৰ পৰা সম্পূৰ্ণ পৃথক মুক্ত ৰাষ্ট্ৰ গঠনহে আবাধ শোষণ চলোৱাৰ পথ বুলি ধৰি লৈছিল। মুছলিম মধ্যবিত্ত আৰু বুদ্ধিজীৱী শ্ৰেণীটোও প্ৰবল হিন্দু প্ৰতিযোগিতাৰ পৰা মুক্ত হোৱাৰ লক্ষ্যৰে সেহাতক "পাকিস্তান" দাবীৰ উগ্ৰ সমৰ্থক হৈ পৰিল।

## স্বাধীনতাৰ পৰৱৰ্তী অধ্যায় ঃ

কংগ্ৰেছৰ নেতৃত্বই ভাৰত বিভাজনৰ চুক্তিক সমৰ্থিত কৰাৰ বাবে যুক্তিক এই বুলি আগবঢ়াইছিল যে, দেশ বিভাজনৰ ফলত সাম্প্ৰদায়িক সমস্যাৰ চিৰ দিনৰ বাবে ওৰ পৰিব। কিন্তু স্বাধীন ভাৰত বৰ্ষত সাম্প্ৰদায়িক ৰাজনীতি শেষ হৈ নগ'ল; বৰঞ্চ আগতকৈ শক্তিশালীহে হ'ল। প্ৰথমজনৰ বাবে এই কথাৰ প্ৰমাণ পোৱা গ'ল আৰ-এছ-এছ কৰ্মী নাথুৰাম গডছেৰ হাতত মুছলমানৰ হকে পক্ষপাতিত্ব কৰাৰ বাবে মহাত্মা গান্ধীক হত্যা কৰা ঘটনাৰ মাজত। তাৰ পিছৰ ৪৬ বছৰত ক্ৰমাগতে ধৰি সমগ্ৰ ভাৰতবৰ্ষত কেবা হাজাৰবাৰ হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। আশীৰ দশকত সৰ্বাধিক সংখ্যক সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। এই দশকৰ শেষৰ ফালে উগ্ৰ সাম্প্ৰদায়িকতাবাদী সকলৰ দ্বাৰা বিয়াগেই ৰাম জন্মভূমি-বাবৰি-ই-মছজিদ বিতৰ্কক উগ্ৰ কৰি তোলা হৈছে, যিয়ে দেই হিন্দু-মুছলমানৰ সংঘৰ্ষৰ সংখ্যা আৰু বিস্তৃতি বাঢ়ি গৈছে; যাৰ চৰম পৰিণতি স্বৰূপে ১৯৯২ চনৰ ৬ ডিচেম্বৰ অবিধে অযোধ্যাৰ ঐতিহাসিক বাবৰ-ই-মছজিদ ধ্বংসস্তুপত পৰিণত হোৱাৰ লগে লগেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সাম্প্ৰদায়িকতাৰ লেলিহান শিখা আকৌ এবাৰ ভয়ানকভাৱে জুলি উঠিল।

যিসকলে ধৰ্মীয় উন্মাদনা প্ৰচাৰি তুলিছে তেওঁলোকৰ উদ্দেশ্য হৈছে ধৰ্মৰ আবৰণেৰে ভাৰতবৰ্ষৰ ৰাজনৈতিক ক্ষমতা দখল কৰা। এই ৰাজনৈতিক নেতা সকল কোনো ধৰ্মীয় গুৰু নহয়। কিমানজন সঁচাকৈয়ে ধাৰ্মিক, তেওঁলোক কেতিয়াও সাম্প্ৰদায়িক হ'ব নোৱাৰে। ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, সুভাষ চন্দ্ৰ বসু তেওঁলোকৰ তুলনাত কম হিন্দু নাছিল, কিন্তু এক বিন্দুও সাম্প্ৰদায়িক নাছিল। একেদৰেই আমি ক'ব পাৰোঁ মৌলানা আবুল কালাম আজাদ আৰু সীমান্ত গান্ধী খান আব্দুল গফুৰ খাৰ কথা, যিসকল আছিল অসাম্প্ৰদায়িক আৰু জাতীয়তাবাদী; মহম্মদ আলী জিন্নাৰ দৰে সাম্প্ৰদায়িক নাছিল।

ভাৰতবৰ্ষৰ সংবিধান মতে গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু বহুজাতিক ভাৰতবৰ্ষ অংগ-ৰাজ্যসমূহৰ স্বায়ত্ত্ব-শাসন আৰু শক্তিশালী কেন্দ্ৰৰ ভিত্তিত গঠিত ফেডাৰেল নীতি— এই তিনিটা মূল খুঁটিৰ ওপৰত স্বাধীন ভাৰতৰাষ্ট্ৰ থিয় কৰোৱা হৈছে। ৰাজনীতি আৰু ৰাষ্ট্ৰৰ কাৰ্য-কলাপৰ পৰা ধৰ্মক আঁতৰত ৰখাৰ ধৰ্ম-নিৰপেক্ষতা নীতিক অনুসৰণ কৰিবলৈ সাম্প্ৰদায়িক আৰু মৌলবাদী শক্তিবোৰে অহৰহ চেষ্টা চলাই আছে। তেওঁলোকে "ধৰ্ম নিৰপেক্ষ" শব্দটোৰ অৰ্থক বিকৃত কৰিবলৈ অপ-প্ৰয়াস কৰি আছে, হিন্দু ৰাষ্ট্ৰৰ ধ্বনিৰে ভাৰতবৰ্ষৰ সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ নীতিৰ বিৰুদ্ধে কাৰ্যতঃ বিদ্ৰোহ ঘোষণা কৰিছে। যদি হিন্দুৰ বাহিৰে অন্য ধৰ্মৰ নাগৰিকৰ সমান অধিকাৰ নাথাকে, তেন্তে গণতন্ত্ৰও টিকি নাথাকিব।

সাম্প্ৰদায়িক শক্তিবোৰে নিৰ্বাচনত জয়লাভ কৰিবৰ বাবে যি কৌশল অৱলম্বন কৰিছে, তাক কেৱল হিটলাৰৰ ক্ষমতা দখলৰ কৌশলৰ লগতহে তুলনা কৰা যায়। হিটলাৰে ক্ষমতা হস্তগত কৰি জাৰ্মান একচেটিয়া পুঁজিৰ স্বাৰ্থত একনায়কত্ব



প্ৰতিষ্ঠা কৰাৰ বাবে "বিধৰ্মী আৰু বিদেশী" ইহুদীক হত্যা কৰাৰ সুচক কাৰ্যসূচী লৈ কাম আৰম্ভ কৰিছিল আৰু ক্ৰমাৎ কমিউনিষ্ট, ট্ৰেডইউনিষ্ট আৰু সকলো প্ৰতিবাদীক বন্দী আৰু হত্যা কৰি জাৰ্মানীক দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত কৰাই দুই কোটি জাৰ্মান সহ পাঁচ কোটি লোকৰ মৃত্যু ঘটাই ইতিহাসৰ পাতৰ পৰা আঁতৰ হৈছিল।

## সম্ভাব্য প্ৰতিক্ৰিয়া ঃ

যদি ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতা নীতিক আঁতৰাই ধৰ্মীয় ভিত্তিত হিন্দুৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা হয়, তেন্তে প্ৰথমেই যুক্তিৰে শিখ সংখ্যা গৰিষ্ঠ পঞ্জাব বা উত্তৰ-পূৰ্ব ভাৰতৰ খৃষ্টান ৰাজ্যবোৰ— মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড আদি ভাৰতবৰ্ষৰ বাহিৰলৈ ওলাই যোৱাৰ সম্ভাৱনা আছে। মহম্মদ আলী জিন্নাই যেতিয়া ধৰ্মৰ নামত দেশ ভাঙিছিল, তেতিয়া ভাবিছিল যে ধৰ্মই হ'ব ঐক্যৰ মূল ভেটি। কিন্তু সেইটো নহ'ল ভাষাৰ প্ৰশ্নত পাকিস্তান ভাঙি বাংলাদেশৰ জন্ম হ'ল। একে প্ৰক্ৰিয়াই ভাৰতবৰ্ষতো কাম কৰিব। জম্মু-কাশ্মীৰ, পঞ্জাব, অসম আৰু তামিলনাডুত বিচ্ছিন্নতাবাদী আন্দোলন অধিক শক্তিশালী হ'ব। স্বাধীন ৰাষ্ট্ৰৰ দাবী আৰু প্ৰবল হ'ব। তাৰ পিছতো ভাঙোনৰ প্ৰক্ৰিয়া চলিব আৰু তদুপৰি, প্ৰতিখন ৰাজ্য আকৌ আঞ্চলিক ভিত্তিত ভাগ হোৱাৰ সম্ভাৱনা আছে। মুঠতে ভাৰতবৰ্ষ এখন ঐক্যবদ্ধ দেশ হৈ থকাৰ সম্ভাৱনা কম। ইয়াৰ বিপৰীতে কেইখন ভাৰতবৰ্ষৰ জন্ম হোৱাৰ সম্ভাৱনাই বেছি, যিটো আছিল বৃটিছ সকল ভাৰতলৈ অহাৰ সময়ত। এখন দেশক অনবৰত বিৰুদ্ধে লগাই দি বৃটিছ সকলে যিদৰে সমগ্ৰ ভাৰতক কজায়ত্ত কৰিছিল, ঠিক একেদৰে পুনৰ ভাৰতবৰ্ষ আকৌ বিদেশী শক্তিৰ ক্ৰীড়াভূমিত পৰিণত হোৱাৰ সম্ভাৱনাই অধিক।

## সাৰমৰ্ম ঃ

সাম্প্ৰদায়িকতাবাদ শোষক শ্ৰেণী সমূহৰ ৰাজনীতি। ধৰ্মক লগত ৰাজনৈতিক যুক্ত কৰি, সাম্প্ৰদায়িক বিবাদ আৰু সংঘাতৰ মাজেদি তেওঁলোকে জনগণক বিভক্ত আৰু বিপথে কৰি শ্ৰেণী স্বাৰ্থৰ নীতিক বাহিৰৰ ওপৰত স্থাপি দিয়ে। লক্ষ্য কৰা প্ৰয়োজন যে, পুঁজিপতি-ভূস্বামী শ্ৰেণীয়ে সাম্প্ৰদায়িকতাবাদৰ তত্ত্ব আৰু প্ৰচাৰ কৌশল আদি নিৰ্ধাৰণ কৰি দিয়া স্বত্বেও তেওঁলোকে নিজে এই কতৃক কাৰ্যত পৰিণত কৰিবলৈ প্ৰত্যক্ষ ভাৱে কামত যুক্ত নহয়। এই কামটো কৰে মুৰ্খৰা আৰু মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীৰ এটা অংশই। অধ্যাপক, শিক্ষক, লিখক, ডাক্তৰ, ব্যৱসায়ী, সমাজ সেৱী, শিক্ষিত কৰ্মচাৰী আদি অংশৰ লোক কিছুমানে পদত থাকি সাম্প্ৰদায়িকতাৰ তত্ত্ব আৰু ৰাজনৈতিক বহন কৰি নানা উপায়েৰে জনপ্ৰিয় কৰি তুলিবলৈ প্ৰয়াস চলাই যায়। উল্লেখ কৰা প্ৰয়োজন যে মধ্যবিত্ত শ্ৰেণীৰে সাম্প্ৰদায়িকতাৰ তত্ত্ব আৰু বিভিন্ন প্ৰচাৰ উৎসাহেৰে বিয়পাই দিয়া আৰু সকলো উপায়েৰে কাৰ্যাধানক উচটাই দিয়া স্বত্বেও তেওঁলোকে নিজে প্ৰত্যক্ষ ভাৱে সংঘৰ্ষ, হানা-হানি আৰু উগ্ৰতাত অংশ নলয়। তেওঁলোকে শ্ৰমজীৱি জনসাধাৰণৰ চিৰাচৰিত ধৰ্ম-বিশ্বাস, নিৰক্ষৰতা, পশ্চাদপদতা আৰু ৰাজনৈতিগত আন্দোলনৰ পৰা বিচ্ছিন্নতাৰ সুযোগ লৈ জনসাধাৰণক ভাতৃঘাতী সংঘাতত লিপ্ত কৰায়। সংঘৰ্ষৰ আঘাতত এই শোষিত শ্ৰমজীৱি শ্ৰেণীয়েই সহ্য কৰে। অথচ সাম্প্ৰদায়িকতাৰ প্ৰভাৱৰ পৰা এই শ্ৰেণীটো অধিক মাত্ৰাই মুক্ত। ভাতৃঘাতী সংঘৰ্ষত এই শ্ৰেণীৰ কোনো স্বাৰ্থ-ৰক্ষা নহয় ইয়াৰ ওপৰত সাম্প্ৰদায়িক প্ৰভাৱ নিচেই সীমাবদ্ধ।

এই আলোচনাই দেখুৱাই দিয়ে যে, সাম্প্ৰদায়িকতাৰ ভেদবাদী ৰাজনীতিৰ প্ৰভাৱৰ পৰা মুক্ত কৃষক-শ্ৰমিকৰ আঁতৰাই অনচটো তুলনামূলক ভাৱে সহজসাধ্য। গতিকে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বেলিকা আজি প্ৰগতিশীল আৰু গণতান্ত্ৰিক শক্তিয়ে এই কথাবোৰ মনত ৰাখি শ্ৰমজীৱী জনসাধাৰণৰ মাজত আদিৰ্হতকৈ গুৰুত্ব দি প্ৰয়াস চলোৱা উচিত। মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণী সাম্প্ৰদায়িক ভেদনীতিৰ দ্বাৰা লাভবান নহয়, বৰঞ্চ প্ৰতিক্ৰিয়াশীল শ্ৰেণীৰ আধিপত্যৰ খোৱা কঢ়িয়াইহে কৰা হয়। শোষক শ্ৰেণীয়ে ইতিহাসক বিকৃত ধৰ্মীয় কৰি গোড়ামিৰ লগত ৰাজনৈতিক যুক্ত কৰি মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীক বিভ্ৰান্ত কৰি লৈ আছে। সেয়েহে প্ৰগতিশীল আৰু ধৰ্মনিৰপেক্ষতাবাদী সকলৰ পক্ষে উচিত এই লোকসকলক তেওঁলোকৰ সংশয় আৰু বিভ্ৰম আঁতৰ কৰিবৰ কাৰণে অবিৰাম প্ৰয়াস চলোৱা।

নাজীবাদী সকলৰ উত্থানৰ সময়ত জাৰ্মান বুদ্ধিজীৱী পাষ্টৰ ন্যামোনিয়েলৰ কবিতা ফাকিৰ উদ্ধৃতি দি এই প্ৰতিবেদন সামৰিছোঁ।

প্ৰথমতে সিহঁতে আহিছিল ইহুদী সকলক নিবলৈ
তেতিয়া মই আছিলোঁ চুপ চাপ,
কাৰণ মইতো ইহুদী নহয়।
তাৰ পিছত সিহঁতে লৈ গৈছিল কমিউনিষ্ট সকলক
তেতিয়াও মই আছিলোঁ চুপচাপ
কাৰণ মইতো কমিউনিষ্ট নহয়।
তাৰ পিছত ক্যাথলিক সকলক লৈ গৈছিল সিহঁতে
তেতিয়াও মই আছিলো চুপচাপ,
কাৰণ মইতো ক্যাথলিক নহয়।
তাৰ পিছত সিহঁতে মোক নিবলৈ আহিল
আৰু তেতিয়া মোৰ বাবে
মাত মতাৰ বাবে কোনোৱে নাছিল।

সাম্প্ৰদায়িকতাবাদী শক্তিয়ে ৰাজনৈতিক ক্ষেত্ৰত প্ৰাধান্য লাভ কৰিলে ভাৰতবৰ্ষত গণতন্ত্ৰৰ বেছি দিন যাব আৰু ধৰ্মৰ নামত ফেচীবাদ অন্ধকাৰময় দৰে দেশখনক হেঁচিয়াই ধৰিব। সেয়েহে দেশৰ প্ৰতিজন গণতন্ত্ৰবাদী, ধৰ্ম-নিৰপেক্ষতাবাদী আৰু শুভ বুদ্ধি সম্পন্ন নাগৰিকৰ পক্ষে উচিত-মাতৃভূমিক এই নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰাৰ বাবে যথাসাধ্য প্ৰচেষ্টা চলোৱা। ●

# দৈহিক আৰু মানসিক উৎকৰ্ষ সাধনত যোগাসন

অমৰেন্দ্ৰ চৌধুৰী
স্নাতক ৩য় বৰ্ষ (বাণিজ্য বিভাগ)



এটা সুস্থ-সবল দেহৰ অধিকাৰী হ'বলৈ সকলোৰে কাম্য। এখন সমাজত উচ্চ চিন্তা আৰু সুস্থ মানসিকতা বিৰাজ কৰে কেৱল সু-স্বাস্থ্যৰ ব্যক্তিৰ পৰাহে। মানসিকভাৱে দুৰ্বল আৰু শাৰীৰিকভাৱে অক্ষম ব্যক্তিয়ে সমাজত কেতিয়াও নেতৃত্ব বহন কৰিব নোৱাৰে। সুস্থ চিন্তা-চৰ্চাৰ বাবে কেৱল মাথো লাগে এটা নিৰোগী শৰীৰ আৰু মন। অসুস্থ শৰীৰ লৈ কোনেও সুস্থ মানসিকতা লাভ কৰিব নোৱাৰে। মানুহৰ বাহ্যিক ৰূপটোৰ পৰা আমি এজন ব্যক্তিক সু-স্বাস্থ্যবান বুলি ক'লে ভুল কৰা হ'ব। কাৰণ এজন মানুহ স্বাস্থ্যবান বুলি কোৱা হয় যদিহে মানুহজন নিৰোগী হয়। অতীত কালৰ যোগী বা ঋষি-মুনিসকলেও দেহ-মন নিৰোগী আৰু সুস্থ কৰি ৰখাৰ বাবে বহুত পন্থা অৱলম্বন কৰাৰ কথা বিভিন্ন প্ৰাচীন গ্ৰন্থত উল্লেখ পাওঁ। সেই কাৰণে 'যোগাসন' শব্দটো মূল সংস্কৃত 'যুঁজ' শব্দৰ পৰা অহা বুলি যোগাসনকাৰী পূৰ্বপুৰুষসকলে ক'ব খোজে। ঋষি-মুনিসকলে ধ্যানস্থ সময়ত দেহ-মন স্থিৰ কৰি ৰাখিব লাগিছিল বা উক্ত সময়ত আসন পদ্ধতিৰ বিশেষত্ব আছিল আৰু এইবাবে নিজৰ বিবেকৰ লগত 'যুঁজ' কৰিব লগা হৈছিল। আৰু চামে চামে এনে কাৰ্য্য অনুসৰণ কৰি বৰ্তমানৰ ৰূপ পাইছে লগতে এনে পদ্ধতি দেহ-মন সুস্থ ৰখাৰ একমাত্ৰ উপায় হিচাপে স্বীকৃত হৈ আছে। সেইবাবে ইয়াক 'যোগাসন' বুলি কোৱা হয়।

যিসকল ব্যক্তিয়ে এই যোগাসন এবাৰ চৰ্চা কৰি পাইছে সেইসকল ব্যক্তিয়ে ইয়াক আৰু কেতিয়াও বাদ দিব নোৱাৰে। কাৰণ যোগাসনে চৰ্চাকাৰীৰ শৰীৰ আৰু মনত এক বিশেষ নিচাযুক্ত তৃপ্তিৰ শিহৰণ জগাই তোলে। অৱশ্যে এই ক্ষেত্ৰত মই নিজৰ বাস্তৱিক অভিজ্ঞতাৰ পৰা উপলব্ধি কৰিছো। আধুনিক স্বাস্থ্যবিজ্ঞানীসকলেও বহুতো পৰীক্ষা-নিৰীক্ষা কৰি মত প্ৰকাশ কৰিছে যে অতীত কালৰ পৰা চলি অহা এই যোগাসন পদ্ধতিটো সুস্থ শৰীৰ মন গঠনত এক নিৰ্ভুল পদ্ধতি। এই যোগাসন পদ্ধতিটো প্ৰথমতে ভাৰতত্তেই উদ্ভৱ হয়। ভাৰত এখন ঋষি-মুনিৰ দেশ বুলি অতীতৰ পৰাই এক বুৰঞ্জীমূলক পৰিচয় আছে। আৰু সেই ঋষি-মুনিৰ দিনতেই যোগাসান ব্যৱস্থাটো উদ্ভৱ হয়। যোগাসনৰ উপকাৰীতা সম্পৰ্কে এই প্ৰবন্ধটিত আলোচনা কৰাতো অসম্ভৱ। যোগাসনৰ নিয়মিত অভ্যাসৰ ফলত এজন মানুহ দীৰ্ঘদিন জীয়াই থাকিব পাৰে বুলি বিভিন্ন যোগবিশেষজ্ঞসকলে তেওঁলোকৰ বাস্তৱিক অভিজ্ঞতাৰ (Practical Knowledge) পৰা দৃঢ়ভাৱে ক'বলৈ বাধ্য হৈছে। আমাৰ শৰীৰত দেখা দিয়া বা সম্ভাৱনীয়তা ৰোগ নিৰাময়ৰ বা চিৰ আৰোগ্য হ'বলৈ হ'লে নিয়মিত যোগাসন চৰ্চাই যথেষ্ট। বৰ্তমানৰ চিকিৎসা পদ্ধতিত কোনো ব্যক্তিয়ে চিৰ আৰোগ্য হ'ব নোৱাৰে। আধুনিক চিকিৎসা বিজ্ঞানত যিবিলাক ঔষধ ব্যৱহাৰ কৰা হয়, সেইবিলাকে মানৱ শৰীৰত এটা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।





আজিকালি অৱশ্যে যোগাসনৰ উপৰিও পাশ্চাত্যৰ ব্যায়াম ব্যৱস্থাৰেও শৰীৰ গঠনৰ চেষ্টা কৰা দেখা যায়। এই পদ্ধতিসমূহৰ যোগেদি যদিও মানৱ শৰীৰৰ বাহ্যিক পৰিবৰ্তন সহজভাৱেই পৰিবৰ্তন ঘটে ই শৰীৰৰ আভ্যন্তৰীণ ভাগত কোনো প্ৰভাৱ নেপেলায়। বৰং কেতিয়াবা শৰীৰত ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া কৰা দেখা যায়। অৱশ্যে ইয়াৰ কেইটামান পদ্ধতি বিজ্ঞানসম্মত যদিও অভ্যাসকাৰীয়ে নীতি-নিয়ম ভালদৰে অনুসৰণ নকৰাৰ ফলত ভাল ফল নেপায়। কিন্তু যৌগিক ব্যায়াম ব্যৱস্থাত আমি এনেবোৰ প্ৰতিক্ৰিয়া অনুভৱ কৰিব লগা নহয়, কাৰণ এই পদ্ধতিত শৰীৰৰ অংগ-প্ৰত্যংগবিলাকে অধিক কষ্ট বা ধৰতকীয়াকৈ কাম কৰিব লগা নহয়। আধুনিক শৰীৰ চৰ্চাকাৰীসকলে যদি অত্যাধিক শৰীৰ চৰ্চা কৰে তেতিয়াহ'লে শৰীৰৰ ভিতৰত থকা কলা (Tissue) সমূহ লাহে লাহে নিষ্ক্ৰিয় হৈ যোৱা দেখা যায়। অত্যাধিক শৰীৰ গঠন কৰিবলৈ যাওঁতে শৰীৰৰ মাংসপেশীৰ ভিতৰত থকা কলা (Tissue) সমূহ অতিৰিক্ত দেহ-মাংসৰ শ্ৰীবৃদ্ধি আৰু গঠন প্ৰক্ৰিয়া অতিল হোৱাৰ ফলত ক্ৰমান্বয়ে মৰি যায়। সেইবাবে দেখা যায় যে এতিয়ালৈকে যিসকল শক্তিশালী পুৰুষে সিহঁতৰ নিজ চেষ্টা বা সাধনাৰ ফলত শৰীৰ আৰু শক্তি প্ৰদৰ্শন কৰি বিশ্ববাসীক চমক খুৱাই আহিছে সেইসকল ব্যক্তি আজি অৰ্দ্ধ শতিকাও জীয়াই থকা নাই। সেয়েহে যোগাসনৰ অভ্যাসৰ পৰাহে কেৱল দীৰ্ঘায়ু কামনা কৰিব পাৰি।

যোগাসন সম্পৰ্কত বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলে অধিক মনোনিবেশ কৰা উচিত। কাৰণ এক সুস্থ শৰীৰ আৰু মন থাকিলেহে পঢ়া-শুনাত আগ্ৰহ থাকে। যোগাসন মানসিক উৎসৰ্গ সাধন কৰি নিজ কৰ্তব্য পালনত উৎসাহ যোগায়। ছাত্ৰ-ছাত্ৰীসকলে যোগাসনৰ কাৰণে দিনত কমেও এবাৰ সময় বান্ধি ল'ব লাগে বা লোৱা উচিত। অৱশ্যে যোগাসনৰ প্ৰয়োগিক দিশটো ইয়াত খৰচি মাৰি আলোচনা কৰাতো সম্ভৱপৰ নহয়। তথাপিও এই সম্পৰ্কে কেইটিমান অত্যাৱশ্যকীয় আসনৰ বিষয়ে ইয়াত থূলমূলকৈ আলোচনা কৰিলোঁ।

আসন কৰিলে ৰাতিপুৱা খালিপেটে কৰিব পাৰিলে ভাল। কিন্তু দেহত ৰোগ চলিত অৱস্থাত আসন নকৰিলেই ভাল। অৱশ্যে পদ্মাসন কৰিলে একো নহয়। আসন কৰা ঠাইখিনি মুক্ত হ'ব লাগে আৰু এই আসন কৰা অভ্যাস নিয়মিত হ'ব লাগে। দুমাহ-তিনিমাহ নিয়মিত কৰাৰ পিছত নিজ ইচ্ছা বা সময় অনুযায়ীও কৰিব পাৰি। কাৰণ দুই-তিনিমাহ কৰিলেই ইয়াৰ সুফল দেখা যায়। এজন ছাত্ৰই সাধাৰণতে নিজৰ শাৰীৰিক আৰু মানসিক স্থিৰতা ৰক্ষা কৰিবলৈ হ'লে মাথো এইকেইটি আসনৰ নিয়মিত চৰ্চা কৰিলেই যথেষ্ট। যেনে— শীৰ্ষাসন, পদ্মাসন, বজ্ৰাসন, সৰ্বাংগাসন, ময়ূৰাসন আদি। অৱশ্যে ইয়াৰ উপৰিও বাকী আটাইবিলাক আসনৰ চৰ্চা কৰিব পাৰিলে এটা দীৰ্ঘায়ু জীৱন লাভ কৰিব পাৰি। শীৰ্ষাসন কৰাৰ ফলত মস্তিষ্কৰ স্থিৰতা ৰক্ষা কৰাৰ লগতে মানসিক শক্তিৰ শ্ৰীবৃদ্ধি হয়। পদ্মাসন কৰিলে ভৰিৰ বাতবিষ আৰু মেৰুদণ্ড নমনীয় কৰি ৰাখে। কোৱা বাহুল্য যে কোনো লোকৰ যদি জ্বৰ উঠে আৰু সক্ষম অনুযায়ী পদ্মাসন কৰিব পাৰে তেনেহ'লে জ্বৰ এৰাটো নিশ্চিত। সেইদৰে বজ্ৰাসন কৰিলে মানুহ বজ্ৰৰ দৰে কঠিন হ'ব পাৰি। আৰু ইয়াৰ সহায়ত খোৱা খাদ্য সহজে জীৰ্ণ যায়। সেইবাবে বজ্ৰাসন আহাৰ খোৱাৰ পিছতো নিয়মিতভাৱে কৰাতো বাঞ্চনীয়। আকৌ সৰ্বাংগাসন মানে হৈছে সৰ্বঅংগৰ আসন (সৰ্ব+অংগ+আসন)। এই আসনৰ ফলত দেহৰ প্ৰতিটো অংগতে এক ৰোগ প্ৰতিৰোধকাৰী ৰস বা পদাৰ্থৰ উৎপত্তি হয় আৰু এই পদাৰ্থ বিধৰ জৰিয়তে যিকোনো ৰোগৰ বীজাণুৰ আক্ৰমণৰ পৰা বাধাৰ সৃষ্টি কৰে। সেইবাবে এই আসনটি দেহৰ প্ৰতিটো অংগৰ বাবে উপকাৰী। তাৰোপৰি ময়ূৰাসন কৰাৰ ফলত পেটৰ অম্লতা দূৰ হোৱা দেখা যায় আৰু আন সকলো পেটৰ সম্ভাৱনীয় ৰোগৰ পৰা নিজকে মুক্ত ৰাখিব পৰা যায়। অৱশ্যে অসুস্থ অৱস্থাত ই একেবাৰে নিষিদ্ধ।

গতিকে আমি উপলব্ধি কৰিব পাৰো যে সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এইকেইটা আসন ৰাৰ্কৈয়ো গুৰুত্বপূৰ্ণ কাৰণ আধুনিক চিকিৎসা পদ্ধতিৰ দ্বাৰা ৰোগৰ সম্ভাৱনীয়তা দূৰ কৰি স্বাভাৱিক জীৱন-যাপন সম্ভৱ নহয়। এই চিকিৎসা পদ্ধতিত ব্যৱহাৰ কৰা ঔষধসমূহৰ গুণাগুণ পৰীক্ষা কৰি ড° এচ.এচ. মিডেলে অভিমত ব্যক্ত কৰিছে যে— "At the book of disease lies a cause and that cause no drug car reach." সেইদৰে ড° ওৱাটিন মতে— "He who loses his health will avoid the drug, doctors and make this his capital princeple." আকৌ বিশ্ববিখ্যাত চিকিৎসক ড° প্ৰফেচৰ এলেক্স ক্লাৰ্কে কৈছে— "In their zeal to do good, physicians have done much harm. They have hurried many to grave, who would have recovered, if left no native treatment. All our curative agents are poisons, and as a consequence enery dose diminishes the patients vitality. If patients get will in some cases it is inspite of the medicines."

গতিকে আমি তেখেতসকলৰ পৰা গম পালো যে আধুনিক চিকিৎসা পদ্ধতি স্বাস্থ্য ৰক্ষাৰ কাৰণে নিৰাপদ নহয়, কিন্তু এই কথা সকলোৰে স্বীকাৰ্য যে যোগাসান এটি ত্ৰুটিবিহীন, সুস্থ স্বাস্থ্য ৰক্ষা পদ্ধতি।

আসনবিলাক কৰোতে মুক্তহাতে আৰু মুক্ত মনে কৰিব লাগে। আসন কৰি উঠাৰ পিছত খালিপেটে পানী খাব লাগে আৰু তাৰ পিছতহে আহাৰ গ্ৰহণ কৰিব লাগে। প্ৰকৃততে যোগাসনকাৰীৰ আহাৰ নিৰামিষ হ'লেই ভাল। ঠিক এনেদৰেই যদি আমি নিয়মিতভাৱে আসন অভ্যাস কৰো তেন্তে সকলো ধৰণৰ ৰোগৰ পৰা হাত সাৰি থাকিব পাৰো আৰু দৃঢ় মনোবলেৰে নিজৰ লক্ষ্য পথত অগ্ৰসৰ হ'ব পাৰো।

# অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ

অঞ্জনজ্যোতি নাথ
স্নাতক ২য় বাৰ্ষিক (কলা)

অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ পৰিছে বিশেষকৈ ইংৰাজী সাহিত্যৰ যোগেদি। অৰুণোদয় যুগৰ (১৮৪৬ খৃঃ ১৮৮২ খৃঃ) পৰাহে অসমীয়া সাহিত্যত আধুনিক যুগৰ সূচনা হয়। খ্ৰীষ্টান মিছনাৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ আহিছিল। খ্ৰীষ্টান মিছনাৰীসকলে যদিও অৰুণোদয় কাকত প্ৰকাশ কৰিছিল খ্ৰীষ্টান ধৰ্মপ্ৰচাৰৰ অৰ্থে; তথাপি এই কাকতৰ যোগেদি অসমীয়া সমাজক দেশ-বিদেশৰ জ্ঞানৰ সম্ভেদ দি পাশ্চাত্য ভাৱধাৰাৰ বীজ সিঁচি অসমীয়া সাহিত্যত প্ৰথম আধুনিকতাৰ উন্মেষ ঘটালে। এই কাকতৰ আদৰ্শত আসাম বিলাসিনী, আসাম নিউজ, আসাম বন্ধু, আসাম দৰ্পন, অসম তৰা, মৌ আদি কাকত আৰু আলোচনী প্ৰকাশ হ'ল। এইবিলাকে প্ৰাচীন ঐতিহ্যৰ দুৱাৰ ভাঙি আধুনিককালৰ দুৱাৰ মুকলি কৰিলে। এই দুৱাৰেদি পাশ্চাত্য সাহিত্যৰ পোহৰৰ ছাটি কাঢ়িয়াই আনিলে ১৮৮৯ চনত আত্মপ্ৰকাশ কৰা 'জোনাকী' আলোচনীখনে। এই জোনাকী কাকতেই অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱাদৰ্শৰ সৃষ্টি কৰে। এই জোনাকী কাকতক কেন্দ্ৰ কৰি অসংখ্য অসমীয়া সাহিত্যিকৰ সৃষ্টি হ'ল আৰু তেওঁলোকে সাহিত্যৰ সাগৰ মন্থন কৰি অমৃত কুম্ভৰ সন্ধান কৰি তাৰে মৃতপ্ৰায় অসমীয়া জাতিটোক পুনৰ্জীৱিত কৰি তুলিলে। ফলত অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটা নতুন সোণালী যুগৰ সৃষ্টি হ'ল— যাক কোৱা হয় জোনাকী যুগ। আওপকে বঙালী সাহিত্যৰ যোগেদি আৰু পোনপটীয়াকৈ ইংৰাজী সাহিত্যৰ পৰা আধুনিক যুগৰ ভাৱধাৰা আহি অসমীয়া সাহিত্যত সোমাইছে। অসমীয়া সাহিত্যিক সকলৰ নাছে কৰহে শাস্ত্ৰীয় নীতিৰ বান্ধোনৰ পৰা ওলাই আহিল আৰু আগৰ যি ধ্ৰুপদী অৰ্থাৎ ক্লাচিকেল (Classical) সাহিত্য আছিল তাক সম্পূৰ্ণ মূল্যহীন বুলি কৰা হ'ল। তেওঁলোকে ইংৰাজ কবি শেলী, কীটচ্‌, ৱৰ্ডচ্‌ৱৰ্থ আৰু বায়ৰণৰ কাব্য পঢ়িলে, ইংৰাজী সাহিত্যিক শেক্সপীয়েৰ; কাৰলাইল; মিল আদিৰ অমূল্য গ্ৰন্থৰাজি পঢ়ি আধুনিক ভাৱধাৰাত উদ্বুদ্ধ হ'ল। অসমীয়া সাহিত্যত ৰোমাণ্টিচিজিম; মানৱতাবাদ প্ৰাকৃতিক সৌন্দৰ্যই ঠাই পালে। এইদৰে ইংৰাজী সাহিত্য তথা পাশ্চাত্য সাহিত্যৰ সোঁত অসমীয়া সাহিত্যত অবিৰতভাৱে বৰ্ষাই ধৰিলে।

ইংৰাজী সাহিত্যৰ সম্পদ অসমীয়া ভাষালৈ আমদানি কৰি অসমীয়া সাহিত্যক আধুনিক ভাৱধাৰাত দীক্ষিত কৰাৰ গুৰিতে সেই সময়ত কলিকতাত স্থাপিত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ ভৰি ধৰোঁতা জোনাকী যুগৰ সাহিত্যিকসকল। এইসকলৰ ভিতৰত আগৰণুৱা আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, কমলাকান্ত বৰুৱা আদি। এওঁলোকেই ইংৰাজী সাহিত্যৰ ভাৱধাৰা কবিতাৰ যোগেদি অসমীয়া সাহিত্যলৈ বোৱাই দিছিল। এই কেইগৰাকী প্ৰথাত সাহিত্যিকে অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱাদৰ্শ সৃষ্টি কৰে। কবি চন্দ্ৰকুমাৰ আগৰৱালা ৰোমাণ্টিক কবিতাৰ পথ প্ৰদৰ্শক। তেওঁ কেৱল ৰোমাণ্টিক কবিতাৰ পথ প্ৰদৰ্শকে নহয় তেওঁৰ কবিতাত আটাইবিলাক লক্ষণ পৰিস্ফুট হৈছে। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। 'জোনাকী' কাকতৰ (১৮১০ শক) প্ৰথম বছৰৰ প্ৰথম সংখ্যাত এই কবিতা প্ৰকাশ হৈছিল। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ কেৱল অসমীয়া কবিতাতেই পৰা নাছিল। অসমীয়া নাটক, উপন্যাস, চুটিগল্প আৰু প্ৰবন্ধ ক্ষেত্ৰত এই প্ৰভাৱ প্ৰকটভাৱে পৰা দেখা যায়।

জোনাকী যুগত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱে অসমীয়া কবিসকলৰ ভাব, আদৰ্শ, দৃষ্টি-ভংগী কবিতাৰ কৌশল আদিৰ যি পৰিবৰ্তন ঘটালে তাকেই অসমীয়া সাহিত্যত ৰোমাণ্টিচিজিম বা ৰোমান্স বুলিব পাৰি। কলিকতালৈ উচ্চশিক্ষা লাভ কৰিবলৈ যোৱা কেইজনমান অসমীয়া ছাত্ৰৰ উল্লেখযোগ্য পদক্ষেপৰ ফলতেই অসমীয়া সাহিত্যৰ নৱন্যাসৰ ধাৰা প্ৰবাহিত হয়। অসমীয়া কবিসকলে ইংৰাজী সাহিত্যৰ অনুপ্ৰেৰণা পাই ক্ৰমে গীত, কবিতা, চনেট বা চতুৰ্দ্দশপদী কবিতা, শোক কবিতা, ব্যংগ কবিতা বেলেড আদি ৰচনা কৰে। এই ক্ষেত্ৰত জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ নামেই ল'ব লাগিব।

ইংৰাজী ভাষাত ব্যৱহাৰ হোৱা Ballad শব্দটো মূলক গীত বুলি জনা যায়। ইংৰাজী ভাষালৈ Ballad শব্দটো ফৰাচী ভাষাৰ Ballere শব্দৰ পৰা আহিছে। আধুনিক যুগৰ কবিসকলে কৃত্ৰিম বেলেড নামেৰে এক প্ৰকাৰ নতুন বেলাড জাতীয় গীতি কবিতা ৰচনা কৰিছে। আমাৰ অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰ আগৰৱালাৰ তেজীমলা, জলকুঁৱৰী; লক্ষ্মীনাথ বেজবৰুৱাৰ ধনবৰ আৰু ৰতনী, বকুলীৰ বেজাৰ আৰু আনন্দ চন্দ্ৰ আগৰৱালাৰ পানেশৈ আদি উল্লেখযোগ্য বেলাড জাতীয় কবিতা।

চনেট বা চতুৰ্দশপদী কবিতা অসমীয়া সাহিত্যলৈ ইংৰাজী সাহিত্যৰ অৱদান। অসমীয়া সাহিত্যত চনেটকাৰ হিচাপে নাম ল'ব লাগিব প্ৰথমে হেমচন্দ্ৰ গোস্বামীক। চনেটৰ জন্মদাতা ইটালীৰ 'প্ৰিয়তমৰ চিঠি' পেট্ৰাৰ্কীয় বা ইটালীয় চনেটৰ উদাহৰণ। আন আন চনেটকাৰসকলৰ ভিতৰত হিতেশ্বৰ বৰবৰুৱাৰ 'মালচ' প্ৰথম অসমীয়াৰ চনেট পুথি। ১৯২৮ চনত ১২৮টা চনেটৰ সৈতে প্ৰকাশ পায়।

ইংৰাজে আমাৰ দেশ শাসন কৰাৰ পিছতে পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আধুনিক নাটক ৰচিত হ'বলৈ ধৰিলে। নাটক ৰচনাৰ আঙ্গিক কৌশল আৰু বিভিন্ন নাটকৰ আধুনিক শ্ৰেণী বিভাগ পাশ্চাত্য সাহিত্যৰ পৰা অসমীয়া সাহিত্যলৈ আহিছে। গুণাভিৰাম বৰুৱাই অৰুণোদয় কাকতৰ জৰিয়তে সাহিত্য জগতত প্ৰবেশ কৰে আৰু তেওঁৰ প্ৰথম সাহিত্যিক প্ৰচেষ্টা আছিল "ৰামনৱমী" নাটখন। ১৮৫৭ চনত ৰামনৱমী নামৰ সামাজিক বিয়োগান্ত নাটক ৰচনা কৰে। এইখনেই প্ৰথম অসমীয়া আধুনিক নাটক। নাটক ৰচনাৰ যোগেদি অসমীয়া সাহিত্যত আধুনিক যুগ প্ৰৱৰ্তন কৰোঁতাসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা (লিচিৰ্কাই) পদ্মনাথ গোহাঞি বৰুৱা (গাঁওবুঢ়া) বেণুধৰ ৰাজখোৱা, দুৰ্গেশ্বৰ শৰ্মা, প্ৰথম নাটক 'শোণিত কুঁৱৰী' উল্লেখযোগ্য।

পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত 'জোনাকী' যুগৰ পৰাহি আমাৰ অসমীয়া সাহিত্যিকসকলে উপন্যাস লিখিবলৈ আৰম্ভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ পদুম কুঁৱৰী, পদ্মনাথ গোহাঞি বৰুৱাৰ ভানুমতী আৰু লাহৰী এই তিনিখনৰ পৰাহি আধুনিক যুগৰ প্ৰকৃত উপন্যাসৰ ধাৰা প্ৰবাহিত হৈছে বুলি ক'ব পাৰি। অসমীয়া উপন্যাসে প্ৰতিষ্ঠা লাভ কৰে ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ যোগেদি। অসমীয়া সাহিত্যত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈদেৱে বঙ্গৰ বঙ্কিম চন্দ্ৰ আৰু পাশ্চাত্য জগতৰ ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ ঔপন্যাসিক চাৰ ওৱাল্টাৰ স্কটৰ প্ৰভাৱত উপন্যাস ৰচনা কৰে। 'মিৰি জীয়ৰী' ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ প্ৰথম আৰু সামাজিক পটভূমিত ৰচিত একমাত্ৰ উপন্যাস। মিৰি জীয়ৰীৰ বাদে বৰদলৈদেৱৰ বাকীকেইখন উপন্যাস বুৰঞ্জীমূলক ঘটনাৰ পটভূমিত ৰচিত। আধুনিক যুগৰ ঔপন্যাসিকসকলৰ ভিতৰত দৈৱচন্দ্ৰ তালুকদাৰ, দণ্ডিনাথ কলিতা আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

উপন্যাসৰ দৰে চুটিগল্পও ইংৰাজী সাহিত্যৰে আৱদান। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যত চুটিগল্পৰ জন্মদাতা। অৰুণোদয় যুগত নৈতিক আখ্যান, সাধু আৰু উপকথা প্ৰকাশ হৈছিল যদিও প্ৰকৃত চুটিগল্প জোনাকী যুগতহে সৃষ্টি হয়। বেজবৰুৱাৰ সাধুকথাৰ কুঁকি, সুৰভি আৰু জোনবিৰি অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্পৰ সংকলনৰ পুথি। তাৰ পিছত চুটিগল্পৰ লিখক হিচাপে শৰৎচন্দ্ৰ গোস্বামীক সোঁৱৰণ কৰিব লাগিব। অন্যান্য গল্প লিখকসকলৰ ভিতৰত মহেশ দাস, বিৰিঞ্চি কুমাৰ বৰুৱা, ভবেন্দ্ৰনাথ শইকীয়া, চৈয়দ আব্দুল মালিক, লক্ষ্মীনন্দন বৰা আৰু বীৰেণ ভট্টাচাৰ্যৰ নাম উল্লেখযোগ্য।

আমাৰ অসমীয়া সাহিত্যত কথা-কবিতাৰ জন্ম হয় ৰোমাণ্টিক যুগৰ প্ৰথিতযশা কবি যতীন্দ্ৰনাথ দুৱৰাৰ হতত। অসমীয়া সাহিত্য জগতলৈ দুৱৰাদেৱৰ ই এক অন্যতম অৱদান। কবি দুৱৰাই কথা-কবিতাৰ ৰচনাৰ পদ্ধতিত বঙ্গ সাহিত্যৰ সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰৰ পথ অনুসৰণ কৰিছিল। পাশ্চাত্য জগতৰ বিশ্ববিখ্যাত ৰুচ সাহিত্যিক আইভান টুৰ্গেনিভৰ হাতত ১৯ শতিকাত কথা-কবিতা নামৰ এই বিশেষ শ্ৰেণী সাহিত্যই জন্মলাভ কৰে। অসমীয়া সাহিত্যলৈ কথা-কবিতা নামৰ এই শ্ৰেণীৰ সাহিত্যৰ পাশ্চাত্য সাহিত্যৰ অৱদান।

অৰুণোদয় কাকততে প্ৰবন্ধ সাহিত্যই কুমুখি মেলে। তাৰপিছত আসাম বিলাসিনী আসাম নিউজ আদি কাকতৰ যোগেদি হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, যজ্ঞেশ্বৰ মহন্ত, কালিৰাম মেধি আদি লেখকসকলে প্ৰবন্ধ সাহিত্যক আগবঢ়াই নিয়ে। জোনাকী যুগৰ প্ৰবন্ধকাৰসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ নাম প্ৰথমেই ল'ব লাগিব। বেজবৰুৱাৰ নিজা আৰু ছদ্ম নামত লিখা বিভিন্ন প্ৰবন্ধৰাজি 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি', 'বৰবৰুৱাৰ বুলনি' 'জোনাকী', 'বাঁহী' 'উষা' আদি আলোচনীত প্ৰকাশ পায়। বেজবৰুৱাৰ পাছতে উল্লেখযোগ্য প্ৰবন্ধকাৰ হ'ল সত্যনাথ বৰা, যজ্ঞেশ্বৰ মহন্ত সূৰ্য্য কুমাৰ ভূঞা, বেণুধৰ শৰ্মা, ড° বাণীকান্ত কাকতী আদি। প্ৰবন্ধকাৰ হিচাপে খ্যাতি লাভ কৰা সত্যনাথ বৰাৰ 'সাৰথি' আৰু 'চিন্তাকলি' দুটা তত্ত্বপূৰ্ণ প্ৰবীন প্ৰবন্ধ সংকলন। যজ্ঞেশ্বৰ মহন্তই 'আসাম বন্ধু' কাকতৰ যোগেদি কেইবাটাও মূল্যবান প্ৰবন্ধ প্ৰকাশ কৰিছিল।

ইংৰাজী কবি ইলিয়টৰ পথ অনুসৰণ কৰি অসমীয়া কবিয়েও আধুনিক কবিতা লিখিবলৈ আৰম্ভ কৰিলে দ্বিতীয় মহাসমৰৰ পটভূমিত। এই ক্ষেত্ৰত পথিকৃৎ হিচাপে অমূল্য বৰুৱা, হেম বৰুৱা, যোগেশ মহন্ত, হৰিহৰ বৰা, নৱকান্ত বৰুৱাৰ, নাম বিশেষভাৱে উল্লেখযোগ্য।

ওপৰৰ আলোচনাৰ পৰা অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ কেনেভাৱে পৰিছে তাৰ এটা চমু আভাস পাব পাৰো।



# শিক্ষা

**ভাস্কৰ শৰ্মা**
স্নাতক ২য় বৰ্ষ



শিক্ষা নো কি? ইয়াৰ মূল তত্ত্বই বা কি? তথাকথিত শিক্ষা আৰু প্ৰকৃত শিক্ষাৰ মাজত পাৰ্থক্যাই বা কি? এই বিষয়ে অতি চমুকৈ আলোচনা কৰিবলৈ মন মেলিলো।

শিক্ষা = শিক্ষ = ধাতু = শিক্ষা কৰা। আকৌ শিক্ষধাতু আহিছে শক ধাতুৰ সমন্ধ ৰূপ কৰি। শক-ধাতুৰ অৰ্থ যোগ্যতা, শক্তি, সামৰ্থ। গতিকে শিক্ষা মানে হ'ল মানুহক সৰ্ব্বতোভাৱে যোগ্য সামৰ্থ আৰু কৰ্মক্ষম কৰি তোলা।

শিক্ষা কথাটিৰ ইংৰাজী প্ৰতিশব্দ "এডুকেচন"-লেটিনশব্দ 'এডুকা'ৰ পৰা উৎপন্ন। 'এডুকা'ৰ অৰ্থ নিহিত হৈছে বিষয়টি বাহিৰ কৰা বিকশিত কৰা, লালন পালন কৰা। গতিকে মূলগত অৰ্থত 'এডুকেচন' বা শিক্ষা বোলতে বুজায়-"মানৱজীৱনটো উন্নত কৰাৰ প্ৰচেষ্টা, মনুষ্যত্ব লাভৰ সাধনা।" সেয়েহে প্ৰকৃত শিক্ষাই নৰ আৰু নাৰীক স্ব-বৈশিষ্ট্যত সু-প্ৰতিষ্ঠিত কৰি মহা মংগলৰ অধিকাৰী কৰি তোলে। ইয়াৰ ব্যতিক্ৰমত আৰম্ভ হয় এটি অনিয়ন্ত্ৰিত জীৱন যাৰ ফলত লোক জীৱন হয় ভয়াবহ।

স্বামী বিবেকানন্দই কৈছে— মানুহৰ অন্তৰ্নিহিত পূৰ্ণত্ব প্ৰকাশ কৰাই শিক্ষাৰ উদ্দেশ্য।

এজন মহাপুৰুষে কৈছে—"Systematic organisation of Rabits and instincts for the purpose of fulfilling the becoming of life by a graduated active manipulation of behaviour may be called education." অৰ্থাৎ জীৱন বিকাশৰ উদ্দেশ্যে নিজ আচৰণ সমূহ সক্ৰিয় আৰু ক্ৰমনিয়ন্ত্ৰণেৰে সহজাত সংস্কাৰ আৰু স্বকীয় অভ্যাসবোৰৰ লগত সুব্যৱস্থিত আৰু সুগঠিত কৰি তোলাৰ নামেই শিক্ষা।

Herberts pensor এ কৈছে— "Education consists in the preparation for complete living." অথাৎ শিক্ষা হ'ল মানুহৰ পৰিপূৰ্ণ জীৱন যাপনৰ বাবে প্ৰস্তুতি।

হিতোপদেশত আছে—

"বিদ্যা দদাতি বিনয়ং বিনয়াদযাতি পাত্ৰতাম।
পাত্ৰত্বা দ্ধনমা প্ৰোতি ধনাদ্ধৰ্ম্মং ততঃ সুখম।।" অথাৎ
"বিদ্যাই বিনয় দিয়ে, বিনয়ৰ পৰা যোগ্যতা পায়, যোগ্যতাৰ পৰা ধন পায়, ধনৰ পৰা ধৰ্ম আৰু তাৰ পৰা সুখ হয়।"

মহাত্মা গান্ধীয়ে কৈছে— By education I mean an all round drawing out of the best in child and manbody, mind and spirit.

প্ৰাচীন ভাৰতবৰ্ষত ধৰ্মক কেন্দ্ৰ কৰি যি শিক্ষা গুৰুকুলত গঢ়ি উঠিছিল বৰ্তমানৰ শিক্ষাতকৈ বহুত উন্নত মানৰ। বৰ্তমানৰ শিক্ষাই আমাক চাকৰি বা গোলামী কৰাবহে শিক্ষা দিয়ে। ফলত বিশ্ববিদ্যালয়ৰ অতি উচ্চ ডিগ্ৰীধাৰী হৈও চাকৰিৰ বাবে হাবাথুৰি খাব লগাত পৰে আৰু চাকৰিৰ অভাৱত পেটৰ ভাত মুঠিও যোগৰ কৰা সমস্যা হৈ পৰে। এইটোৱে আজিৰ শিক্ষাৰ মানদণ্ড। কিন্তু ধৰ্মক কেন্দ্ৰ কৰি গঢ়ি উঠা প্ৰাচীন শিক্ষাই মানুহক মানুহ হ'বলৈ আৰু আত্মনিৰ্ভৰশীল হ'বলৈ শিক্ষা দিয়াৰ উপৰিও জনগণৰ হিতসাধন কৰাৰ শিক্ষা পৰিপুষ্টভাৱে দিছিল। সেই শিক্ষাৰ মূলতে আছিল দ্ৰষ্টাপুৰুষ আৰু ধৰ্মৰ অনুশীলনতাৰ "শ্ৰদ্ধাবান লভাতে জ্ঞানম্" দ্ৰষ্টা পুৰুষৰ প্ৰতি শ্ৰদ্ধা থাকিলেহে জ্ঞান লাভ হয়। সেই ব্ৰহ্মবেত্তা পুৰুষৰ অনুপ্ৰেৰণাৰ ফলতেই সেই সময়ৰ শিক্ষাই মানুহক চৰিত্ৰবান আৰু মহান কৰি তুলিছিল। বৰ্তমান শিক্ষা পদ্ধতি সম্বন্ধে ন'বেল পুৰস্কাৰ বিজেতা বিখ্যাত বৈজ্ঞানিক Dr.Alexis Carrel যে কৈছিল, Education which limits itself to preparation for examination to a more exercise of memory nstead of forming the mind, produces only donkeys up in this way incapable of understanding reality and of playing their natural part in society.

মনীষী ৰাষ্কিনে কৈছে—শিক্ষা মানে মানুহে যি নাজানে তাকে শিকোৱা নহয়, প্ৰকৃত ব্যৱহাৰ শিকোৱাকোই শিক্ষা দিয়া বুলিব পাৰি।

আমাৰ সমাজত এটা ধাৰণাই ঘাইকৈ প্ৰাধান্য লাভ কৰি আহিছে যে তাৰ আচাৰ আচৰণ যেনেকুৱাই নহওঁক কিয়, যিয়ে বিশ্ববিদ্যালয়ৰ উচ্চ শিখৰত উঠি, উচ্চ ডিগ্ৰী লাভ কৰিছে সি সিমানে শিক্ষিত। পুৰুষ নাৰী নিৰ্ব্বিশেষে নিজ নিজ বৈশিষ্ট্যত অটুত থাকি স্বভাৱ-চৰিত্ৰ, আচাৰ-আচৰণ, বাক্য ব্যৱহাৰ আদিত সুসংগতিশীল জীৱন যাপন কৰিবলৈ যেতিয়ালৈকে সক্ষম নহয় তেতিয়ালৈকে নিজৰ আৰু সমাজৰ মংগল হোৱাটো আশা কৰা ভুল। আমি আমাৰ সদবৃত্তিবোৰৰ বিকাশ সাধন কৰি পৰিবাৰ-পৰিজন, সমাজ, ৰাষ্ট্ৰ আৰু বিশ্ব মানৱৰ প্ৰকৃত কল্যাণকামী হ'ব লাগিব। চাৰিত্ৰিক উন্নতি আৰু আধ্যাত্মিক উৎকৰ্ষ নহলে মানৱ জীৱন অপূৰ্ণ হৈ ৰৈ যায়। সেয়ে প্ৰকৃত শিক্ষকৰ তলত শিক্ষা লাভ কৰা একান্ত প্ৰয়োজন।

পাশ্চাত্য দেশৰ বাহ্যিক শিক্ষাৰ মোহত পৰি ভাৰতবাসীয়ে নিজকে পাহৰি গৈছে। তেওঁলোকক অনুকৰণ কৰিবলৈ গৈ স্ব-বৈশিষ্ট্য হেৰুৱাই পেলাইছে। প্ৰেম, ভক্তি, জ্ঞান, বিদ্যা আদিৰে ভৰা ভাৰতবাসীয়ে পাশ্চাত্য সভ্যতাক অনুকৰণ কৰাত ধুমধাম লাগি গৈছে। কিন্তু এই কথাটো অলপ চিন্তা কৰি চোৱা নাই যে তেওঁলোকে বিজ্ঞান আৰু আন আন বিষয়ত প্ৰচুৰ উন্নতি কৰি সম্পদ আৰু শক্তি আহৰণ কৰিছে সচাঁ কিন্তু আনপিনে স্বেচ্ছাচাৰিতা, উচ্ছৃংখলতা, টকাৰ মোহ, ডিগ্ৰীৰ প্ৰতিদ্বন্দ্বিতাই ঘাইকৈ প্ৰাধান্য লাভ কৰিছে। প্ৰগতিৰ নামত আত্মঘাতী মানসিক ৰোগত আক্ৰান্ত হৈ গোটেই সমাজখনকে দ্ৰুতগতিত ধ্বংসৰ পিনে নিব ধৰিছে। এইয়ে হ'ল আজিৰ শিক্ষাৰ ফলশ্ৰুতি।

তাৰোপৰি, এই তথাকথিত শিক্ষাই যে মানুহক উপযুক্ত মানুহ কৰিব নোৱাৰে তাৰেই এটি উদাহৰণ এইখিনিতে উল্লেখ কৰা সমীচিন বুলি ভাবিলো। এজন ভদ্ৰলোকে তেওঁৰ ল'ৰাজনক নিজৰ ধন-সম্পত্তি বিক্ৰি কৰি ডাক্তৰী পঢ়ুৱাইছিল। ভাবিছিল ল'ৰাজন ডাক্তৰ হলে সেই ধন-সম্পত্তি পুনৰ ফিৰি আহিব। সুখ-শান্তিৰে থাকিব পাৰিব। তেওঁৰ ইচ্ছা অনুসৰি ল'ৰাজন ডাক্তৰো হ'ল। সমাজত সুখ্যাতিও পালে ডাক্তৰ হিচাপে। কিন্তু নিয়তিৰ কি পৰিহাস। ল'ৰাজনে নিজে ঘৰ-সংসাৰ কৰি, টকা-পইচা উপাৰ্জন কৰি মহা আৰামত চলি থাকিল। বাপেক-মাকলৈ ফিৰিও নাচায়। ইপিনে বাপেক-মাকৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। চকুলো মচি কোনোমতে দিন অতিবাহিত কৰিছে। অৱশেষত নিৰুপায় হৈ এদিন সেই ভদ্ৰলোকজনে এজন মহাপুৰুষৰ ওচৰলৈ আহি ঘটনাটি জনাই তাৰ সমাধান প্ৰাৰ্থনা কৰিলে। তাকে শুনি তেওঁ কলে প্ৰথমতে পৰমপিতাই আপোনাৰ ইচ্ছা অপূৰ্ণ ৰখা নাই। আপুনি তাক ডাক্তৰ কৰিব খুজিছিল, সি ডাক্তৰ হৈছে। কিন্তু তাকতো উপযুক্ত মানুহ কৰাৰ চেষ্টা কৰা নাছিল। গতিকে যি ফল হ'ব লগা সেয়ে হৈছে।

শিক্ষাৰ প্ৰথম আৰু প্ৰধান কেন্দ্ৰস্থল হ'ল আমাৰ ঘৰ খন। জন্মৰ পিছৰ পৰাই ল'ৰা ছোৱালীবিলাকে পিতৃ-মাতৃ আৰু পাৰিপাৰ্শ্বিকৰ পৰা বহুখিনি শিকি লয়। যদি প্ৰথম ভেটিটোৱে দুৰ্বল আৰু বিকৃত হয়, তেন্তে সকলো পিনেই অপৰিপক্কতাই দেখা দিব।

যি ঘৰৰ মাক বাপেক কৰ্তব্য পৰায়ণ, দায়িত্বশীল হয় আৰু ল'ৰা ছোৱালীক শিক্ষা আৰু শাসন কৰাৰ অস্ত্ৰ হিচাপে লয় স্নেহ মৰম আৰু ভালপোৱা, সেই পৰিয়ালৰ বালক-বালিকা বিলাক হৈ উঠে সুস্থ, সবল, সুখী আৰু নিয়ন্ত্ৰিত। ঘৰ সংসাৰৰ বেছিভাগ বেমেজালি, অশান্তিৰ কাৰণ পৰিলক্ষিত হয় উক্ত দুটিৰ অভাৱৰ পৰাই। গতিকে কৰ্তব্য আৰু দায়-দায়িত্বৰ প্ৰতি সচেতন হৈ থকাটো উচিত। যাতে শিশুৱে মাক, পিতাকৰ পৰা প্ৰেৰণা পায়, বিনয়, ভক্তি আৰু চৰিত্ৰৰ সুসংগতি শিকিবলৈ সুচল পায়।

শ্ৰেষ্ঠৰ প্ৰতি শ্ৰদ্ধা আৰু একনিষ্ঠ ভাব বা অনুৰাগেই যদি মানৱ মনৰ আৰু মস্তিষ্কৰ সম্যক উন্নতি সাধন কৰে, তেনেহলে যিসকলে শিক্ষা দিব সেই শিক্ষক সকল নিজে সৎ, আদৰ্শবান, সৎচৰিত্ৰবান আৰু সুনিয়ন্ত্ৰিত হ'ব লাগিব। নিজে আচাৰবান নহলে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত সেই ভাবৰ সঞ্চাৰ কৰিবলৈ সক্ষম নহ'ব। সেয়ে শিক্ষকসকলৰ দায়-দায়িত্ব প্ৰচুৰ।

মানুহৰ চলন চৰিত্ৰ যিমানে জনগণৰ মংগলকামী আৰু জ্ঞান দীপ্ত হয়, সিমানে তাৰ পৰিবেশৰ ওপৰতো প্ৰভাব বিস্তাৰ কৰে— জ্ঞাতে বা অজ্ঞাতে। সেয়ে শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ প্ৰয়োজন হৈ পৰিছে। মানুহ যাতে চৰিত্ৰবান হয় সু কৌশলী হয়, জীৱন-বৃত্তিৰ পথত উদ্দাম গতিত আগবাঢ়িব পাৰে তাৰে চিন্তা চৰ্চা কৰি সু-ব্যৱস্থা কৰিব লাগিব। লগতে সুশিক্ষকৰ দ্বাৰা শিক্ষা দি উপযুক্ত মানুহ তৈয়াৰ কৰিব লাগিব। সমাজত যিমানে উপযুক্ত মহান চৰিত্ৰৰ মানুহৰ সংখ্যা বাঢ়িব সিমানে দেশ তথা ৰাষ্ট্ৰ মহান হ'ব। ■

# যুৱ মানসিকতাৰ কিছু চিন্তা ঃ প্ৰসঙ্গ ৰেগিঙ

**মনহৰি বায়ন**
২য় বৰ্ষ (কলা)



উচ্চাকাংক্ষা মানুহৰ সহজাত প্ৰবৃত্তি। উদীয়মান ছাত্ৰ সমাজো ইয়াৰ ব্যতিক্ৰম নহয়। একেটা শিক্ষাবৰ্ষ সফলতাৰে অতিক্ৰম কৰি কোনোৱেও উচ্চশিক্ষালৈ ধাৱমান হোৱাৰ আকাংক্ষা নকৰাকৈ নাথাকে। অৱশ্যে এই আকাংক্ষাৰ জখলাত বগাই সফল কাম হোৱাটো নিজস্ব প্ৰচেষ্টাৰ ফলশ্ৰুতি। তথাপি একান্ত আগ্ৰহৰ তাগিদাতেই মনত অফুৰন্ত আশালৈ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ্থে উচ্চ শিক্ষানুষ্ঠানসমূহলৈ ঢাপলি মেলে। এই ক্ষেত্ৰত নৱাগত হিচাপে অহা ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ নতুন পৰিবেশটোৰ সতে চিনাকি কৰি দিয়াতো প্ৰতিজন প্ৰবীণ ছাত্ৰৰে দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। কিন্তু সম্প্ৰতি এই নবীন ছাত্ৰ-ছাত্ৰীসকলে নতুন শৈক্ষিক জীৱনৰ প্ৰত্যুষ বেলাত ৰেগিঙৰ নামত যি হাৰত অগ্ৰজসকলৰ দ্বাৰা ভয়, শংকা অথবা নিৰাপত্তাহীনতাৰ সন্মুখীন হ'বলগীয়া হয়, তালৈ লক্ষ্য কৰিলে বিকৃত যুৱ-মানসিকতাৰ দিশটো সহজে প্ৰশস্ত হয়।

বিগত কেইটামান বছৰৰ পৰা ৰেগিঙ নামৰ এই ভয়াবহ ব্যাধিটোৱে ছাত্ৰ সমাজত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আহিছে আৰু ইয়াৰ নেতিবাচক দিশটোৱে প্ৰায় সকলো মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যন্ত সোঁচৰা ৰোগৰ দৰে বিয়পাইছে। ইয়ে নিঃসন্দেহে সমূদিত ধাপ্পাবাজীৰ পিনে অঙুষ্ঠ প্ৰদৰ্শন কৰে। একে শিক্ষানুষ্ঠানৰেই কেইজনমান অগ্ৰজ ছাত্ৰৰ হাতত অনুজসকল লাঞ্চিত হ'বলগীয়া হোৱা এনে অপ্ৰত্যাশিত ঘটনা কেৱল মাত্ৰ হাস্যাস্পদ বিষয়ৰ মাজতেই আৱদ্ধ নাথাকি ইয়াৰো পৰিসীমা অতিক্ৰম কৰিব নিশ্চয়।

ৰেগিঙ নামৰ এই দুষ্ট ব্যাধিটো পাশ্চাত্যৰ প্ৰভাৱ বুলি ক'ব পাৰি। অক্সফ'ৰ্ড, কেমব্ৰিজ আদি বিশ্ব-বিদ্যালয়ত, মিলিটেৰী একাডেমীত ১৮, ১৯ শতিকাতে ৰেগিঙ হোৱা বুলি জনা যায়। সেই সময়ত আনকি কেতিয়াবা উছাহতে হত্যাকাণ্ড পৰ্যন্ত হোৱা কথাটো একেবাৰে উলাই কৰিব নোৱাৰি। আমাৰ দেশ 'অনুকৰণশীল দেশ'। হিন্দী চিনেমাৰ নায়ক-নায়িকাৰ আদৰ্শেৰে (?) অনুপ্ৰাণিত হৈ আমাৰ ঘটিৰাম-বাতিৰামসকলেও বাস্তৱত প্ৰেমালাপ কৰিবলৈ যোৱাৰ লেখিয়াকৈ আমিও এই পশ্চিমীয়া ৰীতিক উচিতা-অনুচিতাৰ বিচাৰ নকৰাকৈ অকাতৰে গ্ৰহণ কৰিছোহঁক। ইয়াক সস্তীয়া হিন্দীমাৰ্কা চিনেমাৰ ফাইট ষ্টাৰ কালছাৰৰ মোহনীয় ইন্দ্ৰজাল বুলি নকৈ নোৱাৰি। প্ৰখ্যাত মনস্তত্ত্ববিদ ড° লাখা সতীশৰ মতে— "Ragging is caused by sexual frustration". গতিকে মনস্তত্ত্ববিদজনৰ ভাষাৰে বিশ্লেষণ কৰিলে ৰেগিঙ বিষয়টো নেতিবাচক বুলিহে বোধগম্য হয়। কিছু বছৰ আগলৈকে নৱাগতসকলৰ লগত প্ৰবীণ বা জ্যেষ্ঠ ছাত্ৰসকলে হোৱা আন্তৰিক চা-চিনাকিৰ মাধ্যমটোকে ৰেগিঙ বুলি জনা গৈছিল আৰু দৰাচলতে সেয়াই আছিল ৰেগিঙৰ উদ্দেশ্য। এই উদ্দেশ্যেৰে প্ৰবীণসকলে এখন শিক্ষানুষ্ঠানলৈ নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক বন্ধুত্ব অথবা ভাতৃত্বসুলভ সম্ভাষণেৰে নতুন পৰিবেশটোৰ সতে' চিনাকি কৰি দিছিল। প্ৰবীণসকলৰ আন্তৰিকতাত পানী পাই জীপ ধৰি উঠা তৃণৰ দৰে অধিক উৎসাহিত হৈ নৱাগতসকলে 'দাদা', 'বাইদেউ' সম্বোধনেৰে তেওঁলোকক পাতনি আকুণ্ঠ মৰমেৰে আঁকোৱালী লৈ নতুন শৈক্ষিক জীৱনৰ মেলিছিল। এই প্ৰক্ৰিয়া আছিল অতি সৌহাদ্যপূৰ্ণ আৰু ইমানলৈকে বিশেষ চিন্তিত হ'বলগীয়া একো নাছিল। কিন্তু আজিৰ দিনত ৰেগিঙৰ সূত্ৰৰ পৰিবৰ্তন ঘটিল। যোৱা কেইটামান বছৰৰ পৰা প্ৰবীণসকলৰ সৃষ্ট অস্বাভাৱিক অথবা অযৌক্তিকৰ বিষয়বস্তুৰ প্ৰভাৱত নৱাগতসকলে সামগ্ৰিকভাৱে অনুভৱ কৰা শাৰীৰিক আৰু মানসিক নিৰাপত্তাহীনতাকেই সকলোৱে ৰেগিঙ বুলি ভাবিবলৈ বাধ্য হ'ল আৰু সকলোৱে সমাজ উত্তৰণৰ ঘাই হোতা হিচাপে চিহ্নিত যুৱকসকলক (কলেজীয়া ছাত্ৰক যুৱক বোলাও কাৰো নিশ্চয় দ্বিমত নাথাকিব) ভৰি নাইকীয়া পঙ্গু ব্যক্তিৰ নিৰৰ্থক জোতাযোৰ বুলি ভাবিবলৈ বাধ্য হ'ল। এটা কথা দ্ব্যৰ্থহীনভাৱে ক'ব পাৰি যে ৰেগিঙৰ নামত শাৰীৰিকভাৱে চূড়ান্তকৈ অতিশয্যাৰ সন্মুখীন হোৱা ছাত্ৰৰ সংখ্যা শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰাবাস বা ছাত্ৰীনিৱাসসমূহত তুলনামূলকভাৱে বেছি। এনে বিকৃত মানসিকতা পোনতে মুষ্টিমেয় সংখ্যকৰ পৰা সংক্ৰমিত হৈ এক বৃহৎ সংখ্যকৰ মাজলৈ বিয়পি পৰিছেহি। ইয়াৰ ব্যাপকতা আজি কেৱলমাত্ৰ এখন দুখন শিক্ষানুষ্ঠানৰ মাজতেই আৱদ্ধ নহয়, ই সমগ্ৰ দেশখনৰ 'যুৱক'সকলৰ যথেচ্ছতাত পৰিণত হৈছে। এনে ক্ষেত্ৰত তেওঁলোকৰ প্ৰগলভতা মন কৰিবলগীয়া। এনে মানসিকতাপূৰ্ণ যুৱ সমাজৰপৰা সমাজ মঙ্গলৰ কথা শ-শতাংশই আশা কৰিব নোৱাৰি।

শিক্ষানুষ্ঠানসমূহৰ বুকুত গা-কৰি উঠা ৰেগিঙৰ নৃশংসতাৰ প্ৰাদুৰ্ভাৱলৈ লক্ষ্য কৰিলে সততে কেতবোৰ উৎস আমাৰ চকুৰ আগত ধৰা দিয়েহি। তাৰ ভিতৰত সদৌ প্ৰথমতে আত্মানন্দ উপভোগৰ (self-enjoy) অভিপ্ৰায়তে কিছুমান যুৱকে এই পদ্ধতি গ্ৰহণ কৰা দেখা যায়। কিছুমানে আকৌ নৱাগতসকলৰ পৰা বলপূৰ্বকভাৱে সন্মান আদায়ৰ তাগিদাত শক্তিপ্ৰয়োগৰ ওপৰত নিৰ্ভৰশীল হৈ এই পাশৱিক পদ্ধতিৰ আশ্ৰয় লয়। অধিকাংশই অগ্ৰজসকলে দেখুৱাই থৈ যোৱা পূৰ্বসূৰী পথ অনুসৰণ কৰি বা পূৰ্ববৰ্তে তেওঁলোকে ৰেগিঙৰ নামত জ্যেষ্ঠসকলৰ পৰা লাভ কৰা তিক্ততাৰ সোৱাদ নৱাগতসকলৰ ওপৰত জাপি দি বহুদিনৰ মনত পুহি ৰখা কুষাৰি মোচন কৰাৰ চেষ্টা কৰাও দেখা যায়। কাৰণসমূহ বিশ্লেষণ কৰিলে এইবোৰ নিশ্চয়কৈ এই কাৰ্যৰ লগত জড়িত যুৱকসকলৰ স্বপ্ন প্ৰলাপ যেনেই লাগে। উৎস যিয়েই নহওক লাগিলে নিঃসন্দেহে এই পথ সাময়িক, অতি তাৎক্ষণিক। আত্মানন্দ উপভোগ বা সন্মান আদায়ৰ অন্যপথ নথকাও নহয়। হাঁহি-ধেমালিৰে, আকুণ্ঠ মৰমৰ মাজেৰে সকলোৱে সন্মিলিত হৈ এই অভাৱ জানো পূৰণ কৰিব নোৱাৰি? মহাবিদ্যালয়সমূহৰ নৱাগত আদৰণি সভাসমূহ জানো এই উদ্দেশ্যেৰেই উদযাপিত নহয়? নিয়ম ভঙাৰ নিয়মো এই পৃথিৱীত নথকা নহয়, গতিকে পূৰ্বসূৰী পথ (সংস্কৃতি) অনুসৰণ কৰাতকৈ নতুন পথৰ সন্ধান কৰিব নোৱাৰি জানো? এই কাৰ্যৰ লগত জড়িত প্ৰতিজন পৌৰুষত্বহীন (!) যুৱকে জনাটো অত্যন্ত জৰুৰী যে তেওঁলোকৰ সৃষ্ট এনে অতিশয্যাৰ বলি হৈ অনেকেই শিক্ষা জীৱনৰ মানসেৰে সজ্জিত ফুলক মোহাৰি সীমাহীন নিকৰনয়লৈকে প্ৰত্যাবৰ্তন কৰিবলগীয়া হৈছেহি। উদাহৰণৰ নিশ্চয় অভাৱ নহ'ব।

কিছুদিন আগতে ৰেগিঙ সম্বন্ধে হোৱা আলোচনা প্ৰসঙ্গত কেইজনমান সচেতন বন্ধুৱে মন্তব্য কৰিছিল যে এয়া অহমিকাবোধত ভোগা দেশীয় যুৱকৰ চৰিত্ৰৰ সংকট। এনে সংকটৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় একেবাৰে শূণ্যৰ ঘৰত অৱনমিত। কথাটো অত্যন্ত সঁচা যেন লাগিলেও এই চৰিত্ৰৰ সংকট 'ভগৱানৰ সৃষ্টি', 'কালৰেই গতি' বা 'আজিকালিৰ ল'ৰা' বুলি ভবাটো সমূলি অমূলক। চৰিত্ৰৰ উত্তৰণ ঘটাব পৰা ক্ষমতা প্ৰত্যেক ব্যক্তিৰে নথকা নহয়। ঐকান্তিকী প্ৰচেষ্টাৰেহে চৰিত্ৰৰ সংকট নিৰাময় কৰাটো সম্ভৱ। অৱশ্যে এই ক্ষেত্ৰত ভ্ৰান্তিগ্ৰস্ত সমাজৰ গুৰুকুল আধাৰিত নৈতিকতা সম্প্ৰতি আশা কৰিব নোৱাৰি। মূল বিষয়ৰ পৰা আঁতৰি আহি এই যেন লাগিলেও ই অ-প্ৰাসঙ্গিক নহয়। ৰেগিঙ নিৰাময়ৰ ক্ষেত্ৰতো প্ৰতিজন যুৱকৰ আত্ম-সচেতনাৰ লগতে কৃচ্ছ্ৰসাধনাও অপৰিহাৰ্য।

আজিৰ পৰিবেশত ৰেগিঙ নামৰ এই বিষাক্ত ব্যাধিটোৰ নিৰ্মূলৰ সময় সমাগত। নহলে ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱে নতুন প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিবলৈ বেছিপৰ নালাগিব। ৰেগিঙৰ ইতিবাচক (ব্যক্তিগতভাৱে হোৱা চিনাকি পৰ্ব আৰু সাধাৰণজ্ঞানৰ প্ৰশ্নোত্তৰক সামৰি) দিশটোৰ পৰাই যিহেতু নেতিবাচক দিশটোৰ উদ্ভৱ, সেই গতিকে দুইটা দিশৰেই বিলুপ্তি ঘটাই আন্তৰিক চা-চিনাকি পৰ্বটো আনুষ্ঠানিকভাৱে, বিশেষকৈ 'নৱাগত আদৰণি সভা'সমূহৰ জৰিয়তে সমাপন কৰাটোহে বোধহয় অধিক সমিচীন হ'ব। ছাত্ৰ সংগঠনসমূহে ইয়াৰ নিৰাময়ৰ ক্ষেত্ৰত অপ্ৰাণ চেষ্টা কৰি আহিছে যদিও সফলতাৰ দিশটোও নাও কটোতে মাকো হোৱা দেখা যায়। শেহতীয়াভাৱে মহাবিদ্যালয়সমূহৰ ছাত্ৰ একতা সভাসমূহে গ্ৰহণ কৰা পদক্ষেপ অতিকে প্ৰশংসনীয় যদিও শিক্ষানুষ্ঠান কৰ্তৃপক্ষ বিশেষকৈ ছাত্ৰাবাস আৰু ছাত্ৰীনিৱাসসমূহৰ অধীক্ষকসকলৰ কৰণীয় অধিক। যিহেতু আজিৰ যুৱক কাইলৈৰ নাগৰিক তথা অভিভাৱক, যুৱ সমাজেই ভৱিষ্যত সমাজৰ দিক নিৰ্ণয় কৰিব লাগিব। তদুপৰি মানুহৰ বিকাশ আৰু উত্তৰণৰ সৰ্বপ্ৰথম চৰ্ত আৰু পৰিচয় হ'ল মানুহৰ ক্লান্তিহীন দায়িত্ববোধ, কৰ্তব্য পৰায়ণতা পৰা কৃচ্ছ্ৰ সাধনা" আমাৰ যুৱশক্তি এতিয়াৰে পৰা সচেষ্ট হওঁক। তীব্ৰ সংকল্পৰে ওলাই আহক। ■

# বিষ্ণুৰাভাৰ জীৱন আলেখ্য

জোন দাস
স্নাতক দ্বিতীয় বাৰ্ষিক

সৈনিক শিল্পী বিষ্ণুৰাভাৰ জন্ম হয় ১৯০৯ চনৰ ৩০ জানুৱাৰী, বৃহস্পতিবাৰে, ঢাকাচহৰত।

সামৰিক বিভাগত সুদক্ষতাৰ পৰিচয় দি ইংৰাজ চৰকাৰৰ পৰা 'চৰদাৰ বাহাদুৰ' উপাধি লাভ কৰা গোপাল ৰাভা আছিল তেওঁৰ দেউতাক। মাকৰ নাম আছিল গেথী। গোপাল ৰাভাৰ নজনীয়া পৰিয়ালত বিষ্ণুৰাভা আছিল অষ্টম। বিষ্ণুৰাভাৰ ঘৰত মতা নাম আছিল কাটু। তেওঁ ঢাকাৰ সেনাবাহিনীৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি সুখ্যাতিৰে প্ৰাথমিক শিক্ষা শেষ কৰাৰ পাছত তেজপুৰৰ চেকৰী হাইস্কুলত নাম লগাই হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰে। বঙালী মাধ্যমৰ পৰা অসমীয়া মাধ্যমত পঢ়িব লগা হোৱাত প্ৰথম বছৰৰ পৰীক্ষাত তেওঁ বেয়া কৰে। কিন্তু হতাশ নহৈ দ্বিতীয় বছৰ শ্ৰেণীৰ ভিতৰতে চতুৰ্থ হৈ পৰীক্ষা পাচ কৰে। ষষ্ঠ শ্ৰেণীৰ পৰা সপ্তমত উঠোতে দ্বিতীয় আৰু অষ্টম শ্ৰেণীলৈ আহোঁতে প্ৰথম হৈ উত্তীৰ্ণ হয়। তেওঁ ১৯২২ চনত তেজপুৰত বহা অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত স্বেচ্ছাসেৱক দলৰ নায়ক আছিল। ১৯২৬ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ লগতে জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি 'কুইন এম্প্ৰেছ' সোণৰ পদক লাভ কৰে। ১৯২৮ চনত আই.এছচি পৰীক্ষাত প্ৰথম হৈ লৈ উত্তীৰ্ণ হয়। কলিকতাৰ বিপন মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি.এছচি-ত নাম লগায় আৰু ১৯২৯ চনত প্ৰথম বাৰ্ষিকৰ পৰীক্ষা পাচ কৰে। সেই সময়তে ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ ভাৰতৰ ছাত্ৰসমাজৰ ওপৰতো পৰিছিল। বৃটিছ সাম্ৰাজ্যবাদীৰ অত্যাচাৰ, উৎপীড়ন ছাত্ৰৰ ওপৰত বাৰুকৈয়ে পৰিছিল। ইংৰাজ সাম্ৰাজ্যবাদীৰ চকু বিপন মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ সাধাৰণ সম্পাদক বিষ্ণুৰাভাৰ ওপৰতো পৰিল। সেই বাবে তেওঁ তেতিয়াৰ ভিক্টোৰিয়া কলেজত নাম লগালে। সেই সময়ৰ স্বাধীনতা আন্দোলনৰ প্ৰতি বিষ্ণুৰাভাৰ অন্তৰতো উমি উমি জ্বলি উঠিল সংগ্ৰামী অগ্নি। এদিনাখন তেওঁ অকলেই ভিক্টোৰিয়া কলেজ, স্নোনকিল হাইস্কুল আৰু ডিষ্ট্ৰিক্ট হাটটিনচনৰ বঙলাৰ সম্মুখত স্বাধীনতাৰ ত্ৰিৰঙ পতাকা উৰুৱাই দিলে। ইয়াৰ কিছুদিন পিছত ৰাভাই 'সেৱাল লিখন' আৰম্ভ কৰিলে। চোৰাংচোৱাবিলাকে ৰাভাক সন্দেহ কৰিলে যদিও প্ৰমাণৰ অভাৱত ধৰিব নোৱাৰিলে। বিষ্ণুৰাভাই ভিক্টোৰিয়া কলেজত বছৰেকীয়া পৰীক্ষা দি তেজপুৰলৈ উভতি আহে। সেই সময়ত তেজপুৰত স্বাধীনতাৰ জুই জ্বলি আছিল বাভাই তেওঁৰ সংগ্ৰামী প্ৰতিভাৰে এই জুই উজ্বলাই তুলিবলৈ চেষ্টা কৰিলে। সংগ্ৰামী জনতাৰ ওপৰত পুলিচে লাঠী চালনা কৰাত বহুতো মানুহ আহত হয়। ইয়াৰ বাবে অভাৱ ভিক্টোৰিয়া কলেজৰ পৰা বহিষ্কাৰ কৰা হয়। বহিষ্কৃত ৰাভাই বংপুৰৰ 'কৰমাইকেল' কলেজত ইংৰাজীত অনাৰ্চ লৈ পঢ়িবলৈ লয়। ইয়াতেই তেওঁ নিজ হাতে সৰস্বতীৰ মূৰ্তি সজাই পূজা পাতে। বি.এ চৈঞ্চ পৰীক্ষাত ৰাভাই সৰ্বোচ্চ নম্বৰ পাই উত্তীৰ্ণ হয়। সেই সময়ত বঙ্গদেশৰ চৰমপন্থী স্বাধীনতা সংগ্ৰামীয়ে ইংৰাজৰ অস্ত্ৰাগাৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ লুট কৰে। এই ঘটনাত ৰাভাকো জড়িত কৰাৰ বাবে তেওঁ ফাইনেল পৰীক্ষা দিবিয়াকৈ এৰি যায়। সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে ৰাভাৰ অন্তৰত উদিত হ'ল-বিদ্ৰোহৰ অগনি।

১৯৩১ চনত ভাৰতৰ বহিৰ্জগৰ সুখ-শান্তি আৰু বৃটিছ চৰকাৰৰ সশস্ত্ৰ বিপ্লৱৰ দ্বাৰা ওফৰাবলৈ বিষ্ণুৰাভা সংগ্ৰামৰ বহলে পথাৰলৈ ওলাই আহিল। তেওঁ বংপুৰৰ পৰা কলিকতা পালেগৈ। কিন্তু ইংৰাজ পুলিচৰ কোপদৃষ্টি ৰাভাৰ ওপৰত নপৰাকৈ নাথাকিল। চট্টগ্ৰাম অঞ্চলত বৃটিছ পুলিচ আৰু স্বাধীনতা সংগ্ৰামীৰ মাজত হোৱা সংঘৰ্ষত তেওঁকো জড়িত কৰিলে। সেই সময়ত তেওঁ 'বাঁহী' আলোচনীৰ 'চিত্ৰলেখা' বিভাগ পৰিচালনাৰ দায়িত্বত আছিল। তেওঁ বোলছবি কৰাৰ মানসেৰে "আৰ্গো পিকচাৰ্চ কৰ্পোৰেছন" নামৰ এটি সংগঠন খোলাৰ পৰিকল্পনা কৰিছিল যদিও ই বাস্তৱত ৰূপ নাপালে। বৃটিছ পুলিচৰ অত্যাচাৰৰ বাবে ১৯৩২ চনত তেওঁ ককায়েকৰ অনুৰোধত ঢাকালৈ যায়। তাত কনাবাৰৰ মুখীয়া প্ৰচেষ্টাত ডি.এচ.পি পদত নিযুক্তি দিয়া হৈছিল যদিও অসম তথা ভাৰতৰ অপৰূপ প্ৰকৃতিৰ চিৰচেনেহৰ বাবে ৰাভা পুলিচ বিষয়া হ'বলৈ নগ'ল। তেওঁ সংস্কৃতি জগতৰ দুটি সাঁথ শিল্পী হৈ বিলং এটি মঞ্চপোষাৰ জিলিকিছিল ঘৰলৈ আহিল। বিষ্ণুৰাভাই শংকৰদেৱৰ সংস্কৃতিৰ মৌ-চেকেৰি মৈঙ্ক্ষী তেওঁ অসমৰ পুৰণি সম্পদ, সংস্কৃতি, ইতিহাস, চিত্ৰ-স্থাপত্য, ভাস্কৰ্য আদি বিভিন্ন দিশত অধ্যয়ন চলালে। অসমৰ বিভিন্ন জাতি, উপজাতি, জনজাতিৰ মাজত অসমীয়া সংস্কৃতি বিচাৰি ফুৰিছিল। বিষ্ণুৰাভাই মাধৱদেৱৰ বিৰচিত বৰগীতক কেন্দ্ৰ কৰিয়েই অমাৰ অঁকা শংকৰদেৱৰ ছবিখনেই তেওঁৰ তুলিকাৰ শ্ৰেষ্ঠ প্ৰতিশ্ৰুতি বহে।

অসমৰ হেজাৰ হেজাৰ শোষিতৰ মুক্তিৰ বাবে বিষ্ণুৰাভাই ১৯৪৫ চনত বিপ্লৱী কমিউনিষ্ট দলত যোগদান কৰি পুঁজিবাদ আৰু সাম্ৰাজ্যবাদ ধ্বংস কৰি সমাজবাদ প্ৰতিষ্ঠাৰ বাবে আপোচহীন সংগ্ৰাম চলাইছিল। সমাজবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অন্যায় অবিচাৰৰ বিৰুদ্ধে সশস্ত্ৰ বিপ্লৱী বীৰ বিষ্ণুৰাভাৰ লক্ষ্যই আছিল শোষিত মানৱ সংস্কৃতি আৰু প্ৰকৃতিৰ বাটত থকা দুষ্কৃতিৰ স্তূপবোৰ আঁতৰোৱা। গতিশীল জীৱনযাত্ৰাত স্থবিৰতা, জড়তা, সুন্দৰৰ প্ৰতিৰ অন্তৰায়। গতিকে এই বাধা তথা পৰাজয়ৰ গ্লানি কেতিয়াও সহ্য নকৰিছিল। তেওঁ আশা কৰিছিল ধ্বংসৰ পিছত মহান সৃষ্টিৰ পুৰণিৰ মাজত নতুন ৰূপত নৱ-জীৱনৰ অভ্যুদয়। তেওঁ বিপ্লৱ সৰ্বপ্ৰকাৰ বাবে এহাতে চৈনখন আৰু আনহাতে কলম লৈ অসমৰ পৰ্বত-ভৈয়ামৰ গাওঁবোৰ ঘূৰি হালোৱা-হজুৱাৰ বিপ্লৱৰ মহান বাণী শুনাইছিল। তেওঁ অসমৰ বিভিন্ন জনগোষ্ঠীৰ, মুঠ ১৬ টা ভাষা অৱসৰীয়াকৈ কব পাৰিছিল।

সেইসময়ত বিষ্ণুৰাভাৰ সহযোদ্ধা আছিল সুধন্য দাসগুপ্ত, পান্নালাল দাসগুপ্ত, মনটান দলে, খগেন্দ্ৰ কুলীয়া, প্ৰতাপ ৰাভা, ৰজনী শৰ্মা, বলো বসুমতাৰী, সতীশ ৰায়চৌধুৰী, ৰতি ৰায়চৌধুৰী, হৰি বৰুৱা ওৰফে চৈন বৰুৱা আদি। অসমৰ পৰা পুঁজিবাদ আৰু সাম্ৰাজ্যবাদ ওফৰাই নতুন সমাজ গঢ়িবলৈ দিয়া বিষ্ণুৰাভাৰ বিপ্লৱী আদৰ্শ, গীত কবিতা শুনিবলৈ বহিঃ দলে দলে আহিছিল। বিষ্ণুৰাভা আৰু তেওঁৰ সতীৰ্থসকলে ধুবুৰীৰ পৰা শদিয়ালৈ ঘূৰি-ফুৰি গাঁৱে-ভূঞে মুক্তিফৌজ, নাৰীমুক্তি সংঘ আৰু কৃষক বনুৱা পঞ্চায়ত অনুষ্ঠান গঠন কৰি জনগণক জগাই তুলিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ স্বাধীনতাক ভুৱা বুলি কৈ তেওঁ কামৰূপৰ দিঘলীত ক'লা পতাকা উৰুৱাইছিল। তেওঁৰ যুক্তি এই স্বাধীনতাই ভাৰতবৰ্ষ তথা অসমলৈ সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশত দুঃসহ বোজাহে কঢ়িয়া তেওঁৰ দৃষ্টিত এনে পৰিশ অসম অসম হৈ নাথাকে, বৰ অসমৰ কথৰত অতিন জাতিৰ, প্ৰীতিৰ এনাজৰীৰ কটকটীয়া বান্ধোন ঢিলা হৈ তয়ে ভাইৰ কোঁচা তেজ পান কৰিবলৈ উন্মাদ হৈ পৰিব। বৰ অসমৰ স্থিতি সাতভনীত পৰিণত হ'ল। ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক দিশত অসমক কবিলে বিবাদ সৃষ্টি কৰিলে ভয়াবহ অৱস্থাৰ। বিষ্ণুৰাভাই ১৯৪৭ চনৰ ১৫ আগষ্টত ক'লা পতাকা উৰুৱাই এই স্বাধীনতা ভুৱা বুলি কোৱা কথাষাৰৰ সত্যতা প্ৰমাণ হ'ল।

ভাৰত চৰকাৰে বিষ্ণুৰাভাক ধৰাই দিয়া ব্যক্তিলৈ ১০,০০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। কিন্তু অসমবাসী জনগণেই বিষ্ণুৰাভাক বহুদিন নিজৰ মাজতে লুকুৱাই ৰাখিলে। এই সময়ছোৱাত ৰাভাই ভূঞা-সাহেবে, কেতিয়াবা মুছলিমৰ সাজেৰে ছদ্মবেশ ধৰি পুলিচৰ চকুৰ আগেদিয়েই ঘূৰি থাকিল। বিষ্ণুৰাভা কামৰূপ আৰু গোৱালপাৰাক লৈ গঠিত 'ক'নৰ' সেনানায়ক আছিল। আনহাতে উত্তৰ-পূৰ্ব অসমৰ সেনানায়ক আছিল ছত্ৰসিং টেৰণ। বিষ্ণুৰাভাৰ নেতৃত্বতে ভুটানৰ পাহাৰত গৰিলা ট্ৰেইনিং কেম্প খুলি অস্ত্ৰ শিক্ষা দিয়াৰ ব্যৱস্থা হৈছিল। এবাৰ যোগাড়চত বিষ্ণুৰাভা আৰু তেওঁৰ বিপ্লৱী সতীৰ্থ গাড়ীত পেট্ৰল নোহোৱা হোৱাত তেওঁ সামৰিক পোছাক পিন্ধি হাতত ষ্টেনগান আৰু ককালত পিষ্টল লৈ এটা পেট্ৰল পাম্পলৈ গৈ সামৰিক বিষয়াৰ দৰে পেট্ৰল লৈ গুচি আহিল। কৰ্তব্যৰত পুলিচে ৰাভাক ওপৰবলা বুলি চেলুট দিলে কিন্তু তেওঁলোকে ধৰিবকে নোৱাৰিলে, সেইজন বিষ্ণুৰাভাক ধৰাৰ বাবেই চৰকাৰে দহ হাজাৰ টকা ঘোষণা কৰিছে।

অসমীয়া সাহিত্য আৰু সংগীতৰ মজিয়াতো বিষ্ণুৰাভা আছিল চিৰজ্যোতিষ্মান। তেখেতৰ শ্ৰেষ্ঠ লিখনিসমূহ হ'ল— 'ৰাভা জাতিৰ ইতিহাস, অসম কৃষ্টি, তিব্বত-ব্ৰহ্মদেশীৰ বুৰঞ্জী, বড়ো জাতিৰ ইতিহাস, অসমীয়া কৃষ্টি, মটক সম্প্ৰদায়ৰ ইতিহাস, অসমীয়া কৃষ্টিৰ চমু আভাস, মিছিং কলেং ইত্যাদি।

তেওঁৰ গল্পসমূহ হ'ল— মিচৰ গুং, মাটীৰ হৰ, সোণপাহী, আৰু কৃষি বছৰৰ তোৰাইল। বিষ্ণুৰাভাৰ প্ৰবন্ধসমূহ হ'ল সুৱৰ দেউন, আলিয়াই লিগাং, চিফুংৰাইৰ সুঁৰ, শ্ৰীমন্ত শংকৰদেৱ, পাগল, বহুতৰ অসমৰ পৰিকল্পনা। তেওঁৰ তিনিখন নৃত্য-নাটিকা হ'ল- ন পৃথিৱীৰ নতুন যুগ, মুক্তি দেউল আৰু সোণৰী কেঁৱৰী।

বিষ্ণুৰাভা সৰুৰে পৰাই ভাৰতীয় সংগীতৰ প্ৰতি আকৰ্ষিত আছিল। তেওঁ পণ্ডিত ভাতখণ্ডে, মোতি মিশ্ৰ আৰু ওস্তাদ কালাচান্দৰ ওচৰত সংগীত চৰ্চা কৰিছিল। তেওঁৰ সংগীতসমূহক দুটা ভাগত ভগাব পাৰি— ৰোমাণ্টিক আৰু বিপ্লৱী। ৰাভাই প্ৰথমে লিখা গীতবোৰত প্ৰেমবিহুৰ ছবি ফুটি উঠিছে আৰু অন্যবোৰ গীতত সমাজ কল্যাণৰ আশা দেখিবলৈ পোৱা যায়। 'লগন উকলি গ'ল ......' মোৰ জীৱনৰ আকাশত ইন্দ্ৰ ধনু পড়িম ......, নাহৰ ফুলে নুশুৱায় ....., বল বল কৃষক শক্তি দল....., আহ অন ফিলিংনি......, নিচলা আইৰে আমি খাটি অসমীয়া ......, সুন্দৰ দেউলৰে কলৰে শিকলি ......, এয়ে মোৰ শেষ গান ........, আদি গীতবোৰ অসমীয়া সংগীতত চিৰযুগমীয়া হৈ থাকিব। বিষ্ণুৰাভাই ৩০০ টা গীত ৰচনা কৰিছিল। ডঃ সৰ্বপল্লী ৰাধা কৃষ্ণণদেৱে ৰাভাদেৱক কলাগুৰু উপাধি প্ৰদান কৰিছিল। বিষ্ণুৰাভাই ১৯৪০ চনত কাশীত অনুষ্ঠিত সৰ্বভাৰতীয় মঞ্চত নৃত্য প্ৰদৰ্শন কৰি 'ভাৰত নৃত্য কলা বিশাৰদ" উপাধি লাভ কৰে।

বিষ্ণুৰাভাই সাত বছৰ বয়সতে নাটকত 'ৰজা হৰিচন্দ্ৰ' অভিনয় কৰে। তেওঁ ষষ্ঠমান শ্ৰেণীত পঢ়ি থাকোঁতে বাণ থিয়েটাৰত 'আলিবাবা নাটকত মৰ্জিয়ানাৰ চৰিত্ৰত, অভিনয় কৰিছিল। 'চিত্ৰাঙ্গ' এবাকাৰৰ সুৰ, প্ৰতিধ্বনি আদি চলচিত্ৰত বিষ্ণুৰাভাৰ অভিনয় অবিস্মৰণীয়। তেওঁ 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' নাটক নতুন পৰিচালনা কৰি কলিকতাৰ 'চেনোলা' কোম্পানীৰ পৰা সম্পূৰ্ণ ৰেকৰ্ড বাহিৰ কৰে। 'বেউলা, বিহুৱতী, বতৰী, 'শংকৰদেৱ,' 'মাধৱদেৱ আদি' স্বৰচিত পৰিচালিত অভিনীত নাটক কেইখন আৰু এইচ.এম.ভি ৰ পৰা 'বৰদৈচিলা' মুক্তি লাভ কৰে।

অসমৰ হালোৱা-হজুৱাৰ হিয়াৰ আমঠু বিষ্ণুৰাভাই ১৯৬৯ চনৰ ২০ জুনত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে যদিও তেওঁ দি গ'ল জীৱনক সুন্দৰ কৰাৰ এটি সপোন যি ভৱিষ্যতে অসমৰ মুক্তি জাতীয়তাবাদৰ উৎস হব পাৰে। ■ সহায় লৈ

# কবিতা

# অথন্তৰ

কেশৱ মহন্ত

এডাল তৰাপহীয়া আঁকবাঁক নীলা অজগৰ
গিলি গিলি দেশ-দেশান্তৰ
আলেঙে আলেঙে ধৰিলেহি
আমাকো

আমাৰ গা কুটেকুটায়
কংকাল
হাত
ডিঙি
ছটেফটায়

আকণ্ঠ আগ্ৰাসত
আমি টেঁটু ফালি আউৰাও কাণ্ঢো
অ-থ-ন্ত-ৰ
দেউতা-ঈশ্বৰে কয়,
একো হোৱা নাই, শুই থাক

এডাল তৰাপহীয়া আঁকবাঁক নীলা অজগৰ ০০০



# তোমালৈ

শ্ৰীনয়নজ্যোতি দাস
স্নাতক, চূড়ান্ত বৰ্ষ

বহুদিন বিৰতিৰ পিচত
শেষ চিঠিখন লিখিছো
"ম্যানমাৰ" "ট্ৰেইনিং" "কেম্প"ৰ
নিৰ্জন কোণৰ ভগা চাং খনৰ পৰা

সিহঁতৰ গুলি পাৰ হৈ যোৱা
মোৰ বাহুৰ পৰা নিগৰা
উত্তপ্ত তেজৰ ধাৰাৰে
চিঠিখন লিখিছো;
মোৰ ওচৰত চিএহী নাই নহয়,
সেইবাবে—
আজি মোৰ তোমালৈ মনত নপৰে
মনত নপৰে-
তোমাক দিয়া সেই প্ৰতিশ্ৰুতিৰ কথা
মাথো—
যেতিয়াই আহৰি পাওঁ
চকুৰ পতাত ভাহে
সিহঁতৰ পাশৱিক অত্যাচাৰৰ বলি
স্বদেশৰ বাই, ভগ্নীৰ করুণ বিননি
আৰু—
মৃত্যুঞ্জয়ী বীৰ শ্বহীদহঁতৰ দৃঢ় সংকল্প
তোমাৰ চুলিৰ মাজত
পৰশ বুলোৱা মোৰ নাহি আঙুলিয়ে
আজি বাট চাই নাথাকে
মাথো তোমাৰ বাবে
পুঁজিপতি শোষকৰ বিৰুদ্ধে
টোৱাই খৰা জাগ্ৰত মৰণাষ্ট্ৰৰ
ট্ৰিগাৰত ই আজি আৱদ্ধ

এদিন হয়তো মিলি যাম
দেশৰ বাবে
তোমাক লগ'পোৱাৰ কোনো
আহৰিকে নাপাম
"সামৰিক মৰ্যাদা"ৰে সংকাৰ কৰা হব
মোৰ মৃতদেহ
সেয়েহে তোমালৈ হিয়া ভৰা মৰম
আৰু মাতৃৰ আশীষ বিচাৰি নিবৰ পৰা
আহিছো সেই— ইতি। ০০০



# প্ৰতিচ্ছবি

শ্ৰীৰণজিৎ তালুকদাৰ
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

সেই
এখনি মাথোন প্ৰতিচ্ছবি
আঁচিৰ সন্মুখত দেখাপাওঁ
টোপনিটো দেখা পাওঁ
চকুৰ আগত—
হিয়াৰ দাপোনত অহৰহ
সেই খনি মুখৰেই প্ৰতিচ্ছবি।
সেইখনি মুখে যে
উলাহতে নাচি আছে
মোৰ মনৰ মাজত
দূৰ দিগন্তত।
সেই খনি মুখে
মোক আগটি ধৰিছিল
টোপনিতো সেইখনি প্ৰতিচ্ছবি।। ০০০

# অশ্ৰু

মিচ সাগৰিকা দাস
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

শীতৰ সেমেকা ৰাতি
তপত অশ্ৰুৰ কনিকাবোৰ দুগালেদি
নিগৰিছে নিয়ৰৰ দৰে
কোনোবা গাভৰু ছোৱালীৰ
নে নিঃ সঙ্গ মাতৃৰ
হয়তো কোনোবা খবৰৈ নোপোৱা
ৰুগ্নিৰ পাকচক্ৰত পৰা
এজন নিৰীহ মানুহ
এই তপত অশ্ৰুৰ টোপালবোৰে
প্ৰতিধ্বনি কৰি উঠক
নহ'লে যে ই নিৰৱচ্ছিন্ন সোঁতত
বৈয়েই থাকিব। ০০০





# "হয়তোঁ এদিন..."

মিজানুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



আহত দিনৰ ছবিবোৰে মোক বৰকৈ আমনি কৰে
এক ক্ৰোধ চাৰনিৰে চায়
যেন খণ্ডত অগ্নিশৰ্মা দুৰ্বাসাহে
খণ্ড খণ্ড জ্বলন্ত অগ্নিপিণ্ড।

আহত দিনৰ ছবিবোৰ দেখিলেই
মোৰ জ্বৰ উঠে
যেন ক'লামেঘে গিলি খোৱা
জঠৰ চন্দ্ৰমা,

পুঁৱতি নিশা আকাশৰ উচুপনিত
মই সাৰ পাই উঠো
তলসৰা শেৱালি ফুলবোৰে
মোক দিয়ে ৰাতিপুৱাৰ বতৰা
"ৰাতিৰ আন্ধাৰৰ গৰ্ভতে লুকাই থাকে
দিনৰ সমস্ত সম্ভাৱনা"

এতিয়া ছবিবোৰ দেখিলে মোৰ ভাল লাগে
ভাল লাগে আন্ধাৰ বিদাৰি ওলোৱা ভাগৰুৱা
পোহৰবোৰ
হায়! ছবিবোৰত সূৰ্য্যৰ সমস্ত পোহৰ পৰাহেতেন
হয়তো ছবিবোৰ সকলোৱে বুজিলেহেতেন
কিন্তু, ছবিবোৰত পোহৰ পৰিবই
ছবিবোৰ জিলিকিবই
এদিন নহয় এদিন। ০০০



# প্ৰণালী

শ্ৰীমনোজ কুমাৰ কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

দুহিবোৰ বৈ যায়
সুকমৰ কাষে কাষে,
ক্লান্ত ৰাতিত মোৰ
জীৱনৰ দক্ষ আঙুলি বুলাই চাইছো,
চুলিৰ মাজতেই জীৱনৰ সংজ্ঞা, আ:
জন্মৰ পৰা মৃত্যুলৈ.....
এক অখণ্ড প্ৰণালী।
মানুহৰ খোজত ভাঙে
মোৰ ভবিৰ হাড়
দূষিত বতাহত বিশ্বৰ গোন্ধ,
কহুৱা-কোমল বুকুত
পলাশ ফুলাৰ সাধু,
জন্মৰ পৰা মৃত্যুলৈ....
সৌ উত্তাল তৰংগৰ
প্ৰতিটো ঢেওত বন্দী তৃষ্ণা,
মোৰ দেহৰ ভাজত
প্ৰতিটো পল অংকিত হয়
সিহঁতে চোচৰায় মোক
পুৱাৰ পৰা সন্ধ্যালৈ
দিন-ৰাতিৰ মাজে মাজে
মই মাথো ৰ'দৰ গায়ক
একেই কণ্ঠেৰে
জন্মৰ পৰা মৃত্যুলৈ.... ০০০

# মৰুভূমি

শ্ৰীবঞ্জয় বৰ্মণ
স্নাতক চূড়ান্ত বৰ্ষ (বাণিজ্য)



তপত মৰুভূমিৰ ওপৰেৰে দৌৰিছে
অজস্ৰ অশ্বাৰোহীয়ে
হাতত জুইৰ শিখা লৈ
নতুন দিনৰ নতুন সুৰুযৰ স্বপ্ন লৈ।



আকাশখনক কলীয়া মেঘে আৱৰি আছে
মূৰৰ ওপৰত উৰি ফুৰিছে শগুণৰ জাক
লাহে লাহে মৰুভূমিত এন্ধাৰ নামি আহিছে।

এন্ধাৰত ডুবি গৈছে প্ৰাগ-ঐতিহাসিক যুগ
নিৰ্জীৱ বালিৰ চৰে আক্ৰোশত ফোপাইছে
সাগৰেও যেন মহাক্ৰোধ লৈ গৰ্জন কৰিছে
বুকুত থপৰিয়াই থপৰিয়াই
বেদনাত কান্দি উঠিছে
সূৰ্য্য যেনো লীন হৈছে মৰুভূমিৰ বালিত।

দূৰত,
সৌ তৰণি লোৱা যোৱাৰীজনীয়ে
সন্মুখৰ সাগৰ যেন ঐশ্বৰ্য্যকো তুচ্ছ কৰি
সাগৰৰ বালিৰ তলৰ পৰা বুটলি লৈছে
কিছুমান শামুকৰ খোলা।

আৰু,
বালিত পৰি ৰৈছে তাইৰ
নগ্ন ভৰিৰ কিছুমান পদছাপ। ০০০



# এনেকুৱাই জীৱন ...

শ্ৰীধ্ৰুৱজ্যোতি দাস
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

যিমান দূৰলৈ শুনা যায় মোৰ আৰ্তনাদ
তাতেই থিয় হৈ থাকে মোৰ ছাঁ

মই
যিমান আবেগেৰে সাৱটি ধৰোঁ মোক
সিমানেই আঁতৰি থাকো মোৰ পৰা...

নিশ্বাসত দুটা পথ
এটা অহাৰ আনটো যোৱাৰ...



যিমান কাষলৈ গ'লে মানুহক বুজা যায়
তাতেই স্তব্ধ হৈছে মোৰ দুভৰি....।
নিৰ্জীৱ পথটো বন্ধ মোৰ উপলব্ধি...।।

য'ত সমাপ্ত হৈছে আকাশ
য'ত স্তব্ধ হৈছে সাগৰৰ জোৱাৰ...
তাৰ দাঁতিতেই গজি উঠে লহপহকৈ বৃদ্ধ কবিৰ চকুপানী...।

আৰু, তাইৰ ভিতৰে-বাহিৰে
পৃথিৱীৰ চাৰিদিশ আৱৰি বিয়পি পৰিছে
পঁচা পাতৰ মলিন সুবাস...
যাৰ বাবে মোৰ বুকুৱে আৰ্তনাদ কৰে...। ০০০



# গৰীব চোলা

শ্ৰীহিতেশ দাস
প্ৰাক্তন ছাত্ৰ



মোৰ ঘৰ্মাক্ত দেহত বুদবুদ তেজৰ টোপাল
শীৰ্ণ ওঁঠ দুটাত ৰিম-ঝিম বৰষুণৰ শীতল বতাহ
কলিজাত দুখৰ এটা গৰীব চোলা
এৰিব খুজিও যাক বাৰে বাৰে সহজকৈ পিন্ধো

মোৰ এই একান্ত আত্মবোধত
নাওঠ শিশুৰ দৰে, সকলো
নিয়ম-নীতি ভাঙি, কবিতাই
অনুভৱে অনুভৱে পৰ্যটন কৰে
শৰীৰৰ অভ্যন্তৰলৈ
হয়তো সেয়েহি থকা চকুযুৰিৰ বাবেই
কবিতাৰ এই অবাধ্য আন্তৰিকতা

সকলো কথাৰ আঁতি-গুৰি মাৰি
মই পৰিত্যাগ কৰো বিবস্ত্ৰ দেহ আৰু
কবিতাৰ পথাৰত আয়োজন কৰোঁ
নিৰ্মাণিত প্ৰাণীৰ বছৰেকীয়া উৎসৱ
পোটেইখন জিভা উলিয়াই মই
প্ৰমাণ কৰো উদাৰতাৰ : সেউজ আখৰ

জয়ধ্বনিত কাণ তাল মাৰি ধৰে
একণ একুৰিটা চৰাইৰ মাত
কণুমুনু বতাহৰ ধ্বনি আৰু
মই প্ৰবিষ্ট কৰোঁ
কবিতাৰ শেৱালি কোঠালৈ।। ০০০

# শাশ্বত হওক প্ৰজন্ম

শ্ৰীবনজিৎ তালুকদাৰ
স্নাতক চূড়ান্ত বৰ্ষ (বাণিজ্য)

আহা, আমি আলিংগন কৰো
ইজনে সিজনক, সিজনে ইজনক
নতুন প্ৰজন্মৰ বাবে
মৃত্যুছায়া উপত্যকাত
শোণিত কৰো শাশ্বত শান্তি।

আহা, আমি প্ৰতিজ্ঞা কৰো
তেজ নিকিনাৱ, বিবেক নেবেচাৱ
সেউজীয়া পথাৰত বহি
সেন্দুৰীয়া আলি বন্ধাৱ।

আহা, আমি প্ৰতিশ্ৰুতিবদ্ধ হওঁ
শোষণকাৰীৰ বিৰুদ্ধে মাতমতাৰ
হাতৰ ওপৰত হাত থৈ
মুক্ত সমাজ গঢ়াৰ। ০০০



# গল্প

# সমন্বয় সেতু...

হেমন্ত কুমাৰ দাস
স্নাতক চূড়ান্ত বাৰ্ষিক (কলা)



*'তোমাৰ বুকুয়েদি বৈ আছে এখন নদী
তোমাৰ বুকুৰ শিল ভাঙি"*

সমীৰ তাঁতী

"......... ঠিকেইটো। সমন্বয়ৰ সেতুখন আমিয়ে সাজিব লাগিব। অন্যথা, তোমাৰ-মোৰ বুকুত জ্বলিব হিংসাৰ জুই। তেতিয়া নাহিব তোমাৰ বুকু ভাঙি এখন শীতল নৈ........"

তাৰ জিজ্ঞাসু মনে ক্ৰমশ কৌতূহলৰ চূড়ান্ত সীমা স্পৰ্শ কৰিলে। তথাপি বতাহত উৰিথকা বন্দিতাৰ সেউজীয়া পাৰিৰ চাদৰৰ আঁচল অনুসৰণ কৰি গৈ থাকিল তাৰ হৃদয়। সুউচ্চ অট্টালিকাৰ তলত শুই থকা দুৰ্ভগীয়া শিশুবোৰ দেখি গোপনে কান্দি উঠিল তাৰ অন্তৰ। কাৰণ, শিশুবোৰে আজি হাঁহিব নেজানে। সিহঁতৰ হাঁহি কোনোবাই কাঢ়ি নিছে। হয়তোবা তেওঁলোকেই বিক্ৰি কৰিছে তেওঁলোকৰ ওঠৰ হাঁহি।

ঘৰৰ বাৰাণ্ডাত বহি অসংযত হোৱা দাড়ি-চুলিৰে ভোবোকাৰ ল'ৰা এজনে অলসভাৱে দেহটো এৰি দিছে বেতৰ চকীত। মুখত তেওঁৰ জলন্ত চিগাৰেট। ধোঁৱাবোৰ আকাশলৈ এৰি দি গভীৰভাৱে চিন্তা কৰি আছে জীৱনসমস্যা। বন্দিতাইঁতৰ উপস্থিতিৰ কথা জানি তেওঁ বহাৰ পৰা উঠি আগন্তুকক সম্ভাষণ জনালে। তেওঁলোক গৈ "ড্ৰয়িং ৰুম"ত বহিল। ৰুমটোত বহিলেই ভাব হয়—তাত যেন লুকাই আছে অনেক কলাৰ শতাধিক স্বপ্ন।

বন্দিতাই কবিতা-কবিতা লগা কথাৰেই আৰম্ভ কৰিলে— "দাদা; তুমি

যে ভালপোৱা এজন কবিক যাৰ কবিতাই দুখৰ দিনত হয় দুখৰ সমলি, গন্ধই ধ্বংস দিয়ে দুখৰ পথাৰত ধীশক্তি উপন্যাসৰ সোণোৱালী শইচ, যাৰ শেহতীয়া উপন্যাস 'দুখৰ এৰাতি'য়ে দৰিদ্ৰৰ চাহাৰাত সৃষ্টি কৰিছে অনেক সপ্নৰ দস্তাবেজ— যেয়েই বৰ্তমান তোমাৰ সন্মুখত।"

: "বন্দিতাই অলপ বেছি কৈছা নেকি? ভাবচোন।"

—বন্দিতাৰ বন্ধু ঋতুজ বেগনৰ কোমল স্বৰেৰে বিগলিত হোহাকথাত বান্ধীয়ে হাঁহিলে। ঋতুজ আৰু বন্দিতাৰ ককায়েক বান্ধীয়ে বিভিন্ন কথা আলোচনা কৰিবলৈ ধৰিলে। অসম আৰু অসমৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত যে এক আমূল পৰিবৰ্তন হ'ব লাগে তাকেই অবতাৰণা কৰিলে বান্ধীয়ে। ঋতুজ নীৰৱ শ্ৰোতা। একো মন্তব্য কৰা নাই। সি ক'ব লাগে, ইতিমধ্যে সাহিত্য অকাডেমীৰটো ঘোষিত উপন্যাস "দুখৰ এৰাতি"ত্ৰে সকলো কৈছে। তত্ত্বগধুৰ আলোচনাৰ সময়ত কেতিয়া বন্দিতা ভিতৰলৈ গ'ল তেওঁলোকে ধৰেই নাপালে। কথাৰ মাজতে বান্ধীয়ে আন এটি চিগাৰেটত অগ্নি সংযোগ কৰিলে।

ক্ষন্তেক পিছতে বন্দিতাই চাহ-পিঠাৰ সম্ভাৰ আনি সুন্দৰভাৱে পৰিবেশন কৰিলে। বান্ধীয়ে ঋতুজৰ বিষয়ে জানিবলৈ উৎসুক ভাবে সুধিলে—

: বাৰু ঋতুজ, তুমি এতিয়া ক'ত থকা?

: শ্ৰীমান বস্তিৰ পীৰ্হাত।

: মা-দেউতা?

—ঋতুজৰ চকুযুৰি সেমেকি উঠিল। বান্ধীৰৰ চকুৰ সমান্তৰালত যোৱা তেওঁৰ চকুযুৰি তললৈ নমাই আনি মনত পেলালে স্বৰচিত কবিতাৰ স্তৱক—

"প্ৰেমিকৰ চকুলৈ চালেও
অশ্ৰুৰ ভৰি
বিষাদ আছে নদী..........
মোৰ দুচকু
এতিয়া যন্ত্ৰণাত থাকয়

ঋতুজে দুৰ্য্যোধন হুতৰ আঙুলি এটাৰ মাজেৰে অলপটো সোমাই কৈ পেলালে— "মোৰ কোনো নাই বান্ধীদা। অনাথ।"

ঋতুজৰ দুখময় জীৱনৰ কথা শুনি বন্দিতাৰ অন্তৰ আৰু মুখমণ্ডল বিষাদেৰে পূৰ্ণ হ'ল। বান্ধীয়ে অতি দুখেৰে কলে— "I'm absolutely sorry, Rituz, Don't mind চাহ খোৱা।"

তিনিওজনে চাহৰ কাপ হাতত তুলি ললে। বান্ধীয়েৰ আঙুলিয়ে চেপি ধৰা আধা পোৱা চিগাৰেটৰ বাকী অংশ চাইনাদিৰ ভিতৰত থৈ বান্ধীয়ে বিস্কুট এখনত কামোৰ মাৰি সুধিলে— 'কিন্তু.........'

: কিন্তু মোৰ বেগন উপাধিটো পৈতৃক সম্পত্তি নহয়। নীৰ্জাৰ কানাবে দিয়া। বৰ্তমান মই তেওঁৰ সান্নিধ্যতহে এইখিনি হৈছো।"— স্বাভাৱিকভাৱে এই কথাখিনি ঋতুজে কৈ গ'ল।

: O.K. All the best wishes to you. Always be happy."

কথাখিনি কৈ চাহৰ কাপটো প্লেটৰ ওপৰত থুৱাইকৈ থৈ দিলে। তাৰপিছত চিগাৰেট এটা মুখত দি অগ্নিসংযোগ কৰিলে। যোৱাৰ সময়ত কৈ গ'ল— "তুমি বহা, মই আহো। মাজে-সময়ে আহি থাকিবা। মনটো ভাল লাগিব।" মাত্ৰ আধাঘণ্টাৰ ভিতৰত আনক ইমান আপোন কৰি ল'ব পৰা মানুহ পৃথিৱীত বহুত কম আছে। ঋতুজৰ হিয়াত বান্ধীৰৰ প্ৰতিচ্ছবিৰ সাঁচ বহি গ'ল। ঋতুজৰ চিন্তাধীন মনে মনে-মনে বিবেকত আঘাত কৰিব ধৰিলে মানুহজনে ইমান চিগাৰেট খায় কিয়? ঋতুজৰ তাৰ হ'ল তেওঁ যেন কিবা মানসিক যন্ত্ৰণাত ভুগিছে। অৱশেষত ঋতুজে বন্দিতাক সুধিয়েই পেলালে— 'বন্দিতা, বান্ধীদাই ইমান চিগাৰেট কিয় খায়?"

বন্দিতাই কণ্ঠ-নকৰকৈ ক'লে— "পুৰুষৰ সুখ-দুখৰ সাক্ষী নাৰীৰ হাতত আছে। জানা ঋতুজ, আঁচলাতে আমি এই নাৰী জাতিয়ে কিছুমানৰ জীৱন অতিসহজে দুখময় কৰি তুলিব পাৰো। অৱশ্যে সকলো নাৰী তেনে নহয়।"

বন্দিতাৰ কথাৰ পৰা ঋতুজৰ বুজিবলৈ বাকী নাথাকিল বান্ধীয়ে কিয় মানসিক যন্ত্ৰণাত দিন-নিয়াইছে। হয়তো তেওঁৰ প্ৰেয়সীয়ে Better chance বিচাৰি আনলৈ গ'ল। বন্দিতাই বহাৰ পৰা উঠি চাহ খোৱা কাপ-প্লেটসমূহ ভিতৰলৈ নিলে। ঋতুজেও কলাসুলভ কমটোৰ ভিতৰতে এপাক ঘূৰিলে। খিৰিকিৰ পৰ্দা দাঙি দিয়াত সোমাই আহিল একাক কোমল বতাহ। কবি মনত আবেগে লগাই গ'ল বতাহ জাকে। ঋতুজৰ দৃষ্টিপাত হ'ল— সন্মুখৰ ঘৰটোত এজনী ধুনীয়া ছোৱালী 'হুইল' চেয়াৰত বহি আছে। সঁচাকৈয়ে ধুনীয়া তেজপোৱা ছোৱালী। চকুযুৰিত আছে তাইৰ আশাৰ সমিধ।

বন্দিতাই দুৱাৰৰ পৰ্দাখনৰ কাষেৰে মুখখন উলিয়াই মাতিলে— "ঋতুজ ভিতৰলৈ আহা। মা'ৰ লগত চিনাকি কৰাই দিওঁ।"

: "কিন্তু ইয়ালৈ........."

: আহিব নোৱাৰে। She is a patient of paralysis.

: Oh god, she is quite unfortunate.

: আহিব নোৱাৰে।

— বন্দিতাই তাক মাকৰ লগত চিনাকি কৰাই দিলে। বন্দিতা আৰু ঋতুজ পুনৰ "ড্ৰয়িং ৰুম"লৈ ওলাই আহিল। বহুত সাহস গোটাই তাইক সি সুধিলে— "বন্দিতা, মোৰ ৰুমৰ যে 'হুইল চেয়াৰ'ত এজনী ধুনীয়া ছোৱালী বহি আছে কি নাম তাইৰ? বাঃ ইমান ধুনীয়া সুন্দৰী ছোৱালী। সঁচাকৈয়ে তাইৰ চকুযুৰি দুটি প্ৰেমৰ কবিতা।"

বন্দিতাই তাক কৌতুকাৰ উচ্চস্বৰে ক'লে— "গাঁৱৰ খোৱা নেপালী ছোৱালী। নাম তাইৰ গৌৰী। তোমাৰ কিন্তু শেহতীয়া উপন্যাস "দুখৰ এৰাতি" তাইৰ খুব প্ৰিয়। কিন্তু সুধিছা ঋতুজ, মন বহিল নেকি?"



: "ধেৎ, তুমিও যে আৰু!"

: আপত্তি। বন্দিতাৰ প্ৰস্থান। আড়ম্বৰহীন পৰিবেশ; সেই সময়ত উপস্থিত আলসী ব্যক্তি একমাত্ৰ সি। ঋতুজে তাইলৈ দিয়া প্ৰীতি-উপহাৰটো দিলে। ঋতুজক বন্দিতাই 'বহা' বুলি কৈ ভিতৰলৈ সোমাই গ'ল। বন্দিতাই সথাই খোলা কমটোৰ কলা সুখৰেখেৰ উজাৰ বাবিবলৈ তাৰ জিজ্ঞাসু মন অস্থিৰ হ'ল। স্বৰচিত কবিতাৰ ভাষা সি মনতে গুণ-গুণাই গাই গ'ল—

"সঁজতে বান্ধি থোৱা
কপৌ মৌনা
বাটিপুৰাই এৰি দিলে
এয়াক কপুহদি.......

সেই নিৰ্দিষ্ট খিৰিকিখনেৰে ঋতুজে দেখা পালে সেই গৌৰী নামৰ মাতকন্যনী আজিও বহি আছে। ধুনীয়া ছোৱালী বুলি ক'লে যিখিনি ৰূপ-গুণ লাগে আটাইখিনি উৎস গৌৰীৰ দেহত নুফুলা ফুল এটা ফুলিবলৈ বসন্ত দলেই প্ৰস্ফুটিত হৈছিল। ঋতুজ তাইৰ প্ৰেমত পৰিল নেকি? নাই নহয়। ঋতুজৰ স্থিৰতা আছে। সি কলেজীয়া ল'ৰাৰ দৰে ফৰিংফুটি প্ৰেম নকৰে। প্ৰেম, ভালপোৱা একে হ'ব নোৱাৰে। ভাল পালেই যদি উপাধি তথা উজ্বল যৌৱনৰ প্ৰেম বুলি কোৱা হয় তেনে অৰ্থত সি তাইক ভাল পায়। কিন্তু সিটো বহুতকে তেনেধৰে ভাল পায়। সেইবুলি সকলো ছোৱালী তাৰ প্ৰেমিকা হ'ব নেকি? গৌৰীৰ ঋতুজে ভাবি ভাবি অস্থিৰ হয়। গৌৰীৰ চকুৰ শব্দ আঁকৰি আহি জোনাক অনস তাৰে সেইটো এৰি দিলে। ক্ষন্তেক সময় পিছত বন্দিতাই অল্প মিনৰ কেক আৰু চাহৰ সম্ভাৰ আনিলে।

: চাহ খোৱা। অকলে থাকি চাগে আমনি পালা।

: ভুল কৰিলা। Lonely living is my best friend. কিন্তু বান্ধীদাক যে এবাৰো দেখা নাই।

: ঘৰত নাই। সি তাৰ বান্ধৱী জন যেতিয়া কৰিছিল ঘৰলৈ গৈছে। জানা ঋতুজ, তেতিয়া বাইদেউৰ পিৰিয়েকক খোৱা দলিবাবে সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে। এইকেইদিন দাদা ভাবেই আছে। বিয়া হৈ যোৱা মাত্ৰ তিনিমাহ হৈছিল।

: অতি দুখলগা ঘটনা। বেচেৰী কেনিকৈছিনো কেনেকৈ ভবিষ্যতৰ দিনবোৰ কটাব। দুৰ-মানসিকতাক দৈ চিঞৰি থকা এই সন্ত্ৰাসবাদীসকলৰ মুখত এখোৰো নাই যেন অনুভৱ হয়। সিহঁতে বুজি নাপায় কিয় এজন মানুহক মৃত্যুদণ্ড দিলেই যে সমস্যাৰ সমাধান নহয়। সমাজৰ আমূল পৰিবৰ্তন যেখোটো মুখ্য বিচাৰে। সেই বুলি মানুহ মাৰিলেই বিপ্লৱ নহয়।

: নহয় ঋতুজ। এই সন্ত্ৰাসবাদীবোৰে আমাৰ বাবে, আমাৰ অসমৰ বাবে একো কৰিব নোৱাৰে। ইহঁত ডকাইতৰ নতুন সংস্কাৰ। বিপ্লৱৰ নামত মানুহৰ পৰা বৃহৎ অংকৰ টকা বিচাৰি অইনৰ মহিলকো দেখুৱাই ঘৰ-মাটি, গাড়ী-মটৰ আদি কৰিছে। দুদিন পিছত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰিব। অথচ সেইখন চৰকাৰৰ বিৰুদ্ধেই আছিল সেই বিপ্লৱ কৰিয়াতলী।

: তুমি ঠিকেই কৈছা বন্দিতা। কিন্তু আমি একো কৰিব নোৱাৰো। আৰু তেওঁলোকে জীৱিপ্ৰদৰ্শন কৰি সংগ্ৰহ কৰা টকাও ভোগ কৰিব নোৱাৰিব। কথাতে কয় "পাপৰ ধন প্ৰায়শ্চিত্তত যায়।" ও, পাহৰিয়ে গৈছো। বন্দিতা মই যাওঁ। এদিন সময়ত আহিম।

ঋতুজ অহা-যাটে উঠি গ'ল। মুহূৰ্ত সৃষ্টি হ'ল দুখ আৰু সুখৰ।

বন্দিতাইতৰ ঘৰলৈ বাতিপুৱাতে গৌৰীৰ মাক আহিল। চিচিকিয়া হাঁহিৰে সু-প্ৰভাত জনাই তেওঁ কলে— "বন্দিতা, তোমাক গৌৰীয়ে এবাৰ মাতিছে, আহা।"

—গৌৰীৰ মাকৰ পিছে পিছে বন্দিতা ওলাই গ'ল। গৌৰীৰ কমত প্ৰবেশ কৰিয়ে দেখা পালে— গৌৰীয়ে কিবা গভীৰ চিন্তাত মগ্ন। বন্দিতাৰ উপস্থিতিয়ে গৌৰীক স্বাভাৱিক অৱস্থালৈ টানি আনিলে। গৌৰী বন্দিতাৰ তুলনাত তিনিবছৰ মান সৰু যদিও দলে-গলে লগা বান্ধৱীৰ দৰে। সকলো কথা মুক্তভাৱে আলোচনা কৰে। কিন্তু গৌৰীক যেন আজি এক অনামী বেদনাই হেঁচি ধৰিছে। বন্দিতাৰ আগত একো ক'ব পৰা নাই। তাই যেন মানসিক অশান্তিত দিন নিয়াইছে এনে লাগে। পৰিবেশটো সহজ কৰিবলৈ বন্দিতাই প্ৰথমে আৰম্ভ কৰিলে— "গৌৰী, তোমাৰ কিবা অসুখ নেকি? মোক কিয় মাতিছিলা।"

: "এনেয়ে। একো অসুখ নহয়। তুমিতো জানাই— when the heart is full, words are few. কালিকে মোৰ আজি ঠিক তেনেকুৱাই কিবা এটা হৈছে।" গৌৰীয়ে এইদৰে কবিলে যদিও মুখেৰে এবাৰো ওলাই নাহিল। কেৱল চিচিকিয়া হাঁহি মাৰি এটি কবিতা বন্দিতাৰ পিনে আগবঢ়াই দিলে।

"খিৰিকিৰে সোমাই অহা বতাহজাকে
উফৰাই দিলে নতুন খবৰ
বতাহজাকে কঁপাই থৈ গ'ল
খিৰিকিৰ প্ৰেমিক পৰ্দা.........
প্ৰেম চাগে এনেকুৱা
আহে
যায়
হিয়া ভাঙি
গোপনে গোপনে........."

কবিতাটি পঢ়ি বন্দিতাই সশব্দে হাঁহিলে। তাইৰ চাদৰৰ আঁচলৰ তলাই থকা সুতাকেন (তাঁইনি) খিৰিকি বিয়াৰি থকা গৌৰীৰ গালত বন্দিতাই চিকুটি মাৰি দি ক'লে— "বাহ, বৰ সুন্দৰ কবিতা লিখিছা দেই। কবিতাটি সঁচাকৈয়ে জোনাক জোনাক হৈছে। অ বুজিছো। তেওঁ কোন জানানে গৌৰী? তেওঁ তোমাৰ প্ৰিয় সাহিত্যিক ঋতুজ বেগন।"

—বন্দিতাৰ কণ্ঠত গৌৰীৰ দুচকুত মুকুমুকুল দুলিল।

: "আৰু তথা, সেইদিনা তেওঁ খিৰিকিৰে তোমাক ইয়াত বহি থকা দেখি তোমাৰ কথা মোক সুধিছিল।

সেইখন সমাজতো সঁচা অন্তৰৰ মানুহ আছে। মাতৃৰ শৰীত আপুনি হৈছে এক বিৰল আৰ্হি। মোৰ দৰে জাৰজ সন্তানবোৰক নিজৰ সন্তানৰ দৰে সমদৃষ্টি দিয়া বাবে অশেষ ধন্যবাদ। কওঁক জেঠিদেউ, আপোনাৰ বাবে এই অধমে কি কৰিব পাৰে।"

: ঋতুজ, তুমি যিখন সমাজৰ কথা কৈছা, সেইখন সমাজৰ সুখ আৰু দুখৰ দুয়োখন নৈত মই সাতুৰিছোঁ। বহুত কিবা-কিবি পাইছোঁ আৰু বহুত হেৰুৱাইছোঁ। পোৱাৰ ভিতৰত এডোখৰ উল্লেখনীয় বস্তু হ'লা— তুমি।

তোমাক মই আজি পুত্ৰ হিচাপে লাভ কৰিলো। তোমাৰ উপযুক্ত বয়সো হৈছে। আৰু এতিয়া পুত্ৰৰ বিয়াখন চাই যাব পাৰিলেই মোৰ জীৱন সঁচাকৈয়ে সাৰ্থক হ'ব।"

চাদৰৰ তলত নিজৰ সন্তানক গাখীৰ খুৱাই থকা জেৰিফাই মাত দি উঠিল— "তেনেহ'লে এতিয়া আৰু ছোৱালী চোৱা আৰম্ভ কৰাই ভাল। ফাদাৰে বা কি কয়?"

গীৰ্জাৰ ফাদাৰে লাহে লাহে বিৰ-বিৰ বতাহৰ লগত আনন্দৰ হাঁহি এৰিলি কৈ গ'ল— "সেইটো ভাৰ তোমালোকৰ ওপৰতে দিয়া হ'ল।"

বহুত সময় নীৰৱতা অবলম্বন কৰা হিয়াৰ ভুঁহ জুইকুৰা নুমাবলৈ বৃথা চেষ্টা কৰি মুখৰ বজাৰৰ কৃত্ৰিম হাঁহি লগাই বন্দিতাই কৈ গ'ল— নহয় নবৌ। ঋতুজৰ ছোৱালী ঠিক হৈ আছে। হয়তো ঋতুজে নাজানে যদিও এদিন জানিছিল। এনে এজনী ছোৱালী আছে যিয়ে অন্তৰ ভৰি একপক্ষীয়ভাৱে বহুদিনৰ পৰা গভীৰভাৱে ভাল পাই আহিছে। গতিকে সেইজনী ছোৱালীৰ লগতহে ঋতুজৰ বিয়াখন হ'ব লাগে। তেতিয়া হ'লে ঋতুজৰ বৈবাহিক জীৱন সুখৰ হ'ব।

: কিন্তু..........

: কোনো কিন্তু নাই ঋতুজ। এয়া চোৱা তাৰ প্ৰমাণ। তোমাক লৈ লিখা কবিতা।

: হ'ব পাৰে। কিন্তু মই যে অইন এজনী ছোৱালীক ভাল পাওঁ যিজনী ছোৱালীক ইমান দিনে সেই কথাষাৰ ক'ব পৰা নাছিলো— "মই তোমাক ভাল পাওঁ।

: ময়ো ভালদৰে জানো তুমি যিজনী ছোৱালীক ভালপোৱা তাইৰ ভালপোৱা তুমি ভবাৰ দৰে নহয়। কিন্তু এটা কথা, তাই তোমাক ভালপায় অন্তৰৰ পৰা অতি নিবিড়ভাৱে। সেইজনী ছোৱালীয়ে তাইৰ ভালপোৱা শাশ্বত কৰি ৰাখিব বিচাৰে আবহমান কাললৈ তুমিওতো জানা কবি ভূপেনদাসৰ কবিতা' আত্মীয়তা।

"ওচৰ আত্মীয়"
"প্ৰিয়
কোনো বস্তুৰে
নিজৰ বুলি
নিজৰ কৰি
ৰাখিব নোৱাৰি
নিজৰ হৈ গ'লে সি
প্ৰিয় হৈ নাথাকে"

: "বন্দিতা! তাৰমানে তুমিও মোক ঘৃণা কৰা। অ, ঠিকেই। মই সকলোৰে ঘৃণাৰ পাত্ৰ। কাৰণ— মই জাৰজ সন্তান। মোৰ কোনো পিতৃ-মাতৃ নাই। নিজৰ বোলা মোৰ একোৱে নাই।"

: প্লীজ ঋতুজ, আবেগিক নহ'বা। মোৰ কথা শুনা, তুমিয়েতো সেইজন সাহিত্যিক যিয়ে নতুন সমাজ গঢ়াৰ কল্পনা কৰি "দুখৰ এৰাতি" লিখি সাহিত্য অকাডেমী বঁটা লাভ কৰিলা। তুমিয়েতো লিখিছা— "ভালপোৱাৰ শেষ প্ৰান্ত দুজাক ধুমুহাৰ মিলন নহয়।" নিঃসহায়ক সহায় কৰাৰ উদ্দেশ্য কৰিয়েতো তুমি লিখিছা তোমাৰ অমূল্য গ্ৰন্থ। মই জানো— 'তোমাৰ কলমৰ শক্তি অশেষ, কিন্তু মানুহক দেখুৱাই কৰিবলৈ তোমাৰ বুকুত সেই সাহস নাই।' কিতাপত লিখিলেই সমাজৰ আমূল পৰিবৰ্তন নহয়। সমাজত পৰিবৰ্তন আনিব লাগিব মানুহে। এয়াই নেকি সাহিত্য অকাডেমীৰ বঁটাৰ অৰ্থ?

তোমাক সেইজনী ছোৱালীয়ে গভীৰ ভাৱে ভাল পায়। কিন্তু তাইক তুমি গ্ৰহণ কৰিব নোৱাৰা। কাৰণ, গৌৰী বোবা। এইবাবেই নহয় নে? ধ্বংস হওঁক তোমালোকৰ এনে তুলুঙা কু-অভিসন্ধি-মূলক যুৱমানসিকতাৰ লিখনি....।"

কথাখিনি কৈ বন্দিতাই ভাগৰ অনুভৱ কৰি ফোপাইছিল। হঠাতে বিষাই গ'ল তাইৰ লুকাই থোৱা প্ৰেমিক অন্তৰ। ঘন-ঘনকৈ উশাহ লৈ বন্দিতা মূৰ্চ্ছা গ'ল। মাটিত ঢলি পৰিব ধৰোতেই ঋতুজে তাইক আঁকোৱালি ধৰিলে। বন্দিতাৰ অৱস্থা দেখি ঋতুজে চকু মুদি চিঞৰি দিলে—

"Bandita, I'm absolutely selfish. মোৰ এটা চকু তুমি আজি মেল খুৱাই দিলা। ইমানদিনে মই সমাজখনক এটা চকুৰেহে দেখি আছিলো। বন্দিতা, তুমিয়ে হ'লা আজি সাত সমন্বয়ৰ সেতু........." ■

মানুহৰ চৰিত্ৰ সঁচাকৈয়ে বিচিত্ৰতাৰে ভৰা। তেওঁ কেঁচুৱা জন্মৰ পৰা তিনি বছৰলৈ শিকি থাকিব কেঁচুৱাই কেনে ধৰণে কথা ক'ব লাগে তাকে লৈ। বাকী যোল্ল বছৰে তেওঁ সেই একে সন্তানক ক'ব কথা বন্ধ কৰ।

১ম বন্ধু : আচৰিত কথা বুজিছা। মোৰ দেউতাৰ এটা পুৰণি ঘড়ী নদীত পৰিল। সম্পূৰ্ণ এবছৰৰ পিছত ঘড়ীটো পোৱাত দেখা গ'ল ঘড়ীটোৱে ঠিকমতে সময় দি আছে।

২য় বন্ধু : এইটোতো তেনেই সাধাৰণ কথা। মোৰ দেউতা সম্পূৰ্ণ এবছৰ পানীৰ তলত

৩য় বন্ধু : (হাঁহি) সম্ভৱ বুলি ধৰি ললেওঁ তেখেতে পানীৰ তলত কিয় এবছৰ আছিল।

২য় বন্ধু : কেলেই সেই ঘড়ীটোত চাবি দিবলৈ আৰু। থকি শুইহে ওলাই আহিছিল।

সংগ্ৰহ : সিকদাৰ মোজাম্মিল হক।
স্নাতক ২য় বৰ্ষ কলা



# ৰুবী, মই আৰু যোচেফ

ৰীমা কলিতা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)



"মাতু টোপনি গলা নেকি?" নাৰ্চজনীৰ মাতত সাৰ পাই গ'লো। চিলমিলকৈ টোপনি আহিছিলেই। চুলিখিনি পিচলৈ নি বহি পৰিলো। নাৰ্চজনীয়ে মোৰ বাবে বেজীটো ঠিক কৰিব ধৰিলে। বেজিলৈ মোৰ বৰ ভয় লাগে। সৰুৰে পৰা বেজিলৈ মোৰ বৰ ভয় সোমাই গৈছে। নাৰ্চজনীয়ে বেজিটো ওচৰলৈ অনাত হাতখন আগবঢ়াই দি চকুদুটা জপাই দিলো। বেজীটো দি নাৰ্চজনী ওলাই গ'ল। খন্তেকৰ বাবে তেওঁৰ হাইহিলৰ শব্দ কাণত পৰি ৰ'ল। চাৰিওফালে চাই পঠিয়ালো। বিৰাট নীৰৱতা। অৱশ্যে মই থকা ৱাৰ্ডটোত মাত্ৰ তিনিজন আছো। কিনো আপদীয়া বেমাৰটো হ'ল। এ্যাপেণ্ডিক্স হৈছিল। অৱশ্যে অপাৰেছন হবৰ এসপ্তাহ হ'ল। বৰ অস্বস্তি লাগিছে। অকণমান আগতে বান্ধৱী উৰ্মিয়ে দি যোৱা কবিতাৰ কিতাপখন মেলি ল'লো। নাই, একেবাৰে পঢ়িব মন যোৱা নাই। ঔষধৰ ভেকেটা ভেকেট গোন্ধটোৰ বাবে বমি আহিব খোজে। কিতাপখন আগৰ ঠাইতে থৈ দিলো। বাকী ৰোগী দুজনলৈ চালো। মোৰ ওচৰত বুঢ়া ৰোগীজনে নিচিন্ত মনে শুই আছে। মানুহজনে বৰ হুৰুৱাব পাৰে। ভালেই লাগিছে তেনে এজন ওচৰ সংগী নাই। খিৰিকীৰ কাষৰ বিচনাখনত যোৱাকালিহে এজনী ছোৱালী আহিছে। চিনাকী হোৱা নাই। দেখাত বেমাৰী যেন নালাগে। বৰ মৰম লগা। চুটিকৈ কটা চুলিৰে সৈতে মৰমলগা এযুৰি চকু। বিবাহিত বোধহয়। পিৰীয়েকজন আবেলি আৰু পুৱা আহে। কিয় জানো কালিৰে পৰা মানুহজনীৰ বিষয়ে জানিবলৈ বৰ মন গৈ আছে। এতিয়া উদাস দৃষ্টিৰে বাহিৰলৈ চাই আছে। প্ৰায়ে অহাৰ পৰা দেখিছো কিবা এক উদাসীনতাই চকুযুৰিত বিৰাজ কৰিছে। বৰ মনোযোগেৰে মানুহজনীক চাই ৰলো। হঠাতে মোৰ চকুৰে পৰাত এটা সেঁতা হাঁহি মাৰিলে। ময়ো বৰ অপ্ৰস্তুত হৈ পৰিলো। "ঘৰৰপৰা কোনো অহা নাই?" তাইৰ মাতত সম্বিত পালো। "আহিছিল গ'লগৈ" উত্তৰটো দি চাই পঠালো। তাই লাহেকৈ বিচনাৰ পৰা নামি লৈ মোৰ ওচৰতে বহি ল'লে। কিয় বা বৰ ভাল লাগিল। এইদৰে নিজেই ওচৰ চাপি অহাত। তাৰ পিচত বহু কথাই পাতিলো, মোৰ অসুখৰ কথা ক'লো। আৰু বহু কিবা-কিবি। প্ৰথম চিনাকিতে আপোন হৈ পৰিল। নাম ৰুবী। ঘৰৰ অমতত বিয়া হোৱা ছমাহেই হ'ল। দুয়ো বেলেগে থাকে। স্বামীয়

বিভিন্নতাৰ বাবেই দুয়োখন ঘৰৰ আপত্তি। তাৰপিচত সিহঁতে নতুন জীৱন আৰম্ভ কৰিছে। যোচেফে কোম্পানী এটাত চাকৰি কৰে। তিনিমাহ মান ধৰি কৰবীৰ অসুখ। ডাক্তৰে ধৰিব পৰা নাই কি হৈছে।

কিছুদিন ধৰি মোৰ বিছনাখন আৰু এই ৱাৰ্ডটোৰ প্ৰতি দিনে দিনে মোহ বাঢ়ি গৈছে। হয়তো ইয়াৰ মূলতে কৰবী। দিনবোৰ দুয়ো দুয়োকে লৈ পাৰ কৰিছো। যোচেফকো ভাল লাগিছে। বৰ অমায়িক। কেতিয়াবা আমি মানে কৰবী মই আৰু যোচেফ একেলগে ঘণ্টাৰ পিচত ঘণ্টা কথা পাতি সময় পাৰ কৰো। দুয়োটাৰে মিঠা মিঠা কথাবোৰে মোক বৰ আকৰ্ষণ কৰিছে। কিন্তু হঠাতে কেইদিন মানৰ পৰা কৰবীৰ সকৰুণ মুখখন মোৰ বাবে এটা ডাঙৰ দুখৰ অগ্নিপিণ্ড যেন লগা হৈছে। ইমানদিনে গোপনে ৰখা কথাবোৰ কৰবীয়ে সেইদিনা কৈ দিলে। অইনদিনাৰ দৰে সেইদিনা যোচেফ বহু দেৰিকৈ অহা নাছিল। কৰবী উদ্বিগ্ন হৈ পৰিছিল। মই তাইক ওচৰলৈ মাতি সুধিছিলো 'কি কৰবী' তোমাৰ মানুহজন অহা নাই?" কৰবীয়ে চকু দুটা ডাঙৰ কৰি মোৰফালে চাইছিল। তাৰ পিচত মোৰ ওচৰত বহি পৰিল। মোৰ বৰ ভয় লাগে, যদি যোচেফ অহাৰ আগতে মই মৰি যাওঁ। মই মৰিব নিবিচাৰো।" শেষৰ কথাখিনি কৈ কৰবীয়ে কান্দি দিছিল। কৰবীৰ চুলিৰ মাজত হাত বুলাই মই মৰম কৰি দিছিলো। কৰবীয়ে নিজকে সংযত কৰি লৈছিল। মোৰ হাত দুখন আলফুলে কৰবীয়ে তাইৰ হাতেৰে খামুচি ধৰি কৈছিল "জানা মই তোমাক ইমানদিনে কোৱা নাছিলো, মোৰ কি বেমাৰ। মোৰ ব্লাড কেন্সাৰ হৈছে। আৰু মাত্ৰ দুটামান দিন মই আছো।" ছিঃ কৰবী নাপায় তেনে কথা ক'ব মই কৰবীৰ মুখত হাত দি কৈছিলো। তুমি শুনিব লাগিব মোৰ জীৱনৰ কথা। মোৰ বেমাৰৰ কথা মই তিনিমাহ আগতে জানিছিলো। কিন্তু ডাক্তৰক বাবে বাবে, বাধা কৰিছো এই কথা জোচেফক নকবলৈ। চোৱাচোন, জোচেফে জানো মোৰ কথাবোৰ শুনিলে জীয়াই থাকিব পাৰিব। সেয়ে মই বিগত তিনিটামাহ মোৰ অসুখটো লুকুৱাই ৰাখিছো। যোচেফৰ ভালপোৱাই মোৰ মৰিব নিদিয়ে তথাপি মই যে যাবই লাগিব। জানা, মই মৰিব নিবিচাৰো, মই বাচিব বিচাৰো কেৱল জোচেফৰ বাবে।" কৰবীয়ে কথাখিনি কৈ কান্দোনত ভাগি পৰিছিল। মই কৰবীক বুজাবলৈ ভাষা বিচাৰি পোৱা নাই। এনেতে যোচেফ অহাত কৰবী আঁতৰি গৈছিল। কিন্তু জানো, সেইদিনাখনৰ পৰা কৰবীৰ কথাবোৰে মোক সহজে জীয়াই থাকিব দিয়া নাই। এতিয়াও কৰবী আগৰ দৰে কথা কয় হাঁহে। আজিকালি যোচেফ আহিলে মই সিহঁতৰ মাজত নোসোমাও। দূৰৰ পৰাই সিহঁতক চাওঁ। কৰবীৰ ঘটনাটোৱে মোক জীৱনৰ এটা নতুন সংজ্ঞা দিছে। কেতিয়াবা ভাবো যৌক লগ নাপালেও ভাল আছিল।

আজিনি ৰাতিপুৱাৰ পৰা কৰবীৰ অসুখটো বেছি হৈছে। মোক ওচৰলৈ মাতি নি কিবা ক'ব খুজিছিল। কিন্তু মাতটো অস্পষ্ট হৈ পৰিছে।

"মাত্ৰ মোৰ লগত অকণমান আহাচোন কৰবীক "ইমাৰজেনচি" ৱাৰ্ডলৈ নিব। তুমিও আহা"। জোচেফে হঠাতে কাৰোবাৰ পৰা আহি কথাখিনি কৈ মোক হাতত ধৰি সৰু ল'ৰাৰ দৰে টানিব ধৰিলো। কৰবী মাথো ধৰফৰাই আছে। জোচেফে কৰবীৰ মুখৰ ফালে একেথিৰে চাই গৈছে যেন এটা ৰবটহে। ডাক্তৰে দৌৰাদৌৰিকৈ কৰবীক অক্সিজেন দি যোচেফক কিবা এটা কৈ গুলাই গ'ল। মই আৰু যোচেফ নিৰ্বাকভাবে বহি ৰলো। যোচেফ হঠাতে কৰবীৰ ভৰি দুখনত খামুচি ধৰি কান্দিব ধৰিলে। "যোচেফ ধৈৰ্য ধৰা" এইখিনি কৈ মযো কান্দিব ধৰিলো। মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত কৰবীক দান কৰিবৰ মন গ'ল। যোচেফ মাথো উচুপি আছে। বাহিৰত জোনাক। কাচৰ খিৰিকিৰে বাহিৰৰ জোনটো স্পষ্টভাবে দেখা যায়। যোচেফ উদাসভাবেই বাহিৰলৈ চাই পঠালে। মাত্ৰ কৰবী মোৰ জীৱনৰ সৰ্বস্ব আছিল। হয়তো কেইটামান মুহূৰ্তৰ পিচতেই কৰবীয়ে মোক এৰি থৈ যাব। এই কথা মই কৰবীক জনোৱা নাই। কৰবী জীয়াই থকা দিনবোৰৰ প্ৰতিটো মুহূৰ্ত্ততেই মই হিয়া উজাৰি মৰম দিছো। ক'ব নোৱাৰো মোৰ প্ৰেমৰ কত যে ভুল হৈ গ'ল। যাৰ বাবে গুলাইছে। "Oh God! return my love" একে উশাহতে যোচেফে কথাখিনি কৈ ফেকুৰী ফেকুৰী কান্দিব ধৰিলে। মই ভাবিলো যোচেফে নিৰৱে কান্দক, হয়তো দ্বিতীয়বাৰ এইদৰে কৰবীৰ ওচৰত দুখ প্ৰকাশ কৰি কান্দিব নোৱাৰিব।

কৰবী আৰু যোচেফৰ কথাবোৰ মোৰ বাবে এটা গল্প যেন লাগিল। হয়তো গল্প হোৱা হলেই ভাল আছিল। কিন্তু এয়া যে নিথৰুৱা বাস্তব। দুয়ো দুয়োকে দুখ দিব বিচৰা নাছিল। কিন্তু গোপনে গোপনে দুয়ো দুখৰ সৈতে খেলি নজনাকৈয়ে সময়ৰ ওচৰত হাৰি গ'ল।

মই খিৰিকিৰে বাহিৰলৈ চাই পঠালো। ফটফটীয়া জোনাক। জোনটোৱে যেন মোৰ ফালে চাই আজি উপহাৰ কৰিছে। কৰবীয়ে জোনাক ৰাতি তাই মোক তাইৰ খিৰিকিৰ ওচৰলৈ মাতি নি জোনটো দেখুৱাই কৈছিল— 'চোৱা সৌৱা যোচেফ, মোৰ প্ৰেম।" তাৰ পিচত হাঁহি পৰিছিল আৰু কবিতাৰ শাৰী মাতিছিল। মই যোচেফলৈ চাই পঠালো। নিৰ্বাকভাবেই যোচেফে কৰবীৰ মুখলৈ চাইছে। মোৰ দুগালেৰে তপত চকুলো গুলাই আহিল। যোচেফে দেখিব বুলি পুনৰ মুখখন ঘূৰাই বাহিৰলৈ চালো। জোনটো মেঘৰ সতে লুকাফাকু খেলি আছে। ইমানতে মনত পৰিল— কৰবীয়ে গাইছিল—

With white fire
When mortal calls the moon. ■





# নতুন দিগন্ত

শ্ৰীপংকজ কুমাৰ দাস
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

"...................হঠাতে অপূৰ্ব নিৰুদ্দেশ হ'ল। হৃদয়ে হৃদয়ে বৈ গ'ল দুখৰ নিজৰা। কথাটো ভাবি অঞ্চলটোৰ সকলো নিথৰ হৈ গ'ল..................."

যোৱাকালি ইউনিভাৰচিটিৰ পৰা উভতি ঘৰ পোৱাত ভণ্টিয়ে দুখৰ বাতৰিটো দিলে। মই কিংকৰ্তব্যবিমূঢ় হৈ পৰিলো। অপূৰ্ব মোৰ ল'ৰালিকালৰ বন্ধু। অপূৰ্বৰ কথাই মোক জুমুৰি দি ধৰিলে। অপূৰ্বই বাৰু কিয় মাক দেউতাক আৰু একমাত্ৰ ভণ্টিজনীক এৰি গুচি গ'ল? অপূৰ্বৰ জানো ইমানতে মাক দেউতাক আৰু ভনীজনীৰ প্ৰতি কৰ্তব্য শেষ হ'ল? এনেতে ভণ্টিয়ে চাহ একাপ লৈ ভিতৰলৈ সোমাই আহিল আৰু মোক চিন্তিত দেখি সুধিলে—

"দাদা কি চিন্তা কৰি আছা? গা ভাল নহয় নেকি?"

নাই নাই। তেনেকৈ একো হোৱা নাই। অপূৰ্বৰ কথাকেই ভাবিছোঁ।

চাহ কাপ খাই অচিন্ত্যৰ ঘৰলৈ বুলি খোজ ললো। অচিন্ত্যও মোৰ স্কুলীয়া বন্ধু। লুত লুতীয়া পথটোৰে আগবাঢ়োতে অপূৰ্বৰ কথাকেই ভাবিলো। কিছুদূৰ যোৱাৰ পিছত অচিন্ত্যক বাটতে লগ পালো। অচিন্ত্যৰ মুখত অনৱৰতে লাগি থকা হাঁহিটো আজি নাই। আমি দুয়ো গৈ তাৰ কমত বহিলো। পুনৰ আমাৰ দুয়োৰে মাজত স্থিতি ললে অপূৰ্বৰ কথাই।

: "অচিন্ত্য। তুমি কিবা অনুমান কৰিব পৰা নেকি— অপূৰ্ব কিয় নিৰুদ্দেশ হ'ল? তাক কোনোবাই...................."

—মোৰ কথাষাৰ শেষ হোৱাৰ নিদিয়াকৈ বাজীৰে কৈ উঠিল— "নাই, নাই। মইতো তেনেকৈ কোনো স্পষ্ট ধাৰণা কৰিব নোৱাৰো। কাৰণ নিৰুদ্দেশৰ আগদিনা সন্ধিয়া আমি দুয়ো একেলগে ফুৰিছিলো। হয়তো সি জানিছিল সেই সন্ধিয়াৰে আমাৰ মিলনৰ শেষ দিন।"

: পৰিয়ালৰ লগত তাৰ সম্পৰ্ক নিশ্চয় ভাল আছিল? নহয় জানো?

: নিশ্চয়

ভায়েক ভনীয়েকৰ মিল দেখিলে এনে অনুমান হয় যেন সিহঁত বন্ধু-বান্ধৱীহে। মাক-দেউতাকৰ প্ৰতি তাৰ অগাধ ভক্তি। অৱশ্যে দুই এটা কথাত দেউতাকৰ লগত তাৰ মনোমালিন্য নোহোৱা নহয়। তইতো জানাই অপূৰ্বক। সি সুভাষবসুৰ নীতিত উদ্বুদ্ধ। আনক অন্যায় কৰা দেখিলে প্ৰতিবাদ কৰিবলৈ প্ৰথমে অপূৰ্বই আগবাঢ়ি গৈছিল। সি দুখীৰ দুখ বুজিছিল। হয়তো অপূৰ্বই কল্পনা কৰিছিল এখন নতুন পৃথিৱীৰ, য'ত ধনী-দুখীয়া, হিন্দু-মুছলমান, শ্বেতাংগ-কৃষ্ণাংগলৈ ভেদভাৱ নাথাকিব। আনহাতে বীৰেণখুৰা মানে অপূৰ্বৰ দেউতাক আছিল অহিংসাবাদী। তেওঁ গান্ধীজীৰ নীতি নিয়মক শ্ৰদ্ধা কৰিছিল। গান্ধীজীৰ "অহিংসা পৰম ধৰ্ম"— এই নীতিক অনুসৰণ কৰি তেওঁ কাৰ্যক্ষেত্ৰত নামিছিল। তেখেতে পঢ়াশালিতো এই শিক্ষকেই দিছিল। এই দুই ভিন্ন আদৰ্শই বীৰেণখুৰা আৰু অপূৰ্বৰ মাজত মাজে মাজে মনোমালিন্যৰ কাৰণ হৈ পৰিছিল।

এনেতে অচিন্ত্যৰ মাকে দুয়োলৈ চাহ আনিলে আৰু মোক উদ্দেশি সুধিলে— বোপাই কেতিয়া ঘৰলৈ আহিলা?

খুৰীদেউ আজি আবেলি আহি পালোহি। ইয়ালৈ আহি অপূৰ্বৰ কথাকেই সুধি আছো।

অ' অপূৰ্বৰ কথা। সি মাক-দেউতাকক এনে আঘাত দিব বুলি কল্পনাই কৰিব পৰা নাছিলো।

আমি চাহ খাই খুৰীদেউক এষাৰ মাত দি অপূৰ্বহঁতৰ ঘৰলৈ খোজ ল'লো। পদূলি মুখত আমাক দুয়োকে দেখি দাদা-খুৰীৰ তপত চকুলো দুধাৰি বৈ পৰিল। হয়তো তেওঁলোকে আমাক দেখি অপূৰ্বৰ অস্তিত্বৰ কথা অনুভৱ কৰিছিল। কি কৰুণ পৰিবেশ। মাজনীও কান্দিবলৈ ধৰিলে।

খুৰা আৰু খুৰীক সান্ত্বনা দিয়াৰ উদ্দেশ্যে তেওঁলোকক ক'লো— "আপোনালোকে কিয় ইমান চিন্তা কৰিছে? অপূৰ্ব নিশ্চয় এদিন উভতি আহিব।" আমি কথাকে থাকোতেই গীৰ্জাঘৰত নৱজাৰ সংকেতধ্বনি পৰিল। খুৰা-খুৰী আৰু মাজনীক মাত লগাই অচিন্ত্য আৰু মই ঘৰ অভিমুখে ৰাওনা হলোঁ।

লাহে লাহে অপূৰ্বৰ নিৰুদ্দেশৰ কথা মানুহৰ মনৰ পৰা আতঁৰ হ'ল। বীৰেণখুৰাকো ওচৰৰ স্কুলখনৰ পৰা বদলি কৰিলে ডিব্ৰুগড়লৈ। বীৰেণখুৰাৰ লগত খুৰী আৰু মাজনীও নতুন চহৰলৈ আহিল। আৰম্ভ হ'ল নতুন চহৰত নতুন জীৱন।

বৰ্তমান পৃথিৱীৰ প্ৰতিটো কোনতেই বিপ্লৱৰ ছাঁটোৱে আৱৰি ধৰিছে। চাৰিওফালে আগ্নেয় অস্ত্ৰ-শস্ত্ৰৰ ঝংকাৰ। কিছুমানে শ্বেতাংগ-কৃষ্ণাংগ, কিছুমানে সম্প্ৰদায়কলৈ আৰু আন কিছুমানে শোষণৰ বিৰুদ্ধে হাতত অস্ত্ৰ তুলি লৈছে। সকলোৱে বিচাৰে স্বাধীনতা। অবাধ স্বাধীনতা।

: সম্প্ৰতি চৌপাশে সন্ত্ৰাস। সকলোৰে হৃদয়ত ভয়ৰ সাঁচ বহি গৈছে। প্ৰতিখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ হৰফেৰে লিখা থাকে— ৰাজধানীত বোমা বিস্ফোৰণ, মন্ত্ৰী-উচ্চ পৰ্য্যায়ৰ বিষয়া অপহৰণ, হত্যা আদি। অসমৰ চৌদিশে সিচি দিয়া হৈছে বিপ্লৱৰ কঠিয়া। বিপ্লৱৰ উদ্দেশ্য শ্ৰেণীহীন সমাজ গঠন কৰা চৰকাৰৰ শোষণ আৰু দুৰ্নীতি নিৰ্মূল কৰা। কিন্তু বিপ্লৱৰ কবচ গাত আঁৰি লৈ এচাম দেশপ্ৰেমিকে অবৈধভাৱে সংগ্ৰহ কৰিছে লক্ষ লক্ষ টকা। আৰু শেষত যিখন চৰকাৰৰ বিৰুদ্ধে বিপ্লৱৰ আখৰাত আৰম্ভ হৈছিল, সম্প্ৰতি আত্মসমৰ্পণ কৰি সেইখন চৰকাৰে ভেৰোণীয়া গুণ্ডা হৈ পৰিছে। এয়াই অসমৰ দেশপ্ৰেমিক! বিপ্লৱী!! তেওঁলোকে বিপ্লৱৰ নামত কালিমা সানিলে। বিপ্লৱৰ তেজ সকলোৰে শৰীৰত প্ৰৱাহিত নহয়। আৰু যাৰ দেহত বিপ্লৱীৰ তেজ নিহিত হৈ আছে তেওঁ সচাকৈয়ে বিপ্লৱী। তেনে বিপ্লৱীৰ মৃত্যু নহয়।

অহাকালি স্বাধীনতা দিৱস। ভাৰতবৰ্ষৰ স্বাধীনতা দিৱস। স্বাধীনতা দিৱস উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সভা সমিতি, আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন। অনাতাঁৰ, দূৰদৰ্শন, বাতৰিকাকত, সকলোতে মন্ত্ৰী, ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতিৰ জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণৰ শৰাধ কৰা হৈছে।

দেশৰ জনসাধাৰণে স্বাধীনতা দিৱস পালন উপলক্ষে ব্যস্ততাৰ মাজত নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদীৰ সঁকিয়নি— "জনসাধাৰণ যাতে এই দিৱস পালনৰ পৰা বিৰত থাকে। অন্যথা সংগঠনে চৰম ব্যৱস্থা হাতত লবলৈ বাধ্য হ'ব।" চাৰিওফালে কেৱল পোষ্টাৰিং দেৱাললিখন। জনসাধাৰণৰ দুই নাওত দুই ভৰিৰ অৱস্থা। কি কৰিব, কি নকৰিব। এফালে দেশৰ সন্মানাৰ্থে স্বাধীনতা দিৱস পালন কৰিব লাগে, আনফালে সন্ত্ৰাসবাদীৰ চৰম সতৰ্কবাণী।

ৰাতি পুৱাল। পুৱাৰ সুৰুযে এটি নতুন দিনৰ বাৰ্তা পোহৰ চটিয়াবলৈ ওলাই আহিল। মাজনীৰ দেউতাক অইন দিনৰ দৰে আজিও গা- পা ধুই স্কুললৈ ৰাওনা হ'ল। লক্ষ্য পতাকা উত্তোলন। স্কুলৰ পথাৰত ল'ৰা-ছোৱালী গোট খাইছেহি। বীৰেণখুৰাই ল'ৰা-ছোৱালীক উদ্দেশ্যি স্বাধীনতা দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰিলে। তেখেতে পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীতটো গাবলৈ আৰম্ভ কৰিলে—

জনগন মন অধিনায়ক জয়হে........

এনেতে গুৰুম! গুৰুম! গুৰুম! তিনিটা শব্দ হ'ল। লগে লগে বীৰেণখুৰা বাগৰি পৰিল। আৰম্ভ হ'ল চাৰিওফালে অন্ধকাৰ হাঁহাকাৰ। মৃত্যুৰ আগমুহূৰ্তত বীৰেণখুৰাই একাষাৰ কথামাত্ৰ অস্পষ্ট ভাষাৰে ক'লে—

"মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকল— তোমালোকে দেশৰ সাৰ্বভৌমত্ব ৰক্ষা কৰিবা।" কথাষিনিকৈয়ে বীৰেণখুৰাৰ হৃদপিণ্ড স্তব্ধ হ'ল।

পুনৰ মাজনীহঁতৰ ঘৰলৈ নামি আহিল এচপৰা কলা ডাৱৰ। ঘৰখনৰ উপাৰ্জন পথ ৰুদ্ধ হ'ল, মাকে কোনোমতে ঘৰখন কষ্ট কৰি চলাই যাবলৈ ধৰিলে। ঘৰৰ অন্যান্য খৰচৰ বাহিৰেও মাজনীক কলেজৰ খৰচ দিব লগা হ'ল। অভাৱৰ তাড়নাত পৰি মাজনীও ওচৰৰে মৌজাদাৰৰ সৰু ল'ৰা-ছোৱালী দুটাক সন্ধিয়া পৰত শিকায়। মৌজাদাৰেও মাহেকৰ মূৰত মাজনীক দেৰশ (১৫০) টকা দিয়ে। এইদৰেই ঘৰখন গতানুগতিকভাৱে চলি থাকিল।

হঠাৎ এদিনাখন সন্ধিয়াপৰত মাজনীহঁতৰ ঘৰৰ দুৱাৰত টোকৰ পৰিল। সেই সময়ত মাক পাকঘৰত আৰু মাজনী তাইৰ কোঠালীত পঢ়ি আছিল। দুৱাৰত টোকৰ শুনি মাকে মাজনীক ক'লে— মাজনী কোন আহিছে চোৱাচোন? মাজনীয়ে দুৱাৰৰ ওচৰলৈ আহি দুৱাৰখন খুলি দিলে। ল'ৰাজনে ঘন ঘনকৈ উশাহ নিশাহ ল'বলৈ ধৰিছে। হয়তো ল'ৰাজনে দেখি মাজনী দুখোজ পিছুৱাই আহিল। আগন্তুকক উদ্দেশ্যি মাজনীয়ে সুধিলে— আপুনি কোন? কাক বিচাৰিছে?

ছোৱালীজনীৰ মাতটো আগন্তুকজনৰ চিনাকী যেন লাগিল। আগন্তুকজনে ঘৰৰ ভিতৰলৈ আহি দুৱাৰৰ হুকডাল লগাই দিলে। আগন্তুকজনে কিছু পৰ ছোৱালীজনীৰ মুখলৈ চাই ৰ'ল আৰু সুধিলে— ভণ্টি তোমাৰ নাম কি?

"মাজনী।"

লগে লগে আগন্তুকজনৰ পূৰ্বৰ স্মৃতিবোৰ মনত পৰিব ধৰিলে। মাজনী তই ইমান ডাঙৰ হলি। মই তোৰ ককাইদেউ 'অপূৰ্ব'। মাজনীয়ে নিজৰ চকুজুৰিকে বিশ্বাস কৰিব নোৱাৰিলে। এনে এটি মুহূৰ্তত যে ককাইদেউক লগ পাব তাইৰ সপোনৰ অগোচৰ আছিল। ককাইদেউ তই ইমানদিন ক'ত আছিলি? মা, মা কোন আহিছে চোৱাহিচোন? মাকে লৰালৰিকৈ আহি দেখে যে এয়া 'অপূৰ্ব'। মাকে লগে লগে তাক চুমা খাবলৈ ধৰিলে। হঠাৎ অপূৰ্বৰ চকুহাল মাকৰ কপালৰ ওপৰত নিবদ্ধ হ'ল। অপূৰ্বই মাকৰ শিৰৰ সেন্দুৰ নেদেখি আবেগেৰে সুধিলে— মা, তোমাৰ এনে অৱস্থা কেনেকৈ হ'ল? দেউতাৰ কি হ'ল? মাকে ক'লে— সকলো জানিবা বোপাই সকলো জানিবা!

'১৫ আগষ্ট' এই অভিশপ্ত দিনটোতে কোনোবা দুষ্কৃতিকাৰীয়ে দেউতাৰাই পতাকা উত্তোলন কৰি থাকোতেই গুলিয়াই হত্যা কৰে। লগে লগে অপূৰ্বৰ ভৰিৰ তলৰ পৰা পৃথিৱীখন খহি পৰা যেন অনুভৱ কৰিলে। নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলে অপূৰ্বই। তাৰ মুৰটো আচন্দ্ৰাই কৰিব ধৰিলে। হাতৰ উন্মুক্ত পিষ্টল দুৱাৰৰ কোণত থকা বাঢ়নীটাৰৰ ওচৰত চিটিকি পৰিল। মাকৰ হৃদয় বিদাৰক কথা শুনি অপূৰ্ব আৰু স্থিৰে থাকিব নোৱাৰিলে। নিজৰ চেতনা হেৰুৱাই মাটিত বাগৰি পৰিল। ■



চুটি গল্প

# অনাদৃত

ৰূপেন দাস
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)



শাওঁন মাহৰ এটি বৰষাসিক্ত ৰাতিপুৱা কিনকিনিয়া বৰষুণ জাকে বতৰ একেবাৰে গোমা কৰি পেলাইছে। মনটো বৰ বেয়া লাগি আছে। তাতে আকৌ নানা চিন্তা। ল'ৰা দুটাই ভোকতে কান্দি কান্দি মাটিত শুই পৰা দৃশ্যই লংকেশ্বৰ বায়নৰ মন বৰ্ষাসিক্ত ৰাতিপুৱাৰ দৰেই গোমা কৰি পেলালে।

কিন্তু কি কৰিব? তিনিদিন ধৰি আপদীয়া জ্বৰটোৱেও লগ এৰি দিয়া নাই। ইফালে বৰষুণো এৰা নাই। উকথা চালৰ মাজেদি বৰষুণৰ টোপালে লংকেশ্বৰৰ ঘৰৰ মজিয়াত পানীৰ ডোঙা বান্ধিছেহি। পত্নী ৰাধাই মজিয়াৰ পানীবোৰ চকুপানী মচি মচি পেলাই আছে। এনেতে লংকেশ্বৰে মাত লগালে : ৰাধা, ইহঁত হালে কিবা খালেনে? ক্ৰন্দনৰত ৰাধাই কলে : ক'ত, কি খাব? ঘৰত দেখোন ক্ষুদ এটিও নাই। ধৈৰ্য্যৰেকৰ কথাই কোনো দিন কান্দি নোপোৱা লংকেশ্বৰৰ চকুৰেদি লোতক বোৱাই দিলে। কিন্তু সি কি কৰিব? সি যে নিৰুপায়। তিনিদিন ধৰি কামলৈ যাব পৰা নাই। দিন হাজিৰা কৰি খোৱা লংকেশ্বৰহঁতৰ এদিন কামলৈ নগলেই চৰুৰ তললৈ জুই নাযায়। লংকেশ্বৰে কিবা ভাৱি মোনাখন খুজিলে। ৰাধাই মাত দিছিলঃ মোনা কেলেই? জীয়াই থকাৰ সম্বল বিচাৰি যাওঁ ৰাধা। ৰাধাই বাধা দিয়াত লংকেশ্বৰে কৈ পেলালে বাধা নিদিবা ৰাধা; লৰা দুটিক আমি মানুহ কৰিব লাগিব। ইহঁতে যদি মোৰ ভগা পঁজাত জন্ম নললেহেঁতেন,

আজি এনেদৰে ভোকত কান্দি থাকিব নালাগিলহেঁতেন বাধা। বেদনাত লংকেশ্বৰৰ মাতটো ক্ৰমে থোকা থুকি হৈ পৰিছিল।

লংকেশ্বৰে হাতত দা আৰু মোনাখন লৈ দিন হাজিৰা পোৱাৰ আশাৰে বেমাৰী দেহাটোৰে আগবাঢ়িল ঠিকাদাৰ চলিহাৰ ঘৰলৈ। বায়নে চলিহাৰ প্ৰাসাদোপম ঘৰ পোৱাত চলিহাৰ লগুৱাটোৱে ভেকাহি মাৰি উঠিলঃ কি লাগে? ৰাতি ভালদৰে নৌপুৱাওতেই ভিক্ষা কৰিবলৈ আহিলিয়েই। যা যা ৰাতিপুৱাই মালিকে ভিক্ষা দিবলৈ মানা কৰি গৈছে। চলিহাৰ লগুৱাটোৰ ব্যৱহাৰত লংকেশ্বৰ বাকৰুদ্ধ হৈ পৰিল। লংকেশ্বৰৰ ভৰিৰ তলৰ গোটেই পৃথিৱীখন কঁপি উঠা যেন লাগিল।

জীয়াই থকাৰ এমুঠি আহাৰ বিচৰাৰ প্ৰথম পদক্ষেপতেই বাধাপ্ৰাপ্ত হৈ লংকেশ্বৰে নিজৰ কপালক নিজে ধিক্কাৰ দিলে। : হে প্ৰভু মই এতিয়া কি কৰো, কলৈ যাও। ঘৰত যে খাবলৈ খুদকণ এটিও নাই। হঠাত লংকেশ্বৰৰ মনত পৰিল গাওঁৰ সিটো মূৰে লৰালি কালৰ বন্ধু সোমেশ্বৰ হাজৰিকাৰ দোকানত হয়তো সি দিন হাজিৰা পাব। দোকানৰ ওচৰ পাই দেখিলে যে দোকানৰ সন্মুখত মোনা লৈ লানি নিছিগাকৈ মানুহৰ শাৰী। দোকানৰ গাদীৰ কাষলৈ গৈ বায়নে মাত লগালে : হাজৰিকা। সোমেশ্বৰ হাজৰিকাই ব্যস্ততাৰ মাজত বায়নৰ মাত নুশুনিলে। দ্বিতীয় বাৰ মাতিবলৈ সাহস নেপাই বায়নে দুখে-ভাগৰে অলপ আঁতৰত থকা বেঞ্চখনত বহি পৰিল। মানুহৰ ভিৰ লাহে লাহে কমি আহিব ধৰিলে। প্ৰত্যেকেই নিজৰ নিজৰ প্ৰাপ্যলৈ উভতিছে। মাথো এটি আশা বুকুত বান্ধি বৈ আছে লংকেশ্বৰ। লংকেশ্বৰে উঠি আহি মাত লগালেঃ হাজৰিকা। টকাৰ বাকচটো জপাই হাজৰিকাই সুধিলেঃ কি লাগে? এক কিলো চাউল পাঁচটকা পঞ্চাচ পইচা দে। আজি বাকী হব হাজৰিকা। নাই নাই আজি কালি মই বাকী দিয়া বন্ধ কৰি দিছো, সকলোৱে বাকী কৰেহে কিন্তু বাকী দিবলৈ পাহৰে। হাজৰিকাৰ কথাৰ আভিজাত্যৰ সুৰে লংকেশ্বৰ বায়নৰ মনত তীব্ৰ আঘাট দিলে। বায়নে সকৰুণে কলে : আজি যেনে তেনে দিয়ক হাজৰিকা, মোৰ এইকেইদিন গা ভালে নহয়। গা ভাল পালে মই কামকে কৰি দিম। বায়নৰ কথাৰ প্ৰতি কোনো গুৰুত্ব নিদি হাজৰিকাই বিৰক্তিৰ সুৰত কলেঃ যা, যা, মোৰ ইয়াত কেইদিনমান হাজিৰা কামো নাই, মই এতিয়া বৰ ব্যস্ত আছো, মোক আৰু বিৰক্তি নিদিবি।

প্ৰতিটো খোজতে পোৱা নিৰাশাই লংকেশ্বৰৰ মন ভাৰাক্ৰান্ত কৰি তুলিলে। চকুত ভাহি উঠিছিল দৈণীয়েক আৰু লৰাহালৰ করুণ প্ৰতিচ্ছবি। ভোকৰ তাড়নাত অজ্ঞান হৈ পৰা ল'ৰাহালৰ প্ৰতিচ্ছবি বাৰে বাৰে লংকেশ্বৰৰ মনত ভাঁহি উঠিব ধৰিলে। চিন্তাক্লিষ্ট মনেৰে লংকেশ্বৰে গাঁৱৰ পৰা চাৰি কিলোমিটাৰ দূৰৈত অৱস্থিত বজাৰৰ ফালে অগ্ৰসৰ হ'ল– জানোছা এমুঠি জীয়াই থকাৰ আহাৰ বিচাৰি পায়। খোজ কঢ়া শক্তি কণো প্ৰায় শেষ হৈ আহিছে। লংকেশ্বৰৰ মনত এতিয়া মাথো এটাই চিন্তা, কেনেকৈ টাউন পায় আৰু ভোকাতুৰ ল'ৰা দুটাৰ মুখত কিবা অলপ খাদ্য তুলি দিব পাৰে। চিনাকী অচিনাকী কিমান মানুহ তেওঁৰ কাষেৰে পাৰ হৈ গৈছে তালৈ তেওঁৰ অকনো ভ্ৰুক্ষেপ নাই। মাথো আগ বাঢ়ি গৈ আছে। ঠিক সেই সময়তে বিপৰীত দিশৰ পৰা অহা এখন ট্ৰেক্টৰীয়ে লংকেশ্বৰৰ কংকালসাৰ শৰীৰত খুণ্ডা মাৰি দিলে। লংকেশ্বৰ সেই খুন্দা আলিৰ দাঁতিত পৰি চিৰ নিদ্ৰিত হ'ল। বুকুৰ আশা বুকুতে বান্ধি লংকেশ্বৰ এই স্বাৰ্থপৰ, কুটীল সমাজৰ কৃত্ৰিম বান্ধোনৰ পৰা আতৰি গ'ল বহু দূৰলৈ।

তেতিয়া কিনকিনিয়া বৰষুণ জাক এৰি পশ্চিম আকাশত উদ্দীপ্ত বেলিটো জিলিকি উঠিছিল। বজাৰলৈ অহা-যোৱা কৰা মানুহে চিনাক্ত কৰিলে, মৃতদেহটো বস্তাপোৱা গাঁৱৰ লংকেশ্বৰ বায়নৰ। মৃতদেহ দেখি নানা জনে নানা ধৰণৰ কৃত্ৰিম সমবেদনাসূচক মন্তব্য দিলে। লংকেশ্বৰৰ মৃত্যুৰ বাতৰি পাই ৰাধাই তালৈ উধাতু খাই লৰি আহিল। এমুঠি আহাৰ বিচাৰি অহা লংকেশ্বৰে এনেদৰে করুণ মৃত্যুক সাৱটি ল'ব লগা হোৱাত ৰাধা বাক্‌ৰুদ্ধ হৈ গল। মানুহৰ প্ৰতি প্ৰচণ্ড ঘৃনাই ৰাধাৰ দুচকুত অশ্ৰু বোৱাই দিলে। তাই গাৰ চাদৰখন লংকেশ্বৰৰ মৃতদেহৰ ওপৰত ঢাকি দিলে এখন শুধ বগা চাদৰ। ■

> অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই; আগৰ ফালে চোৱা আমাক লাগে অসীম শক্তি, দুৰ্জ্জয় সাহস আৰু অসীম ধৈৰ্য্য। তেতিয়া হ'লে আমি মহৎ কাৰ্য্য সাধন কৰিব পাৰিম।
>
> স্বামী বিবেকান্দ



# সিদ্ধান্ত

**প্ৰমোদ শৰ্মা**
স্নাতক প্ৰথম বাৰ্ষিক (কলা)



এনেকৈ চাওঁতে চাওঁতে পোন্ধৰটা বছৰ কেনেকৈ পাৰ হৈ গৈছিল জয়ন্তই ক'ব নোৱাৰে। মানুহৰ জীৱনটো নানা ঘাট-প্ৰতিঘাটেৰে ভৰা। এই ঘাট-প্ৰতিঘাটেৰে ভৰা। এই ঘাট-প্ৰতিঘাটেৰে ভৰা জীৱনটোৰ জয়ন্তই দুকুৰি দুই বছৰ অতিক্ৰম কৰিছে। জীৱনৰ বাটত বাট বোলোতে ঘতে ততে উজুটিও খাবলগীয়া হৈছে, তাত জয়ন্তৰ কোনো ক্ষোভ নাই, সকলো ঈশ্বৰৰ দান বুলি ধৰি লৈছে, কিন্তু যেতিয়াই জয়ন্তৰ 'মালা' লৈ মনত পৰে, জয়ন্ত আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰা হয়। তাৰ আত্মহত্যা কৰাৰ প্ৰবল ইচ্ছা হয়। কিন্তু জয়ন্তই সিদ্ধান্ত লয় যে সি বাচি থাকিব অকল মালাৰ বাবে। মালাৰ সুখৰ বাবে।

শেষত জয়ন্তই মনৰ দুখ পাতলাবলৈ অধ্যাপনাকে নিজৰ কৰ্ত্তব্য হিচাবে লৈ অতি মনোযোগেৰে নিজৰ কৰ্ত্তব্য সমাপন কৰি যায়। মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকাসকলক নিজৰ বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীবোৰক নিজৰ ভাইভনী হিচাবে লয়। কিয়নো এই ধৰাত যে তাৰ কোনো নাই, তাৰ মৰমৰ গাওঁখনি সি চিৰদিনৰ বাবে এৰি আহিছে, কিয়নো তাৰ আজি গাওঁখনত কোনো নাই, তাৰ মৰমৰ মাক, মৰমৰ ভনীয়েক 'তৰা' আজি আৰু নাই। আনকি তাৰ হৃদয়ৰ লগৰী মালাইও তাক অকলশৰে এৰি গুচি গৈছে– তাৰ গাঁৱত আৰু কোনো নাই, আছে মাথো স্মৃতি। যি স্মৃতি পাহৰাবলৈ সি আজলি সময়ত গল্প, কবিতা, লিখিবলৈ লৈছে। কিন্তু সি পাহৰি থকা স্মৃতিক আজি একনী তাৰ ছাত্ৰীয়ে ৰোমন্থিত কৰি দিছে। আজি সি ৰোমন্থন কৰিছে তাৰ হেৰোৱা দিনবোৰ........।

অইন দিনাৰ দৰে সিদিনা সি College ৰ পৰা আহি অলপ শুইছিল, তাৰ পিচত সি হাত মুখ ধুই একাপ চাহ খাই বজাৰলৈ যাব ওলাইছিল। তাৰ ভাড়াঘৰটো চহৰৰ পৰা পাচ কিঃ মিঃ নিলগত। নিৰ্জনতা প্ৰিয় জয়ন্তই পাহাৰৰ দাতিত তাৰ ভাড়াঘৰটো বাচি লৈছিল। সিদিনাখন তাৰ English Department ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী মাধুৰী বৰা তাৰ ওচৰলৈ অকলে অহাত সি অতি আশ্চৰ্য্য প্ৰকাশ কৰিছিল। সি ছোৱালীজনীক সুধিছিল– 'তুমি অকলে আহিছানে?

তেতিয়া হোষ্টেলবাসীজনীয়ে কৈছিল, ড্ৰাইভাৰজন বাটতে আছে। পাপাক মই ইয়ালৈ আহিবলৈ মানা কৰিছিলো। তেওঁ এটা জৰুৰী কামত এইফালে যাব লগা হোৱা কাৰণে গাড়ীখনেৰে ড্ৰাইভাৰজনৰ লগত মোক পঠিয়াই দিছে। তাইক বহিবলৈ দি তাই অহাৰ উদ্দেশ্য জয়ন্তই সুধিলে। উত্তৰত তাই ক'লে, চাৰ আপুনি আমাৰ ঘৰত মোক অলপ শিকালে বৰ ভাল হয়। সেইকাৰণে আপোনাক ক'বলৈ আহিছো। আপোনাৰ যদি যোৱাত অসুবিধা হয়, মইয়ে আপোনাৰ ওচৰলৈ নিজে আহিম চাৰ। ড্ৰাইভাৰজনে মোক গধূলি থৈ যাব। জয়ন্তই কিছু সময় চিন্তা কৰি ক'লে, "মাধুৰী মই Private tuition নকৰো।" আপুনি মোক নিৰাশ নকৰিব Sir বুলি যেতিয়া জয়ন্তৰ চকুলৈ অনুৰোধৰ চাৱনিৰে চালে তেতিয়া জয়ন্তৰ দেহেৰে যেন বিদ্যুৎ প্ৰবাহিত হ'ল। এয়া কি? একে চকু, একেই মুখ, এয়া কি? সি ভুল দেখা নাইতো? এয়া খানো মাধুৰীৰূপী মালা নহয়? তাইৰ চকুলৈ জয়ন্তই কিমান সময় চাই আছিল ক'ব নোৱাৰে, হঠাৎ তাইৰ মাতত তাৰ তন্দ্ৰা ভাঙিল। তাই ক'লে, চাৰ আপুনি যদি নিশ্চিন্ত......। তাইৰ চকু চলচলীয়া হ'ল। জয়ন্তই কঁপা কঁপা মাতেৰে ক'লে— 'মই তোমাক কাইলৈ জনাম। এতিয়া তুমি যোৱা।' মাধুৰীক বিদায় দিয়াৰ পিছত জয়ন্তৰ পাহৰিব খোজা হেৰোৱা অতীতটো বোমন্থিত হৈ উঠিল।

নয়নতৰা আছিল সুৱাগমনি গাওঁৰ একমাত্ৰ অতি দুখীয়া পৰিয়ালৰ ছোৱালী। তিনিজনী ছোৱালীয়ে বাল্যকালৰ পৰা জীৱিত কালতেকে কেৱল দুখকেই পাইছিল। নয়নতৰা আছিল মাক-দেউতাক নোহোৱা একমাত্ৰ অতি দুখীয়া পৰিয়ালৰ ছোৱালী। তাইৰ দেউতাকে তাইৰ জন্মৰ আগতেই এই সংসাৰৰ পৰা বিদায় মাগিছিল। মাকেও তাইক ছবছৰ বয়সতে এৰি গৈছিল। মাকৰ মৃত্যুৰ পিছত নয়নতৰাক একেন দূৰ সম্পৰ্কীয় মোমায়েকে লৈ গৈছিল। মোমায়েকৰ ঘৰতো তাই অকণো শান্তি পোৱা নাছিল। মোমায়েক ধনীয়মান হলেও মামীয়েকৰ অকথ্য অত্যাচাৰে নয়নতৰাক দুখৰ উপৰি দুখ দিছিল। নিষ্ঠুৰ মামীয়েকে পঢ়াৰ পৰা একেবাৰে তাইক চাকৰণী হিচাপে ব্যৱহাৰ কৰিছিল।

যেতিয়া নয়নতৰাই যৌৱনত ভৰি দিছিল, তেতিয়া তাই পৃথিৱীখনক নতুনকৈ চাবলৈ শিকিছিল। কোনো দিনেও মামীয়েকৰ মুখলৈ চাই কথা নোকোৱা নয়নতৰাই লাহে লাহে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰিছিল। ফলস্বৰূপে মামীয়েকৰ পৰা পাইছিল গালি শপনিৰ উপৰিও মাৰধৰ। এদিনাখনৰ কথা নয়নতৰাই স্বৰূপ ভুলি তিনিদিন তিনিৰাতি পৰা উঠিব পৰা নাছিল। মোমায়েকে মনে মনে ঔষধ আনি দিছিল। মামীয়েকে অকলে যেতিয়া সকলো কামবন কৰিবলগা হৈছিল তেতিয়া খঙত অস্থিৰ হৈ তেওঁ নয়নতৰাক বিচনাৰ পৰা চোঁচৰাই আনি কামত লগাইছিল। তিনিদিন অনাহাৰে থাকি নয়নতৰা শেষত মূৰ্চ্ছা গৈছিল। মামীয়েকে ভয়তে মূৰত তেল-পানী দিছিল। কিছুসময় পিছত নয়নতৰা যেতিয়া সুস্থ হৈছিল তেতিয়া তাই ভাবিছিল তাই আৰু জীয়াই থাকি কোনো লাভ নাই। তাইৰ অন্তৰখন ভাবি চিন্তাৰ হৈ গৈছিল। ফলস্বৰূপে সেইদিনাও তাই একো নোখোৱাকৈ থাকি নিশা সকলো শুৱাৰ পিছত মনে মনে ঘৰৰ পৰা ওলাই গৈছিল। গাঁও আছিল ফাঁকিকণে ধূম। ফলত তাই আত্মহত্যাৰে মুখ দুবাই পৰি গৈছিল। পিছদিনাখন যেতিয়া তাই জ্ঞান ঘূৰাই পাইছিল তেতিয়া তাই নিজকে আৱিষ্কাৰ কৰিছিল এখন চিকিৎসালয়ত। তাই পুনৰ যাবলৈ বিচৰাত বসন্তই তাইক বুজাই বঢ়াই তেওঁৰ নিজৰ ঘৰত আনিছিল। তেওঁ কিন্তু নোহোৱা বয়সতেই তাইক নতুন জীৱন দান দিছিল। নিজৰ ঘৰত বসন্তই তাইক পত্নীৰ মৰ্যাদা দি কৰিছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে এইখিনি সুখকো সহ্য কৰিব নোৱাৰিছিল।

এটা ল'ৰা আৰু এজনী ছোৱালী জন্ম হোৱাৰ পিছত বসন্ত এটা দুৰ্ঘটনাত ঢুকাইছিল। নয়নতৰাই দিনতে এন্ধাৰ দেখিছিল। নিৰুপায় হৈ নয়নতৰাই জয়ন্ত আৰু তৰাক বুকুত লৈ এই নিৰ্দয় জীৱনৰ লগত অহৰহ সংগ্ৰাম চলাই গৈছিল। মাক নয়নতৰা আৰু ভনীয়েৰ তৰাৰ কথা মনত পৰাত জয়ন্তৰ টোপ টোপকৈ চকুপানী সৰি পৰিছিল। কিন্তু সময় পিছত সি পুনৰ উটি গৈছিল সেইবোৰ বিষাদময় অতীতলৈ.........

নয়নতৰাই সিদ্ধান্ত লৈছিল তাই জয়ন্ত আৰু তৰাক যিকোনো উপায়েৰে পঢ়ুৱাব। তাইৰ একোৱে নাছিল, আছিল মাথো বসন্তৰ ভগা ঘৰখনি আৰু তাৰ এৰি থৈ যোৱা মৰমৰ স্মৃতিবোৰ। সেয়েহে তাই ইখন সিখনৰ কাম বন কৰি অতি কষ্টেৰে দুয়োকে পঢ়ুৱাই দিছিল। জয়ন্তই মাকৰ দুৰৱস্থা দেখি মনে মনে সংকল্পবদ্ধ হৈছিল যে সি অত্যন্ত মনোযোগেৰে পঢ়িব। ফলস্বৰূপে সি সুখ্যাতিৰে মেট্ৰিকত দেওনা পাৰ হৈছিল তৰাও তেতিয়া অষ্টম মান শ্ৰেণীত ভৰি দিছিল। অক্লান্ত পৰিশ্ৰমৰ ফলত নয়নতৰা মাকে ভুগিছিল দুৰাৰোগ্য কেন্সাৰ বেমাৰত। জয়ন্তই চকুৰে ধোঁৱা-কোঁৱা দেখিছিল। অনাবাটিপৰ টকাকড়িৰে মাকৰ চিকিৎসা কৰিছিল আৰু মাকৰ মুখত হাঁহি বিৰিঙাবলৈ সি পুনৰ কলেজত ভৰ্তি হৈছিল। টকাৰ কাৰণে সি দিনটো গেৰেজত কাম কৰিবলৈ সিদ্ধান্ত লৈছিল। কিন্তু গেৰেজৰ মালিক শংকৰ বৰুৱা এজন বৰ ভাল মানুহ আছিল। তেওঁ তাৰ কথাটো উপলব্ধি কৰি তাক দিনটো কামত নলগাই মাত্ৰ ৭ ঘণ্টাহে কাম কৰিব দিছিল। সি অত্যন্ত মনোযোগেৰে পঢ়ি গৈছিল। সি যেতিয়া P.U.ৰ বিজ্ঞান লৈ ঘৰলৈ উভতি আহিছিল তেতিয়া নয়নতৰা আছিল মৃত্যুশয্যাত। মাকে তাক শেষবাৰৰ বাবে কৈছিল...... মোৰ সময় হ'ল বোপা, তই তৰাক চাবি আৰু......... একো ক'ব পৰা নাছিল, নয়নতৰাৰ প্ৰাণপক্ষী উৰি গৈছিল। জয়ন্তই তৰাক বুকুত সাৱটি লৈ জীয়াই থকাৰ সপোন দেখিছিল.........—।

অৱশেষত জয়ন্তই ইংৰাজীত অনাৰ্চ লৈ B.A. ত নামভৰ্তি কৰিছিল। সি গেৰেজৰ কাম কথা বাদ দি দুই চাৰিটা টিউচন কৰিয়েই পেট প্ৰবৰ্তাইছিল। ভনীয়েক তৰাই তাক অনুসৰণ কৰিছিল। তাইও এদিন Collegeত নামভৰ্তি কৰিছিল। সেই সময়ত সিহঁতৰ ঘৰলৈ আহ যাহ হৈছিল Advocate বিজয় চৌধুৰীৰ ছোৱালী মালা চৌধুৰীৰ। মালাই প্ৰথমতে জয়ন্তক দেখি লাজ কৰিছিল আৰু কথা কওঁতাও পৰা নাছিল। কিন্তু লাহে লাহে তাই জয়ন্তৰ লগত সহজ হৈ পৰিছিল। জয়ন্তই প্ৰথমতে একো ভাবিব পৰা নাছিল। কিন্তু লাহে লাহে সিও সহজ হৈ পৰিছিল। ফলস্বৰূপে সিহঁতৰ মাজত প্ৰেমৰ আদান-প্ৰদান হৈছিল। জয়ন্তই মাজে মাজে ভাবিছিল তাৰ নিচিনা ছাল চিগা ভিকহুটোক মালাই আকৌ চিৰদিন ভাল পাই থাকিব? কিন্তু মালাৰ প্ৰেমৰ অন্তৰে তাক দৃঢ় হ'বলৈ শিকাইছিল। মালাক সি সদায় নিজৰ কথা কৈছিল। জয়ন্ত আৰু মালা উভয়ে উভয়ৰ বাবে অনুপ্ৰেৰণা হৈছিল। ভনীয়েক তৰাই সিহঁতৰ প্ৰেমক শ্ৰদ্ধা কৰিছিল। কিন্তু কালৰ কুটিল দৃষ্টি পুনৰ সিহঁতৰ মাজলৈ ভুমুকি মাৰিছিল। এদিনৰ কথা......... সি ওচৰৰে শৰ্মা মহিদৰ ঘৰত টিউচন কৰিবলৈ গৈছিল। আইনদিনা তৰাইও টিউচন কৰিবলৈ যায়, কিন্তু সিদিনা তাই সোনকালে বাটৰ পৰা ঘূৰি আহিছিল। তাইৰ গাটো থকথককৈ কঁপিছিল; মুখটো ঘূৰাইছিল। তাই বস্তাত গাৱৰ আঠিয়লীয়া ল'ৰা মুকুন্দৰ লগ পাই তাৰ হাতত ধৰি কেকোৰাকয়াই কথা আহি পৰিছিল। যেতিয়া মুখেনে তাইৰ মুখৰ গেঁথনি শুনিবলৈ পাইছিল তেতিয়া সি শৰ্মা মহিদৰ ঘৰৰ পৰা ডক্তৰক মাতি আনিছিল। জয়ন্তই আহি তৰাক যেতিয়া সংকটপূৰ্ণ মুহূৰ্তত পাইছিল তেতিয়া সি মৰমীয়া ভনীয়েক একমাত্ৰ তৰাক ৰখিব দি ডাক্তৰ আনিব গৈছিল। ডাক্তৰে আহি তাইৰ pulse চাই 'I am sorry' বুলি কৈছিল। তেতিয়া জয়ন্তই প্ৰায় উন্মাদৰ দৰে হৈ পৰিছিল। সি ভনীয়েকক সাৱটি ধৰিছিল আৰু মাকে কোৱা কথাষাৰ.........'তই তৰাক চাবি' তাৰ মগজুত ভুমুকি মাৰিছিল। ভনীয়েকক শ্মশানলৈ নিয়াৰ দিন সি জ্ঞান হেৰুৱাইছিল আৰু যেতিয়া জ্ঞান পাইছিল তেতিয়া সি আছিল মালাৰ কোলাত মূৰ থৈ শুই। মালাই তাক কেইবাৰাতিও শুশ্ৰূষা কৰিছিল, আৰু কৈছিল আপুনি জীয়াই থাকিব লাগিব জয়ন্ত। আপুনি পুনৰ হাঁহিব লাগিব জয়ন্ত দা। কেৱল মোৰ বাবে জয়ন্ত দা কেৱল মোৰ বাবে......।

জয়ন্ত এনেকৈয়ে জাগি পৰিছিল। তাৰ সেইবাৰ পৰীক্ষা দিয়া নহ'ল। মাকৰ কথা আৰু মাকৰ স্মৃতিয়ে তাক কৰ্মক আমনি কৰিছিল। সি মৰমীয়া দেহটোক এজনীৰ ঘৰত থাকি পুনৰ মালাৰ বাবে অধ্যয়নত মনোনিবেশ কৰিছিল। তাৰ হাঁহি পুনৰ ঘূৰি আহিছিল মালাৰ বাবে। মালাই ঘৰৰ পৰা গালি-শপনি খাইও তাক এৰা নাছিল। সি যিদিনা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাই B.A. পৰীক্ষাত উত্তীৰ্ণ হৈছিল তেতিয়া সি দুহাতেৰে আকাশ পাইছিল। কিন্তু দেউতাকে মালাক কৈছিল তই যদি ঠিকাদাৰ দীপক বৰাৰ লগত এই বিয়াত মত নিদিয়, মই তোৰ আগতে জয়ন্তক এই পৃথিৱীৰ পৰা বিদায় দিম। জয়ন্তৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেমৰ বাবে মালাই দীপক বৰাৰ লগত বিয়াত মত দিছিল। ফলস্বৰূপে জয়ন্তই মালাক চিৰদিনৰ বাবে হেৰুৱাই পেলাইছিল। বিয়াৰ আগতে মালাই দেউতাকৰ সম্মতি লৈ জয়ন্তক লগ ধৰিব আহিছিল। জয়ন্তক তাইৰ সকলো কথা কৈ চকুপানী টুকিছিল। তেতিয়া জয়ন্তই তাইক কৈছিল— তুমি চিৰদিন মোৰ বুকুৰ মাজত থাকিবা মালা। প্ৰেম মানেই বিয়াহে নহয় মালা। প্ৰেম মানে দুটা আত্মাৰ মিলন। ই যেতিয়াও দৈহিক হব নোৱাৰে। মালাই মাতেৰে উচুপি উচুপি কৈছিল 'মই যে জীয়াই থাকিব নোৱাৰিম জয়ন্ত দা' জয়ন্তই মালাৰ মূৰত ধৰি কৈছিল 'তুমি জীয়াই থাকিব মালা। কাৰণ তুমি যিমান দিন থাকিবা, জয়ন্তই সিমানদিনলৈ থাকিব। তোমাৰ অবিহনে আৰু একো কৰ পৰা নাছিল। দুয়ো দুয়োকে সাৱটি ধৰি কান্দিছিল। কিন্তু সিহঁতৰ চকুপানীয়ে সমাজখন দুই দিকা কৰিব নোৱাৰে এইটো কথা সিহঁতে জানিছিল। যিদিনা মালাৰ বিয়া হৈ গৈছিল সেইদিনা জয়ন্তও গৰ্ভ এৰি চিৰদিনৰ বাবে গুৱাহাটীলৈ গুচি আহিছিল আৰু প্ৰতিজ্ঞাবদ্ধ হৈছিল যে সি আৰু জীৱনত বিয়া নকৰায়। গুৱাহাটী মহানগৰীত অতি কষ্টেৰে M.A.টো পাছ কৰি মহাবিদ্যালয়ৰ চাকৰিটোত সোমায়। যেতিয়া সি স্থিৰে থাকিব নোৱাৰা হয় তেতিয়া সি মালাৰ স্মৃতিক সোঁৱৰে। মালাৰ স্মৃতিয়ে তাৰ টোপনিতো আমনি কৰে। সি টোপনীত চিঞৰি উঠে মালা......... মালা......—

যেতিয়া সে ৰাতি পুৱাইছিল জয়ন্তই ক'ব পৰা নাছিল। এনে যদি উচুপি উচুপি 'সি বিনিদ্ৰ ৰজনী অতিক্ৰম কৰিছিল। সি ভাবিছিল কেনে এই মাধুৰী বৰা। কিয় তাই এই স্মৃতি জাগালে.........? সি কি সিদ্ধান্ত ল'ব?

কিছু সময়ৰ পিছত মাধুৰী বৰা আহি জয়ন্তৰ সন্মুখত থিয় হ'ল......... মই আহিলো Sir আপোনাৰ সিদ্ধান্ত বুলি জয়ন্তৰ ফালে চকু তুলি চালে। জয়ন্তই তাইৰ পৰিচয় সোধাত গম পালে যে তাই মালাৰে ছোৱালী মাধুৰী বৰা আৰু সিহঁত নিগমীটিক এই চহৰতে থাকিবলৈ লৈছে। তেতিয়া জয়ন্তই চকুৰে ধোঁৱা-কোঁৱা দেখিলে......। সি ভাবিলে সি ইয়াত থকাৰ কাৰণে মালাই নিশ্চয় এই চহৰলৈ আহিছে। সি বহু সময় মাধুৰীলৈ চাই ৰ'ল। তাই কিবা কোৱাৰ আগতেই জয়ন্তই কৈ উঠিল মই তোমাক পঢ়ুৱাম মাধুৰী। জয়ন্তৰ কথা শুনি মাধুৰীয়ে কেৱল মাথি চাই ৰ'ল জয়ন্তৰ মুখলৈ.........। তাই একো নুবুজিলে...... ■

# জীৱন জিজ্ঞাসা

(সঁচা ঘটনাৰ আধাৰত)

গুঞ্জন পূজাৰী
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)



বহুদিনীয়া পুৰণি বাতৰি কাকতবোৰ বেপাৰীজনৰ ওচৰত বিক্ৰী কৰিবলৈ ওলাই আজি এবছৰ আগৰ '৬ জানুৱাৰীৰ' বাতৰি কাকতখন দেখি মোৰ মনটো সেমেকি গ'ল। অনিলৰ সেই হাঁহি ভৰা মুখখনে মোক লৈ গ'ল অতীতলৈ। এৰা, বহুদূৰ অতীতলৈ......................

"অনিল আৰু মই বাল্যবন্ধু। হাঁহি খেমালিৰে শৈশৱৰ কাল কটাই আমি দুয়োজনে একেসময়ত একেলগেই প্ৰাথমিক স্কুলত ভৰ্তি হৈছিলো। আমি যিখন স্কুলত ভৰ্তি হৈছিলো, সেই স্কুলখনতেই অনিলৰ দেউতাক 'বিজয় বৰুৱা' তাৰ প্ৰধান শিক্ষক আছিল। বৰুৱা চাৰৰ প্ৰথম পুত্ৰ অনিলক সৰুৰে পৰাই পঢ়া-শুনাত খুব চোকা আছিল। বৰুৱা চাৰৰ আশা এদিন অনিলক সমাজত এজন আগশাৰীৰ খুঁটাস্বৰূপে প্ৰতিষ্ঠা কৰাৰ। অনিলেও বৰুৱা চাৰৰ প্ৰেৰণাত উৎসাহিত হৈ চাৰৰ অভিলাস পূৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তাৰেই ফলস্বৰূপে H.S.L.C পৰীক্ষাত সি ষ্টাৰ মাৰ্কসহ উত্তীৰ্ণ হৈছিল। কটন কলেজত সি নাম ভৰ্তি কৰিছিল। H.S পৰীক্ষাত কটন কলেজৰপৰা ভালদৰেই পাছ কৰি পুনৰ সি B.Sc পঢ়িবলৈ কটন কলেজতেই নামভৰ্তি কৰিছিল। কিন্তু কি হ'ব, দাতাই দিয়ে বিধাতাই নিদিয়ে। ঠিক সেইবছৰতেই বৰুৱা চাৰৰ অকাল বিয়োগ ঘটে। অনিলৰ মূৰৰ ওপৰৰ নীলা আকাশত কলীয়া মেঘৰ তাণ্ডৱ নৃত্য আৰম্ভ হ'ল। অনিলে কটন কলেজৰ পৰা গুছি আহিবলৈ বাধ্য হ'ল। যিজন ল'ৰাৰ জীৱনত শিক্ষা লাভ কৰাই একমাত্ৰ ব্ৰত আছিল, সেইজন ল'ৰাই কলেজ এৰি গুছি আহি নিৰলে চকুপানী টুকিবলগীয়া হ'ল। বৰুৱা চাৰৰ সংসাৰৰ দুজনীকৈ উঠি অহা ছোৱালী আৰু অনিলৰ অতিকৈ মৰমৰ মাকৰ ভৰণ-পোষণৰ দায়িত্ব সিয়েই ল'বলগীয়া হ'ল। দেউকা-ভণ্ডা চলাইৰ নিচিনা সি হৈ পৰিল অসহায় অস্থিৰ। বৰুৱা চাৰৰ চাকৰিটো সি পাব লাগিছিল, কিন্তু নাপালে। কিয় নাপালে একমাত্ৰ ওপৰ মহলাতহে জানে। সিহঁতৰ বাবে মাত মতাও কোনো মানুহ নাছিল। কিতাপৰ মাজতেই ডুবগৈ থকা অনিলেও তেতিয়া জনাই নাছিল, কেতিয়া কি কৰিব লাগে।

সংস্থাপন বিহীন অনিলহঁতৰ পৰিয়ালটোৱে তেনেকৈ বহুদিনেই দুখৰবাতি পাৰ কৰিছিল। বৰুৱা চাৰৰ জমা ধনৰ টোপোলাটোও লাহে লাহে সৰু হৈ আহিছিল। উপায়বিহীন অনিলে চাকৰিৰ সন্ধানত উঠি পৰি লাগিছিল। অফিচে অফিচে ঘূৰি পুনৰ সি চাৰৰ জমাধনৰ কিছু অংশ হ্ৰাস কৰিছিল। চাকৰিৰ নামত সি বহুতো ইণ্টাৰভিউও দিছিল। প্ৰতিবাৰ ইণ্টাৰভিউ দি আহি তাৰ 'এপইণ্টমেণ্ট লেটাৰ' পিয়নজনে লৈ আহিব তাৰ আশাপালি পদূলিলৈ চাই চাই চকু বিষাইছিল। কিন্তু কোনো বাৰতেই তাৰ 'এপইণ্টমেণ্ট লেটাৰ'



নাহিল। যিবোৰ চাকৰিৰ বাবে সি 'ইণ্টাৰভিউ' দিছিল, সেই চাকৰিবোৰো পূৰ্ণ হৈ গৈছিল কিছুমান ধনী ঘৰৰ ল'ৰাৰে। সি পিছত জানিছিল কিয় সেই ল'ৰাবোৰে চাকৰি পায়। কিন্তু তাৰ তেতিয়া কৰিবলৈ কোনো উপায়েই নাছিল। তাৰ হাতত আছিল মাত্ৰ তাৰ পৰীক্ষাৰ 'মাৰ্কচিট'বোৰৰ ডাঙৰ ডাঙৰ সংখ্যাবোৰ। কিন্তু ধনৰ টোপোলাতো আছিল তেনেই সৰু। কেতিয়াবা ক্ষোভ কৰি সি মোক কৈছিল, "অজয় আমিতো দুখীয়া হয়েই গ'লো। এতিয়া জানো আমাৰ বাচি থকাৰ কিবা মূল্য আছে?"

আৰু বহুদিন পাৰ হৈ গ'ল। দিনক দিনে সিহঁতৰ ঘৰৰ অৱস্থা পানীত হাঁহ নচৰা হৈছিল। অনিল উপায়বিহীন হৈ পৰিছিল। তাৰ হাতত সিহঁতৰ পৰিয়ালতো চলাবলৈকে সৰু এটা ব্যৱসায় কৰিবলৈও টকা জমা নাছিল। শেষত চাকৰিৰ ধাণ্ডা বাদ দি সি সিদ্ধান্ত কৰিছিল যে ব্যৱসায় এটা কৰিবলৈ বেংকৰ পৰা এটা ব্যৱসায় লোণকেই ল'ব। সি তাকেই কৰিছিল। লোণৰ বাবে বেংকৰ মেনেজাৰৰ ওচৰ চাপিছিল। বেংকৰ মেনেজাৰজনক তাৰ জীৱনৰ সকলো কাহিনীকৈ সি বিচৰা লোণতো পোৱাত সহায় কৰিবলৈ মেনেজাৰজনক টানি অনুৰোধ জনাইছিল। মেনেজাৰ জনেও তাৰ দুখত দুখীহৈ সেইদিনা তাক কৈছিল, "হ'ব, হ'ব; তুমি চিন্তা নকৰিবা। তোমাক সহায় কৰিব পাৰিলেতো ময়েই আনন্দিত হ'ম।" সেইদিনা অনিলে আনন্দৰেই মেনেজাৰজনৰ ওচৰৰপৰা বিদায় লৈ ঘৰমুৱা হৈছিল। তাৰ মনত সেইদিনাখন আশাৰ সূৰুযে নকৈ ভুমুকি মাৰিছিল। কিন্তু সময় বাগৰিছিল। লোণটোৰ বাবে সি বহুদিন বেংকলৈ গৈ মেনেজাৰজনক লগ ধৰিছিল। মেনেজাৰজনেও প্ৰথমতে সি গ'লে তাক খুব ভাল ব্যৱহাৰেই কৰিছিল। মেনেজাৰজনে কৈছিল, 'চোৱা অনিল, তোমাৰ বাবেতো মই কষ্ট কৰিয়েই আছো। লোণটো নিশ্চয় পাবা। কেইদিনমান পিছত খবৰ কৰিবাছোন।" অনিলে পিছতো তেখেতক বহুবাৰেই লগ ধৰিছিল। কিন্তু মেনেজাৰজনে পিছত তাক দেখিলে অইন কামৰ অজুহাত দেখুৱাই তাৰ ওচৰৰ পৰা আঁতৰি থকা হ'ল। তেতিয়া আৰু তাৰ বুজিবলৈ বাকী থকা নাছিল যে সি অলপো টকা মেনেজাৰজনক ভেঁটি হিচাপে নিদিয়া বাবেই যে তাৰ লোণ সি পোৱা নাই। অৱশেষত সি লোণটো পোৱাৰ আশাও ত্যাগ কৰিবলৈ বাধ্য হৈছিল।

তাৰ পিছতেই অনিলৰ জীৱনলৈ পুনৰ নামি আহিছিল চৰম বিপৰ্যয়। অনিলৰ মৰমৰ ডাঙৰ ভনীয়েকজনীয়ে এজন ল'ৰাৰ লগত গোপনে ঘৰ ত্যাগ কৰি গুচি গৈছিল। আনজনী ভনীয়েকেও দেহত কলংকৰ চেক পেলাই গলত চিপজৰী লৈছিল। অনিলে ভনীয়েক দুজনীৰ তেনেকুৱা অৱস্থা হোৱাত একেবাৰেই ভাগি পৰিছিল। হলা গছ দেখিলে বাগী কুঠাৰ মৰা চামৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে সি হৈ পৰিছিল উম্মাদ। বিধৱা মাকজনীয়েও কান্দোনৰ ৰাউচি জুৰিছিল। কিন্তু কোনেও সিহঁতক সহায় কৰিবলৈ আগবাঢ়ি নাহিল। অৱশেষত অনিল হৈ পৰিল সমাজৰ বাবে অমানুহ। যিখন দেশত ঠগ প্ৰৱঞ্চনা কৰাই একমাত্ৰ মানুহৰ ধৰ্ম, সেইখন দেশৰ মানুহৰ ঠগ-প্ৰৱঞ্চনাৰ বলীহৈ; তাৰ ভনীয়েক দুজনীৰ অৱস্থাৰ বাবে কাৰো ওচৰত প্ৰতিশোধ ল'ব নোৱাৰি এসময়ত অনিল হৈ পৰিছিল সঁচাকৈয়ে বলিয়া। বলিয়াৰ বেশেৰে সি ওলাই আহিছিল ৰাজপথলৈ। আনপিনে বৃদ্ধা বিধৱা মাকজনীয়েও বুকুত ভুকুৱাই চিঞৰি চিঞৰি ওলাই আহিবলগীয়া হৈছিল ভিক্ষাৰ জোলোঙা লৈ মানুহৰ পদূলিয়ে পদূলিয়ে।

তাতেই জানো পৰি গৈছিল সিহঁতৰ জীৱন যুদ্ধৰ নাটকৰ যৱনিকা। নাই, তেতিয়াও অনিলৰ বৃদ্ধ মাকৰ জীৱনত দুখৰ ওৰ পৰা নাছিল। অনিলে যেতিয়া বাটে-পথে চিঞৰি চিঞৰি কৈছিল— "তইঁতে মোক, আমাক মানুহ হ'বলৈ নিদিলি নহয়, তইঁতক মই চাই ল'ম?" মাকৰ বুকুখন তেতিয়া দুখত ফাটি গৈছিল। বৰুৱা চাৰৰ স্মৃতিয়ে তেখেতৰ অন্তৰত বাৰুকৈয়ে আঘাট হানিছিল। বৰুৱা চাৰে তেখেতৰ বেতেৰে কোবাই কোবাই ক'তজনক মানুহ কৰিছিল। কিন্তু নিজৰ ল'ৰাজনক কি কৰিব পাৰিলে! তাকে ভাবি তেখেতেও বলিয়াৰ নিচিনাই হৈ পৰিছিল।

অনিল বলিয়া হোৱাৰ এমাহ পিছত অনিলে মাকক নিঠৰুৱা কৰি, যিখন সমাজৰ পৰা সি একোকেই নাপালে সেইখন সমাজৰ পৰা চিৰদিনৰ বাবে, বুঢ়ী বাৱীমাকৰ অন্তৰত চৰম দুখৰ কাঁড়পাত মাৰি ৰেল চকাৰ তলত আশ্ৰয় লৈ চিৰ বিদায় লৈছিল। আহ, বুঢ়ী মাকজনীয়ে হয়তো এতিয়াও ভিক্ষাৰ জোলোঙা লৈ খুজিবলৈগৈ কোনোবা কঠুৱা মানুহৰ আগত পুত্ৰৰ কথা কৈ অৰণ্যৰোদন কৰিছে................!" বাবু। বেপাৰীজনৰ চিঞৰত মই বাস্তৱলৈ ঘূৰি আহিলো। সি মোক সুধিলে, "বাবু, আপোনাৰ চকুত চোন চকুপানী। আপুনি কান্দিছে? কতা; মই মোৰ গালত হাত দি চালো। সঁচাকৈয়ে মোৰ গাল দুখন চকুপানীৰে তিতি গৈছে। মই তাক ক'লো, "নাই মইতো কন্দা নাই, এনেয়ে.......... ধৰ এইখনো তই লৈ যা।" "আপুনি মোক মিছা ক'লে," এইবুলিকৈ বেপাৰীজনে মোৰ হাতত এশ দহ টকা গুজি দি মোৰ ওচৰৰ পৰা আঁতৰি গ'ল। তাৰ লগতেই অনিলৰ মৃত্যুৰ খবৰ কঢ়িয়াই অনা বাতৰি কাকতখনো মোৰ ওচৰৰ পৰা গুছি গ'ল। হয়তো দুদিন পিছত মযো অইনৰ দৰে অনিলক চিৰদিনৰ বাবেই পাহৰি যাম। কিন্তু, অনিলে জানো আমাক, আমাৰ সমাজখনক পাহৰি যাব? তাৰ আত্মাই জানো আমাৰ ওপৰত প্ৰতিশোধ নলব? এৰা, সময়েই ইয়াৰ হয়তো ইয়াৰ উত্তৰ দিব!! ■

# বকুত দুখৰ আবৰণ

সমীৰ কুমাৰ সাহা
স্নাতক ২য় বৰ্ষ



"বতাহে কাণে-কাণে কয়
সি কেনে.......................
মোৰ সত্তা বিচাৰি পাইছে
দুখৰ দুৱাৰি বনত................."

ঘূৰ্ণায়মান আবদ্ধ কামটোত পায়চাৰি কৰি কুণাল গোস্বামীয়ে বিচনাখনত শুই পৰিল। টোপনিৰ বাবে বৃথা চেষ্টা কৰিলে। আজি কেইদিনমান ধৰি কুণালৰ কোনো এটা কাম নালাগে। ধৰণৰ সকলোৱে যেন অটিনাকি। তাক যেন অপহৰণ কৰি এই কামটোত আবদ্ধ কৰি ৰাখিছে। তাৰ এনে ভাব হ'ল। কামটোৰ খিৰাঙ্কী বতাহ ওলাই যাবলৈ খিৰিকি কেইখন খুলি দিলে? আধেলিৰ আবেজসনা ব'লগাক খিৰিকিৰ 'নেট'ৰ পৰা কপাই এজাক শাৰদী বতাহে স্পৰ্শ কৰি গ'ল 'মনালিছা' নামৰ পৃথিৱী বিখ্যাত পেইণ্টিংখন। কুণালৰ অস্থিৰ মনটোৱে অৱগাহন কৰিলে মনালিছাৰ পেইণ্টিংখনৰ ওচৰলৈ..........। কুণালৰ দুচকুৰে বৈ আহিল চিনাকি নৈৰ টো বিহীন অশ্ৰুকণা, তাৰ অজানিতে। বৰ্তমান এনেকুৱা এখন ছবিয়ে তাক সদায় আমনি কৰে। অস্থিৰতাৰ ছুগে পুৰণা কথাবোৰ ভাবি, স্মৃতিবোৰ ৰোমন্থন কৰি। হয়তো সেয়াও প্ৰেম ম'ত আছে জীৱনৰ প্ৰত্যাশা, ভবিষ্যৎ জীৱনত জীৱন পাত কৰাৰ প্ৰবঞ্চনা; হয়তো সেয়াও প্ৰেম-বি মধ্য এবাৰ কথাই এজনক জীয়াই জীয়াই কুলাই দিব পাৰে। অথচ এই কুলাই দিব পৰাটোৱে হয়তো কাব্যোৰ বাবে মধুৰ প্ৰেম। কথাবোৰ ভাবি কুণালৰ দুখৰ মাজতো এটি আপাত হাঁহি ওলাই প'ল। হঠাতে তাৰ মনত পৰিল আজি দুৰ্গা পূজাৰ বিজয়া দশমী। পৰম্পৰাগতিক পৰিত্ৰ শিক্ষা দুখৰ পোহৰবোৰ সদাই আনৰ বাবে হোৱা পোছাকী মুখখন ধুই দীপৰ ওচৰলৈ যাবলৈ ওলাল।

দীপ কুণালতকৈ বয়সত বহুত ডাঙৰ যদিও দুয়োৰে বাৰছাৰ বন্ধু সুলভ। দীপ স্বপ্নভাৱিক ব্যক্তি। যুক্তিৰ মাজেদি কথা কয়। অনবৰতে মুখত এটি মিঠা হাঁহি লাগি থাকে। অথচ তাৰ অন্তৰাল দগ্ধ দুখৰ ভাণ্ডাৰ কোনেও উদ্ধাৰ কৰিব পৰা নাই। দীপৰ জীৱনলৈ নামি অহা আচম্বিৰ বিষাদৰ কথা হয়তো কোনেও নাজানিব যদিও দীপ পৰিবৰ্তন সদায় হৈ থাকিব। দুখুত দুখৰ আবৰণ লৈ নতুন দীপৰ জন্ম হয়— তথাপি বিষাদ মুক্ত এখন সাম্যহ হয়। "দুৰ্গা পূজাৰ বিজয়া দশমী। উলহ-মালহেৰে প্ৰতিমাবোৰ বিসৰ্জন দিবলৈ ঢৌৱৰ হাজাৰ হাজাৰ লোক বাজহুৱা পুখুৰীৰ পাৰত উপস্থিত হৈছে। কাণ তাল মাৰি ধৰা বাদ্যযন্ত্ৰ আৰু মাইকৰ ভিন্নমুখী গীতৰ কলিয়ে মনবোৰ জোনাক খোনাক কৰিছে। কাৰো কথা কোনে শুনাও নাই। সকলোৱে জোনাকী মন আনন্দমুখৰ। আকস্মাৎ বুকু ভাঙি যেন ওলাই আহিব কেক! দুৰ্বল বেদনাত বহি বহি কিবা ভাবি আছে! নিজেই সজানো। হাতৰ আঙুলি দুটা চিগাৰেটৰ শেষাংশ আঙুলিৰ ফাঁক পাইছে নৈ...। কাষত থকা কুণালৰ মাতত্বহে মোৰ অলস মনৰ তন্ময়তা ভাঙিল। চিগাৰেটৰ শেষাংশ টৈনি বাকী অংশ মাটি পেলাই ভৰিৰে গচকি মুলি থকা দুই অংশ নুমাই ধোঁৱাখিনি হোৱানী ডকোৰা শাৰদী বতাহৰ লগত এৰি দিলো। কুণালৰ পিনে উদাসভাৱে মুখ তুলি চোৱাৰ লগে লগে আৰম্ভ হ'ল তাৰ বক্তৃতা :

: "দীপদা, আপোনাৰ লিখাবোৰ এতিয়াহে অলপ অলপ বুজিছোঁ। কবিতাবোৰৰ দুখত আংশিক দিশটো এতিয়াহে হৃদয় দীনত ৰাখিছে। সেই যে আপুনি লিখিছিল "বতাহে কাণে-কাণে কয় .... "সচাঁকৈয়ে আচৰিত ভাবৰ কবিতা

: Absolutely !

: "Same percent correct Deepda."

: কুণালৰ কথাত মই নিঃশব্দে হাঁহিছিলোঁ। কাৰণ, মোৰ কথাবাৰ অৰ্থকে নাপায়, অন্ততঃ কুনালৰ দৰে এজন পঢ়ুৱৈ পায়। কিন্তু মোৰ কবিতা পঢ়িছৈ হ'লে তেওঁৰ নিশ্চয় জ্ঞান থাকিব লাগিব দুখ মানে কি? কুনালক Free and Frank কথাত মই ক'লো:

: "কিন্তু কুণাল, এই সময়ত কবিতাৰ কথা কিয় মনলৈ আহিল? এয়াতো দুখৰ কবিতা পঢ়াৰ বতৰ নহয়?

: "চাওকচোন। সেই যে প্ৰতিমাবোৰৰ পানীত বিসৰ্জন দি আছে, তেওঁলোকৰ দুখ লগা নাছিল? অথচ এই প্ৰতিমাবোৰৰ বাবেই তেওঁলোকৰ হিয়া-মন আনন্দত উথলি উঠিছিল। মই ভালদৰে বুজিছিলো কুণালে কিয় কেনেকৈ ক'লে? কুনাল নিশ্চয় কিবা সমস্যাত জৰ্জৰিত। কাৰণ, কিবা আসন্ন সমস্যাৰ সম্মুখীন হ'লেই কুনালে এনে ধৰণৰ বহু প্ৰশ্নৰ সমাধান বিচাৰি মোৰ ওচৰলৈ আহে। মই কিন্তু বাম বুলি অকিও এষাৰ নকলো । কিছু সময় নিৰবে পাৰ হ'ল। পিছত কুনালে পুনৰ ক'লে—

"দীপদা, এই প্ৰতিমাবোৰৰ দৰে যদি কোনেবাই আমাকো পানীত পেলাই বিসৰ্জন দিয়ে তেতিয়া কি হ'ব?"

এই বাৰ মই স্থিৰ হৈ থাকিব নোৱাৰিলো। উচিতইতো। কুনালে ঠিক কথাকে ক'লে। কাৰণ, ইতিমধ্যে মইতো পানীত পৰিছোৱেই.....। সমাজৰ কি পৰিবৰ্তন হ'ল? হয়তো একোৱে হোৱা নাই। কিন্তু 'দীপ' বহুত পৰিবৰ্তন হ'ল। নতুন দীপৰ জন্ম হ'ল। আৰু সেই নতুন দীপৰ নাম থলে-দুখ। বহুত পৰিবৰ্তন হ'লো। মৰীচিকাৰে পিছে পিছে দৌৰা সপোন ভাগি গ'ল। অপদাৰ্থ হ'লো। অবহেলিত নাওঠ কৰি হ'লো। কিন্তু মোৰ আশা সমাজৰ সটাৰিনিয়ে এদিন হ'লেও এবাৰ সেইদিন পোহৰ দিব।

: "দীপদা, কি হ'ল? একো নকলে যে....

—কুণালৰ যৌবনাময় মাতত মোৰ ভাবৰ আঁত ছেৰাই গ'ল। এটি ক্ষীণ হাঁহিৰ সৌন্দৰ্যাৰে চিগাৰেটত অগ্নি সংযোগ কৰি ধোঁৱাৰ প্ৰথম দিচা বতাহৰ লগত এৰি দি কলো— "কুণাল, তোমাক যদি কোনোবাই প্ৰতিমাৰ দৰে পানীত পেলাই বিসৰ্জন দিয়ে তেতিয়া হ'লে তোমাৰ কুণাল নামৰ প্ৰকৃত সত্ত্বা ধ্বংস হ'ব সঁচা। কিন্তু তাৰ ঠাইত জন্ম হ'ব আন এজন কুণালৰ। সেইজন কুণাল হ'ব কাব্যোৰ বাবে নিস্ব, অপদাৰ্থ, অবহেলিত... । কিন্তু সেইজন কুণালে দেখুৱাই দিব পাৰিব লাগিব —"সমাজৰ বক্তৃতা প্ৰেম, কৃত্ৰিম ভদ্ৰতা আৰু স্বাভাৱিক নম্ৰতা সময়ত হয় নে নহয়? সেইবোৰ কিমান ভয়াবহ,...।

: কিন্তু মোৰ কি দোষ? নিজৰ সৰ্বস্বতকৈ যোক ভাল পোৱা মনে বিসৰ্জন দিয়াৰ মানে কি? মোৰ প্ৰতি কিয় ইমান অবজ্ঞাৰ দৃষ্টি? মই এনে কি ভুল কৰিছোঁ যাৰ কোনো ক্ষমা নাই।

— কথাখিনি কওঁতে কুনাল কিছু উত্তেজিত হৈছিল। হয়তো ভিতৰি ভিতৰি পৰিছিলও। কিন্তু শাৰদী বতাহে কপাই বৈ গ'ল দুয়োৰে হৃদয়। মানুহৰ কোলাহল ক্ৰমে নিজান পৰি আহিছিল। অৰ্দ্ধবিকশিত জোনাকলৈ দৃষ্টি পাত কৰি কবলৈ ধৰিলো— "কুনাল, তুমি যাতে সম্পূৰ্ণ ৰূপে বিকশিত হ'ব পাৰা তাৰ বাবে চাবো' তোমাৰ প্ৰেয়সীয়ে তোমাক অবজ্ঞাৰ চকুৰে চাব পাৰে। নতুবা তুমি ধ্বংস হোৱাটোৱে তাই বিচাৰিব পাৰে। হয়তো সেয়া তাইৰ অভিনয় আছিল তোমাৰ প্ৰেমত পৰাৰ হয়তো তাই তোমাৰ জীৱন অতি সুখৰ হওঁক বুলি ভাবিছে ইতুৰ মাত পাবে যাতে তুমি সুখৰ পালেহত শুই দুখৰ কবিতাবোৰ ভাবিব পাৰা। নতুবা, তাই কবযাত Better chance পালে সেয়ে.....।

মোৰ কথা শুনি কুণালৰ উঁহত চকুযুৰি সেমেকি উঠিল। কঁপা কঁপা মাতেৰে সি ক'লে—

: কিন্তু ইমান সোনকালে, সন্ধ্যতে....

: শাৰীও সলাব পাৰে ঠিক তেনেদৰে...

—কুণালৰ কথাষাৰ শেষ কৰিব নিদি বিশেষ নতবা কৈ যে অজানিতে ওলাই আহিল।

চিগাৰেটৰ শেষ হোপা মাৰি অৱশিষ্টখিনি দলিয়াই পেলাই দিলো।

: "কিন্তু দীপদা, তাইক মই একেবাৰে নকম নেকি?"

: সৌৱা চোৱা, প্ৰতিমা বিসৰ্জন দিয়া মানুহবোৰে যদে ঘৰে উভতি গ'ল। প্ৰতিমাই জানো সিহঁতক কিবা কলে? নিশ্চয় কোৱা নাই। কিন্তু বিবিনি কথা আছিও। মোৰ প্ৰেয়সীক মই কব নোৱাৰিলো, তুমি যদি এবাৰ তোমাৰ প্ৰেয়সীক লগ পোৱা কবা—"তোমাক মই ইমান ভাল পাওঁ, হয়তো মোৰ নিজৰ জীৱনৰ প্ৰতিও ইমান মোহ নাই।" মত

—প্ৰতিমা বিসৰ্জন দিয়া মানুহবোৰৰ এটাও নাই। জোনাকে কাম্পিছে পথৰ নিয়ৰ হৈ। পানীত ডুব মাৰি আছিল অৰ্দ্ধ বিকশিত জোন: দুটি জীৱন্ত প্ৰতিমাক জোনাকৰ চকুপানীয়ে ধুই দিলে। দুদিন পিছত শৰৎ গুচি যাব। নতুন ঋতু আহিব। অথচ সদায়ে দুখেখে হাঁহি থাকিব এটি দীপ নামৰ জীৱন্ত প্ৰতিমা অকলশৰে

নিজানত

নিৰলে.......।। ■

# পৰাজয়

শ্ৰীধ্ৰুৱজ্যোতি নাথ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)



কলেজত বহুতে মনৰ পচন্দমতে বোলে প্ৰেমিক-প্ৰেমিকা বিচাৰি লয়। ময়ো চাইছো, বস্তি নে অৱস্তি নামৰ বৰ ধুনীয়া ছোৱালীজনী। মই আচলতে তাইৰ প্ৰেমতেই পৰিছো। তাইক কেনেকৈ যে কথাটো কওঁ?

অৱশেষত বহুতো ভাবি-চিন্তিয়ে তাইলৈ এখন চিঠি দিম বুলিয়ে ভাবিলো। চিঠি দিলে উত্তৰটো নিশ্চয় পাম!

উত্তৰ নোপোৱাৰ কথাই নুঠে। এই অবিনাশে য'ত হাত দিয়ে তাতেই সফল হয়। কলেজখনত মোৰ এটা নামেই আছে (ভালকৈ নাজানো নাম নে বদনাম।) আচলতে কলেজখনত মই এটা "দাদা" আৰু এই অলপতে জি. এচ হোৱাৰ পৰা মোৰ "দাদাগিৰি" অলপ বেছি চৰিল। ময়ো যে আৰু কলেজত ' "দাদা" নহলে কাৰো দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰি।

আচলতে 'কলেজ সপ্তাহ'ত তাইৰ লগত মোৰ বান্ধৱী এগৰাকীয়ে কৰি দিয়া চিনাকীটোৰ পিছৰ পৰাই তাইক ভাল লাগিছে। ভাল নলগাৰ কাৰণেই নাই, তাই যিহে 'কুন্দক্ব কটা' ছোৱালী। মই আচলতে তাইৰ প্ৰেমতেই পৰিছো। দুদিনমান সঙ্গী দুটামান লৈ ঘূৰিছোও তাইৰ পিছত। কিজানি মোকো তাই ভাল পাই পেলায়।

সিদিনা হঠাতে জোতিষী এজনক টকা পঞ্চাছটা দি হাতখন চালো। বছৰটো বোলে মোৰ ভালেই! আছে, প্ৰেমতো বোলে মোৰ নতুন যোগাযোগৰ সম্ভৱনা আছে। যাহওঁক টকাকেইটা কামত লাগিব।

সিদিনা ৰাতি আধালৈকে চিঠিয়ে লিখিলো, তাইলৈ বুলি। জীৱনত কেতিয়াও চিঠি তেনেকৈ লিখিয়ে পোৱা নাই নহয়। ৰাতি আৰু পঢ়ায়ে নহল। ধেৎ, মুখইহে আজি কালি পঢ়ে। নকল কৰিয়ে পাছ কৰে দেখো বহুতো। ভয়; ধেৎ 'ভয়' শব্দটো আছে নেকি কৰবাত। প্ৰফেছাৰ, প্ৰিঞ্চিপালৰ পৰা আৰম্ভ কৰি এম এল এ মিনিষ্টাৰ পৰ্যন্ত আজিকালি জি এচ ৰ লগত (মোৰ লগতো আছে অৱশ্যে দুজনমান)।

কলেজত গৈয়ে বন্ধু এজনৰ দ্বাৰা তাইক চিঠিখন দি দিলো। সিদিনা ক্লাচ নকৰিলোৱে। কেইজন ছাত্ৰ একতা সভাৰ সভাই কলেজত গৈ ক্লাচ কৰে।

পিচদিনা ৰাতিপুৱাই মই তাইৰ ওচৰলৈ গলো, ক্লাচৰ আগতে কলেজৰ গেটৰ সন্মুখত দেখি তাইৰ আগত থিয় দিলো।

: ভন্টি, মোৰ চিঠিখনৰ উত্তৰটো দিয়া, মই লাহেকৈ ক'লো।

: চাও ৰাস্তাটো এৰি দিয়ক, তাই বিৰক্তিৰে ক'লে।

: আগতে মোৰ উত্তৰটো দিয়া, পিচতহে ৰাস্তাটো.........., মই কথাষাৰ সম্পূৰ্ণ কৰাৰ আগতে তাইৰ পাঁচটা আঙুলি মোৰ গালত পৰিল, মই তৰ্কিবই নোৱাৰিলো।

মই খঙত ৰঙাচিঙা পৰি গৈছো, কলেজৰ ইমানবোৰ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত মোক অপমান কৰিছে। মই তাইক ক্ৰুদ্ধ বাঘিনীৰ দৰে দেখিলো। মই খঙত এক্কেবাৰে তাইৰ চাদৰৰ আচল এটাত ধৰি টানি দিলো, তাইৰ গাত মাত্ৰ ব্লাউজটো আৰু মেখেলাখন।

মই চাম এতিয়া তাইৰ অৱস্থা। কিন্তু এয়া কি? কলেজৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে মোক খেদি আহিছে। মই কিবা এটা কোৱাৰ আগতে মই সিহঁতৰ কিলত অজ্ঞান হৈ পৰিছো।

এটা সময়ত জ্ঞান পাই দেখো মই কলেজৰ ওচৰত থকা চৰকাৰী হস্পিটালত। ওচৰতে বৈ থকা দুজন প্ৰফেছাৰ আৰু মোৰ দুজনমান বন্ধুক দেখি মই মুখ ঢাকিবলৈ প্ৰয়াস কৰিও ব্যৰ্থ হ'লো। মই যে জীৱনত কিমান ডাঙৰ ভুল এটা কৰিলো। মই বুজিছো অহঙ্কাৰ লৈ বিদ্যা বা অন্য শিক্ষা অৰ্জন কৰিব নোৱাৰি। কোনো কাম আদায় কৰিবলৈ হলে ভদ্ৰতা আৰু নম্ৰতা লাগিব। মই বুজিছো কলেজত দাদাগিৰি বা প্ৰফেচাৰ, প্ৰিঞ্চিপাল আদিক হাত কৰিব পাৰিলে একো লাভ নাই, মাথো অৰ্জন কৰিব লাগিব বিদ্যা আৰু ভদ্ৰ ব্যৱহাৰ।

সন্ধিয়া হ'বলৈ তেতিয়াও কিছু পৰ বাকী। অহা-কালিৰ পৰা মই এটা নতুন জীৱন আৰম্ভ কৰিম। তাই হয়তো মোক কোনোদিনে ক্ষমা নকৰিব। তাই ক্ষমা নকৰিলেও মই এটা নতুন জীৱন গঢ়িম, য'ত নাথাকিব মোৰ পূৰ্বৰ কলুষতা। ■



# এক নতুন পথৰ সন্ধানত

নয়নজ্যোতি দাস
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)



হাতত ফাইলটো লৈ পইতা ভাত এমুঠি নাকে কাণে গুজি খৰখৰকৈ বাচষ্টপৰ পিনে ওলাই আহিলো কাৰণ অলপ পিচতে যাব লগা গাড়ীখনেই চহৰ অভিমুখে যাব লগা শেষ গাড়ী। অসহ্য গৰমত গাৰ চাৰ্টটো তিতি গৈছিল। গাড়ী আহিবলৈ তেতিয়াও আধা ঘন্টা বাকী। বাচষ্টপৰ অলপ আঁতৰতে থকা গছজোপাৰ তলত বহি পৰিলো।

খাদী আৰু গ্ৰামোদ্যোগ বিভাগত এটা মেনেজাৰৰ পদ খালি হৈছে হেনো। তাৰে ইণ্টাৰভিউ দিবলৈ আহিছো। এইটো হ'ল মোৰ ২৫তম ইণ্টাৰভিউ। ইণ্টাৰভিউ দি জীৱনৰ প্ৰতিয়েই বিতৃষ্ণা আহি পৰিছে। ইণ্টাৰভিউ ভালেই হয় কিন্তু চাকৰি হ'লে নাপাওঁ। বিগত ইণ্টাৰভিউ কেইটাই মোৰ মনত এই ধাৰণাটোৱে প্ৰকট কৰি তুলিলে যে আমাৰ দৰে দুখীয়া লোকৰ শিক্ষাৰ কোনো মূল্য নাই। আৰু চাকৰি.......... আমাৰ কাৰণে চাকৰি মৰুভূমিৰ মাজত পানী বিচাৰি ফুৰাৰ দৰে। নহ'লে এনেদৰে First Class গ্ৰেজুৱেট এটা হৈ চাকৰি বিচাৰি ঘূৰি ফুৰিব লগা নহ'লেহেতেন। আজিকালি চাকৰি আৰু টকা যেন এটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। চাকৰিৰ বাবে টকাৰ আৰু টকাৰ বাবে চাকৰি অপৰিহাৰ্য্য। অথচ আমাৰ দৰে গৰীবখোৰৰ....... বিগত দিনৰ স্মৃতিবোৰ এটি এটি কৈ মানস পটত ভাঁহি উঠিব ধৰিলে।

দেউতাৰ এজন ভায়েক আছিল। মানে মোৰ খুড়া। দেউতাতকৈ খুড়া বহু বছৰে সৰু আছিল। ঘৰৰ অৱস্থা আছিল একেবাৰে বেয়া। ককাদেউতাই কোনোৰকমে খেলা চলাই টুক টাককৈ

এসাজ খাই এসাজ শুকাই সংসাৰ চলাইছিল। তথাপি এখন সুখৰ সংসাৰ আছিল। দেউতা সকলৰে পৰা গাঁৱত খুব চোকা আছিল। কিন্তু অদৃষ্টৰ বাক্দোন যাগো কোনোবাই চিন্তিৰ পাৰে। দেউতাৰো সেয়ে হ'ল। দেউতাই মেট্ৰিকৰ দেওঁনা পাৰ নৌহওঁতেই হঠাৎ কিবা অচিন ৰোগত পৰি দুদিন কণা-পিছা কৰি ককাদেউতা আৰু আইতা ঢুকাল। দেউতাৰ মূৰত যেন আকাশী সৰগ ভাগি পৰিল। খুড়া তেতিয়া ৫ বছৰীয়া এটি শিশু মাত্ৰ। দেউতা কিন্তু ভাগি নপৰিল। বিধিৰ লিখন বুলিয়েই পঢ়া বাদ দি ককাদেউতাৰ খেতিপথাৰকেই জীৱন যাত্ৰাৰ একমাত্ৰ সম্বল কৰি ল'লে খুড়াক বুকুত বান্ধি সংসাৰ সাগৰত জীৱন দিঙা উটুৱাই দিলে। এদিন খুড়াক স্কুলত নাম লগাই দিলে। খুড়া সৰুৰে পৰা পঢ়াত খুব চোকা আছিল। খুড়াৰ ভৰণ-পোষণ, শুশ্ৰূষাৰ বাবে দেউতাই অতি কম বয়সতে বিয়া কৰাব লগা হ'ল আৰু কেউজনৰ দুখ জীৱনৰ ফল হৈ ব'লো মই, মোৰ ভনী কৃষ্ণা আৰু কণমানি ভাই এজন। মা বৰ লক্ষ্মী স্বৰূপা আছিল। খুড়াক নিজৰ সন্তানৰ দৰেই যতন কৰিছিল। এদিন খুড়াক উচ্চতৰ মাধ্যমিক পৰীক্ষাত ২ পদত letter মাৰ্কসহ letter মাৰ্কসহ first division লৈ উত্তীৰ্ণ হৈছিল। সেইদিনা যে দেউতাহঁতে কিমান স্ফূৰ্তি পাইছিল। হয়তো ভাবিছিল বোকাতহে পদুম ফুলে, শামুকৰ পেটতহে মুকুতা জ্বলে। খুড়াক উচ্চ শিক্ষাৰ বাবে বাহিৰত পঢ়াবৰ দেউতাৰ সামৰ্থ্য নাছিল। সেয়েহে তেওঁ খুড়াৰ বাবে এটি চাকৰিৰ বন্দোবস্তহে কৰিব বিচাৰিছিল কিন্তু মাই নিজৰ ঢোলানীৰ বিয়াৰ বাবে ৰখা সোণ তেওঁৰ গহনাখিনি বিক্ৰী কৰি খুড়াক গুৱাহাটীলৈ পঢ়ুৱাবলৈ পঠালে। সিদিনা সিহঁতৰ মনত কিমান আশা জাগিছিল এদিন খুড়াই ডাঙৰ মানুহ হ'ব। আৰ্থিক অৱস্থা টনকিয়াল হ'ব। আমাক পঢ়ুৱাই ডাঙৰ দীঘল কৰিব। কিন্তু বাস্তৱৰ কঠিনতৰ সত্যতাৰেই বা কিমান। খুড়া এদিন পঢ়ি শুনি এজন ডাঙৰ অফিচাৰ হ'ল। লগতেই এক ধনীৰ দুলালী বিয়া কৰাই সংসাৰ কৰিলে ঠিকেই, কিন্তু এদিন যেতিয়া মোক "college ত admission দিয়াৰ বাবে দেউতাই খুড়াৰ ওচৰলৈ কিছু টকা বিচাৰি গৈছিল, খুড়ীয়াই খুড়াৰ সন্মুখতে দেউতাক তেনেকৈ তাৰাৰে খুব বেয়াকৈ অপমান কৰিছিল; তেতিয়া খুড়াই, কিছুমান খুড়াক দেখৰ তেজপানী কৰি দেউতাই পঢ়াই তুলাই আজি এক উচ্চ আসনত বহুৱালে, সেইজন খুড়াই তেওঁৰ সন্মুখতে তেওঁৰ খেতিয়ক ইমান অপমান কৰা স্বত্বেও এটিমাত্ৰ শব্দও নোকওলে, বৰং ভিতৰৰ কোঠালৈ গোমাই গ'ল। দেউতাই এখনেক নোবোৱাকৈ ঘূৰি আহিছিল। সেইদিনা তেওঁ খুব কান্দিছিল আৰু এইবাৰ আছিল তেওঁৰ জীৱনৰ প্ৰথমবাৰৰ বাবে কান্দোন। সেতিয়াই তেওঁৰ হতাশাত ভাগি পৰিছিল আৰু তেওঁৰ হাঁটিৰ অসুখ অসম্ভৱ হৈছিল। আগৰ দৰে পৰিশ্ৰম কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছিল। ডাক্তৰে চিকিৎসা কৰিলে হয়তো ভাল হ'বলৈকেন, কিন্তু চিকিৎসাৰ বাবে টকাই বা ক'ত। খুড়াইহঁতৰ লগত আৰু মোৰ সেই দিনাৰ পৰাই বন্ধ। অন্তত মোৰ যদি এটা চাকৰি থাকিলহেঁতেন।............ হঠাৎ গাড়ীৰ দৰ্পণত মই সম্বিত ঘূৰাই পালো। চিঃ কিমান যে ভাবিছিলো। ভালেই হৈছিল এই গধুৰ সময়বিনিয়ে অপত পাৰ হৈ গ'ল। কোনোবকম গাড়ীত অকপমান ঠাই উলিয়াই এক নতুন উদ্যমেৰে চহৰ অভিমুখে যাত্ৰা কৰিলো।

ইণ্টাৰভিউ মোৰ ভালেই হৈছিল। first preference পালো। "তোমাৰ চাকৰি পোৱাটো খাটাং" অফিচাৰে মোক কৈছিল, যেতিয়া ইণ্টাৰভিউৰ ফলাফল ঘোষণাৰ পিছত চাকৰিটো সম্বন্ধে সুধিলৈ তেওঁৰ ওচৰলৈ গৈছিলো। শুনি খুব ভালেই লাগিছিল। ভাবিছিলো, অন্ততঃ এইবাৰ হয়তো কিবা এটা হ'ব, কিন্তু আশা আশা হৈয়ে ৰ'ল। আশাৰ মূৰত চেঁচাপানী পৰিল। ক'ৰ পৰা আহি অসমৰ্থনীয়া যেনকৈ বাধা উঠিল। কিছুসময় যোগত বাধা পৰাৰ পিছত তেওঁ খুব গহীন হৈ পৰিছিল। তেতিয়াই গম পাইছিলো যে নিশ্চয় কিবা ঘটি গ'ল। আৰু যি ঘটিল সেয়া নিশ্চয় মোৰ বাবে সুখৰ বিষয় নহয় আৰু সেয়াই হ'ল। অলপ সময় দু-হাতেৰে মূৰখন মোহাৰি মোহাৰি মোক তেওঁ কৈছিল, 'চৰি, মই বৰ দুখিত। চাকৰিটো তোমাক দিব নোৱাৰিম।" পুনৰবাৰৰ বাবে যে এটি সপোন মোৰ মনৰ মাজৰ পৰা হেৰাই গ'ল। শত আশাৰ পাপৰী নাওঁখনো যেন দিগন্তত বিলীন হ'ল। এখাক দুখতেই হৃদয়খন টুকুৰা টুকুৰ কৰি পেলালে। ক'ব নোৱাৰাকৈ মূৰেৰ গুজাই আছিল, "কিয় চৰ?" যেনাকৈহে মুখ এখনেৰে তেওঁ কৈছিল, "কি কৰিবা। তুমিটো জানাই আজি আমাৰ অৱস্থা। আমিও সেই অৱস্থাৰ দাস। এইমাত্ৰ ৰাজধানীৰ পৰা ফোন আহিছিল যে মন্ত্ৰীৰ নিকট আত্মীয় এজনকহে যোগে চাকৰিটো দিব লাগে। মই হয়তো বিকল্পে মাত মাতিব পাৰিলোহেঁতেন। কিন্তু ফলস্বৰূপে কি পালোহেঁতেন; চাচপেন্সন নহ'লে নিলম্বীতকৰণ। কিন্তু মোৰোতো এখন সংসাৰ আছে। মোৰ আৰ্জনৰ ওপৰতে এই সংসাৰ ৰক্ষি আছে। গতিকে চাকৰিটো মই যোগাৰ নোৱাৰো। গতিকে চৰি ব্ৰাদাৰ, I am extremly sorry." "Thank you, sir." হতাশাত ভাগি পৰি মই গুজাই আছিলো ওচৰৰে পাৰ্কখনলৈ আৰু দুহাতেৰে মূৰটো চেপি ধৰি বহি পৰিলো।

"হেৰা কি নাম তোমাৰ? এনেদৰে মন মাৰি বহি আছা কিয়? হঠাৎ এই শাথ ভদ্ৰলোক যেন চেহেৰাৰ অপৰিচিত ব্যক্তি এজনৰ আকস্মিক প্ৰশ্নত মই যেন সম্বিত ঘূৰাই পালো। তেওঁ মোৰ ওচৰতে বহি পৰিল। মই মোৰ জীৱনৰ সকলোবোৰ ঘটনাই তেওঁৰ ওচৰত নিঃসংকোচে ব্যক্ত কৰিলো। পৰীৱৰ সংকোচৰেই বা মূল্য ক'ত।

"চাহ খাবা?"

ইমান সময় চাহ একাপৰ তীব্ৰ অভাব অনুভৱ কৰিছিলো ঠিকেই কিন্তু কেৱল খৰলৈ উভতি যোৱা গাড়ী ভাড়াটোৰ বাহিৰে কুৰি কড়ি এটাও নাই। এনেকৈ যতি কোৱা শুনি ভালেই লাগিল। তেওঁৰ লগতে কেণ্টিনটো হৈ কেন্টিনত বহি ল'লো। তেওঁ বহুতো খোৱা বস্তুৰ অৰ্ডাৰ দিলে।

"তোমাৰ চাকৰি এটাৰ খুব আৱশ্যক, নহয়।" তেওঁৰ অকস্মাত সোধা এই প্ৰশ্নত মই আতংকিত হৈ পৰাই নহয়, হতবাকও হৈ পৰিলো। "এটা চাকৰি এটাৰ খুবেই আৱশ্যক" মুখৰ পৰা যেন স্বতস্ফুৰ্ত ভাবেই শব্দকেইটা ওলাই গ'ল।

"তোমাক যদি মই চাকৰি নকৰাকৈয়ে এক লাখ টকা দিওঁ।"— মই যেন বোবা হৈ প'লো। চাকৰি নকৰাকৈয়ে এক লাখ টকা। কোনোমতে সুধিলো, "তাৰ বিনিময়ত মই কি কৰিব লাগিব।"

"সেইবোৰ পিছত কম, বলা এতিয়া"— কেণ্টিনৰ পৰা ওলাই দুয়ো ব্ৰহ্মপুত্ৰৰ বালিচৰৰ ফালে খোজ ল'লো। পছোৱা এছাটিয়ে গা-মন দুখ পেলাই দিলে। যদি জীৱনটোও এদিন এনেদৰে জুৰ পৰিলেহেঁতেন। দুয়ো বালিচৰতে বহি পৰিলো।

"তাৰ বদলে মই কি কৰিব লাগিব?"

"একেবাৰে সৰু কাম এটি"— পকেটৰ পৰা পিষ্টল এটি উলিয়াই হাতত দি সেইটো লিখিকি দিলাৰি তেওঁ ক'লে— "হেৰৰ বিধাৎ উদ্যোগপতি ওক্কাৰমলক হত্যা।" মই উচপ খাই উঠিলো। শিৰৰ্ণত গাৰ নোম শিকাব খাই উঠিল।

"মোক আপুনি এনেন কি সন্দীয়া যুৱক পাইছে নেকি? দৰিদ্ৰ হ'ব পাৰো, কিন্তু আপোনালোকৰ দৰে সমাজৰ ঘৃণা শিক্ষা ভদ্ৰলোক মই নহয়, চলক কুকুৰৰ পোৱালি" এইবুলি ঠাটকৈ চৰ এটা বহুৱাই দিলো তেওঁৰ গালত।

কিছুসময় তেওঁ গালখন মোহাৰি ক'লে— "ভাবিছোৱা। বৰ্তা ভাত সেথিলে কাউৰীৰ অভাব নাই। টকাৰ তোমাৰ খুব আৱশ্যক, সেয়েহে কৈছিলো। একাৰ লাখদৰে মনত পেলাই চেষা, মৃত্যুৰ ক্ষণপানি থকা তোমাৰ পিতৃৰ কথা, বিয়া দিবলৈ বাকী থকা তোমাৰ ভনীৰ কথা, স্কুলত শিক্ষি স্কুললৈ যোৱা তোমাৰ কণমানি, ভাইজনৰ কথা, চাকৰি। হঃ আজিৰ দুনীয়াত বুজিছা, টকাই সকলো, টকা অবিহনে চাকৰিৰ কল্পনা কৰাটো মূৰ নোহোৱা দেহাটোৰ দৰে। গতিকে ভাবিচোৱা।"

এবা ঠিকেইতো— মোক টকাৰ অতি খুব আৱশ্যক। মোৰ মনত পৰিবৰ্তনে ধৰিলে, মই ইণ্টাৰভিউ দি উভতি যোৱাৰ পথত বাটৰ কাষত আকুহ আগ্ৰহেৰে বাট চাই থকা মোৰ দেউতাৰ সেই এটি নিস্পাপ শিশুৰ দৰে কৰুণ মুখখনি। ইণ্টাৰভিউ দিবলৈ অহাৰ আগ মুহূৰ্তত শত আশা বুকুত লৈ ঘৰৰ পৰা ওলাই অহা মোৰ মাৰ মুখখনি দিয়া চন্দনৰ ফোঁটটোৰ কথা। মই কৰবাত পঢ়া বুলি গ'লে ভনীজনীয়ে গোলি আহি ধুমুহাৰে মোক কৰা সেই প্ৰশ্ন— "দাদা, দাদা, কোৱা মোৰ মেখেলা চাদৰযোৰ আনিছানে?" ভাইৰ হেনো স্কুললৈ নিবলৈ ভাল মেখেলা-চাদৰ এযোৰ নাই। যাৰ বাবে এই আজি কেবাদিনো স্কুললৈ যাব পৰা নাই। কিমান দিন যে আনিম আনিম বুলি প্ৰতিশ্ৰুতি দিওঁ আনিব পৰা নাই আৰু কণমান ভাইজনৰ সেই কৰুণ অভিযোগ— দাদা, দাদা, মোক কিতাপখন আনিম আনিম বুলি কিয় ফাঁকি দি আছা দাদা। মোক আজিও মাষ্টৰে কোবাইছে। এইয়া দাদা চোৱা বুলি সি পিঠিখন উদঙাই দেখুৱাই দিয়ে। তাৰ পিঠিত ফাটি থকা বেতৰ কোবকেইটা চকুৰ আগত ভাহি উঠিল। মই দুখ বুকাই কান্দি পেলালো। লাহে লাহে মোৰ মনটো দৃঢ় হৈ আহিল। মোক টকা লাগে। বিশেষো কামৰ বিনিময়তে মোক আজি টকা লাগে। ইফালে চকুৰ আগতে চাকৰি দিব নোৱাৰে আনহাতে ওকাৰমলহঁতৰ দৰে ভণ্ড ব্যৱসায়ীসকলে ব্যৱসায়ৰ নামত দাম বঢ়াই দি আমাৰ ওপৰতেই কঠাল ভাঙিছে। সিহঁতক ধ্বংস কৰিবই লাগিব। যি মা-দেউতাই ক'ত আশাৰে এসাজ খাই এসাজ শুকাই পঢ়াই-শুনাই ডাঙৰ-দীঘল কৰিলে, তেওঁলোকক অন্ততঃ বৃদ্ধ বয়সত দুবেলা দুমুঠি সুখত খুৱাবলৈকে মোক টকাৰ আৱশ্যক। মোৰ মনটো দৃঢ়তকৈ দৃঢ়তৰ হৈ আহিল। প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি প্ৰচণ্ড ঘৃণাত মোৰ দুচকু ৰঙা হৈ পৰিল। ভদ্ৰলোকৰ হাতত থকা পিষ্টলতো মই জোৰেৰে খামোচ মাৰি ধৰিলে। এক নতুন যাত্ৰা.........। ■

# এপ্ৰিল ফুল

শ্ৰীবনজিৎ তালুকদাৰ
স্নাতক তৃতীয়বৰ্ষ



বিন্টু, পিন্টু, অজয়, প্ৰণৱ, ধীৰেনহঁতৰ আটাইকেইজন এপ্ৰিলফুলৰ পৰিকল্পনাত ব্যস্ত। সিহঁতে প্ৰতিবছৰে সিহঁতৰ ক্লাচৰ শিক্ষকসকলক এক এপ্ৰিলৰ দিনা ঠগাই আহিছে। এইবাৰ বুৰঞ্জীৰ শিক্ষক টেঙ্কি শৰ্মাক (অত্যন্ত মদ খায় কাৰণে সিহঁতে প্ৰভাত শৰ্মা নামটোৰ ঠাইত টেঙ্কি শৰ্মা বহাইছে) ঠগাব বুলি থিৰাং কৰিলে। শেষত পৰিকল্পনাৰ চূড়ান্ত সিদ্ধান্ত অনুযায়ী সিহঁতে আলফা সংগঠনটোৰ নামত মদ নাখাবলৈ সকিয়নী দি চিঠি লিখিব। আলফা কাক কয় বা কাম কি ল'ৰাবোৰে নেজানে বা বুজিব পৰা ক্ষমতা সিহঁতৰ হোৱা নাই। কেৱল শুনিছে আলফাই হেনো শোষণকাৰীৰ পৰা টকা নিয়ে, মদপী, জোৱাৰীক বা ধৰ্ষণকাৰীক........ বদ অভ্যাসবোৰ এৰিবলৈ শাস্তি দিয়ে। অৱশ্যে মদ খোৱা লোকক বা তেনে অসৎ ব্যক্তিক মাজে-সময়ে বাজ আলিৰ চকত চুলি খুৱাই আঠু কঢ়িব দিয়া সিহঁতে দেখা পাইছে। পিন্টুৰে খুড়াকৰ পৰা আলফাৰ লেটাৰ পেড চুৰি কৰি অনাৰ দায়িত্ব ল'লে (পিন্টুৰ খুড়াকজন আলফাৰ আগশাৰীৰ নেতা বুলি সেই অঞ্চলৰ সকলোৱে জানে)।

কথামতেই কাম। চিঠিখন লিখি এপ্ৰিল ফুলৰ দিনা পিন্টুৱে শৰ্মাচাৰক দি আহিল। চিঠিত আলফাই সকিয়নী দিয়া দেখি টেঙ্কি শৰ্মাৰ চকু কপালত উঠিল। বুকু ঢপ্ ঢপাবলৈ ধৰিলে, নিমিষতে মানুহজন এজাৰ যেন হৈ পৰিল।

টেঙ্কি শৰ্মাই পিন্টুৰ খুড়াকক বিচাৰি দিনটোত দুবাৰো সিহঁতৰ ঘৰলৈ গৈ উভতি আহে। দুবাৰো ছাৰ খোৱা দেখি পিন্টুৰ বুকুৱে ধান বানিব ধৰিলে। পিন্টুৱে মনতে ভাবিলে চাৰে চাগে সিহঁতৰ সকলোবোৰ গম পালে আৰু খুড়াকক কথাটো ক'বৰ বাবে দুবাৰো বিচাৰি আহিছে। পিন্টুৱে খুড়াক অহালৈ প্ৰমাদ গণিব ধৰিলে, আজি তাৰ ৰক্ষা নাই, খুড়াকে তাৰ পিঠিত ফুল বাচিব।

গধূলি শৰ্মাচাৰে খুড়াকক পুনৰ বিচাৰি আহি দেখা মাত্ৰকে ভৰিত দীঘল দি পৰিল, এইবাৰলৈ তেওঁক ক্ষমা কৰিব লাগে, ভৱিষ্যতে আৰু কোনো দিনে মদ নাখায়............ বুলি অনুনয়-বিনয় কৰিব ধৰিলে। শৰ্মাচাৰৰ অৱস্থা দেখি পিন্টুৰ বুকুৰ ঢপ্‌ঢপনি কেতিয়া উৰি গ'ল গমকেই নাপালে। টেঙ্কি শৰ্মাৰ হঠাৎ এনে আচৰণত পিন্টুৰ খুড়াক বেবেৰিবাং হৈ গ'ল। আনহাতে পিন্টুৱে হাঁহি ৰাখিব নোৱাৰি সিহঁতে চিঠি লিখাৰ কথাটো কৈ পেলালে। পিন্টুৰ কথাত টেঙ্কি শৰ্মাই খঙত টিঙিৰি তুলা হৈ পিন্টুক সুধিলে, "তহঁতে কিয় এনে কৰিলি"? পিন্টুৱে হাঁহি হাঁহিয়েই উত্তৰ দিলে, "কিয় আজি জানো এপ্ৰিলফুল নহয়?" ■



# নীৰৱ চকুলো

শ্ৰীভূপেন চেত্ৰী
তৃতীয় বাৰ্ষিক (কলা)



...আজি কেইবাদিনো ধৰি সবিয়ে মোক মতা নাই। দেখিলেও নেদেখাৰ ভাও জুৰি আঁতৰি যায়। অদৃশ্য হৈ যায় মোৰ চকুৰ পৰা বহুদূৰলৈ। কলৈ বা যায় মই তাকো নাজানো। খুব যেন এটা ব্যস্ততা ভৰা জীৱন তাইৰ। হয়তো মাতিবলৈ সময় নাই। এইদৰেই দিন বাগৰি যায় এদিন দুদিনকৈ। কিন্তু সবিৰ দেখোন দেখা দেখিয়েই নাই। তাইতো এদিন হলেও মোৰ ওচৰলৈ আহিব লাগিছিল। কিয় অহা নাই? যি সবিয়ে মোৰ অবিহনে এক পলক সময়ো পাৰ কৰিব নোৱাৰিছিল, সেই সবি আজি মোৰ পৰা ইমান আঁতৰত। সবিৰ বাৰু কি হ'ল? মোৰ লগত যে কথা নাপাতে। দেখিলেও যে নেদেখাৰ ভাও জুৰি যায়। নে মই কিবা বেয়া কথা কৈছিলো তাইক? নাই নাই মইতো তাইক গালিও পৰা নাই। তেন্তে কিয়? কিয় নামাতে তাই মোক। ইয়াৰ আঁৰত নিশ্চয় কিবা গোপন ৰহস্য লুকাই আছে। মোৰ

কৌতুহলী মনটোৱে ইয়াৰ এটা সত্য উদ্ঘাটন কৰিবলৈ ব্যগ্ৰ হৈ পৰিল। মনটোৱে বাৰে বাৰে কৈছিল, মই অতি সোনকালে ইয়াৰ এটা নিশ্চিত সমাধান বাহিৰ কৰি উলিয়াব লাগিব। মইওতো ইমান সহজে হাৰমনা পুৰুষ নহওঁ। তাইতো মোতকৈ কোনো গুণে ডাঙৰ নহয়। পাৰ্থক্য হয়তো এইখিনিয়েই, তাই মোতকৈ চহকী। কিন্তু সেইবুলি মই তাইৰ সকলো কথাকেই মানিব লাগিবনে? গৰীবৰ জানো একোতেই মূল্য নাই।

এইবোৰ চিন্তাই মোৰ মূৰটো ক্ৰমান্বয়ে গধুৰৰ পৰা গধুৰ কৰি আনিব ধৰিলে। মই যেন এটা অস্থিৰ উল্কাপিণ্ড। অন্তৰখন যেন কিবা এক ক্ষোভৰ জুইয়ে পুৰি মাৰিব ধৰিছে। কতো যেন শান্তি নাই। হয়তো কিছু পলম হ'লেই মোৰ বিপদ। অলপ সুস্থিৰ হোৱাৰ পিচত চিগাৰেট এটাত অগ্নি সংযোগ কৰালোঁ। চিগাৰেটৰ ধোঁৱাবোৰ ক্ৰমান্বয়ে ওপৰলৈ গৈ বতাহৰ সতে বিলীন হৈ যাব ধৰিলে। লগে লগে মোৰ ভাব হ'ল এই ছোৱালীবোৰো একো একোটা চিগাৰেটৰ ধোঁৱা সদৃশ। ক'ৰ পৰা আহি যে ক'লৈ গুচি যায় কোনো খবৰ নাই। তাক লৈয়ে আমি হাঁহাকাৰ কৰি ফুৰোঁ। নোপোৱাৰ বেদনাত ছটফটাই মৰোঁ। প্ৰেমিকে লিখে প্ৰেমিকাক লৈ কবিতা। কিমানৰ জীৱন যে Spoil হৈ যায়, আৰু কোনোবাই বা অমৰ প্ৰেমৰ কাহিনী লিখিয়েই Famous হৈ যায়। সম্ভৱ ইয়াতেই প্ৰেমৰ সাৰ্থকতা। কিন্তু মইতো সেই অমৰ প্ৰেমী দান্তে নহওঁ যে বিয়েট্ৰিচক নাপালেও কোনো ক্ষতি নাই। মইতো মোৰ বেদনাখিনি দান্তেৰ নিচিনাকৈ সুন্দৰ কৈ সজাই পৰাই কোনো মহান গ্ৰন্থ ৰচনা কৰাৰ যোগ্য নহওঁ। গতিকে মোৰ প্ৰেমৰ শেষ অৰ্থ হ'ব নিশ্চয় 'বিয়া' [illegible] মৰ্মান্তিক, আৰু যদি সবিক মই বিয়া কৰাব নোৱাৰো তেন্তে মোৰ জীৱনটো হৈ পৰিব এখন Flope picture সদৃশ। গতিকে মোৰ এই অনুসন্ধানত আগভাগ লোৱাৰ অন্তৰালত এক বেলেগ স্বাৰ্থ নিহিত হৈ আছে।

অনুসন্ধান অৰ্থাৎ মোৰ 'সবিঅপাৰেচনৰ' কাম ইতিমধ্যে আৰম্ভ কৰিছোঁ। বন্ধু প্ৰদীপৰ পৰা জানিব পাৰিলোঁ মোৰ সবিজনীয়ে হেনো কোনোবা এখন চহৰৰ হাইস্কুল এখনৰ শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পাইছে। শুনি বৰ ভাল লাগিল। মনতে ভাবিব ধৰিলোঁ সেই যে সবিয়ে মোক নমতাকৈ, মোক দেখা নকৰাকৈ আঁতৰি গৈছিল তাই বোধহয় যথেষ্ট busy আছিল তেতিয়া। সম্ভৱ সেই কাৰণে তাই মোক মতা নাছিল। ঠিক আছে এতিয়াতো তাই নিশ্চয় সময় পাব। তাই হয়তো খবৰটো দিবলৈ উদ্‌বাউল হৈ আছে, কিন্তু আহিব পৰা নাই তাইৰ ঘৰুৱা বেমেজালিবোৰৰ কাৰণে। তাই হয়তো মোৰ ওচৰলৈ আহি জপিয়াই আনন্দতে কৈ উঠিব..............
"শৰত, তুমি আৰু চিন্তা কৰাৰ কোনো দৰকাৰ নাই। চাকৰিটো পালো যেতিয়া অহা বহাগ মানতে আমাৰ বিয়াখন পাতিব লাগে। তোমাৰ চাকৰিলৈ বাট চোৱাৰ কোনো প্ৰয়োজন নাই।" মোৰ মনটোৱে যেন কল্পনাৰ ৰাজ্যত বিচৰণ কৰি ফুৰিব ধৰিলে। মনত যেন কিবা এক অনাবিল আনন্দ অনুভৱ কৰিছোঁ। কিন্তু এই আনন্দ মোৰ কাৰণে জানো সঁচা হ'ব? ক্ষন্তেকতে মই গভীৰ হৈ পৰিলো। কাকো মাতিবলৈ মন যোৱা নাই। মনটোৱে হাঁহাকাৰ কৰি উঠিছে কিবা এক নিঃসঙ্গতাত। কপৌজনীয়ে গছৰ ডালত পৰি বিনাইছে কাৰোবাৰ অনুপস্থিতিত। কুলিটিয়েও কুউ, কুউ শব্দেৰে মাতি ফুৰিছে তাৰ আপোনজনক। কিন্তু মইতো সবিক চিঞৰি চিঞৰি মাতিব [illegible] কলমেৰে পকাই পকাই প্ৰকাশ কৰিম। নীৰৱে উচুপি থকাৰ বাহিৰে মোৰ জানো উপায় আছে? চাৰিওপিনে উদং পথাৰ। ফাগুণ মাহৰ ফেৰফেৰীয়া বতাহ। হঠাৎ মোৰ কাণৰ ওপৰেৰে হো-হোৱাই শব্দ এটা কৰি গুচি গ'ল। সবিয়ে যেন অকস্মাতে মাত দি গ'ল............... "শৰত তুমি থাকা, মই আহিলো"........ তৎক্ষণাত মূৰটো আচন্দ্ৰাই কৰি ধৰিলে। কি হ'ল মই ততকে ধৰিব নোৱাৰিলো। কিছুদিন পিচতে এখন চিঠি আহিল। চিঠিখনত লিখা আছে.........

প্ৰিয় শৰত,

মৰম লবা। তুমি চাগৈ গমেই পাইছা মোৰ চাকৰি পোৱাৰ খবৰটো। এতিয়া মই যেন হৈ পৰিছো এটা জেলৰ কয়দী। আশা কৰোঁ তোমাৰ ভাল। মোৰ ইতিমধ্যে বিয়াৰ বন্দোবস্ত হৈ গ'ল। অৱশ্যে ল'ৰাজন তোমাৰ নিচিনা বেকাৰ নহয়। কলেজৰ লেকচাৰাৰ। নতুনকৈ সোমাইছে মাত্ৰ। সেয়েহে ভাবিছো জীৱনৰ আনন্দখিনি উপভোগ কৰাৰ এয়ে সুবৰ্ণ সুযোগ। গতিকে তুমি মোৰ কথা ভাবি নাথাকি অইন ব্যৱস্থা লবা বুলি আশা ৰাখিলো। কেতিয়াবা নিশ্চয় কৰবাত লগ পাম।

ইতি,

তোমাৰ সবি,

চিঠিখন পাই মই এটা শিল পৰা কপৌৰ দৰে হৈ থাকিলো। অজানিতে মোৰ মুখেৰে ওলাই আহিল দুটি শব্দ......... বিশ্বাসঘাতকী, নিষ্ঠুৰা। মনতে ভাবিলো মোৰ যদি আজি এটি চাকৰি থাকিলেহেঁতেন, নিশ্চয় সবি মোৰ পৰা আঁতৰি নগলহেঁতেন। বেকাৰ হোৱা বাবে তাই মোক প্ৰতাৰণা কৰিলে। তেনেকুৱা প্ৰেমিকা মোক নালাগে। তাইৰে জীৱন সুখী হওঁক।

এইদৰে ভাবি থাকোঁতে হঠাৎ চকু [illegible] উলত বহি বহুদিন একেলগে কথা পাতিছিলো, জীৱনৰ স্বপ্ন ৰচিছিলো আজি সেই গোকুল জোপাও যেন নিঃসঙ্গ অনুভৱ কৰিছে। নীৰৱে যেন উচুপি আছে, আৰু ক'ব নোৱাৰাকৈয়ে দুচকুৰে মোৰ অশ্ৰু সৰি পৰিছিল। ■



# অৰুণ, আমি আৰু বহুতো

অধ্যাপক মলয় কুমাৰ বৰ্মণ



অৰুণ আৰু ভাল হোৱাৰ আশা কম। ইমান কোৱাৰ পিছতো সি আগৰ অৰুণ হৈ থাকি নাহিল। কি কৰা যায়? অৰুণৰ শিক্ষকে লগৰ বন্ধু শিক্ষকক এইখিনি কথা প্ৰায়েই কয়। অৰুণে পঢ়া কলেজকনৰ শিক্ষক কেউজনৰ অপাত পঢ়া কলেজকনৰ শিক্ষক কেউজনৰ উপৰিও আশাতীত মৰম কৰে, বুজায় আৰু এইবোৰে কাম নকৰিলে গালি পাৰে।

ছাত্ৰজনৰ মাক-দেউতাক দুয়ো শিক্ষকতা কৰে। স্কুলত পঢ়াৰ সময়ত তেওঁলোকেই তাক পাৰে মানে চোৱাচিতা কৰিছিল। স্কুলৰ পৰাই পঢ়া-শুনাত ভাল। হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পিছত অভিভাৱকে এখন ভাল শিক্ষানুষ্ঠানত তাৰ নাম ভৰ্তি কৰাবলৈ মনস্থ কৰিলে। ডিব্ৰুগড়ৰ আবাসীক নিম্নস্নাতক কলেজ। অনুষ্ঠানটোৰ মুৰব্বী হ'ল এজন কৃতী অধ্যাপক, নমস্য ব্যক্তি। স্কুলত পঢ়োতে ঘৰত থাকিয়েই ওচৰৰ স্কুলখনত পঢ়িছিল। দেউতাক আৰু মাক আছিল তাৰ পোনপটীয়া নিয়ন্ত্ৰক। আজিকালি স্কুল কলেজৰ অৱস্থা দেখি তেওঁলোকে একো সিদ্ধান্ত লব নোৱাৰা হ'ল। কাৰণ বেছিভাগ অনুষ্ঠানতে পৰীক্ষাৰ্থীয়ে অসৎ উপায় অৱলম্বন কৰে। শ্ৰেণীত উপস্থিত নাথাকে। উপস্থিত থাকিয়েই বা হ'ব কি? উপস্থিত নথকাবোৰেই যে পৰীক্ষাত বেছি নম্বৰ পায়। শিক্ষকেওঁতো শ্ৰেণীত নিয়মিত উপস্থিত নাথাকে। পাঠ্যক্ৰম ঠিকমতে শেষ কৰা বুলি কোনো কথা নাই। কাৰোবাৰ আন্তৰিকতা থাকিলেও, বিভিন্ন আন্দোলন, বন্ধ, শ্ৰেণীবৰ্জন আদিয়ে আশাত চেঁচা পানী ঢালে। এইবোৰ সচৰাচৰ ঘটা ঘটনা হৈ পৰিছে। কোনেও ইয়াৰ বিৰুদ্ধে মাতিব নোৱাৰে বা মাতিলেও কোনে শুনিব। হাইস্কুলৰ দেওনা পাৰহৈ বা নোহোৱাকৈ ৰাতিৰ ভিতৰতে লাখ লাখ টকাৰ মালিক হ'লে, মানুহ মাৰি পুৰস্কাৰ পালে, জীৱনৰ সংস্থাপন হ'লে, কোনো, কিয় কষ্ট কৰি পঢ়িব বাৰু? মানুহৰ বাবে কামেই বা কৰিব কোনে? আপাতত কৃতি শিক্ষক বুলি জনা মানুহ একানে যেতিয়া উগ্ৰপন্থা এৰি আত্মসমৰ্পণ কৰা পুতেকৰ টকাৰে উদ্যোগ পাতে, ব্যৱসায় চলায় তেনেহলে সেই শিক্ষকৰ প্ৰতি শ্ৰদ্ধা কোন ছাত্ৰৰ থাকিব। এনেবোৰ কথা কাণ্ড ঘটি থাকিলেও অৰুণৰ মাক দেউতাকে ল'ৰাটোক এজন ভাল মানুহ কৰিম বুলি মনতে আশা কৰে। অৰুণেও মাক-দেউতাকৰ আশাক সাৰ্থক ৰূপ দিবলৈ মানসিকভাৱে প্ৰস্তুত। সেইবাবে ঘৰৰ পৰা দূৰত হলেও এখন কলেজৰ মৰ্যাদা থকা অনুষ্ঠানত তাৰ নাম ভৰ্তি হৈছিল। প্ৰথম অৱস্থাত বাহিৰৰ পৰিবেশত অৰুণে কিছু অসুবিধাত নপৰা নহয়। কিছুদিন যোৱাৰ পিছত অৱশ্যে নিজেই পৰিবেশৰ লগত মিলিব পাৰিছিল।

দিনবোৰ ভালদৰেই পাৰ হৈ গ'ল যেন সি আশা কৰা ধৰণে কামবোৰ কৰিব পাৰিছে। আলকাতৰা দিয়া ৰাষ্টাত পেট্ৰোল, ডিজেল, ব্ৰেক অয়ল পৰি থকা অৱস্থাত স্কুটাৰ, মটৰ চাইকেল আৰোহীয়ে ব্ৰেক মাৰি দিলে বা ঘূৰিবলৈ প্ৰয়াস কৰিলে, তৎমুহূৰ্ততে লুটি বাগৰ মাৰে। আৰোহীয়ে জানে যে যান-বাহন চলালে দুৰ্ঘটনা ঘটে, কেতিয়াবা আঘাট নাপায়, কেতিয়াবা কমকৈ পায়, কেতিয়াবা হাড় ভৰি ভাঙে আৰু

কেতিয়াবা বিপদজনক অৱস্থাও হ'ব পাৰে। কিন্তু এইটো নাথাকে যে সেই সময়ত সেইখিনিতে দুৰ্ঘটনা ঘটিব। অৰুণৰ জীৱনটোতেও এইখিনিতে লুটিঘাপৰ মাৰিলে। কথাটো হ'লেও আঘাট হ'ল। কিছুদিন পিছত মাক-দেউতাকে কথাটো গম পালে। এনেয়ে কোমল মতীয়া ল'ৰা, তাতে আকৌ অত্যুৎসাহী ল'ৰাৰ বাবে ই ক্ষতিজনক হ'ব বুলি ভাবি অৰুণক ঘৰৰ ওচৰতে কলেজ এখনত নাম ভৰ্তি কৰালে। মেধাৱী নিয়মীয়া ছাত্ৰজনে হঠাতে কেতিয়াবা অন্য মনস্ক হয়। বাৰ্ষিক পৰীক্ষাত কোনোমতে এ গ্ৰেড পালে। অৰুণৰ দেউতাকে সময়ে সময়ে প্ৰতিজন শিক্ষকক লগ ধৰি তাৰ পঢ়াৰ কথা সোধে। এনেয়ে প্ৰতিজন শিক্ষকে অৰুণক প্ৰিয় ছাত্ৰৰ দৰে ব্যৱহাৰ কৰে। ক্লাচত অনুপস্থিত থাকিলে সকলোৱে চিকাৰ খাই উঠে। ইমানবোৰ ছাত্ৰৰ মাজত এখনৰ কথাহে মনলৈ আহে এনে নহয়। সেইজনো এজন ছাত্ৰ যাৰ ওপৰত বহুত আশা কৰিব পাৰি। সকলোৱে মনে প্ৰাণে কামনা কৰে অৰুণে উচ্চতৰ মাধ্যমিক পৰীক্ষা ভালদৰে পাছ কৰক আৰু তাৰ পিছত নিজেই নিজক নিয়ন্ত্ৰণ কৰক। কিন্তু কি হ'ব অৰুণে যেন মিনটোৰ সময়খিনি ঠিকমতে মিলাব পৰা নাই। যিমানখিনি একাগ্ৰতাৰে পঢ়িব লাগে সিমানখিনি যেন পঢ়িব পৰা নাই।

আজি কেইদিনমান আগতে তাৰ চিনাকী বন্ধু এটিয়ে কলেজৰ বাৰ্ষিক পৰীক্ষাত আশাকৰা মতে নম্বৰ নোপোৱাত অভিভাৱক মাক-দেউতাকে শিক্ষকসকলক পাৰে মানে গালি পাৰিলে। এইবুলি ক'বলৈও দ্বিধাবোধ নকৰিলে যে শিক্ষকে শুদ্ধ উত্তৰ কাটি দি হিংসাতে নম্বৰ নিদিলে বুলি অভিযোগ আনিলে। এনেকুৱা অভিভাৱকৰ আকৌ শিক্ষকৰ ওপৰত মুঠেই বিশ্বাস নাই, মাত্ৰ যিকোনো উপায়ে পৰীক্ষাত নম্বৰ লাগে।

অৱশেষে এইবাৰ তাৰ প্ৰিয় শিক্ষকৰ মনমৰ সুবিধা বুজি কেইদিনমানৰ বাবে ছুটি বিচাৰিলে। মানে সি ক্লাচত অনুপস্থিত থাকিব। বহুত দিনে ঐ পৰা গণিতৰ প্ৰখ্যাত শিক্ষকজনে প্ৰত্যক্ষ দিয়াৰ বাবে এই কথা ক'ব সাহস নকৰিলে। দেউতাকৰ লগত কাজিয়া কৰিলে। তাৰ ইচ্ছা স্থানীয় যুৱকসকলৰ লগত মিলি বিভিন্ন হ'ব লগা কাৰাটে প্ৰতিযোগিতাত যাব ওলাল। মাজে সময়ে কোনৰ দৰে ব্যস্ত থকা ঠিক সিইতৰ ঘৰৰ ওচৰৰ প্ৰশিক্ষণ দাতা পাগলোকাৰীটোৱে অৰুণক বুজালে, আমাৰ দেশত কাৰাটেক বুদ্ধি হিচাবে লৈ ভাত মিলাব নোৱাৰি। অৱশেষে একো নোকোৱাকৈ আঁতৰি আহিল। প্ৰতিযোগিতাতে যোগদান কৰি ঘূৰি আহিল। বৰ বেছি সফলতা লাভ কৰিব নোৱাৰিলেও গোটেই ৰাতি মুকলি আকাশৰ তলত শোৱাৰ অভিজ্ঞতা লাভ কৰিলে। শিক্ষানুষ্ঠানৰ দুসহলীয়া ছাত্ৰৰ ওপৰত পৰে। ঘৰত থকিলে ৰাতি মাকে দুবাৰ চিনিবাৰ চোৱা ল'ৰাক গোটেই ৰাতি নহে কাটুৰিলে। তাতে আকৌ প্ৰতিযোগিতাত পেটত ক্লো পৰিল।

সময়ে সময়ে অৰুণ গুৱাহাটীলৈ যায়, বন্ধৰ দিনত, মিছাকৈ ছুটি লৈ যায়। তাৰ শিক্ষক এজনেও তেওঁক নিজৰ কামত গুৱাহাটীলৈ যায়। একেলগে ট্ৰেইনত যোৱাৰ বাবেহে আচল কথাটো ধৰাই পৰিল। ইমান দিনে কথাটো ভালদৰে গমেই পোৱা নাছিল। কথাবোৰ কৰ্ণ নকৰাকৈ কৈ পেলালে। সি তাৰ গুৱাহাটীত হোৱা এজনী গাৰ্লফ্ৰেণ্ডৰ আছে। একেলগে আমাৰ কলেজতে পঢ়া। পঢ়াত বেছ ভালেই। নাম অৱন্তি। অৰুণৰ চাবে কথাটো আচৰিত বুলি নকলে মাত্ৰ ক'লে কৈশোৰ ক্ষেত্ৰতে এই ধৰণৰ ঘটনাই কোমলমতীয়া ছাত্ৰৰ পঢ়াত আঘাত আনে। সেয়েহে ইয়াৰ যাতে অশুভ প্ৰভাৱ নপৰে তাৰ বাবে সাৱধানতা অৱলম্বন কৰিবলৈ দিলে।

অৱন্তিয়ে অৰুণৰ পঢ়াৰ কথা প্ৰায়েই সোধে। এতিয়া দুয়োজনে দুখন বেলেগ বেলেগ শিক্ষানুষ্ঠানত পঢ়ে, সেয়ে একেটা বিষয় বেলেগ বেলেগ শিক্ষকে কেনেকৈ পঢ়ায় সেই সম্বন্ধেও কথা পাতে। টেষ্ট পৰীক্ষাত কিমান নম্বৰ পাইছে সোধাত অৰুণ বিপাকত পৰিল। নম্বৰৰ কথাটো বাদেই তাৰ পৰীক্ষাই আশাকৰা মতে হোৱা নাই। অৱন্তিয়ে আন্তৰিকতাৰে তাক ক'বলৈ ধৰিলে, তুমি যদি আমাৰ মৰ্যাদা অটুট ৰাখিব খোজা তেনেহলে ভৱিষ্যত তোমাৰ বাবেই অন্ধকাৰ নহয় মোৰ বাবেও অশান্তিকৰ হ'ব। অইতাত উদ্বুদ্ধ পৰীক্ষাৰ প্ৰাৰম্ভিক আহিলে কি হ'ব ভাবি চোৱাচোন। এতিয়াও সময় আছে ঠিকমতে পঢ়া যাতে আমাৰ দিনবোৰ সহজে সম্পূৰ্ণ হ'ব পাৰে। অৰুণে আগতে বোধহয়ে ঠিকমতে পঢ়িম বুলি ভাবিছিল কিন্তু কাৰ্যত পৰিণত হোৱা নাছিল। এইবাৰ সি দৃঢ় হ'ল তাৰ সিদ্ধান্ত কাৰ্যত পৰিণত কৰিব। এই সম্বন্ধে তাৰ সিদ্ধান্তৰ কথা শিক্ষকক জনালে। শিক্ষকে ক'লে, আগতে যিখিনি সময়ত অন্য ছাত্ৰ-ছাত্ৰীয়ে আমাক তথ্যাদিয়েও পঢ়িছিল সেই সময়ত তুমি অন্য কামত নিজকে ব্যস্ত ৰাখিছিলা সেইয়ে তাৰ ক্ষতিপূৰণ দিবলৈ অধিক কষ্ট কৰিব লাগিব। অৱশেষে মাক-দেউতাকৰ আশাৰ কথা, শিক্ষকৰ আন্তৰিকতা সমস্ত ৰাখি অপচয়কাৰী সহপাঠীবোৰ, বন্ধুবোৰ বাদ দিলে। মিনটোৰ কেইটামান সময় ঘৰত থাকিব ল'লে। অৱন্তিৰ চিঠি আহিলে মাকৰ মুখৰ বা আহ্নিকালি সিমান সহজ নহয়। তাৰ তৃতীয়া বন্ধুত্বৰ দৃঢ়তাৰে কম দিনৰ হেনো ভাল কৰিবই। অৱশেষে এইবাৰ কথাও আহে, আইনষ্টাইনে প্ৰবেশিকা পৰীক্ষাত তিনিবাৰ ফেইল কৰিও বিশ্ববিখ্যাত হ'ব পাৰিছিল, শাৰীৰিকভাৱে অক্ষম, বাকশক্তিহীন ষ্টিফেন হকিং আজি পৃথিৱী বিখ্যাত। আন বন্ধুৰ লগত তাৰ প্ৰিয় শিক্ষকেও আন্তৰিকভাৱে আশা কৰে অৰুণ পুনৰ ঘূৰি আহিব বুলি। ■



# ENGLISH SECTION

# ছাত্ৰ একতা সভা ১৯৯৩–৯৪



বহি : (বাওঁফালৰ পৰা) শ্ৰীৰাধাচৰণ ৰাভা (তত্বাৱধায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি), শ্ৰীমলয় কুমাৰ বৰ্মন (ছাত্ৰ জিৰণি কোঠা), অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস (সভাপতি, ছাত্ৰ একতা সভা), শ্ৰীৰবীন্দ্ৰ ভট্টাচাৰ্য (তত্বাৱধায়ক, আলোচনী), মো: বিল্লাল হুচেইন (তত্বাৱধায়ক, ব্যায়াম বিভাগ)

থিয় হৈ : (বাওঁফালৰ পৰা) মিচ বিদুলী দাস (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), শ্ৰীবাসু কুমাৰ গোস্বামী (উপ-সভাপতি), শ্ৰীজোন দাস (সাংস্কৃতিক সম্পাদক), শ্ৰীঅলকেশ ৰায়ন (সাধাৰণ সম্পাদক), শ্ৰীকাজল কুমাৰ দাস (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), শ্ৰীবিক্ৰমজিৎ তালুকদাৰ (সম্পাদক, গুৰু খেল বিভাগ), শ্ৰীবিভাষ চন্দ্ৰ সাহা (সম্পাদক, ব্যায়াম বিভাগ), শ্ৰীসঞ্জয় কুমাৰ চৌধুৰী (ক্ৰীড়া বিভাগ)

থিয় হৈ : (বাওঁফালৰ পৰা) শ্ৰীসমীৰ কুমাৰ চাহা (সম্পাদক, আলোচনী), শ্ৰীৰূপ কুমাৰ দাস (সহ: সাধাৰণ সম্পাদক), শ্ৰীচন্দন কুমাৰ সাহা (শ্ৰেণী প্ৰতিনিধি, বাণিজ্য বিভাগ, ৩য় বৰ্ষ)



'৯৩-'৯৪

শ্ৰীকৰবী দাস
শ্ৰেষ্ঠ অভিনেত্ৰী

কৰ্ম্মি আনন্দ তালুকদাৰ
শ্ৰেষ্ঠ অভিনেতা

শ্ৰীৰণজিৎ তালুকদাৰ
শ্ৰেষ্ঠ পৰিচালক

একেৰাহে দুই বছৰ শ্ৰেষ্ঠ সাহিত্যিকৰ আসন
অলংকৃত কৰা আমাৰ কলেজৰ ছাত্ৰ
হেমন্ত কুমাৰ দাস।
শ্ৰেষ্ঠ নাট— 'বিভ্ৰান্তি'



৯৩-৯৪



অভিনেতাসমূহ— ৰাওঁফালৰ পৰা বহি শ্ৰীনায়না কলিতা, স্বৰ্গীয় আনন্দ তালুকদাৰ।
থিয় হৈ ৰাওঁফালৰ পৰা— শ্ৰীউৎপল কুমাৰ দাস, শ্ৰীমুকুট তালুকদাৰ আৰু শ্ৰীতিলক শৰ্মা।





মিঃ বি.এইচ. বিপ্লৱ সাহা








ভাৰত চৰকাৰৰ 'মানৱ সম্পদ উন্নয়ন' বিভাগৰ দ্বাৰা ১৯৯২ চনত (ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সৌজন্যত) আয়োজিত ৰাষ্ট্ৰীয় সংহতি শিবিৰৰ কাৰ্য্যসূচীৰ বিভিন্ন কাৰ্য্য ক্ৰমনিকাত নিয়োজিত ব্যক্তিসকলৰ তৎকালিন কেইটামান বাস্তৱ আৰু গুৰুত্বপূৰ্ণ মুহূৰ্তক কেমেৰাৰে আৱদ্ধ কৰি ৰাখি বাস্তৱ ৰূপত চিটুৰে সজাই তুলিছে।




বি.এইচ. কলেজ 'ইংলিচ লিটাৰেৰি চ'চাইটিৰ সৌজন্যত' আয়োজিত 'Seminar on Shakespeare' ত অংশ গ্ৰহণকাৰী সদস্য/সদস্যাবৃন্দ।



# INSURGENCY IN NORTH-EAST INDIA WITH SPECIAL REFERENCE TO ASSAM

**Sri R.C. Rabha**
Lecturer, Deptt. of Political Science



North-East area originally comprised of the composite Assam or Old Kamrupa and the two native states of Manipur and Tripura. Assam alone, as it exists today, no longer comprises the North-East Region. It is only one of the constituents forming the region. The other constituents are Nagaland, Meghalaya, Manipur, Tripura, Mizoram and Arunachal Pradesh. N.E. Region is very sensitive from the strategic point of view. No other part of India other than the N.E. Region has boundaries which are clearly vulnerable to outside powers. The area is surrounded by four foreign countries i.e. Bhutan, Burma, Bangladesh and China. 3/4th of the area of Tripura is surrounded by Bangladesh, Nagaland and Manipur and in the east north Burma with proximity to China as boarder area. Bhutan, China, Burma, Bangladesh touch 4825 km. in length. Breakdown boundary figures are as follows : Boundary between Assam and Bhutan – 500 km.,

বকুত সু-উচ্চ হিমালয়ৰ দৰে দৃঢ়তাৰে জাতিৰ দুৰ্যোগৰ বেলিকা পৃথিৱীৰ শ্ৰেষ্ঠতম মূল্যবান সম্পদ প্ৰাণকো বিসৰ্জন দিব পৰা মহান বীৰ শ্বহীদসকলৰে প্ৰাৰম্ভণিতে আমাৰ অশ্ৰুসিক্ত প্ৰণিপাত জনাইছোঁ। অসমৰ সুন্দৰ ভৱিষ্যতৰ বাবে যি সকলে নিজৰ ভৱিষ্যত জীৱনৰ বাবে পংগু হৈ নিস্বাৰ্থভাৱে আজিও আমাৰ আদৰ্শৰ প্ৰতীক হৈ ৰ'ল সেইসকল বীৰ পুৰুষক সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ।

সিদিনা ১৯৯৩ চনৰ ১১ ডিচেম্বৰ শনিবাৰ প্ৰতি শ্ৰেণীতে শ্ৰেণীনিৰ্ব্বাচন (Class Election) হয়। শ্ৰেণীৰ ভিতৰ সৰ্ব্বোচ্চ ভোটত জয় লাভ কৰি নিৰ্ব্বাচক মণ্ডলীৰ সদস্য হওঁ। ১৬/১২/৯৩ ইং তাৰিখ বুধবাৰে পৰোক্ষ নিৰ্ব্বাচন পদ্ধতিৰে মইয়ে ১৩ বছৰৰ মুৰত প্ৰথম নিৰ্ব্বাচিত সাধাৰণ সম্পাদক বি, এইচ কলেজৰ। ২২/১২/৯৩ ইং বৃহস্পতি বাৰে বি, এইচ কলেজৰ নৱনিৰ্ব্বাচিত সম্পাদক হিচাবে শপত গ্ৰহণ কৰা হয়, আৰু সিদিনাই এখনি কাৰ্য্যনিৰ্ব্বাহক সভাৰ আহ্বান কৰি কলেজ সপ্তাহৰ দিন আৰু বাজেট স্থিৰ কৰা হয়।

**কলেজ সপ্তাহ :** ৫/১/৯৪ ইং তাৰিখৰ পৰা ১০/১/৯৪ ইং তাৰিখলৈ ছয়দিনীয়া কাৰ্য্যসূচীৰে বি, এইচ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। প্ৰথম কাৰ্য্যসূচী মতে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে আমাৰ মহাবিদ্যালয়ৰে অধ্যক্ষ তথা সভাপতি মাননীয় শ্ৰীযুত সত্যনাথ দাসদেৱে। শ্বহীদ তৰ্পন কৰে অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দিলীপৰঞ্জন দত্তদেৱে। ক্ৰীড়া অনুষ্ঠান মুকলি কৰে জিলা ক্ৰীড়া বিষয়া শ্ৰীযুত ভুবেন্দ্ৰ চৌধুৰীদেৱে। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে শ্ৰীযুত অৰুণ দাস দেৱে।

কলেজ সপ্তাহৰ বিভিন্ন খেল, সাংস্কৃতিক, ব্যায়ম, আদিৰ প্ৰতিযোগিতা সমূহৰ অন্তত শেষৰ দিনাখন অৰ্থাৎ ১০/১/৯৪ ইং তাৰিখে মুকলি সভা, বঁটা বিতৰণি অনুষ্ঠান আৰু সন্ধিয়া এখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। মুকলি সভাত সভাপতিৰ আসন গ্ৰহণ কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে। সভাত মুখ্য অতিথি হিচাবে মঞ্চ অলংকৃত কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড. উমেশচন্দ্ৰ ডেকাদেৱে।

সাংস্কৃতিক সন্ধিয়া উন্মোচন কৰে শ্ৰীযুত অৰুণ দাসদেৱে। সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণৰ বাবে আমন্ত্ৰন কৰি অনা হয়, গুৱাহাটী অনাঁতাৰ শিল্পী শ্ৰীজুৰি দাসক। অনাঁতাৰ শিল্পীৰ লগতে আমাৰ বি,এইচ কলেজৰে ন-পুৰণি শিল্পীসকলে সাংস্কৃতিক সন্ধিয়া আকৰ্ষনীয় কৰি তোলে। উক্ত সাংস্কৃতিক সন্ধিয়াৰে অষ্টবিংশতিতম মহাবিদ্যালয় সপ্তাহ সামৰণি পৰে।

**বিভিন্ন উৎসৱ :** বিগত বছৰবোৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত বহসংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত শ্ৰী শ্ৰী সৰস্বতী পূজা, ফাতেহা-ই-দোহাজ দহাম, গণৰাজ্য দিৱস আদি পালন কৰা হয়।

**নৱাগত আদৰণি সভা :** বিভিন্ন প্ৰান্তৰ বিদ্যালয়, মহাবিদ্যালয়ৰপৰা আমাৰ মহাবিদ্যালয়লৈ আহি নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আকোৱালি লোৱাৰ উদ্দেশ্যে এই বছৰো ২৪/৯/৯৪ ইং তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। প্ৰতি বছৰৰ দৰে পতাকা উত্তোলন, শ্বহীদ তৰ্পণ কাৰ্য্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। দিনৰ ২ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱে আৰু মুখ্য অতিথি হিচাবে অংশ গ্ৰহণ কৰে জি, এল, চি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত



সুধীৰ চন্দ্ৰ অধিকাৰীদেৱে। নিৰ্দ্দিষ্ট বক্তা হিচাবে আমাৰ মহাবিদ্যালয়ৰে শিক্ষা গুৰু শ্ৰীযুত সৃজনচন্দ্ৰ নাথদেৱ, শ্ৰীযুত অৰুণ দাসদেৱ, শ্ৰীযুত ৰাম অৱতাৰ মাহেশ্বৰীদেৱ আৰু খগেশ্বৰ নাথ দেৱে। সভাৰ শেষত সন্ধিয়া কলেজৰ চৌহদত বন্তি প্ৰজ্জলন কৰা হয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বৰপেটা জিলাৰ উপায়ুক্ত মাননীয় শ্ৰীযুত সঞ্জীৱ কুমাৰদেৱে। উপায়ুক্ত গৰাকীয়ে ছাত্ৰ সমাজৰ কিছুমান গঠনমূলক আৰু গুৰুত্বপূৰ্ণ পৰামৰ্শও আগবঢ়ায়।

সাংস্কৃতিক সন্ধিয়াত অংশ গ্ৰহণৰ বাবে গুৱাহাটীৰ পৰা আমন্ত্ৰিত শিল্পী মিঠুন হাচান, পাৰবিন ৰহমান, মজনদৈৰ ইকোগোষ্ঠীৰ দাদুল চলিহা, মিচ মল্লিকা চলিহা আৰু আমাৰ কলেজৰে বহতো ন-পুৰণি শিল্পীয়ে সাংস্কৃতিক সন্ধিয়া অধিক আকৰ্ষনীয় কৰি তোলে।

**অন্যান্য অৰ্হতা আৰু কিছু আভাস :** মোৰ কাৰ্য্যকালৰ ভিতৰত ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ যৌজন্যত হাইদৰাবাদত অনুষ্ঠিত হোৱা পূৰ্ব ভাৰতীয় গণতন্ত্ৰ দহদিনীয়া কেম্পত আমাৰ মহাবিদ্যালয়ৰ ছয় জনীয়া দল এটাই অংশ গ্ৰহণ কৰে। আৰু হাইদৰাবাদত যথেষ্ট সুখ্যাতিৰে সম্মান আৰ্জি দিল্লীৰ গণতন্ত্ৰ দিৱসলৈ আমাৰ দলটো নিৰ্ব্বাচিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ সুকষ্ঠী ছাত্ৰী মিচ ফুলদেৱীয়ে কেবাটাও পদক লাভ কৰাৰ উপৰিও আমাৰ কলেজ আলোচনীখনেও এটা পদক লাভ কৰি মহাবিদ্যালয়ৰ যথেষ্ট সম্মান কঢ়িয়াই আনে। আনন্দৰ কথা যে মোৰ কাৰ্য্যকালতেই উৎকৃষ্ট মানদণ্ডৰ এখন নতুন কেন্টিন বনোৱা হয় আৰু মহাবিদ্যালয়ৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহৰ কাম প্ৰায় শেষ হৈ আহে।

**আমাৰ দাবী সমূহ :**

১। শীঘ্ৰে বিজ্ঞানৰ স্নাতক মহলা খোলৰ ব্যৱস্থা।

২। কেন্টিনৰ খাদ্য উৎকৃষ্ট আৰু উন্নত কৰা।

৩। ছাত্ৰ-ছাত্ৰী নিৱাসৰ কোঠাৰ সংখ্যা বৃদ্ধি কৰা।

৪। মহাবিদ্যালয়ৰ সন্মুখত দক্ষিণ ফালে যোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে এটি 'জিৰণি চ'ৰা'ৰ ব্যৱস্থা কৰা।

৫/ পুথিভঁড়ালত একাধিক কিতাপ দিয়াৰ ব্যৱস্থা কৰা।

**আমাৰ দুৰ্ভাগ্য :** বি, এইচ মহাবিদ্যালয়ৰ বি.কম চূড়ান্ত বৰ্ষৰ ছাত্ৰ আমাৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ শ্ৰী আনন্দ তালুকদাৰক হেৰুৱাব লগীয়া হয়। তেখেতৰ আত্মাৰ সদগতিৰ বাবে ২/৮/৯৪ ইং তাৰিখে এখনি শোক সভা হয় লগতে একেই শোক সভাত অসম সাহিত্য সভাৰ সভাপতি ডঃ নীলা গগৈৰ আকস্মিক মৃত্যুত আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালৰৈ আন্তৰিক সমবেদনা জনোৱা হয়।

**মই ঋণী :** শেষত মোক বিগত বছৰৰ বি, এইচ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি গধুৰ দায়িত্ব অৰ্পণ কৰা সংশ্লিষ্ট ব্যক্তিসকলৰ ওচৰত চিৰ ঋণী। মোৰ কাৰ্য্যকালৰ ভিতৰত বহুতো ভুল হৈ যোৱাটো স্বাভাৱিক। সীমিত জ্ঞান আৰু সীমিত অভিজ্ঞতাৰে কাৰ্য্যসূচী পালন তথা ৰূপায়ন কৰিবলৈ চেষ্টা কৰিছিলো। তাত কিমানদূৰ কৃতকাৰ্য হৈছো, সেই বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত। মোৰ যদি ক'ৰবাত অজ্ঞাত ভুল ক্ৰটি হৈছে তাৰ বাবে মহাবিদ্যালয়ৰ এজন সদস্য হিচাবে ক্ষমা কৰিব।

মোক প্ৰতিখোজতে সৎ পৰামৰ্শ দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰু শ্ৰীযুত অৰুন দাস, ৰাধাকৃষ্ণ বাডা, হংসধ্বজ চৌধুৰী, অৰুন পাঠক, ডঃ অমল ভৌমিক, ডঃ ৰমেন দাস, দিলীপৰঞ্জন দত্ত, ৰবীন ভট্টাচাৰ্য্য, মুনীন্দ্ৰ নাৰায়ন গোস্বামী, অতুল বৰ্মণ, ৰাম অৱতাৰ মহেশ্বৰী, খগেশ্বৰ নাথ, মৃণাল ভৌমিক, মহেশ কেদীয়া প্ৰমুখ্যে শিক্ষাগুৰুসকলৰ ওচৰত চিৰদিন শিৰ নত হৈ থাকিব।

মোৰ কাৰ্য্যকাল সম্পন্ন কৰাৰ বাবে গোটেই বছৰ বিশেষভাৱে সহায় কৰা বাবে পূজনীয় দাদাসকল হিমাংশু ভৰালী, ৰণজিৎ তালুকদাৰ, বাতুল শইকীয়া, মনজিৎ গোস্বামী, মনজিৎ দাস, বিজু, কুল, ৰাজেশ, বন, মুন, নব, ৰাবেন, প্ৰসন্ন, সঞ্জীৱ, নয়ন, ধনজিত, সীমান্ত, অপূৰ্ব দাদাসকললৈ মই চিৰ ঋণী হৈ থাকিম। তাৰোপৰি মোৰ বন্ধু ভাইটিসকল— মনোহৰী, নবীন, নগেন, নয়ন, মনোৰঞ্জন, গুনিন, দ্বিজেন, বাবুল, গৌতম, সুনীল, ৰাতুল, মনোজ, জয়ন্ত, দীনেশ, ভুবেন, গনি, বিক্ৰম, কাজল, ভাইটি ৰক্মেন্দ্ৰ, গৌৰী, নিবাস, উমেদ, মানিক, ৰাজমনি, সুভাষ, ফুলেন, ৰুবুল, ৰাজীৱ, বিকাশ, সৌৰভ, ৰাজেশ, মুন, নীপ। লগতে মোৰ গোটেই কাৰ্যকালছোৱাত বি, এইচ কলেজ ছাত্ৰ-ছাত্ৰী নিৰাসৰ সহায়-সহযোগিতা অতুলনীয়।

বান্ধৱী — ভনীতা, মৌচুমী, নিবেদিতা, জয়া, নমিতা, পিতালী, নমিতা, মনানিছা, নয়নমনি, হাজেৰা, ৰেখা। এই আটাইবিলাক বন্ধু-বান্ধৱী, ভাইটি সকলৰ উপৰিও নাম কৈ শেষ কৰিব নোৱাৰা বহুজনে মোক সহায় সহযোগ কৰাৰ বাবে মই চিৰ কৃতজ্ঞ নহৈ নোৱাৰি। মোৰ পূজনীয় প্ৰতাপ দা, হিতেশ দা, অৰূপ দা, প্ৰদ্যুম দা, অমল দা, মানৱ দা, মনজিৎ দা, প্ৰদীপ দা, খগেন দা, মঙ্গল দা, আৰু জয়ন্তক পাহৰিব নোৱাৰিম।

সদৌ শেষত বি; এইচ মহাবিদ্যালয়ৰ আটাইকে অভিনন্দন আৰু ধন্যবাদ জনালো। মই বি, এইচ মহাবিদ্যালয় পৰিয়ালৰ এজন হিচাবে সদায় সুখ-দুখৰ অংশীদাৰ হোৱাৰ প্ৰতিশ্ৰুতিৰে আটাইলৈ ধন্যবাদ জনালো।

"জয়তু বি,এইচ কলেজ

"জয়তু ছাত্ৰ একতা সভা"

"জয় আই অসম"

ধন্যবাদেৰে

শ্ৰীঅলকেশ ৰায়ন

সাধাৰণ সম্পাদক, বি,এইচ কলেজ





# বি. এইচ কলেজৰ ছাত্ৰ একতা সভাৰ সহঃ সাঃ সাম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিলো।

যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিঃ এইচ কলেজৰ ১৯৯৩-৯৪ চনৰ সহঃ সাঃ সম্পাদক ৰূপে মনোনীত কৰি কলেজৰ সেৱা আৰু ছাত্ৰ-ছাত্ৰীক সহায় আগবঢ়োৱাৰ সুযোগকন দিলে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে অনুষ্ঠিত হোৱা কলেজ সপ্তাহৰ এক আকৰ্ষণ হিচাপে "প্ৰদৰ্শনী" অনুষ্ঠিত কৰাৰ দায়িত্ব মোৰ ওপৰত অৰ্পিত আছিল। অৱশ্য ইয়াৰ আগতে এই দায়িত্ব "ছাত্ৰী জিৰণী কোঠাৰ" সম্পাদিকাৰ ওপৰত ন্যস্ত আছিল। প্ৰাক্তন সঃ সাঃ সম্পাদক সকলৰ ওপৰত কোনো ধৰণৰ এনে বিশেষ দায়িত্ব কলেজৰ পৰা দিয়া হোৱা নাছিল। কিন্তু তেওঁলোকৰ বিনম্ৰ অনুৰোধ আৰু কলেজ কৰ্তৃপক্ষৰ সু-বিচাৰ মৰ্মে এই চনৰ পৰা ' 'প্ৰদৰ্শনী" অনুষ্ঠিত কৰা দায়িত্ব ভাৰ "ছাত্ৰী জিৰণী কোঠাৰ" সম্পাদিকাৰ পৰা সঃ সাঃ সম্পাদকৰ হাতলৈ স্থানান্তৰিত কৰে।

১৯৯৩-৯৪ চনৰ কলেজ সপ্তাহৰ ভিতৰতে তিনি দিনীয়া কাৰ্যসূচী হাতত লৈ মই প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিলো।

সংস্কৃতত এষাৰ কথা আছে যে "ছাত্ৰনাম অধ্যয়নং তপঃ" অৰ্থাৎ ছাত্ৰছাত্ৰীৰ অধ্যয়নেই একমাত্ৰ তপস্যা, যদিও সমাজৰ সকলো কামতেই প্ৰধান মুখপাত্ৰৰ দৰে সহযোগ কৰে। তাৰেই এক প্ৰতিচ্ছবি দাঙি ধৰিছিল কলেজ সপ্তাহ উপলক্ষে হোৱা প্ৰদৰ্শনী স্থলীত।

বিভিন্ন জনগোষ্ঠীৰ এক মিলনস্থল হ'ল এই শিক্ষানুষ্ঠান। ইয়াত বিভিন্ন সংস্কৃতিৰ পৰা অহা ছাত্ৰ-ছাত্ৰী আছে। আৰু ইয়াৰ এক উজ্জ্বল প্ৰমান দাঙি ধৰিছিল 'প্ৰদৰ্শনীত' প্ৰদৰ্শনীত হোৱা বিভিন্ন সাজ-পোছাক, কলাকৃষ্টি, হস্তশিল্প, ছবি ইত্যাদিৰ মাধ্যমেৰে। কোনোবাই যদি বিভিন্ন সংস্কৃতিৰ বিষয়ে জানিব বিচাৰে বা চাব বিচাৰে তেন্তে এনে ধৰণৰ প্ৰদৰ্শনীতে সেই সকলোবোৰে একে লগে বিচাৰি পাব আৰু উপভোগ কৰিব পাৰিব।

এই প্ৰদৰ্শনী স্থলীতে এক প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। এই প্ৰতিযোগিতাৰ বিভিন্ন দিতানত বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ কলা-কৃষ্টিৰে সৈতে ভাগ লৈছিল। আৰু যিসকলে এই প্ৰতিযোগিতাত জয়ী হৈছিল তেওঁলোকৰ পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰৰে সৈতে সম্মানিত কৰিছো আৰু তেওঁলোকে প্ৰতিবছৰে অনুষ্ঠিত হব লগা এই প্ৰদৰ্শনী অনুষ্ঠানত এনেদৰে অংশ গ্ৰহণ কৰিবলৈ শুভেচ্ছা জনালো। লগতে যিসকল প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি জয়ী হব নোৱাৰিলে তেওঁলোকক নিৰাশ নহৈ আগলৈও এনে প্ৰচেষ্টা আগত ৰাখি প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ শুভেচ্ছা থাকিলো।

ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়ৰ প্ৰদৰ্শনী স্থলীত সকলো কালৰ পৰা উন্নত মানৰ কৰিবলৈ অশেষ চেষ্টা কৰিছিলো। আৰু এই চেষ্টা সফল কৰিবলৈ যিসকলে মোক অশেষ

কষ্ট কৰি সহযোগিতা আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। আৰু আগলৈও মহাবিদ্যালয়ৰ এনেধৰণৰ কাৰ্যসূচীত সহায় উপদেশ আদিৰে সহযোগিতা আগবঢ়াই ইয়াতকৈও উন্নতমানৰ কৰি গঢ়ি তুলিব বুলি আশা ৰাখিলো।

ইয়াৰ উপৰিও বিভিন্ন অনুষ্ঠানত যেনে — কলেজ সপ্তাহ, নৱাগত আদৰণি সভা, শিক্ষক দিৱস, সৰস্বতী পূজা, ফাতেহা-ই-দোহাজ দাহম আদি অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ আৰু লগতে ছাত্ৰ-ছাত্ৰীৰ লৈতে পাৰ্যমানে সহায় আগবঢ়াইছো। আৰু এনেবোৰ কামত সহযোগিতা কৰিবলৈ সুবিধাকণ পাই খুব আনন্দিত হৈছিলো। এনে কাৰ্য কৰোতে মই কিমানদূৰ সফল হব পাৰিছো সেয়া আপোনালোকে বিচাৰ কৰিব। আৰু লগতে মোৰ কাৰ্যকালচোৱাত হোৱা অপ্ৰত্যাশিত আৰু অবাঞ্ছিত ভুলৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ।

মোৰ কাৰ্যভাৰ চলাই নিয়াত দিহা পৰামৰ্শৰে লৈতে সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু, দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাই-ভনী সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত বিঃ এইচ কলেজৰ শৈক্ষিক দিশৰ লগতে আন আন দিশতো সমানে উজ্জ্বল ভবিষ্যৎ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বি. এইচ কলেজ

শ্ৰী ৰূপকুমাৰ দাস
সঃ সাঃ সম্পাদক
১৯৯৩-৯৪





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ শুভ আৰম্ভণিতে সুজলা-সুফলা শস্য-শ্যামলা অসমী আইৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিকেইজন মহান বিপ্লৱীয়ে অসম মাতৃৰ চৰণযুগল এটোপাল উষ্ণতেজ টেকুৰাবে ধুৱাই দি মৃত্যুঞ্জয় কৰিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি যাচিলোঁ। কলা-সংস্কৃতিৰ বন্তি জ্বলাই শুভবুদ্ধিৰ মানসেৰে ওলাই অহা বাৰেবৰণীয়া জাতি-জনজাতি, ভাষিক গোষ্ঠী, ধৰ্ম-বৰ্ণ আৰু ভিন-ভিন সম্প্ৰদায়ৰ স্বাধীনতা, সমতা আৰু ভাতৃত্বৰ শ্লোগানেৰে অনুপ্ৰাণিত পবিত্ৰ মিলন ভূমি এই বি.এইচ. কলেজৰ প্ৰগতিৰ কামনাৰে মৃত্যুক সাৱতি লোৱা অধ্যাপক স্বৰ্গীয় উৎপলানন্দ ডেকা আৰু স্বৰ্গীয় আব্দুল কাদেৰ দেৱক শ্ৰদ্ধাৰে সুঁৱৰি তেখেতসকলৰ বিদেহী আত্মাৰ শুভ কামনা কৰিছোঁ।

শিক্ষা আৰু সমন্বয়ৰ মিলনতীৰ্থ বি.এইচ. কলেজৰ দৰে এটা মহান অনুষ্ঠানৰ সাংস্কৃতিক বিভাগৰ গুৰুত্বপূৰ্ণ পদত মোক পৰোক্ষ নিৰ্বাচনেৰে নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ।

বিগত বছৰৰ দৰে এই বছৰো "কলেজ সপ্তাহ" সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাৰে অনুষ্ঠিত হৈ যায়। এই বছৰৰ সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰে মাননীয় অধ্যাপক শ্ৰীযুত অৰুণ দাসদেৱে। উক্ত "কলেজ সপ্তাহ"ত অনেকসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। কিন্তু দুৰ্ভাগ্যবশত কলেজ সপ্তাহৰ মাজত এদিন অসম বন্ধ থকা বাবে সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা বাতিল কৰিব লগা হয়। প্ৰতিযোগিতাৰ মানদণ্ড উন্নত আছিল যদিও বৈদ্যুতিক বিভ্ৰাটৰ বাবে প্ৰতিযোগিতা নিয়াৰিকৈ চলাই নিয়াত কিছু অসুবিধা হৈছিল। কলেজ সপ্তাহৰ বঁটা বিতৰণৰ দিনাখন এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীবৃন্দৰ লগতে গুৱাহাটীৰ কোকিলকণ্ঠী গায়িকা জুবি দাসে গীত পৰিৱেশন কৰিছিল।

মোৰ কাৰ্যকালতে গুৱাহাটী আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত বি.এইচ. কলেজৰ শ্ৰেষ্ঠা গায়িকা মিচ্ ফুল দেৱীয়ে 'গজল' প্ৰতিযোগিতাত দ্বিতীয় স্থান আৰু 'আলোচনী' প্ৰতিযোগিতাত তৃতীয় স্থান (সম্পাদক শ্ৰীহেমন্ত কুমাৰ দাস) অধিকাৰ কৰি বি.এইচ. কলেজলৈ সুনাম কঢ়িয়াই আনে। এই যুৱ মহোৎসৱ পৰিচালনা কৰিছিল অধ্যাপক শ্ৰীযুত মৃণালকান্তি ভৌমিকদেৱে।

প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ দৰে মোৰ কাৰ্যকালতো 'নৱাগত আদৰণি সভা'ত সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। এই সাংস্কৃতিক সন্ধিয়া উন্মোচন কৰে বৰপেটা জিলাৰ উপায়ুক্ত মাননীয় শ্ৰীযুত সঞ্জীৱ কুমাৰ দেৱে। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠান বি.এইচ. কলেজৰ ছাত্ৰ স্বৰ্গীয় আনন্দ তালুকদাৰৰ সোঁৱৰণত অৰ্পণ কৰা হৈছিল। এই সাংস্কৃতিক সন্ধিয়াত গুৱাহাটীৰ জুনিয়ৰ কুমাৰ চানুৰূপে খ্যাত মিঠুন হাছান আৰু পাৰবিন ৰহমান আৰু মঞ্চলৈ "ষ্টক" গোষ্ঠীৰ জুনিয়ৰ উষা উথুপৰূপে খ্যাত মিচ্ মল্লিকা চলিহা, দাদুল চলিহা আৰু বেৰী ডেকাই গীত পৰিৱেশন কৰি মঞ্চ আকৰ্ষণীয় কৰিছিল।

ঐক্য, শান্তি আৰু প্ৰগতিৰ এনাজৰিৰে বান্ধি পেলোৱা বি.এইচ. কলেজৰ সাংস্কৃতিক সম্পাদক একজনৰ দায়িত্ব আৰু কৰ্তব্য নিঃসন্দেহে গধুৰ আৰু কষ্টপূৰ্ণ। এই দায়িত্ব পালনত মই কিমানখিনি সফলতা লাভ কৰিব পাৰিছো সেই কথা মোৰ অৱগত নহয়, কিন্তু দৃঢ়তাৰে, কৰ্তব্য আৰু দায়িত্ব পালনত নিষ্ঠাৰ ত্ৰুটি কৰা নাই। তথাপিও মোৰ অবাঞ্ছিত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছো।

মোৰ কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ততে সৎ পৰামৰ্শ আৰু সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ দাস, ছাত্ৰ একতা সভাৰ

ভাবপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত অৰুণ দাস, সাংস্কৃতিক বিভাগৰ ভাবপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত অৰুণ চন্দ্ৰ পাঠক আৰু লগতে শ্ৰীযুত মৃণালকান্তি ভৌমিক, খৰ্গেশ্বৰ নাথ, মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, অতুল বৰ্মণ, এ.কে. খান, সুভাষ দাস প্ৰমুখ্যে সমূহ অধ্যাপক- অধ্যাপিকা আৰু মোক সৰ্বতোপ্ৰকাৰে সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাবৃন্দৰ উপৰিও বন্ধু-বান্ধৱী সৰ্বশ্ৰী অসীম, ব্ৰজেন, কিচক, মানৱ, বাবুল, বিবিক্তি, তনন, অচ্যুত, বনজিত, ফুল, জেনীচ, উৰ্মী, নমিতা, গীতালী, কৃষ্ণা, বিনীতা, বজু, বাজশ্ৰী, মনীষা, ৰূপালীম আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত শিক্ষা আৰু সমন্বয়ৰ মিলন ভূমি বি.এইচ. কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু বি এইচ কলেজ"
"জয়তু ছাত্ৰ একতা সভা"

ধন্যবাদেৰে

জোন দাস
সম্পাদক, সাংস্কৃতিক বিভাগ
বি এইচ কলেজ, হাউলী





# ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি, অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস আৰু উপাধ্যক্ষ শ্ৰীৰবীন্দ্ৰ কুমাৰ দাস প্ৰমুখ্যে যিসকল বৰেণ্য ব্যক্তিয়ে বি.এইচ. কলেজ স্থাপনৰ পৰা আজিলৈকে কলেজৰ উন্নতিকল্পে আপ্ৰাণ চেষ্টা চলাই আছে, তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। আৰু লগতে বি.এইচ. কলেজৰ লেখীয়া মহান অনুষ্ঠান এটিৰ প্ৰতি সেৱা আগবঢ়াবলৈ মোক সুযোগকণ দিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কলেজ এখনৰ ক্ৰীড়া বিভাগৰ দায়িত্ব অতি গধুৰ। তথাপিতো মই বহু আশা আৰু এক মহান প্ৰতিশ্ৰুতি লৈ ক্ৰীড়া বিভাগৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিছিলো, কিন্তু তাত মই কিমানদূৰ সফল হ'ব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য। বিশেষকৈ এই বিভাগৰ খেলসমূহত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব নোখোজে। তাৰোপৰি বহুতো ছাত্ৰ- ছাত্ৰীয়ে ভাবে যে খেল-ধেমালিত অংশগ্ৰহণ কৰিলে লিখা-পঢ়াৰ ক্ষতি সাধন হয়। কিন্তু সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ ভুল ধাৰণা। ছাত্ৰ-ছাত্ৰীসকলে এই ভুল ধাৰণা পাহৰি এটা কথা মনত ৰখা উচিত যে– "সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ দেশৰ সম্পদ।" তাৰোপৰি খেল- ধেমালি ছাত্ৰজীৱনৰ এটা অন্যতম অধ্যায়। ই দৈহিক আৰু শাৰীৰিক গঠনত বহুখিনি সহায় কৰে। মই সম্পাদক থকা সময়ছোৱাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই বিভাগৰ খেলসমূহত অংশগ্ৰহণ কৰি স্বকীয় প্ৰতিভাৰে পাৰদৰ্শিতা দেখুৱাইছে তেখেতসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো আৰু লগতে অনুৰোধ কৰিছো যে আগলৈও এই বিভাগৰ খেলসমূহত সকলো ছাত্ৰ-ছাত্ৰীয়ে দুগুণ উৎসাহেৰে উৎসাহিত হৈ অংশগ্ৰহণ কৰে।

মোৰ বিভাগৰ খেলসমূহ চলাই নিয়াত যিসকল অধ্যাপক- অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগ আগবঢ়াইছে তাৰে ভিতৰত বিশেষকৈ মোৰ বিভাগৰ ভাবপ্ৰাপ্ত অধ্যাপক শ্ৰীকৃষ্ণ কিংকৰ মহন্ত, অধ্যাপক শ্ৰীমৃণালকান্তি ভৌমিক, অধ্যাপক শ্ৰীঅৰুণ পাঠক, অধ্যাপক শ্ৰীদিলীপৰঞ্জন দত্ত, অধ্যাপক শ্ৰীসুভাষ দাস, অধ্যাপিকা শ্ৰীযুতা শ্ৰীৰাধাচৰণ ৰাভা, অধ্যাপক ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত গোলাম মুস্তাফা, প্ৰতাপ নাথ, অমল দাস, ভানু তালুকদাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত গোলাম মুস্তাফা, প্ৰতাপ নাথ, অমল দাস, মনজিত দাস, ৰবিতা দাস, ৰাজেন বাস্ফোৰ, মন্দাকিনী দাস, নৰ পাঠক, সঞ্জীৱ দাস, ধনজিৎ নাথ, মিন্টু দাস, সুনীল কলিতা এইসকল শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মই চিৰকৃতজ্ঞ। তাৰোপৰি আমাৰ কলেজৰে প্ৰাক্তন ছাত্ৰদ্বয় শ্ৰীজগদানন্দ তালুকদাৰ আৰু শ্ৰীমনোজ পাঠকে এই বিভাগৰ খেলসমূহৰ পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰি খেল সমূহ সুচাৰুৰূপে পৰিচালনা কৰি মোক যিখিনি সহায়-সহযোগ আগবঢ়াইছে তাৰবাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। তাৰোপৰি শ্ৰীকৃষ্ণকিংকৰ মহন্তদেৱে যিখিনি নিপুণতাৰে খেলসমূহ পৰিচালনা কৰি মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়াইছে তাৰ বাবে তেওঁৰ নাম মোৰ হৃদয়ত চিৰদিন অটুট থাকিব।

সদৌ শেষত, এই মহান অনুষ্ঠানৰ উত্তৰোত্তৰ কামনাৰ লগতে সমূহ অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত মঙ্গল কামনা কৰি মোৰ অজানিত ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বি এইচ কলেজ"
"জয় আই অসম"

ধন্যবাদেৰে

সঞ্জয় কুমাৰ চৌধুৰী
সম্পাদক, ক্ৰীড়া বিভাগ
বি এইচ কলেজ



# গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত আমাৰ মাজত জ্ঞানৰ মন্দিৰ বি, এইচ মহাবিদ্যালয় নিৰ্মাণ হ'ল, অসমৰ জাতীয় আন্দোলনত যিসকল বীৰ-বীৰঙ্গনাই অসমৰ অস্তিত্ব আৰু জাতিৰ স্বকীয় বৈশিষ্ট্য ৰক্ষাৰ্থে প্ৰাণাহুতি দি তেওঁলোকৰ বুকুৰ কেঁচা তেজেৰে অসমৰ মাটি ৰাঙলী কৰি যি ত্যাগ আৰু সাহসৰ পৰিচয় দি থৈ গ'ল সেইসকল মহান শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। বি, এইচ মহাবিদ্যালয়ৰ প্ৰগতিৰ বাবে আজীৱন অধ্যৱসায় কৰি থকা স্বনামধন্য অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস আৰু উপাধ্যক্ষ শ্ৰীযুত গিৰিন্দ্ৰ কুমাৰ দাস মহাশয়দ্বয়লৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু প্ৰণাম যাচিলো।

১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ গুৰুখেল বিভাগৰ সম্পাদক হিচাপে মনোনীত কৰি কাৰ্যভাৰ চলাই নিয়াৰ সুবিধা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলো। এনেকুৱা এটি গধুৰ দায়িত্ব গ্ৰহণ কৰাৰ সুযোগ পোৱাত মই সচাঁকৈয়ে আনন্দিত। নাজানো মোৰ এই কৰ্তব্য পালনত কিমান দূৰ কৃতকাৰ্য হৈছো। সেয়া আপোনালোকৰ বিচাৰৰ বিচাৰ্য।

শাৰীৰিক আৰু মানসিক সুস্থতা ৰক্ষা কৰাত খেলা-ধূলাৰ কিমান গুৰুত্ব আছে সেয়া সকলোৰে জ্ঞাত। সেয়েহে চৰকাৰে খেলক শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিতকৰিছে।

অপ্ৰিয় হ'লেও সত্য যে আমাৰ মহাবিদ্যালয়খন খেলা-ধূলাৰ ক্ষেত্ৰত যি ভাবে আগবাঢ়িব লাগিছিল সেইভাৱে আগবাঢ়িব পৰা নাই। মহাবিদ্যালয়খন এই ক্ষেত্ৰত এতিয়ালৈকে তথাকথিত ভাবে নানা অভাৱ-অভিযোগৰ পৰা হাত সাৰিব পৰা নাই। মই আশা কৰিছো, খেল বিভাগৰ ভবিষ্যৎ কাৰ্যকৰ্তা সকলে অসুবিধাসমূহ আঁতৰাই বৰ্তমানৰ পৰ্যায়ক উন্নত পৰ্যায়লৈ নিবলৈ চেষ্টা কৰে যেন। আমাৰ কাৰ্যকালত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ" টো উলাহ-মালহেৰে সামৰণি পৰে। মোৰ অধীনত থকা খেলবোৰ হ'ল ক্ৰিকেট আৰু ফুটবল। এই দুয়োবিধেই উত্তেজনাপূৰ্ণভাৱে আৰম্ভ হৈ ভালদৰেই শেষ হৈ যায়। অজানিতে এই দায়িত্ব পালনত কিছুমান ত্ৰুটি হৈ যোৱাটো স্বাভাবিক তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা মাগিছোঁ।

মোৰ এই কাৰ্যকালত মোক সকলোফালৰপৰা দিহা পৰামৰ্শেৰে সহায় সহযোগিতা আগবঢ়োৱা গুৰুখেল বিভাগৰ তত্বাৱধায়ক মাননীয় অধ্যাপক শ্ৰীযুত মৃণালকান্তি ভৌমিক চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোক উৎসাহ ,পৰামৰ্শ আৰু খেল পৰিচালনাত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় বিজয় দা, সঞ্জীৱ দা, কুলজিৎ দা, সীমান্ত দা, ৰাজকুমাৰ দা, কমল দা, স্বৰ্গীয় আনন্দ দা, বিপুল দা, গগন দা, ভাস্কৰ দা, অশোক দা, দীপক দা, মোৰ বন্ধু প্ৰদ্যুৎ, কাজল, অৰূপ, মৃদুল (মিন্টু), জিতেন আৰু ভাইটি ক্ৰমে হিতেন, অনুপ, নাগেশ, নিৰঞ্জন আৰু বিশেষভাৱে বিপ্লৱ (মুন্না) লৈ তথা বি. এইচ ছাত্ৰবাসৰ সমূহ বাসিন্দকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত বৰপেটা ৰোড,হাউলী মহাবিদ্যালয়ৰ ঐক্য, শান্তি আৰু প্ৰগতি কামনা কৰি মোৰ প্ৰতিবেদন ইয়তে সামৰিলো।

ইতি

শ্ৰীবিক্ৰমজিৎ তালুকদাৰ
সম্পাদক গুৰুখেল বিভাগ
বি এইচ কলেজ





# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মই মোৰ দেশ, জাতি আৰু মাটিক ভাল পাওঁ বুলি— যিসকল অমৰ শ্বহীদে বুকুৰ তেজেৰে অসমী আইৰ চৰণ ধুৱালে, সেইসকল প্ৰয়াত বীৰ শ্বহীদৰ সোঁৱৰণত শ্ৰদ্ধা নিবেদিছো। শিক্ষক আৰু সমন্বয়ৰ মিলনতীৰ্থ বি, এইচ কলেজৰ দৰে এটা মহান অনুষ্ঠানৰ 'ছাত্ৰ জিৰণি কোঠা' বিভাগৰ নিচিনা গুৰুত্বপূৰ্ণ পদৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত কৰাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী তথা মৰমৰ বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বিগত বছৰৰ দৰে এইবাৰো ছাত্ৰ জিৰণি কোঠাৰ অন্তৰ্গত বিভিন্ন খেলসমূহ হৈ যায়। এই খেলবোৰত বিভিন্ন প্ৰতিযোগীয়ে তেওঁলোকৰ পাৰদৰ্শিতা দেখুৱায়। তেওঁলোকলৈ মোৰ হিয়াভৰা অভিনন্দন থাকিল।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মই কি কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। আশাকৰো মই মোৰ কাৰ্যকালত ফলৱতী হব নোৱাৰা কামসমূহ পৰৱৰ্তী সম্পাদকে দৃঢ় পদক্ষেপেৰে কাৰ্যকৰী কৰিব।

মোৰ কামত সকলো প্ৰকাৰে সহায় কৰাৰ বাবে মাননীয় অধ্যাপক শ্ৰীমৃণালকান্তি ভৌমিক, শ্ৰীমলয় বৰ্মণক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। মোৰ খেলসমূহ সুকলমে চলাই নিয়াৰ বাবে বিজয়দা, অশোকদা, উৎপলদা, দীপকদা, ধৰ্মেন্দ্ৰদা, কল্যাণদা, ৰূপেনদা, হিৰণ্যদা, বসন্তদা, বগলদা, নয়নদা, হেমেনদা, দিগন্তদা, সঞ্জীবদা, ভিক্ষেশ্বৰদা, ৰাণাদা, ভউদা, উৎপলদা, বন্ধু প্ৰদ্যুৎ, বিক্ৰম, গৌতম, হলধৰ, অৰূপ, মৃদুল, মৃগেন, মনো, নবীন, বাতুল, ৰনজিৎ, প্ৰদীপ, আৰু ভাইটি, বিপ্লৱ, অশোক, বিকাশ, কমল, নিপ, নিকুঞ্জ, জিতেন, নাগেশ, মৃগেন, অনুপ, ধ্ৰুব, নিৰঞ্জন, বিভূতি, নিতুল, আদিলৈ মোৰ আন্তৰি কৃতজ্ঞতা থাকিল।

সদৌ শেষত প্ৰতিবেদনত নজনাকৈ হোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু বি. এইচ কলেজৰ মংগল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বি, এইচ কলেজ
জয় আই অসম।

শ্ৰীকাজল কুমাৰ দাস
সম্পাদক ছাত্ৰ জিৰণি কোঠা



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনীতে বৰপেটা ৰোড-হাউলী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ তথা সমূহ অধ্যাপক অধ্যাপিকালৈ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভইচ্ছা নিবেদন কৰিলো। লগতে যিসকল শুভাকাঙ্খী বন্ধু-বান্ধৱীয়ে মোক ১৯৯৩-৯৪ চনৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচন কৰি বিশেষ সেৱাৰ সুযোগ প্ৰদান কৰিলে সেই সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিগত বছৰটোত মোৰ সফলতা কিমান তাৰ পৰিমাপৰ দায়িত্ব সমূহ ছাত্ৰ-ছাত্ৰীলৈ অৰ্পণ কৰিলো। ভাবিছিলো ছাত্ৰী জিৰণী কোঠা এটাত থাকিবলগীয়া প্ৰায় সকলোখিনি সুবিধাই মই ছাত্ৰীবৃন্দৰ বাবে প্ৰদান কৰিম। কিন্তু সময় আৰু সুবিধাৰ অভাৱত তাক সম্ভৱ কৰিব নোৱাৰিলো। সেইবোৰৰ ভিতৰত কেইটামান হ'ল প্ৰচাৱখানাৰ ভিতৰত পানীৰ সু-ব্যৱস্থা কৰা, ছাত্ৰ-ছাত্ৰীৰ উপযোগী প্ৰতিযোগিতামূলক আলোচনী আৰু বাতৰি কাকতৰ যোগান ধৰা, উন্নত চিঠিৰ বাকচৰ ব্যৱস্থা কৰা, বিশুদ্ধ পানীৰ বাবে পানী পৰিষ্কাৰকৰ ব্যৱস্থা কৰা ইত্যাদি বহুতো প্ৰয়োজন পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। আশা আৰু অনুৰোধ কৰোঁ যে মোৰ পৰৱৰ্তী সম্পাদিকা বান্ধৱীয়ে মোৰ এই আধৰুৱা কামবোৰ পূৰণ কৰি ছাত্ৰী বৃন্দক অধিক সুবিধা প্ৰদান কৰিব।

উল্লেখনীয় যে, জিৰণী কোঠাটোৰ বাতাবৰণ বিশুদ্ধ আৰু আকৰ্ষণীয় কৰিবলৈ প্ৰচাৱখানা পায়খানাত দুৱাৰসহ বাল্টি, মগৰ যোগান ধৰা, খিৰিকিত পৰ্দা লগোৱা, পানী খাবৰ বাবে গিলাচৰ ব্যৱস্থা কৰা, বেচিনৰ ব্যৱহাৰ কাৰ্যকৰী কৰিবলৈ নলীৰ ব্যৱস্থা কৰা ইত্যাদি কামবোৰ বাস্তৱায়িত কৰি অপৰিপাটী কোঠাটো সুন্দৰভাৱে সজোৱাত সক্ষমতা প্ৰদান কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক মোৰ শ্ৰদ্ধাৰ অঞ্জলী নিবেদন কৰিলো।

মহাবিদ্যালয় সপ্তাহত মই ছাত্ৰীৰ মাজত কেৰম, চাইনিজ-চেকাৰ আৰু দবাৰ উপৰিও পোণ প্ৰথমবাৰৰ বাবে 'নৃত্য' আৰু 'দৰ্শন স্মৰণ লিখন' প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো।

মহাবিদ্যালয়ৰ নুমলীয়া ছাত্ৰী হিচাপে মই যি বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক সকলৰ পৰা সৎ উপদেশ আৰু সহায় সহযোগিতা পাইছিলো তেওঁলোক মোৰ বাবে সদায় শ্ৰদ্ধাৰ আৰু স্মৰণীয় হৈ ৰ'ব। মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ আবাসী হিচাপে ছাত্ৰাবাস আৰু ছাত্ৰী নিৱাসৰ পৰা পোৱা সহায়ৰ বাবে মই সেই সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। ছাত্ৰী নিৱাসৰ অধীক্ষক গণেশ গোস্বামী মহোদয়ে মোক কিছুমান বিশেষ সুবিধা প্ৰদান নকৰা হ'লে হয়তো সকলো কাম সুচাৰুৰূপে পালন কৰিবলৈ সক্ষম নহ'লোহেঁতেন। সেয়েহে মই তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ।

সদৌ শেষত মহাবিদ্যালয়ৰ বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ পৰা পোৱা মৰম-চেনেহ, সহায়-সহযোগিতাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞতাৰ প্ৰতিশ্ৰুতি ৰাখিলো আৰু মোৰ অতিকৈ চেনেহৰ এই মহাবিদ্যালয়খনৰ ভৱিষ্যত উজ্জ্বল পৰা উচ্চতম পৰ্যায়লৈ ধাবিত হোৱাৰ কামনাৰে, অবাঞ্ছিত ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম
জয়তু বি, এইচ, কলেজ

বিদুলী দাস
সম্পাদিকা ছাত্ৰী জিৰণী কোঠা
ছাত্ৰ একতা সভা
১৯৯৩-১৯৯৪ চন





# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বি,এইচ কলেজৰ প্ৰতি থকা মোৰ সশ্ৰদ্ধ নিবেদন জনাইছোঁ। মহাবিদ্যালয়ৰ সম্মনীয় শ্ৰদ্ধাৰ অধ্যক্ষদেৱ, উপাধ্যক্ষদেৱ আৰু অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৯৩-৯৪ চনত ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাবে যি সকল ব্যক্তিয়ে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিছে তেওঁলোকৰ প্ৰতি মোৰ কৃতজ্ঞতাও প্ৰকাশ কৰিছোঁ। সম্পাদক হিচাবে মই মোৰ কাৰ্য্যকাল লোৱাৰ পাছত কিমানখিনি কৃতকাৰ্য্যতা লাভ কৰিছোঁ সেইখিনি বি, এইচ কলেজৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলৰহে বিচাৰ্য্য বিষয়।

সমাজ সেৱাৰ সম্পাদক হিচাবে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পিছত" কলেজ সপ্তাহ" আৰম্ভ হয়। প্ৰতি বছৰৰ দৰে এই বছৰতো সমাজ সেৱাৰ ৪/১/৯৪ ইং তাৰিখে এটি কৰ্ম প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাৰ জৰিয়তে মহাবিদ্যালয়ৰ চৌহদ আদি পৰিষ্কাৰ কৰা হয়। সমাজ সেৱাৰ কৰ্মী সকলে নিজ দক্ষতা আগবঢ়াই প্ৰতিযোগিতাৰ সৌষ্ঠৱ বঢ়াইছে। প্ৰতিযোগীয়ে নিজৰ নিজৰ পাৰদৰ্শিতা দেখুৱা বাবে তেওঁলোকক বঁটা আগবঢ়াই পুৰস্কৃত কৰা হয়। এই সকল প্ৰতিযোগীলৈ মই অকুণ্ঠ শুভেচ্ছা জনাইছো। বি,এইচ কলেজৰ সমূহ প্ৰতিযোগীতাৰ ভিতৰতে নিজৰ দক্ষতা দেখুৱাই কৰ্ম প্ৰতিযোগীতাত শ্ৰেষ্ঠ কৰ্মী হিচাবে বঁটা লাভ কৰে শ্ৰীঅঞ্জনজ্যোতি দাস। এওঁলৈ মোৰ আন্তৰিক হিয়াভৰা মৰম থাকিলো। লগতে মোৰ কাৰ্য্যকালৰ ভিতৰত সৰস্বতী পূজা, আৰু নৱাগত আদৰণী সভা উপলক্ষে মহাবিদ্যালয় চৌহদৰ সমাজসেৱাৰ কৰ্মীৰ দ্বাৰা পৰিষ্কাৰ কৰা হয়। সেই সকল ব্যক্তিলৈ মই ধন্যবাদ জনাইছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকালত সকলো দিশতে পৰামৰ্শ আগবঢ়োৱা বাবে পূজনীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ দাস আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাধাচৰণ বাভাদেৱ আদি শিক্ষা গুৰু সকললৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰত দেহে-কেহে সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা বন্ধুসকল প্ৰণৱ, কুলেন, দিপাংকৰ, প্ৰতাপ, বুবুল, ৰাজেন, সঞ্জয়, দিগন্ত, কণক, নৱ, বিপ্লৱ আৰু বান্ধৱীসকল ৰূপালী, মনালিছা, বিনীতা, অঞ্জলী, ৰীতা, ৰবিতা, কণিকা, নিপা, জুমি। এওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ, চিৰ স্মৰণিয়।

সদৌ শেষত কাৰ্য্যকালত হোৱা ভুল ত্ৰুটি সমূহৰ ক্ষমা প্ৰাৰ্থনা কৰি ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যত আৰু লগতে বি, এইচ কলেজৰ মংগল কামনাৰে মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বি, এইচ, কলেজ ছাত্ৰ একতা সভা
জয়তু বি, এইচ, কলেজ
জয় আই অসম
জয় হিন্দ।।

ধন্যবাদেৰে—

শ্ৰীৰাজীৱ দাস
সম্পাদক, সমাজ সেৱা বিভাগ
১৯৯৩-১৯৯৪



# ব্যায়ম বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

**আৰম্ভণি :** অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান বৰপেটা ৰোড হাউলী মহাবিদ্যালয়ৰ ব্যায়ম বিভাগৰ সম্পাদক হিচাপে পৰিচয় দিবলৈ পাই মই পৰম আনন্দিত হৈছো। এই চেগতে যি সকল শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক এই সুবিধাকণ দিলে তেওঁলোকৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

**পৰিতাপ :** ব্যায়ম বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই লক্ষ্য কৰিছো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল এই বিভাগৰ অধীনস্থ প্ৰতিযোগিতাবোৰৰ প্ৰতি তেনেই উদাসীন। কিয়নো প্ৰতি বছৰেই অনুষ্ঠিত হোৱা বাৰ্ষিক প্ৰতিযোগিতাৰ সময়ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত খুব কম সংখ্যক প্ৰতিযোগীয়েহে এই প্ৰতিযোগিতাসমুহত অংশ গ্ৰহণ কৰে। ই বৰ পৰিতাপৰ কথা।

**অভিযোগ :** এইখিনিতে মই এটা অভিযোগ আগবঢ়াও যে বিগত বছৰৰ ব্যায়ম বিভাগৰ সম্পাদকৰ পৰা মুঠেও কোনো ধৰণৰ সহায়-সহযোগ পোৱা নাই। এখেতে মোক সহায় কৰিব বুলি কোনো ধৰণৰ চেষ্টাও কৰা নাই। লগতে আৰু এটা দুঃখৰ কথা যে মই সম্পাদক ৰূপে তেওঁ পুৰণি যিখিনি ব্যায়ম কৰা সঁজুলি আছিল তাৰে ভালেইখিনি সঁজুলি মই পোৱা নাই। অৰ্থাৎ বিগত সম্পাদকে মোক গতাই দিয়া নাই। বৰং নিজেই তেওঁ বিচাৰোতেও কোনো ভ্ৰূক্ষেপ কৰা নাই। অৱশেষ মোৰ সম্পাদকীয় বছৰৰ পৰা সম্পূৰ্ণ ৰূপে নতুন ব্যায়ম সঁজুলিৰ ব্যৱস্থা কৰাত মই কোনো ধৰণৰ সমস্যাৰ সন্মুখীন হোৱা নাই। যদিও সীমিত সা-সুবিধাখিনি সঁজুলিৰ দিনেদি পূৰণ কৰা হৈছে তথাপি ব্যায়মাগাৰ স্থাপন কৰিব লগা নাটনি কিন্তু পূৰণ হোৱা নাই। এই অভাৱখিনি পূৰণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বৃদ্ধিৰ হোৱাৰ লগতে প্ৰতিযোগিতাৰ মানও অধিক উন্নত হব বুলি আশা কৰিব পাৰি। আশা কৰো কৰ্তৃপক্ষই এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিব।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ কাৰ্যকালছোৱাত গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ মাননীয় শ্ৰীযুত দিবীন্দ্ৰকুমাৰ দাস, ভাৰপ্ৰাপ্ত অধ্যাপক বিল্লাল হুচেইন, অধ্যাপক মৃণালকান্তি ভৌমিক আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীঅলকেশ ৰায়লৈ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি মোৰ বিভাগত অনুষ্ঠিত হোৱা আসন, দেহশ্ৰী, পাঞ্জা ভাৰ উত্তোলন আৰু শক্তি উত্তোলন প্ৰতিযোগিতা সুকলমে পৰিচালনা কৰা বৰপেটা ৰোডৰ নিবাসী মাননীয় শ্ৰীকাৰ্তিক শৰ্মা, পৱেন দাস, নিৰ্মল বৰ্মণ আৰু মোৰ ককাইদেও বিকাশ চন্দ্ৰ সাহালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছোঁ। লগতে বিভিন্ন কাম কাজত মোক সহায় সহযোগ কৰা চন্দন সাহা, মহাদেৱ সাহা, গণেশ সাহা, বিপ্লৱ সাহা, হিমাংশু ভৰালী, বাতুল শইকীয়া, মনজিৎ গোস্বামী, কুলজিৎ পাটোৱাৰী, সনোজ সাহা, সুব্ৰত সাহা, বিংকু পোদ্দাৰ সাহা আৰু বান্ধৱীবোৰ সহযোগ কৰা বিউটি ঘোষ, জোনি সাহা, সুজাতা দত্ত, গৌৰী দাস, আৰু শিৱানী ৰায়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।



**সামৰণি :** সামৰণিতে মোৰ বিভাগৰ অধীনস্থ বিভিন্ন প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ শুভেচ্ছা জনাইছোঁ। আশাকৰো তেওঁলোকে প্ৰতিযোগিতাৰ মনোভাৱ আমাৰ মহাবিদ্যালয়তে সীমাবদ্ধ কৰি নাৰাখি আৰু আগুৱাই নিব।

শেষত মোৰ কাৰ্যকালছোৱাত জ্ঞাত বা অজ্ঞাতভাৱে হোৱা ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছোঁ।

জয়তু বি, এইচ, কলেজ
জয়তু বি, এইচ কলেজ ছাত্ৰ একতা সভা
জয় আই অসম।।

ধন্যবাদেৰে

শ্ৰীবিভাষ চন্দ্ৰ সাহা
সম্পাদক, ব্যায়ম বিভাগ
১৯৯৩-৯৪ ইং চন

# ১৯৯৩–৯৪ বৰ্ষৰ কলেজ সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল

### এমব্ৰডাৰী
### Embroidary

1. Miss Jenis Choudhury, T.D.C. 1st year (A).
2. Miss Phulan Das, H.S. 1st year (A).
3. Miss Anita Khamka, T.D.C. 3rd year (Com)

### নিটিং
### Knitting

1. Nil
2. Nil
3. Miss Gauri Dare, T.D.C. 3rd year

### ডাক টিকট সংগ্ৰহ
### Stamp Collection

1. Anup Kumar Dhirachariya, T.D.C. 2nd year (Com).
2. Rajatesh Ghosh, M.Com (Pre).
3. Anjan Jyoti Nath, T.D.C. 2nd year (A).

### মুদ্ৰা সংগ্ৰহ
### Coin Collection

1. Nil.
2. Ranjay Barman, T.D.C. 2nd year (Com).
3. Nil.

### ফেব্ৰিক পেইন্ট
### Fabric Paint

1. Anita Khamka, T.D.C. 3rd year (Com).
2. Gauri Dare, T.D.C. 3rd year
3. Nil.

### পুতলা সজা
### Doll Making

1. Gauri Dare, T.D.C. 3rd year.
2. Nil.
3. Nil.

### আপুৰুগীয়া সংগ্ৰহ

1. Miss Biduli Das, H.S. 1st year (Com)
2. Miss Reema Kalita, T.D.C. 3rd year (A)

### ক্ৰোশ্বেট
### Crochet

1. Nil.
2. Nil.
3. Miss Anita Khamka, T.D.C. 3rd year (Com)

### ক্ৰশষ্টিচ
### Cross stiching

1. Miss Kalpana Deri, M.Com (Pre).
2. Nil.
3. Nil.

### হাতে বোৱা কাপোৰ
### Weeving

1. Miss Nandita Bharali, T.D.C., 3rd year (A).
2. Miss Jonmani Das, T.D.C., 3rd year (A)
3. Miss Rashna Nath, H.S. 2nd year (A)

## RESULT OF EXHIBITION

### FLOWER DECORATION

1. Miss Jenish Choudhury, T.D.C. 2nd year (A)
2. Miss Panchali Das, T.D.C. 2nd year (Com).
3. Miss Himadri Das, H.S. 2nd year (A)

Consolation prize to
Mr. Simanta Choudhury, T.D.C. 3rd year (A)

### HANDMAKING T.V.

1. Mr. Hemanta Kumar Das, T.D.C. 3rd year (A)

Best Helper Mr. Saroj Bhagawati, T.D.C. 2nd year (Com)



### YOGASANA COMPETITION

1st. Bibhash Chandra Saha, T.D.C. 2nd year (Com)
(Continue 5 times champion)
2nd. Biplab Saha, H.S. 2nd year (A)
3rd. Amarendra Choudhury, T.D.C. 2nd year (Com).

### BODY BUILDING COMPETITION

1st. Biplab Saha, H.S. 2nd year (A)
(Mr. B.H. College two times)
2nd. Anup Choudhury, T.D.C. 2nd year (Com)
3rd. Kulajit Das, T.D.C. 1st year (A)

### WEIGHT LIFTING

1st. Rajesh Bhura, T.D.C. 3rd year (Com)
2nd. Bipul Pathak, T.D.C. 3rd year (Com)
3rd. Dibakar Boro, T.D.C. 1st year (A)
3rd. Kamal Gupta, T.D.C. 3rd year (Com)

### POWER LIFTING

1st. Rajesh Bhura, T.D.C. 3rd year (Com)
2nd. Gunajit Das, T.D.C. 1st year (Com)
3rd. Biplab Saha, H.S. 2nd year (A)
3rd. Khairul Sikdar, T.D.C. 3rd year (A)

### PANJA COMPETITION (BOYS)

1st. Rajesh Bhura (Cham), T.D.C. 3rd year (Com)
2nd. Gautam Das (Runners), H.S. 2nd year (A)
3rd. Khargeswar Sargiary, H.S. 1st eyar (A)

### PANJA COMPETITION (GIRLS)

1st. Roushanara Ahmed (Champion), T.D.C. 3rd year (A)
2nd. Beauty Ghose (Runners), T.D.C. 2nd year (Com)

### BOYS EVENT

#### 100 mtr. race

1st. Golam Mustafa, T.D.C. 3rd year (A)
2nd. Pratap Nath, H.S. 2nd year (A)
3rd. Joytirmoy Roy, H.S. 2nd year (Com)

#### 200 mtr. race

1st. Golam Mustafa, T.D.C. 3rd year (A)
2nd. Manik Barman, H.S. 1st year (A)
3rd. Kishan Boro, T.D.C. 1st year (A)

#### 800 mtr. race

1st. Golam Mustafa, T.D.C. 3rd year (A)
2nd. Hitendra Pathak, H.S. 1st year (Com)
3rd. Manik Barman, H.S. 1st year (A)

#### 1500 mtr. race

1st. Amal Das, H.S. 1st year (A)
2nd. Golam Mustafa, T.D.C. 3rd year (A)
3rd. Manik Barman, H.S. 1st year (A)
4th. Hitendra Pathak, H.S. 1st year (Com)

#### 100 mtr. Hurdle race

1st. Gopesh Barman, T.D.C. 2nd year (Com)
2nd. Pratap Nath, H.S. 2nd year (A)
3rd. Golam Mustafa, T.D.C. 3rd year (A)

#### Discuss throw

1st. Baneswar Boro, T.D.C. 2nd year (A)
2nd. Naba Bezbaruah, T.D.C. 1st year (Com)
3rd. Khairul Sikdar, T.D.C. 3rd year (A)

#### Shot-put

1st. Baneswar Boro, T.D.C. 2nd year (A)
2nd. Bijan Sargiary, H.S. 1st year (Com)
2nd. Hitendra Pathak, H.S. 1st year (Com)
3rd. Naba Bezbaruah, T.D.C. 1st year (Com)

#### Javelin throw

1st. Kishan Boro, T.D.C. 1st year (A)
2nd. Golam Mustafa, T.D.C. 3rd year (A)
3rd. Dibakar Boro

#### High Jump

1st. Sanjay Kumar Choudhury, T.D.C. 2nd year (A)
2nd. Dipen Das, H.S. 2nd year (A)
3rd. Gouri Sankar Kherkatari

#### Long Jump

1st. Gouri Sankar Kherkatari
2nd. Dipen Das, H.S. 2nd year (A)
3rd. Baharul Islam

#### Polt valt

1st. Hitendra Pathak, H.S. 1st year (Com)
2nd. Inshan Ali Ahmed, H.S. 1st year (A)
3rd. Babul Das, T.D.C. 1st year (Com)
3rd. Pratap Nath, H.S. 2nd year (A)

#### Best Athlete for boy's

1st. Golam Mustafa, T.D.C. 3rd year (A)

## Best Associate

1st. Rajen Baspay, H.S. 2nd year (A)

## GIRLS EVENT

### 100 mr. race

1st. Diptirekha Devi, T.D.C. 1st year (A)
2nd. Manalisha Das, H.S. 2nd year (A)
3rd. Bobita Das, H.S. 1st year (A)

### 200 mr. race

1st. Diptirekha Devi, T.D.C. 1st year (A)
2nd. Manalisha Das, H.S. 2nd year (A)
3rd. Junuka Nath, H.S. 1st year (A)

### 400 mr. race

1st. Sikdar Bimala Ahmed, H.S. 2nd year (A)
2nd. Fatema Nasrin, H.S. 1st year (A)
3rd. Junuka Nath, H.S. 1st year (A)
3rd. Diptirekha Devi, T.D.C. 1st year (A)

### 80 mr. Hurdle race

1st. Diptirekha Devi, T.D.C. 1st year (A)
2nd. Manalisha Das, H.S. 2nd year (A)
3rd. Bobita Das, H.S. 1st year (A)

### Discuss throw

1st. Chandana Nath, T.D.C. 1st year (A)
2nd. Manalisha Das, H.S. 2nd year (A)
3rd. Junuka Nath, H.S. 1st year (A)

### Shot-put

1st. Diptirekha Devi, T.D.C. 1st year (A)
2nd. Manalisha Das, H.S. 2nd year (A)
3rd. Alaka Patowari, T.D.C. 3rd year (A)

### Javelin throw

1st. Manalisha Das, H.S. 2nd year (A)
2nd. Diptirekha Devi, T.D.C. 1st year (A)
3rd. Junuka Nath, H.S. 1st year (A)

### Cricket Ball throw

1st. Sandhya Nath, T.D.C. 2nd year (A)
2nd. Bobita Das, H.S. 1st year (A)
3rd. Himadri Das, H.S. 2nd year (A)

### Long Jump

1st. Junuka Nath, H.S. 1st year (A)
2nd. Sikdar Bimala Ahmed, H.S. 2nd year (A)
3rd. Sandhya Nath, T.D.C. 2nd year (A)

### High Jump

1st. Junuka Nath, H.S. 1st year (A)
2nd. Nipamani Das, H.S. 1st year (A)
3rd. Dulumani Das, T.D.C. 1st year (A)

Best Athlete for Girls Diptirekha Devi, T.D.C. 1st year (A)



# LIST OF DISTINGUISHED STUDENTS

| | | | |
|---|---|---|---|
| 1. | Smt. Dipa Ledger | P.U. (A)/69 | 5th with highest marks in Logic. |
| 2. | Usha Kumari Choudhury | P.U. (A)/74 | 3rd |
| 3. | Manju Kumari Agarwala | P.U. (A)/75 | 1st highest marks in Logic. |
| 4. | Sri Apurba Kr. Das | P.U. (Com)/75 | 1st. |
| 5. | Prasanta Kr. Pathak | P.U. (Com) | 5th. |
| 6. | Surendra Nath Das | P.U. (Com) | Highest marks in CA. |
| 7. | Sukumar Deb Sharma | P.U. (A)/76 | Highest marks in Mathematics. |
| 8. | Nishi Kanta Deka | P.U. (A)/76 | Highest marks in Eco. |
| 9. | Smt. Usha Kr. Choudhury | B.A/76 | 3rd in distinction. |
| 10. | Sri Onkermal Kedia | P.U. (A)/78 | 1st Hindi, Logic, Maths. Highest marks in Eco. |
| 11. | Sri Harish Kr. Agarwala | P.U. (Com)/80 | 4th with distinction in Com. |
| 12. | Bimal Kr. Agarwala | P.U. (Com) | Highest marks in CA . Distinction in CM. |
| 13. | Anil Kumar Boro | P.U. (A)/80 | 5th highest marks in Pol. Sc. |
| 14. | Kailash Prasad Sarada | P.U. (Com)/81 | 2nd distinction BKA, CA & CM. |
| 15. | Parameswar Lal Konoi | B.Com/83 | 1st class 7th. |
| 16. | Bimal Kumar Agarwala | B.Com/83 | 1st class 8th. |
| 17. | Kailash Prasad Sarade | B.Com/84 | 1st class 3rd. |
| 18. | Khorshed Alam | B.A./84 | 2nd class 1st in Pol. Sc. (There being no 1st class) |
| 19. | Smt Poonam Choudhury | P.U. (Com)/86 | 1st with distinction in BKA, CA & CM. |
| 20. | Sri Prabin Maheswary | P.U. (Com)/85 | 3rd highest marks in Eco. |
| 21. | Sri Sandeep Kumar Choudhury | H.S. (Com)/86 | Highest aggregate marks in Eco, & CG. |
| 22. | Sri Dwizen Patgiri | H.S. (Com)/86 | Highest aggregate marks in SAP. |
| 23. | Smt. Kashmiri Barkakaty | H.S. (Com)/86 | Highest aggregate marks in SAP. |
| 24. | Smt. Kabita Maheswary | H.S. (Com)/87 | 2nd with distinction in CA & CM. |
| 25. | Sri Raj Kumar Jain | B.Com/87 | 1st class 3rd. |
| 26. | Sri Subh Karan Bothra | B.Com/87 | 1st class 7th. |
| 27. | Sri Binod Kr. Agarwala | B.Com/87 | 1st class 11th |
| 28. | Sri Prabin Maheswary | TDC (Com)/88 | 1st class 1st (Maj) |
| 29. | Smt Poonam Choudhury | TDC (Com)/88 | 1st class 9th (Maj) |
| 30. | Smt Madhu Choudhury | TDC (Com)/88 | 1st class 10th (Maj) |
| 31. | Smt Chanda Biswas | TDC (A)/88 | 1st class 4th in Eco. |
| 32. | Sri Neel Aditya Nahata | H.S. (Com)/89 | 3rd highest marks in Insurance. |
| 33. | Sri Sandeep Kurmar Choudhury | TDC (Com)/88 | 1st class 8th in Major. |

## TDC Part II Commerce Examination '89, 100% Success

| | | | |
|---|---|---|---|
| 34. | Miss Kabita Maheswary | TDC II Com/90 | 1st class 2nd. |
| 35. | Satya Narayan Soroj | TDC II com/90 | 1st class 20th. |
| 36. | Mukul Ray | H.S. Com/91 | Highest marks in CAES. |
| 37. | Deepa Kumari Jain | B.Com/91 | 1st class 5th. |
| 38. | Ramesh Kumar Agarwala | B.Com/91 | 1st class 7th. |
| 39. | Jugal Kishor Barman | B.Com/91 | 1st class 10th. |
| 40. | Nitu Agarwala | H.S. Com/92 | 1st distinction BKA, CAES, E. Bocp. |
| 41. | Dipamani Das | H.S. (A)/92 | Distinction in Eco. & Phil. |
| 42. | Kamal Khemka | H.S. (Com)/93 | 5th distinction in CAES. |
| 43. | Neel Aditya Nahata | B.Com/92 | 1st class 2nd. |
| 44. | Deepa Agarwala | B.Com/92 | 1st class 2nd. |
| 45. | Mangilal Rathi | B.Com/93 | 1st class 19th. |
| 46. | Miss Rekha Choudhury | H.S. (Com)/94 | 5th position distinction BKA, CAES. |
| 47. | Sri Monoj Goswami | B.Com/94 | 1st class 18th. |
| 48. | Sri Umesh Kr. Goyal | B.Com/94 | 1st class 18th. |
| 49. | Sri Mukul Ray | B.Com/94 | 1st class 36th. |
| 50. | Sri Rajesh Upadhay | BA/94 | 1st class 4th in Eco. |

## List of Distinction students in M.Com (Final) Examination'92 (1st Batch) 100% Pass with

| | | | |
|---|---|---|---|
| 1. | Smt Jyoti Chachan | M.Com/92 | 1st class 1st. |
| 2. | Smt Kavita Maheswary | M.Com/92 | 1st class 6th. |
| 3. | Sri Kishor Khemka | M.Com/92 | 1st class 7th. |
| 4. | Sri Satya Narayan Soroj | M.Com/92 | 1st class 9th. |
| 5. | Smt Dipanita Choudhury | M.Com/92 | 1st class 10th. |



# বি এইচ কলেজৰ আলোচনী সম্পাদকসকল

| | | |
|---|---|---|
| ১. | আনোৱাৰ হুচেইন | ১৯৭১/৭২ |
| ২. | মোঃ নুৰ এলাহি | ১৯৭২/৭৩ |
| ৩. | মোঃ আব্দুল আজিজ আহমেদ | ১৯৭৩/৭৪ |
| ৪. | মোঃ নজৰুল ইচলাম | ১৯৭৪/৭৫ |
| ৫. | শ্ৰীখনীন্দ্ৰ মহন্ত | ১৯৭৫/৭৬ |
| ৬. | শ্ৰীধনকান্ত দাস | ১৯৭৬/৭৮ |
| ৭. | স্বৰ্গীয় আলী আকবৰ | ১৯৭৯/৮০ |
| | | ১৯৭৭/৭৮ |
| ৮. | শ্ৰীহেমেন দাস | ১৯৮০/৮১ |
| ৯. | শ্ৰীসমীৰণ মজুমদাৰ | ১৯৮২/৮৩ |
| ১০. | মোঃ হবিবৰ ৰহমান | ১৯৮৩/৮৪ |
| ১১. | শ্ৰীবলদেব ৰাভা<br>মোঃ মকবুল হুচেইন খান | ১৯৮৪/৮৫ |
| ১২. | মোঃ নজৰুল ইচলাম<br>শ্ৰীৰতন সাউদ | ১৯৮৫/৮৬ |
| ১৩. | শ্ৰীচন্দ্ৰকুমাৰ তালুকদাৰ<br>মোঃ আব্দুচ চামাদ আহমেদ | ১৯৮৬/৮৭ |
| ১৪. | মোঃ মোস্তাজ আলী<br>শ্ৰীৰাজেন শৰ্মা | ১৯৮৭/৮৮ |
| ১৫. | শ্ৰীপ্ৰানজিৎ সূত্ৰধাৰ<br>মোঃ ছফিউৰ ৰহমান | ১৯৮৮/৮৯ |
| ১৬. | শ্ৰীমৃগেন তালুকদাৰ<br>আঃ আহাদ আহমেদ | ১৯৮৯/৯০ |
| ১৭. | জগবন্ধু দাস<br>সহঃ মোঃ চাহেব আলী | ১৯৯০/৯১ |
| ১৮. | হেমন্ত কুমাৰ দাস<br>সঞ্জীৎ মুইন | ১৯৯১/৯২ |
| ১৯. | ব্ৰজেন দাস<br>আব্দুল ৰৌফ | ১৯৯২/৯৩ |
| ২০. | শ্ৰীসমীৰ কুমাৰ সাহা | ১৯৯৩/৯৪ |



নৱ-নিৰ্মিত বি.এইচ. কলেজ 'তোৰণ' আৰু কলেজখনৰ আংশিক সৌন্দৰ্য্য




বি.এইচ. কলেজৰ নতুন কেণ্টিনৰ সমুখত প্ৰতীক্ষাৰত কেইজনমান ছাত্ৰ